# সোণালী

## সোণাৰি মহাবিদ্যালয় আলোচনী

২০০৯-২০১০ বৰ্ষ



সম্পাদক

সৌৰভজ্যোতি চেতিয়া




# সোণালী

## সোণাৰি মহাবিদ্যালয় আলোচনী

২০০৯-২০১০ বৰ্ষ





সম্পাদক

সৌৰভজ্যোতি চেতিয়া






**"Sonali"**

Sonari College Journal : Vol - XXIII, 2009 - 2010 Edited by Sourav Jyoti Chetia : Published by Sonari College Students' Union : 2009-2010, on behalf of the Sonari College, Sonari, Sivasagar - 785 690

Printed at : Binayak Offset, Sankar Mandir Road, Sivasagar - 785 640


**সম্পাদনা সমিতি**

**সভাপতি ঃ**
ড° ৰাজেন তামুলী

**উপদেষ্টা ঃ**
দীপাঞ্জলী গগৈ
ৰীণা বৰঠাকুৰ
ৰাণু মহন

**সম্পাদক ঃ**
সৌৰভজ্যোতি চেতিয়া

**সদস্য ঃ**
দেৱানন্দ ফুকন
চন্দন লাহন
উদ্দিপ্তী মহন
মিথু ফুকন

**অলংকৰণ আৰু অংগসজ্জা ঃ**
অনিল বৰুৱা

**অক্ষৰ বিন্যাস ঃ**
ৰবীন বাইলুং
মণি দ্বীপা

**মুদ্ৰণ ঃ**
বিনায়ক অফচেট্,
শংকৰ মন্দিৰ পথ, শিৱসাগৰ

# উচৰ্গা



সোণাৰি মহাবিদ্যালয়ৰ
১৯৭০ চনৰ জন্মলগ্নৰে পৰা যিসকল মহান প্ৰৱক্তাৰ
অশেষ চেষ্টা, ত্যাগ আৰু কষ্টৰ ফলত
জ্ঞানৰ অংকুৰিত বীজ বটবৃক্ষ হৈ
আমাৰ বাবে প্ৰজ্ঞাৰ দুৱাৰ মুকলি কৰিলে,
বৰ্তমান যি সকল প্ৰৱক্তাৰ আপ্ৰাণ প্ৰচেষ্টাত
মহাবিদ্যালয়খন এটি দুৰন্ত শিখা হৈ
জ্ঞানৰ আলোকেৰে অজান আন্ধাৰ ভেদি
প্ৰগতিৰ বাটত নিজৰ গতি অব্যাহত ৰাখি
সোণালী বাট কাটি দিবলৈ সক্ষম হৈছে
যিসকল অক্লান্ত কৰ্মীয়ে মহাবিদ্যালয়ৰ
উন্নতি হকে শ্ৰম, অৰ্থদান কৰিছে
সেইসকলৰ লগতে এই জ্ঞানৰ মন্দিৰত
শিক্ষাগ্ৰহণ কৰা
সমূহ ছাত্ৰ-ছাত্ৰী আৰু 'সোণালী'ৰ সমূহ
শুভাকাংক্ষী পাঠকৰ
হাতত সুহৃদয়ৰে এই সংখ্যাৰ
'সোণালী'খন অৰ্পন কৰিলোঁ।

— সম্পাদক



# শ্ৰদ্ধাঞ্জলি

"সোঁৱৰণী মোৰ, সেয়ে হওঁক তোৰ বাণী
শৰাই ভৰাই দিলো ফুল, তাতো চকুপানী"

মৃত্যু শাশ্বত; কিন্তু মৃত্যু মানে পৰিসমাপ্তি অথবা মৰিশালীৰ চিতা নহয়।
"মৃত্যু এক নিৰ্লোভ ভাস্কৰ্য্য।"

যিসকল স্বনামধন্য, শিল্পীপ্ৰাণ ব্যক্তিয়ে মহাবিদ্যালয়খন জ্ঞানৰ আলোকেৰে আলোকিত এটি দুৰন্ত শিখা হৈ তিমিৰ ভেদি প্ৰগতিৰ বাট কাটি আগুৱাই যোৱাত অক্লান্ত পৰিশ্ৰম আৰু আপ্ৰাণ প্ৰচেষ্টা আগবঢ়াই স্বদেশ তথা স্বজাতিৰ বাবে আদৰ্শৰ উজ্জ্বল নিদৰ্শন দেখুৱাই আমাৰ মাজৰ পৰা আঁতৰি গ'ল সেইসকল চিৰনমস্য ব্যক্তিলৈ শৰাই ভৰাই অশ্ৰু অঞ্জলি নিবেদিছোঁ।

লগতে, অসমৰ ভাষা, সাহিত্য, সংস্কৃতি আদি বিভিন্ন ক্ষেত্ৰত বহুমূলীয়া অৱদান আগবঢ়াই সোণালী স্বাক্ষৰ ৰাখি যোৱা শিল্পী, সাহিত্যিক, কবি, নাট্যকাৰ, বিপ্লৱী, সাংবাদিক, শিক্ষক আদি সকলৈলে প্ৰাকৃতিক দুৰ্যোগ, সন্ত্ৰাসবাদীৰ সন্ত্ৰাস, দুৰ্ঘটনা আদিত মৃত্যুক আঁকোৱালি লোৱা শত সহস্ৰ জ্ঞাত অজ্ঞাত বিশ্বাবাসীলৈ হৃদয়ৰ নিভৃত কোণৰ পৰা তেওঁলোকৰ আত্মাৰ সদগতিৰ অৰ্থে প্ৰাৰ্থনা জনাই চকুলোৰ পুষ্পাৰ্ঘ নিবেদিলোঁ।

**সম্পাদক**



# হে শ্বহীদ প্ৰণামো তোমাক

"আই তোৰ আঁচলত অতবোৰ ৰঙাগোলাপৰ কলি
আলফুলকৈ ললি শত শ্বহীদৰ বুকুৰ বিমল হাঁহি"

স্বদেশ আৰু স্ব-জাতিৰ হকে বুকুৰ শোণিত
নিগৰাই, অসমী আইৰ বুকু শুদা কৰি
জীৱন আহুতি দিয়া বীৰ শ্বহীদ
সকলৰ পবিত্ৰ আত্মাক
এই সোণালী ক্ষণত
শ্ৰদ্ধাৰে সোঁৱৰিছো।

"অহাৰ দৰে উভতি আঁতৰি গ'লা
বাটে বাটে ফুল সিঁচি থৈ
ৰ'দৰ তাপত মৰহি শুকালে
তোমাৰ কথাকে আছো কৈ....."

# মহাবিদ্যালয় সংগীত

ৰচনা, সুৰ ঃ শ্ৰীৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই

সাৰে আছো আমি
হেজাৰ সেনানি
জ্ঞানৰ পূজাৰী হৈ;
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাতত লৈ।

সেউজী আমাৰ মনৰ পৃথিৱী
জ্ঞানেৰে জীপাল কৰা,
দুখ দৈন্য দূৰতে বিদুৰি
হৰষে উপচাওঁ ধৰা;
দৃষ্টি আমাৰ দূৰ দিগন্ত
পাখি মেলি উৰি যাওঁ
শান্তিৰ পখী হৈ।।

সৃষ্টিৰ কঠিয়া আহা গুজি দিওঁ
আমাৰ মনৰ পথাৰতে,
অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাওঁ আমি-
জ্ঞানৰ পূজাৰী হৈ
জ্ঞানৰ পূজাৰী হৈ।।




শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়

**ড° ৰাজেন তামুলী**




শ্ৰদ্ধাৰ উপাধ্যক্ষা মহোদয়া

**শ্ৰীযুতা ৰতিপ্ৰভা গগৈ**

# সম্পাদনাৰ নেপথ্যত



বীণা বৰঠাকুৰ
উপদেষ্টা



ৰাণু মহন
উপদেষ্টা



দিপাঞ্জলী গগৈ
উপদেষ্টা



সৌৰভ জ্যোতি চেতিয়া
সম্পাদক



দেবানন্দ ফুকন
সদস্য



চন্দন লাহন
সদস্য



উদ্দিপ্তী মহন
সদস্যা



মিথু ফুকন
সদস্যা

## সম্পাদকীয়





সাহিত্য সমাজৰ দাপোনস্বৰূপ, অৰ্থাৎ সাহিত্যৰ এই দাপোনৰ দ্বাৰাই প্ৰতিফলিত হয় সমাজ এখনৰ প্ৰতিবিম্ব; শৌৰ্য বীৰ্য ঐশ্বৰ্য্যৰ ৰূপ। এই দৃষ্টিকোণৰ পৰা ক'ব পাৰি যে সাহিত্য হ'ল কল্পনা তথা বাস্তৱ জীৱন আৰু জগতৰ সমন্বয়ৰ বৰ্হিপ্ৰকাশ।

কালজয়ী পৃথিৱীৰ পৰিৱৰ্তনশীলতা চিৰন্তন সত্য। পৰিৱৰ্তনৰ ঢৌত সাহিত্যৰো পৰিৱৰ্তন হয়, পৰিৱৰ্তন হয় সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, আধ্যাত্মিক আদি বিভিন্ন দিশ সাঙুৰ খাই থকা সমাজখনৰো আৰুএই পৰিৱৰ্তনশীল সমাজৰ স্বাক্ষৰ বহন কৰিয়েই সাহিত্যই পৰিধান কৰে নতুন সাজ। গতিকে দিন-মাহ, বছৰ বাগৰি সমাজৰ বেহ-ৰূপ পৰিৱৰ্তন হোৱাৰ সমান্তৰালভাৱে সাহিত্যতো পৰিৱৰ্তনশীলতা আহিছে। অসমীয়া সাহিত্যও ইয়াৰ ব্যতিক্ৰম নহয়, পৰিৱৰ্তনৰ ঢৌত অসমীয়া সাহিত্যৰো পৰিৱৰ্তন হৈছে, পৰিৱৰ্তন হৈছে মাণিকী-মধুৰীৰে ঠাহ খাই থকা বিশাল অসমীয়া সংস্কৃতি, বহ্নিমান লুইতপৰীয়া সংস্কৃতি।

লুইতৰ দুয়োপাৰে নিজস্ব সংস্কৃতি ৰক্ষা কৰিও একতাৰ এনাজৰীয়ে বান্ধ খাই হাড়ে হিমজুৰে অসমীয়া জাতি হিচাপে স্ব-মহিমাৰে মণ্ডিত হৈ গঢ়ি উঠিছিল অসমীয়া জাতি, অসমৰ সংস্কৃতি। আৰু বহু শিল্পী মণিষীয়ে কাটি দিছিল শ্যামলী অসমৰ ভাষা, সাহিত্য, সংস্কৃতিৰ সোণসেৰীয়া বাট। য'ত প্ৰতিফলিত হ'ল অসমৰ লোকৰ আবেগ, অনুভূতি আৰু বিশাল সাহিত্যৰ পথাৰৰ বুকুত সংযোজিত হৈ চিনাকী দিলে অসমীয়া সাহিত্যয়ো।

আজিৰ এই ভাষা, সাহিত্য, সংস্কৃতি চালুকীয়া ঠাঁচত গঢ় লৈ উঠা ভাষা, সাহিত্য, সংস্কৃতি নহয় বৰঞ্চ বহু ঘাত-প্ৰতিঘাত, বহু সংকটপূৰ্ণ অৱস্থাৰ সন্মুখীন হৈ, বহু বাধা-বিঘিনি নেওচি পাৰ হৈ অহা বহু যোজন পৰিক্ৰমাৰ ফলশ্ৰুতি।

সাহিত্য হৈছে ভাষাবৃক্ষ সুগন্ধিময় পুষ্প। এই পুষ্পময়ী বৃক্ষক জীপাল কৰি ৰাখিবলৈ হ'লে আমি তাৰ শিপা ধৰি ৰাখিব লাগিব। পৰিৱৰ্তনৰ বোঁৱতী সোঁতত এৰি দিলে আন্ধাৰত এৰি দিয়া কাঁড়ৰ দৰে অনিৰ্দিষ্ট দিশলৈ গতি কৰিব অৰ্থাৎ ই বিকৃত ৰূপ পৰিধান কৰিব আৰু তাৰ ফলশ্ৰুতিত আমি হেৰুৱাব লাগিব আমাৰ শিপা। সমন্বয়ৰ মাজেৰে উদ্দীপ্ত হৈ উঠা অসমীয়া ভাষা সংস্কৃতিৰ ইতিহাস, এহেজাৰটা বছৰ গৰকি থৈ অহা ইতিহাস। আৰু ইয়াৰ এই নিৰ্দিষ্ট দিনটোৰ একো, একোজন কাণ্ডাৰী পুৰুষ আমি। গতিকে এই গতানুগতিক পৰিৱৰ্তনৰ ঢৌত যাতে বিকৃত ৰূপ পৰিধান নকৰে তাৰ প্ৰতি সজাগ, সচেতন হোৱাৰ প্ৰয়োজন আৰু সেই দায়িত্ব আমাৰ, প্ৰতিজন অসমবাসী অসমীয়াৰ আৰু ভবিষ্যতৰ স্বাক্ষৰ বহন কৰা নৱপ্ৰজন্মৰ।

কোনো এটা জাতিৰ কলমত সুস্থ আৰু সংস্কাৰধৰ্মী সাহিত্য তেতিয়াহে উপলব্ধ হৈ থাকিব; যেতিয়ালৈকে ভাষা থাকিব আৰু এটা জাতিৰ অস্তিত্ব তেতিয়ালৈকেহে বৰ্ত্তি থাকিব; যেতিয়ালৈকে ভাষা জীয়াই থাকিব। ভাষা সাহিত্যৰ পথাৰত বীজ উপযুক্তভাবে অংকুৰিত হ'বলৈ হ'লে আমি প্ৰত্যেকজন ছাত্ৰ সদস্যই ছাত্ৰ অৱস্থাতে উপযুক্ত চৰ্চাৰ দ্বাৰা ভাষাৰ শুদ্ধতা আৰু সুস্থতা বজাই ৰখাত গুৰুত্ব আৰোপ কৰিব লাগিব আৰু তেতিয়াহে ভৱিষ্যতৰ সাহিত্য চৰ্চাকাৰী সকলৰ কাপেৰে জাতিৰ সাহিত্যৰ দৰ্পণত মূৰ্ত হৈ উঠিব সুস্থ আৰু সংস্কাৰধৰ্মী সাহিত্য। গতিকে ছাত্ৰসমাজে উপযুক্ত চৰ্চাৰ বাবে ছাত্ৰ অৱস্থাতে সাহিত্যৰ বীজ চয়ন হ'বলৈ দিব লাগিব সাহিত্য চৰ্চাৰ কঠিয়াতলী স্বৰূপ বিদ্যালয়, মহাবিদ্যালয়ৰ আলোচনীসমূহৰ উপযুক্ত ব্যৱহাৰৰ দ্বাৰা। আৰু ইয়াৰ দ্বাৰাই গঢ়ি উঠা সুস্থ মানসিকতাই পৰিৱৰ্তনৰ সমীৰণজাক সমবিতৰণ হোৱাত সহায় কৰিব।

ব্যক্তিগত ধ্যান-ধাৰণাৰ পৰা এটা কথা ক'ব পাৰি যে প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীৰ কাপত এটা উদ্দেশ্যেই সাহিত্য সৃষ্টি হয়; সেয়া হৈছে বিদ্যালয় বা মহাবিদ্যালয়ৰ আলোচনীখনত প্ৰকাশ কৰাৰ তাগিদাত। সেইয়ে চালুকীয়া ঠাঁচত গঢ় লৈ উঠা সৃষ্টিৰাজিয়ে পৈণত ৰূপ নলয় আৰু সময়ত চৰ্চাৰ অভাৱত সৃষ্টিৰ সেই কাপ-কলম স্থবিৰ হৈ পৰে। এনে সাহিত্যই সাহিত্যিক দিশেৰে এটা জাতিক আগুৱাই নিয়াত বিফল হ'ব কিয়নো জাতিটোক আগুৱাই নিবলৈ হ'লে আমাক প্ৰয়োজন হ'ব এক সবল সাহিত্যৰ তথা সাহিত্যিক নেতৃত্বৰ। কঠিয়াতলীত অংকুৰিত বীজ কৃষ্টিৰ পথাৰ কৰ্ষণ কৰি ৰূপণ কৰিলেহে সেই বীজ জাতিষ্কাৰ হৈ ঠন ধৰি উঠিব। তাৰোপৰি সৃষ্টিৰ কাপেৰে উন্মোচিত হ'ব লাগিব সাহিত্যৰ বিভিন্নৰূপ, বিভিন্ন দিশ। সাধাৰণতে চকুত পৰা ছাত্ৰ-ছাত্ৰীসকলৰ 'কলম'ত সহজে ঠাই পোৱা ঠুনুকীয়া প্ৰেমৰ বিষয়বস্তুৱেই সাহিত্যৰ সৰ্ব্বোচ্চ বিষয়বস্তু নহয়, না হ'ব নোৱাৰে। সাহিত্যৰ বিশাল সমুদ্ৰৰ পৰা তুলি অনা ই এপিয়লা পানী মাথোঁ। গতিকে জাতিটোক আগুৱাই নিব পৰা, সমাজ এখনক সু-পথে পৰিচালিতকৰিব পৰা গঠনমূলক চিন্তা-ধাৰণাৰ সাহিত্য সৃষ্টিৰ ওপৰতো ছাত্ৰসমাজে এই সময়ৰ পৰাই গুৰুত্ব আৰোপ কৰিব লাগে। ঠিক সেইদৰে অসমীয়া ভাষা, সংস্কৃতিৰ শিপা ধৰি ৰখাৰ ক্ষেত্ৰতো সকলোৱে গুৰুত্ব আৰোপ কৰা উচিত। আৰু ছাত্ৰসমাজো ইয়াৰ প্ৰতি দায়বদ্ধ হোৱা উচিত। তেতিয়াহে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি সুগন্ধিময় বটবৃক্ষ স্বৰূপে জাতিষ্কাৰ হৈ থিয় দি থাকিব চিৰদিন চিৰকাল।

সৌৰভজ্যোতি চেতিয়া



# অধ্যক্ষৰ কলম

একোখন শিক্ষানুষ্ঠান এখন সমাজৰ সভ্যতাৰ প্ৰতীক। ইয়াত প্ৰতিফলিত হয় সামাজিক জীৱনৰ ধাৰাবাহিকতা, অৰ্থনীতিৰ স্বচ্ছলতা আৰু মানুহৰ চেতনা, এইসমূহ চিন্তা কৰিয়েই সোণাৰিত কেইজনমান বিশিষ্ট ব্যক্তিৰ প্ৰচেষ্টাত জন্ম হৈছিল সোণাৰি মহাবিদ্যালয় আজিৰ পৰা চল্লিশ বছৰৰ আগত। সমাজৰ বিভিন্ন শ্ৰেণীৰ আৰু বিভিন্ন স্তৰৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ স্থান সোণাৰি মহাবিদ্যালয়। বৰ্তমান এঘাৰটা বিষয়ত সন্মানীয় বিষয়সহ সোণাৰি মহাবিদালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় ওঠৰশ। সংখ্যাগত ভাবে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে যদিও গুণগত দিশত আগবাঢ়িব পৰা নাই। বহুতো ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্ত্তি কৰাৰ পাছত কলেজলৈ অহাটো অনিয়ম হৈ পৰে। পৰীক্ষাৰ ফৰ্মখন ভৰ্ত্তি কৰিবৰ সময়ত তেনেবিলাক ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন অজুহাত দেখুৱাই নিয়মীয়া হ'বলৈ বিচাৰে। এনেবিলাক অনিয়মে শিক্ষাৰ মানদণ্ড নিম্নতলৈ অৱনমিত কৰে।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীবিলাক মহাবিদ্যালয়ৰ শিক্ষাৰ সলনি বাহিৰা শক্তি কিছুমানৰ দ্বাৰা পৰিচালিত হোৱা দেখা যায়। ই শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিবেশৰ বাতানুবৰণৰ কাৰণে প্ৰত্যাহ্বান হৈ পৰিছে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সকলোবিলাক ভাবি চিন্তি শিক্ষানুষ্ঠানৰ বৃহত্তৰ স্বাৰ্থতে কামবিলাক কৰিব লাগে। নহ'লে ভৱিষ্যতে Damocle's sword (আগন্তুক দিনবিলাক ভয়াবহ হোৱাৰ সম্ভাৱনা) নিচিনা হ'ব।

সামগ্ৰীক ভাবে এখন শিক্ষানুষ্ঠানৰ সৰ্ব্বাঙ্গীন উন্নতি অধ্যক্ষই অকলে কৰিব নোৱাৰে। ইয়াৰ বাবে সকলো শ্ৰেণীৰ সহযোগিতা প্ৰয়োজন। বিশেষকৈ ছাত্ৰ আৰু শিক্ষকৰ। ছাত্ৰ সকলে নিজৰ জীৱনৰ লক্ষ্য ঠিক কৰি অধ্যয়নত ব্ৰতী হ'লেই শিক্ষাৰ মানদণ্ড সঠিক দিশত আগবাঢ়িব।

উচ্চ শিক্ষা ল'বলৈ অহা প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে জীৱনৰ লক্ষ্য বাছি লোৱাটো অতি প্ৰয়োজন। জীৱনৰ লক্ষ্য ভেদ কৰিবলৈ একাগ্ৰতাৰ লগতে উচ্চাকাংক্ষা থকাটো নিতান্ত প্ৰয়োজন। উচ্চাকাংক্ষা অবিহনে জীৱন যুজত জয়ী হোৱাটো অতি কঠিন। সকলোৱে জীৱনৰ লক্ষ্য বাছি ললেও কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰে। ইয়াৰ মুল কাৰণ হ'ল প্ৰতিভা অনুসাৰে তেওঁবিলাকে শ্ৰম নকৰে আৰু ফলাফল বিচৰা অনুসাৰে জীৱনৰ লক্ষ্যত ভেদ কৰিব নোৱাৰে।

ছাত্ৰ-ছাত্ৰীসকলে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ প্ৰতি অনীহা প্ৰকাশ কৰা দেখা যায়। মহাবিদ্যালয়খনে যদিও আধুনিক Career Oriental Course (Degree) খোলাৰ পক্ষপাতী কিন্তু আন্তঃগাঁঠনি, সমল ব্যক্তিৰ অভাৱৰ কাৰণে খুলিব পৰা নাই। ভৱিষ্যতে এনে বিলাক (Degree) খোলাৰ পোষণ কৰিছো।

# অন্তৰংগ

**১। সোণাৰি মহাবিদ্যালয় সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনৰ সামগ্ৰিক পৰিবেশ সম্পৰ্কে আপোনাৰ অনুভৱ কেনেকুৱা।**

উঃ মহাবিদ্যালয়ৰ সুস্থপৰিবেশ ছাত্ৰ-ছাত্ৰীয়ে গ্ৰহণ কৰা শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰে। যদি ভাল শিক্ষা দিয়া হয় তেনেহ'লে ভাল বাতাবৰণ সৃষ্টি হ'ব আৰু ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ কাৰণে ভাল পৰিবেশ পাব।

**২। মহাবিদ্যালয়খনৰ বৰ্তমান শিক্ষাব্যৱস্থাক আৰু অধিক উন্নত কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ ভূমিকা কেনেধৰণৰ হোৱা উচিত?**

উঃ- মহাবিদ্যালয় বৰ্তমান শিক্ষা ব্যৱস্থা অধিক উন্নতি কৰিবলৈ মহাবিদ্যালয় সদায় সাজু। অকৃতকাৰ্য্য ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে Remedial Class ৰ ব্যৱস্থা আছে যদিও ছাত্ৰ-ছাত্ৰী সকলে সেই ব্যৱস্থা গ্ৰহণ নকৰে বৰঞ্চ ব্যক্তিগত টিউচনৰ ওপৰতহে গুৰুত্ব দিয়ে। LCD Projector ৰ ব্যৱস্থা আছে যদিও ছাত্ৰ-ছাত্ৰীৰ ধাউতি কম। ইয়াৰোপৰি Seminar ৰ ব্যৱস্থা কৰা হয় যদিও ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তেনেই সেৰেঙা।

**৩। ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব পৰাকৈ আপোনাৰ জীৱনৰ অভিজ্ঞতাৰে কি পৰামৰ্শ দিব বিচাৰিব?**

উঃ- নিয়মিত শ্ৰেণীকোঠাত উপস্থিতিৰ উপৰিও, শিক্ষকৰ লগত মধুৰ সম্পৰ্ক, নিজৰ আত্মসমালোচনা আৰু সমাজৰ উন্নতিৰ কথা চিন্তা কৰিলেই শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়িব পাৰি।

# অণুক্ৰমণিকা —



**প্ৰবন্ধ শিতান —**


| | | |
|---|---|---|
| প্ৰতীকঃ ইয়াৰ উদ্ভৱ আৰু প্ৰয়োগ বৈশিষ্ট্য | পদ্মকুমাৰী গগৈ | ০৩ |
| তীজ ঃ নেপালী মহিলাৰ প্ৰধান উৎসৱ | জ্যোতিৰেখা গগৈ | ০৫ |
| সম্পূৰ্ণ গুণবিশিষ্ট পৰিচালনা (TQM) | নিজুমণি চাংমাই | ০৭ |
| পাৰ্বতী প্ৰসাদ বৰুৱা | পাঙ্কী কোঁৱৰ | ১০ |
| শৰৎ আহে শিল্পীৰ মনলৈ কবিতাৰ মাজলৈ | মনালিছা লাহন | ১১ |
| মাধৱদেৱৰ বৰগীত | পল্লৱী বুঢ়াগোঁহাই | ১৩ |
| আলফ্ৰেড ন'বেল আৰু ন'বেল বঁটা | পল্লৱী গগৈ | ১৫ |
| ড্ৰাগছ এক সামাজিক সমস্যা | দেবাশ্ৰী বৰুৱা | ১৬ |
| ৰক্তদান মহান দান | কৰবী গগৈ | ১৮ |
| কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু শিল্পভাৱনা | চয়নিকা লাহন | ২০ |
| মোৰ এখন প্ৰিয় গ্ৰন্থ, এক অৱলোকন | ৰিজুমণি দত্ত | ২৩ |
| বনভোজ আৰু শৰাগুৰি চাপৰি | বাণী দেৱী | ২৬ |
| কলকাতা আৰু পুৰীৰ শ্ৰীশ্ৰীজগন্নাথ মন্দিৰ দৰ্শন অনন্য এক অভিজ্ঞতা | শিল্পীকা ভুঞা | ৩০ |
| প্ৰকৃত ভদ্ৰলোকৰ পৰিচয় | বৰ্ণালী শইকীয়া | ৩২ |


**কবিৰ তুলিকাত জীৱনৰ স্কেচ্ছ....**


জীৱন/উৰ্মিলা গগৈ, জীৱনঃ এক আলাপ/ৰূপজ্যোতি বৰগোহাঁই, অনাদৃত জীৱন/প্ৰান্তীময়ী দত্ত, ভঙা দাপোনত জীৱনৰ স্কেচ্ছ/ফাৰহানা বেগম ৩৫ - ৩৬

| | | |
|---|---|---|
| "জীৱন" - এক প্ৰতিচ্ছবি দুখ আৰু সুখৰ | মুনমী বড়া | ৩৭ |
| এটি নিৰ্মম বিননি | উদ্দিপ্তী মহন | ৩৮ |


**গল্প কুঞ্জ —**


| | | |
|---|---|---|
| মাতৃ স্নেহ | ৰতিপ্ৰভা গগৈ | ৪১ |
| ভোক | ইমানী বৰুৱা | ৪৫ |
| অস্তাচলত উদিত সূৰ্য | জুৰিমণি গগৈ | ৪৭ |
| ৰেগিং | দুলুমণি বড়া | ৫১ |
| নতুন জীৱন | অভিজিৎ ফুকন | ৫৩ |
| জীৱন বিষাদময় যদিও মোহনীয় | লক্ষীৰেখা দত্ত | ৫৭ |
| জোনাক বিহীন জীৱন | ৰাকেশ গগৈ | ৫৯ |
| ৰং নাম্বাৰ | মৃদুস্মিতা বড়া | ৬৪ |
| দুঃসময় | নিৰ্মলি গগৈ | ৬৭ |

- ভট-ভটি — ত্ৰিভুবন গগৈ — ৭১

নাটক =

- শেষ নিশাৰ অতিথি — ৰীতা দত্ত — ৭৩

কবিতা শিতান = — ৭৯-৮৭

নগৰৰ জেব/প্ৰিয়ংকা চেতিয়া ফুকন, অ' সৌৰৱণী/সৌৰভ জ্যোতি চেতিয়া, তোমাৰ ওঁঠৰ ভাঁজত শৰতৰ হেঙুল পুৰা/চিৰঞ্জীৱ কটকী, কলি/ভুপেন গগৈ, বিচাৰৰ বৰদুৱাৰ খোলা আছে তোমালৈ/দেৱানন্দ ফুকন, অনুভৱ/ডলীৰাণী বৰুৱা, বিশ্ব প্ৰেমিক/উদ্দিপ্তী মহন, সময়বোৰ একোটা স্মৃতি/ৰূপশ্ৰী বৰুৱা, অনামিকা/পংখী কোঁৱৰ, পাহৰি যোৱা নিজৰ পৰিচয়/চয়নিকা কোঁৱৰ, জোনাকৰ বুকুত/সবিতা তাতি, শেষ অপেক্ষা/চিমি বৰগোহাঁই, অলপ মৰমৰ বাবে/ৰাকেশ গগৈ, বাঁহী/অভিলেখ গগৈ, সোণালী/হেমন্ত গগৈ, সন্ধ্যা/মনী মাধব ফুকন

- ড° নগেন শইকীয়াদেৱৰ অভিভাষণৰ কিয়দংশ — ৮৮
- বিদায় এটি অনুভৱ — দেৱজিৎ বড়া — ৮৯

**English Section --**

- Technology Based Teaching Methods in HIGHER EDUCATION — Mrs. Pronita Kalita — ৯১
- Butterfly farming in Brahmaputra Valley — Dr. (Mrs) Jyotima Phukon — ৯৪
- The Meaninglessness of Samuel Beckett's Waiting for Godot — Himanshu Bhuyan — ৯৭
- School Life and College Life — Mehjubin Akhtar Rahman — ১০০
- The Oldest City in the World — Imani Baruah — ১০১
- Musical Sojourn of Michael Jackson (MJ) — Sunny Bawri — ১০২
- Work is Worship — Champha Wangsu — ১০৪
- Teaching of English in Rural Areas of Assam Problems and Prospects — Hansang Konwar — ১০৫
- Virus — Nabajyoti Changmai — ১০৭
- ETHNO- MEDICINAL PLANT SPECIES OF North East India — Anurag Protim Das — ১১০
- People's Great Joy — Madhu Poli Gogoi — ১১৬
- Genesis and Growth — Puja Kumari Chowdhury — ১১৮

**Poems :** — ১১৯-১২৪

LOVE/Hansang Konwar, Need of Humanity/Hansang Konwar, SO NEVER MIND/Sunny Bawri, FOR YOU/Manamee Khanikar, LIFE/Mandita Rajkumari, The Day when He will accept 'Me'/ Joyashree, FOR U MY BELOVED/Joyashree, A Better world/Plabita Sharma, REMEMBER/Fatima Ahmed, When we separated/ Krishna Kagyung, Bless me lord/Madhu Poli Gogoi.

- মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন ঃ ২০০৯-১০ বৰ্ষ
- ২০০৯-২০১০ বৰ্ষৰ ক্ৰীড়া সপ্তাহৰ ফলাফল
- সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' সম্পাদনা কৰোঁতাসকল


# প্ৰবন্ধ শিতান

## ৰামধেনু

মানৱৰ সীমাহীন ভাব-চিন্তা, কল্পনা, শব্দ আৰু ভাষাৰ এক সৃষ্টি কৌশলৰ আড়ম্বৰপূৰ্ণ মনোৰম বন্ধনেই হৈছে প্ৰবন্ধ। প্ৰবন্ধ প্ৰকৃতি জগত আৰু জীৱনৰ সম্পৰ্কে কোনো বিষয় অৱতাৰণা কৰি বা বাস্তৱ জীৱনৰ কোনো এটা মৌলিক বা গতিশীল বিষয়বস্তুলৈ আত্মসচেতন মনোভাৱেৰে, স্ব-বিচাৰ বুদ্ধি আৰু দৃষ্টিভঙ্গীৰে তাৰ ওপৰত আগবঢ়োৱা বিজ্ঞানসম্মত বা গৱেষণা মূলক আলোচনা আৰু মননশীলতাৰ জুমুঠিত তথ্যসমূহক সু-চিন্তিত আৰু সু-পৰিকল্পিতভাৱে সজাই পৰাই প্ৰাণৰ সঞ্চাৰ কৰিব পৰাতেই প্ৰবন্ধৰ সাৰ্থকতা।

*প্ৰবন্ধৰ পাতে, পাতে ভাঁহি থাকে*
*আত্মসচেতনতা আৰু বুদ্ধিদীপ্ততা*
*গতিশীল সময়ৰ বাস্তৱতা......।*





# প্ৰতীক

## Symbol ইয়াৰ উদ্ভৱ আৰু প্ৰয়োগ বৈশিষ্ট্য


**পদ্মকুমাৰী গগৈ**
অসমীয়া বিভাগ


সাহিত্যত প্ৰতীকৰ প্ৰয়োগ অৰ্বাচীন নহয়। বহু প্ৰাচীন কালৰেপৰা সাহিত্যত প্ৰতীকৰ প্ৰয়োগ হৈ আহিছে। মানুহৰ কল্পনাশক্তিয়ে যেতিয়া পোনপ্ৰথমে আপাত বৈসাদৃশ্যৰ মাজত সাদৃশ্য বিচাৰি পাই এটা বস্তুৰ প্ৰতিনিধিস্বৰূপে আন এটা বস্তুৰ উল্লেখ কৰিছিল, তেতিয়াৰপৰাই প্ৰতীকৰ সৃষ্টি হয়। আমি ব্যৱহাৰ কৰা আখৰবোৰ যেনেকৈ কিছুমান ধ্বনিৰ সলনি ব্যৱহাৰ কৰা চিন নাইবা প্ৰতীক; তেনেকৈ আখৰবোৰ লগলাগি সৃষ্টি হোৱা অৰ্থবোধক শব্দবোৰো কিছুমান ক্ৰিয়া নাইবা বস্তুৰ প্ৰতীক। সেইবাবে সাহিত্য নাইবা সকলো শিল্পকলাই বহল অৰ্থত প্ৰতীকধৰ্মী।

আক্ষৰিক অৰ্থত প্ৰতীক মানে চিহ্ন বা সংকেত। মূৰ্তৰূপৰ মাধ্যমেদি বিমূৰ্তৰ ধাৰণাই প্ৰতীক নাইবা ভাবনা প্ৰকাশৰ বাবে প্ৰয়োগ হোৱা মূৰ্তৰূপেই প্ৰতীক। এই প্ৰতীক (Symbol) শব্দটো মূলতঃ গ্ৰীক ভাষাৰ 'symbolin' (noun) [Mark, Emblem, Sign.) শব্দৰপৰা আহিছে। অন্যহাতে 'Symbollein (Verb) শব্দটোও একে অৰ্থ বুজাবলৈ ব্যৱহাৰ হয়। প্ৰতীকৰ সংজ্ঞা সম্পৰ্কত হেনৰী দি ৰেইনাৰে কৈছে- 'Symbol is a comparision between abstract and concrete with one of the terms of comparision be merely suggested.' অৰ্থাৎ মূৰ্তৰ সৈতে বিমূৰ্তৰ তুলনা কৰি নিৰ্মাণ কৰা ভাবব্যঞ্জনাই প্ৰতীক।

প্ৰাচীন কালত মৌখিক গীতবোৰ, আনকি ধৰ্মীয় সাহিত্যতো প্ৰতীক ব্যৱহৃত হৈছিল যদিও সেইবোৰ প্ৰতীক নামেৰে অভিহিত কৰা নাছিল। কিয়নো সেইসময়ত প্ৰতীক শব্দটোৰ ব্যৱহাৰ হোৱা নাছিল। উদাহৰণস্বৰূপে, (মৌখিক গীতত)

"কৈলৈ ফুলিলি ৰূপহী মদাৰ ঐ
কৈলৈ পেলালি কলি।
...... থাক তলে ভৰি সৰি।"

ইয়াত কোনো বিহুৱা ডেকাই কোনো গাভৰুক উদ্দেশ্য কৰি কোৱা কথাষাৰ অতি সুন্দৰকৈ প্ৰতীকৰ সহায়ত ব্যক্ত কৰিছে। কিন্তু সেইজন বিহুৱা ডেকাই বা এইটো ৰচনা কৰা সেই অখ্যাত কবিজনে সেইসময়ত জনা নাছিল যে এয়াই প্ৰতীক। ঠিক তেনেদৰে ধৰ্মীয় সাহিত্যতো-

"কা আ তৰুবৰ পঞ্চ বি ডাল
চঞ্চল চীত্ৰ পইঠো কাল।।" (চৰ্যাপদ)

চৰ্য্যাপদৰ উক্ত চৰণদুটিত 'পঞ্চইন্দ্ৰিয় সহিত মানৱ দেহৰ অভ্যন্তৰত থকা চিত্তত চঞ্চলতাই দেখা দিলে তাত কালে বাস লয়' - এই কথাষাৰ প্ৰতীকৰ সহায়ত ব্যক্ত কৰা হৈছে।

- এনেবোৰ প্ৰতীক যুগে যুগে ব্যৱহাৰ হৈ আহিছে। আধুনিক অসমীয়া সাহিত্যত হেম বৰুৱা, নৱকান্ত বৰুৱা আদিয়ে অলংকাৰ স্বৰূপে প্ৰতীকৰ ব্যৱহাৰ কৰিছে। ধ্ৰুপদী সাহিত্যৰ সহজ সৰল প্ৰতীকৰ ঠাইত উনবিংশ শতিকাত ব্যৱহাৰ কৰা প্ৰতীকবোৰ হৈ পৰিল জটিল আৰু গভীৰ অৰ্থব্যঞ্জক। দৃষ্টান্তস্বৰূপে-

"কিন্তু মৰুভূমি আহে
লাহে লাহে মাহে মাহে বছৰে বছৰে
আঁহতৰ খোৰোঙত এপাহি কপৌফুল সোনকালে সৰে।"
('ইয়াত নদী আছিল' - নৱকান্ত বৰুৱা)

ইয়াত 'মৰুভূমি' ক আমাৰ আধুনিক যন্ত্ৰণাময় জীৱনৰ প্ৰতীক হিচাপে অংকন কৰিছে। 'খোৰোঙ', 'কপৌফুল' আদি শব্দও প্ৰতীকী অৰ্থত ব্যৱহাৰ কৰিছে।

হেম বৰুৱাৰ কবিতাতো—

"মৰমৰ,
এয়া মম এডাল জ্বলাই লৈছোঁ। আজি বহুত দিনৰ
মূৰত তোমালৈ চিঠি লেখোঁ বুলি। বাহিৰৰ উৰুঙা বতাহজাকে
মমডাল আহি কোবাইছেহি। ........ চাওঁ খিৰিকিখন
জপাই দিওঁ। ...... " (মমতাৰ চিঠি)

ইয়াত জ্বলাই লোৱা মমডাল মানুহৰ উকা নিসংগ জীৱনৰ প্ৰতীক। এফালে বৈধব্যই জীৱনৰ শূন্যতা আৰু নাৰীগৰাকীৰ মানসিক চঞ্চলতাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা 'উৰুঙা বতাহজাক' আৰু এই চঞ্চল, উৰুঙামনক সংযমৰ শিকলিৰে বান্ধি ৰখা কাৰ্যৰ প্ৰতীক হিচাপে জপাই দিয়া 'খিৰিকিখন'ৰ ব্যৱহাৰ মনকৰিবলগীয়া।

প্ৰতীকৰ প্ৰয়োগে কবিতাৰ কাব্যিকতা বৃদ্ধি কৰাৰ লগতে ব্যঞ্জনাময় আৰু ভাবঘন কৰি তুলিছে। তদুপৰি ইয়াৰ প্ৰয়োগে ভাষাক সংযমশীল কৰি তুলিছে। কম কথাতে বেছিভাব ব্যক্ত কৰিবলৈ ধৰিলে। এই প্ৰতীক সম্পৰ্কীয় চিন্তাধাৰাৰ আধাৰত গঢ় লৈ উঠে প্ৰতীকবাদী আন্দোলনে। উনবিংশ শতিকাৰ ইউৰোপত বিজ্ঞানৰ ন-ন সৃষ্টিয়ে, ডাৰউইনৰ মতবাদ আদিয়ে নতুন নতুন তথ্য দিলে। বিংশ শতিকাৰ আগভাগত হোৱা প্ৰথম মহাসমৰেও লগেলগে ইউৰোপৰ প্ৰাচীন মূল্যবোধত প্ৰচুৰ আঘাত সানিলে। ফলত অনিশ্চয়তা আৰু বিশ্বাসহীনতাত মানুহে নতুন মূল্যবোধৰ সন্ধান কৰিবলৈ ধৰিলে। সেই সময়ৰ ফৰাচী বিপ্লৱৰ ফলতো চিন্তাৰ জোৱাৰ উঠিল। এনেবিলাক কাৰণতে প্ৰতীকে এক আন্দোলনৰ ৰূপ ল'লে। ইয়েই কালক্ৰমত প্ৰতীকবাদৰ সৃষ্টি কৰে।

প্ৰতীকক প্ৰতীকবাদ হিচাপে ৰূপান্তৰ কৰিলে ষ্টিফান মালাৰ্মে। তেওঁৰ কবিতাত প্ৰতীকে এক নতুন মাত্ৰা লাভ কৰিলে। তেওঁৰ মতে, প্ৰতীক কবিতাৰ অলংকাৰেই নহয়, আত্মাও। সেইসময়ৰে আন এজন কবি চাৰ্লচ বডলেয়াৰৰ কবিতাত প্ৰতীক এনেভাৱে একেডাল মালাতে গাঁথি থোৱা আছে যে সেই প্ৰতীকসমূহ এটা এটাকৈ নাচালে অৰ্থ বুজা টান হৈ পৰে। ফলত তেওঁৰ কবিতাই এক জটিলৰূপ গ্ৰহণ কৰে। কিন্তু কিছুমান ৰসসন্ধানী পাঠকে তাৰ মাজতে সোমাই থকা ৰহস্যঘন জগতখনৰ উমান ল'বলৈ চেষ্টা কৰিলে। বডলেয়াৰে- সংযত শব্দৰ প্ৰয়োগেৰে প্ৰতীকৰ জৰিয়তে কবিতাক ভাবঘন কৰিলে। ফলস্বৰূপে আধুনিক কবিতা বুদ্ধিনিষ্ঠ কবিতালৈ পৰিণত হ'ল। ইয়াৰ প্ৰভাৱৰ ফলত অসমীয়া আধুনিক কবিতায়ো এক নতুন ৰূপ গ্ৰহণ কৰিলে। অতীজৰ সহজ সৰল প্ৰতীকৰ বা পৰম্পৰাগত প্ৰতীকৰ ঠাইত অধিক অৰ্থঘন, ব্যঞ্জনাময় প্ৰতীকৰ প্ৰয়োগ হ'ল।

গতিকে দেখা যায় যে প্ৰতীক আৰু প্ৰতীকবাদ দুয়োটা একে নহ'লেও প্ৰতীক সম্পৰ্কীয় চিন্তাধাৰাৰপৰাই প্ৰতীকবাদৰ সৃষ্টি হ'ল। এই প্ৰতীকেই সাহিত্যত উপলব্ধ অভিজ্ঞতাৰ যথাযথ প্ৰকাশ, ভাবৰ স্পষ্টতা, বিস্তাৰ আৰু কাব্যশ্ৰী সাধন কৰে।

**" দেশৰ দৰিদ্ৰতা, অজ্ঞানতা, গুচাবৰ প্ৰধান উপাই হ'ল শিক্ষা। শাৰিৰীক, মানসিক, আধ্যাত্মিক আৰু আৰ্থিক উন্নতিৰ উপাই শিক্ষা। জ্ঞানতকৈ পবিত্ৰ ক্ষমতাৱন্ত বস্তু এই জগতত একো নাই।"**

**- আনন্দচন্দ্ৰ আগৰৱালা**

**"জীৱনটো এক সংগ্ৰামৰ বলি। সাহসী আৰু কৰ্মপটু জনেহে এই সংগ্ৰামত জয় লাভ কৰিব পাৰে।"**

**-নেপোলিয়ন**





প্ৰকৃতিৰ ৰূপ পৰিবৰ্তন অনুসৰি নেপালী জনজীৱনতো বাৰমাহত তেৰটা পৰ্ব পালন কৰি আহিছে। নদী, সাগৰ, বিজুলী, বতাহ-ধুমুহা, ৰ'দ-বৰষুণ, ভূমিকম্প, জ্বালামুখী আদি প্ৰকৃতিৰ বিভিন্ন ৰূপ। প্ৰকৃতিৰ এই বিভিন্ন ৰূপত নেপালী সমাজ কেতিয়াবা সন্তুষ্ট আৰু কেতিয়াবা ভীতিগ্ৰস্ত হৈ নানা পূজা-উপাসনা, স্তুতি-বন্দনা আদি কৰি নানা ব্ৰত, উৎসৱ-পাৰ্বন আদি অনুষ্ঠিত কৰি আহিছে। প্ৰকৃতিৰ ৰূপৰ পৰিবৰ্তন অনুসৰি পতা অনুষ্ঠানবিলাককেই নেপালী সমাজত চাৰপৰ্ব অথবা উৎসৱ পাৰ্বন বা ব্ৰত সম্বন্ধীয় অনুষ্ঠান বুলি কোৱা হয়।

নেপালী সমাজত এনে ব্ৰত সম্পৰ্কীয় এক উৎসৱ হৈছে তীজ। যাক 'হৰিতালিকা' নামেৰেও জনা যায়। ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ নেপালৰ পৰা অসমকে আদি কৰি বিভিন্ন প্ৰান্তলৈ ওনপালীলোকৰ প্ৰব্ৰজন ঘটিছিল। সেয়েহে নেপালৰ পৰা আৰম্ভ কৰি সমগ্ৰ অসমৰাজ্যৰ নেপালীসকলে 'তীজ' উৎসৱ পালন কৰে। ই হ'ল নেপালী নাৰীসকলৰ মাজত পালন কৰা আটাইতকৈ ডাঙৰ বা জনপ্ৰিয় উৎসৱ। ভাদ মাহৰ শুক্ল তৃতীয় দিনাৰ পৰা এই 'তীজ' আৰম্ভ হয়। সম্ভৱতঃ এই তৃতীয় শব্দৰ পৰাই 'তীজ' শব্দৰ উৎপত্তি হৈছে বুলি নেপালী সমাজে অনুমান কৰে। তীজ উৎসৱত বিয়া দিয়া ছোৱালীবিলাকক মাকৰ ঘৰলৈ অনা হয়; দূৰ-দূৰণিলৈ বিয়া দিয়া বাই-ভনী বিলাক পুনৰ একেলগ হোৱাৰ সুবিধা দিয়ে এই উৎসৱে।

এই তীজ উৎসৱৰ মূল ব্যক্তি হ'ল পিতৃ বা ভাতৃ। তেওঁলোকৰ কোনোবা এজনে গৈ বিয়া দিয়া ছোৱালীক 'তীজ' খাবলৈ নিমন্ত্ৰণ কৰাৰ নিয়ম। 'তীজ' খাবলৈ পিতৃ বা ভায়েকে বায়েকক নিমন্ত্ৰণ কৰিবলৈ যোৱাৰ কথা গীতত পোৱা এনেদৰেঃ

নেপালীতঃ-
জুঠেলাকো ডিলমা কালো কৌৱা কাঁ কাঁ
কে কো হো খবৰ ল্যায়ো বৰিলৌ
য়স পালীকো তীজমা বাব লিন আওনে ৰে
ভাই লিন আত্ৰ ভনে, দেখি অঘি লাগৌলা।

অসমীয়াতঃ-
বাচন ধোৱা ঠাইৰ কাষত কলা কাউৰীৰ কা কা
কিহৰে খবৰ আনিলা বৰিলৈ
এইবাৰৰ তীজত দেউতা লবলৈ আহিব
ভাই লবলৈ আহিলে দেখিয়ে আগবাঢ়িলোহেঁতেন।

জ্যোতিৰেখা গগৈ
অসমীয়া বিভাগ

এই 'তীজ' উৎসৱৰ আগদিনা অৰ্থাৎ ভাদমাহৰ শুক্লা দ্বিতীয় দিনাই বিয়া দিয়া কন্যা মাকৰ ঘৰলৈ আহি সকলোৰে লগলাগি খোৱা ভোজটোকে 'দৰ' বুলি কোৱা হয়। এই 'দৰ'ত ৰুটি, তিলৰ চাটনি, মটৰৰ আচাৰ, মিঠাই, পিঠা, দৈ, ঘিউ,

# তীজ
## নেপালী মহিলাৰ প্ৰধান উৎসৱ



চিৰা, পায়স আদি ব্যঞ্জন থাকে। মুঠতে মাছ-মাংসকে আদি কৰি জীয়েকহঁতে ভালপোৱা সকলো খাদ্য পিতৃ-মাতৃয়ে নিজৰ সামৰ্থ্য অনুসৰি যোগান ধৰে। সেইদিনা জীয়েকহঁতেও মাক-দেউতাকক বস্তু বিচাৰিব পাৰে এনেদৰেঃ

নেপালীতঃ আই পুগ্যো তীজ লৌ লেউ চীজ খানেৰ লাউনে নভয়ে ধন কাঢ়েৰ
ঋণ, মৰতে কে খানে? চাহিঞ্চ দৰ ঘিউ চিনি তৰ ৰেচমী ফৰিয়াঁ।

অসমীয়াতঃ তীজ আহি পাইছে, খোৱা আৰু পিন্ধাৰ সামগ্ৰী লৈ আহা
ধন নাথাকিলে ঋণলোৱা, মৰিলে এইবোৰ কোনে খাব?
ঘিউ চেনিৰে সুমিষ্ট আহাৰ আৰু ৰেচমীৰ শাৰী লাগিব।

- অৰ্থাৎ 'তীজ'ত এনেদৰে গীত গাই পিতৃ-মাতৃৰ পৰা ভালবস্তু, কাপোৰ-কানি আদি বিচাৰিব পাৰে।

কিন্তু তৃতীয়দিনা তেওঁলোকে সম্পূৰ্ণ উপবাসে থাকি নিজৰ মনোবাঞ্চা পূৰ্ণ হোৱাৰ আশা কৰে। তীজ যদিও বিবাহিতা মহিলাৰ প্ৰধান উৎসৱ তথাপিও কৈশোৰ দেওনা পাৰ হওঁ-নহওঁ অৱস্তাৰ পৰা বৃদ্ধা নাৰীলৈকে সকলোৱে এই উৎসৱ পালন কৰে। অবিবাহিতাসকলে যোগ্য স্বামী পোৱাৰ আশাৰে, বিবাহিতাসকলে স্বামী-সন্তানৰ মঙ্গলৰ কাৰণে, আৰু বৃদ্ধাসকলে সকলোৰে মংগলৰ কাৰণে এই তীজ ব্ৰত পালন কৰে। নেপালী নাৰীসকলে পালন কৰা 'তীজ'ৰ অন্তৰালত এক লোককাহিনী নিহিত হৈ আছে এনেধৰণৰঃ হিমালয়ৰ পুত্ৰী পাৰ্বতী এই কালছোৱাত কৈলাসৰ পৰা পিতৃ-মাতৃৰ গৃহলৈ আহি স্বামী শিৱৰ আৰাধনা কৰে। পতিগৃহৰ পৰা মাতৃগৃহলৈ অহাৰ আনন্দ প্ৰত্যেক নাৰীৰ ক্ষেত্ৰত একেই। পাৰ্বতীও তাৰ ব্যতিক্ৰম নহয়। মাতৃগৃহলৈ আহি বাই-ভনী লগলাগি সকলোৱে মিলি এসাঁজ ভালকৈ খায়। আৰু পিতৃগৃহত থকা দিনকেইটাতে পাৰ্বতীয়ে শিৱক আৰাধনা কৰা ব্ৰতেই হ'ল 'তীজ'ৰ মূল উৎস। এই দিনকেইটাত পাৰ্বতী আনন্দত আপোন পাহৰা হৈ থাকে আৰু ইয়াৰ পিছত পুনৰ পতিগৃহলৈ যায়গৈ।

নেপালী নাৰীসকলৰ 'তীজ' উৎসৱত পাৰ্বতী মাতৃগৃহলৈ যোৱাৰ কাহিনী অন্তনিহিত হৈ থকাৰ লগতে মাতৃগৃহত জীয়ৰী জীৱনৰ স্মৃতি ৰোমন্থন কৰি প্ৰতিগৰাকী নাৰীয়ে যি আনন্দ লাভ কৰে সেয়া প্ৰতিগৰাকী ভাৰতীয় নাৰীৰ বাবে



# সম্পূৰ্ণ গুণবিশিষ্ট পৰিচালনা (TQM)ঃ

## গ্ৰন্থাগাৰ পৰিচালনাত ইয়াৰ প্ৰাসংগিকতা

**নিজুমণি চাংমাই**
ভাৰপ্ৰাপ্ত, লাইব্ৰেৰীয়ান, সোণাৰি মহাবিদ্যালয়




Total quality managment চমুকৈ (TQM) অসমীয়াত শব্দগত তৰ্জমা কৰিলে "সম্পূৰ্ণ গুণবিশিষ্ট পৰিচালনা"। TQM আধুনিক শিল্প, উদ্যোগ, ব্যৱসায় আৰু সংগঠনৰ দৰ্শনস্বৰূপ। আনহাতে TQM কাম কৰাৰ এটা পন্থা - এক দীৰ্ঘকালীন প্ৰতিশ্ৰুতি।

ব্যৱসায় প্ৰশাসন, পৰিচালনা, উদ্যোগ আৰু উৎপাদনৰ ক্ষেত্ৰত শেহতীয়াকৈ সম্পূৰ্ণ গুণবিশিষ্ট পৰিচালনা খণ্ডবাক্যটিৰ বিস্তৃত ব্যৱহাৰ আমাৰ চকুত পৰিছে। তদুপৰি এই তিনিটা শব্দৰ খণ্ডবাক্যটোৱে শিল্প, উদ্যোগ, ব্যৱসায় আদি পৰিচালনাৰ ক্ষেত্ৰত এক নতুন ধ্যানধাৰণাৰ সৃষ্টি কৰিছে। আকৌ এই খণ্ডবাক্যটিৰ সন্মোহিনী শক্তিয়ে অতি কম সময়ৰ ভিতৰতে উদ্যোগ, গৱেষণা, শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰলৈকে বিয়পি পৰিছে। আধুনিক গ্ৰন্থাগাৰ পৰিচালনাৰ ক্ষেত্ৰতো গ্ৰন্থাগাৰিকসকলে সম্পূৰ্ণ গুণবিশিষ্ট পৰিচালনাক পথ প্ৰদৰ্শক আৰু সহায়ক হিচাপে লৈছে। TQM ৰ বিষয়ে লিখোঁতে বিভিন্ন লেখকে উল্লেখ কৰিছে যে TQM সকলো ধৰণৰ সংগঠন আৰু প্ৰতিষ্ঠানে ভূগি থকা বিবিধ অসুবিধা তথা অন্তৰায়ৰ অলৌকিক আৰু বিশ্বজনীন প্ৰতিষেধক। বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানবিলাকে যেতিয়া লোকচান ভৰি থাকে, স্থবিৰ হৈ পৰে ব্যৱসায়, তেনে ক্ষেত্ৰত পৰিচালকসকলে TQM ক Coramine হিচাপে শেষ চেষ্টা চলায়। বিশ্বব্যাপী ব্যৱসায় আৰু উদ্যোগৰ তীব্ৰ প্ৰতিযোগিতা, ক্ৰেতাৰ বৰ্দ্ধিত ক্ৰয় ক্ষমতা, উৎপাদিত সামগ্ৰীৰ গুণাগুণ সম্পৰ্কে ক্ৰেতাসকলে সজাগ হোৱা তথা উৎপাদনকাৰীসকলৰ বিষয়ে ক্ৰেতাসকলৰ জ্ঞানেই গুণবিশিষ্ট পৰিচালনাৰ এক বিপ্লৱ আনি দিছে।

উৎপাদিত সামগ্ৰীৰ গুণবিশিষ্ট হৈছে নে নাই তাৰ নিৰ্ধাৰণ নিৰ্ভৰ কৰে- ক্ৰেতা, উৎপাদনকাৰী আৰু সমাজৰ ওপৰত। গুণবিশিষ্ট বুলিলে বুজা যায় যে "কিমানদূৰ ব্যৱহাৰৰ কাৰণে উপযুক্ত।" আৰু " আৱশ্যক অনুসাৰে মিল ৰাখি বৰ্ত্তমান আৰু ভৱিষ্যতৰ ক্ৰেতাসকলক সন্তুষ্ট কৰিব পৰাকৈ চাহিদা পূৰণ কৰা।" আনহাতে গুণবিশিষ্ট উৎপাদনৰ কাৰণে প্ৰয়োজন হয় গুণবিশিষ্ট পৰিচালনা। গুণবিশিষ্ট পৰিচালনাৰ কাৰণে প্ৰয়োজন হয়, পৰিকল্পনা, উন্নতিকৰণৰ কাৰণে প্ৰয়োজনীয় আন্তঃগাঠনি আৰু উপযুক্ত পদ্ধতিৰ যথাযথ প্ৰয়োগ। পৰিচালকসকলৰ কাৰণে প্ৰয়োজন হয় ব্যৱহাৰিক জ্ঞানৰ উপৰিও তাত্ত্বিক জ্ঞানৰ। কাৰণ এনেধৰণৰ জ্ঞানেহে কৃতকাৰ্যতাৰ কাৰণসমূহ জানিব পাৰে আৰু অকৃতকাৰ্য হোৱাৰ পৰাও সাৱধান হব পাৰে। TQM ৰ বীজ মন্ত্ৰ হ'ল-

### এইক্ষেত্ৰত পৰিচালকসকলৰ কাৰণে প্ৰত্যাহ্বান হৈছে

* উন্নতি বা প্ৰগতি জুখিবলৈ ব্যৱস্থা।
* উন্নত যোগাযোগ ব্যৱস্থা।

আনহাতে সম্পূৰ্ণ গুণবিশিষ্ট পৰিচালনাই মানি লৈছে —

১. উন্নত কৰণৰ থল সদায়েই আছে। ২. সকলো সংগঠন প্ৰতিষ্ঠানে অকৃতকাৰ্য হ'ব পাৰে।

৩. কৰ্মীসকলে ভুল কৰিব পাৰে। ৪. আমি আটায়ে লগলাগি ভাল কৰিব পাৰোঁ।

TQM ৰ যুঁৰীয়া লক্ষ্য হৈছে- ক্ৰেতাৰ সন্তুষ্টি আৰু অবিৰাম উন্নতকৰণ।

TQM ৰ ওপৰত হোৱা যৎকিঞ্চিত পাতনিৰপৰা অনুভৱ কৰিব পৰা গ'ল যে TQM ৰ প্ৰাসংগিকতা গ্ৰন্থালয় পৰিচালনাৰ ক্ষেত্ৰতো আছে। পাঠকৰ অবিহনে গ্ৰন্থালয়ৰ অস্তিত্ব নাই। পাঠকৰ সন্তুষ্টিৰ কাৰণে গুণবিশিষ্ট সেৱা আৰু এনে সেৱাৰ কাৰণে অবিৰাম উন্নত কৰণৰ প্ৰয়োজন। পৰিচালন বিজ্ঞানৰপৰা গ্ৰন্থাগাৰ বিজ্ঞানেও প্ৰয়োজন অনুসাৰে কিছুমান তত্ত্বৰ সহায় লৈছে। Henry Fayole, Peter Lawrence, Peta Ducker, Howthorn আদিৰ তাত্ত্বিক সুত্ৰবোৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ ডঃ এচ. আৰ. ৰঙ্গনাথনৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পঞ্চসুত্ৰত TQM পৰোক্ষভাৱে নিহিত হৈ আছে।



আধুনিক যুগত Computer ব্যৱহাৰে গ্ৰন্থাগাৰক এক নতুন ৰূপ দিলে তথা তথ্য প্ৰযুক্তিৰ এক নতুন সংযোজন ঘটালে। তথ্য আহৰণ, তথ্য ভড়াল গঠন, তথ্য বিতৰণ ইত্যাদি কাম সহজ সাধ্য কৰি তোলাৰ মূলতে গ্ৰন্থাগাৰত কম্পিউটাৰ ব্যৱহাৰ। House keeping operation নিয়াৰিকৈ কৰিবলৈও Computer বিস্তৃতভাৱে ব্যৱহাৰ হৈছে। Internet ৰ যোগেদি বিশ্বৰ বিভিন্ন গ্ৰন্থাগাৰৰ সম্পদসমূহৰ বিষয়ে জানিবলৈ সুবিধা কৰি দিছে। তথ্য বিস্ফোৰণৰ যুগত Computer অবিহনে গ্ৰন্থাগাৰ সেৱা বিফল হোৱাৰ সম্ভাৱনীয়তা আহি পৰিছে। অৱশ্যে কম্পিউটাৰ ব্যৱহাৰ, বিভিন্ন যন্ত্ৰপাতি, বিৰাটকায় অট্টালিকা নাইবা গ্ৰন্থাগাৰত মজুত থকা কিতাপ আলোচনীয়েই সম্পূৰ্ণ গুণবিশিষ্ট পৰিচালনা সম্ভৱ কৰি তুলিব নোৱাৰে। গ্ৰন্থাগাৰৰ কাম কৰা পৰিচালকৰপৰা আৰম্ভ কৰি সৰ্বস্তৰৰ সকলো কৰ্মচাৰীয়ে সেৱাৰ মনোযোগ, পঢ়ুৱৈৰ প্ৰতি দায়বদ্ধতাই গুণবিশিষ্ট পৰিচালনা মৰীচিকা হে'ব। ওপৰত উল্লেখ কৰি অহা হৈছে যে পাঠকৰ অবিহনে গ্ৰন্থাগাৰৰ অস্তিত্ব নাই। গতিকে পাঠকে কি বিচাৰে সেইয়াহে প্ৰথম আৰু প্ৰধান কথা। কিতাপ পত্ৰ বা ঘৰেই গ্ৰন্থাগাৰ পঢ়ুৱৈমুখী কৰিব নোৱাৰে। আজি কালি প্ৰায়েই শুনা যায় যে গ্ৰন্থাগাৰত পঢ়ুৱৈৰ সংখ্যা কমিছে, নাইবা নতুনকৈ কিতাপ, আলোচনী আদি কিনিব নোৱৰাৰ কাৰণে পঢ়ুৱৈ সকল গ্ৰন্থাগাৰলৈ নোযোৱা ইত্যাদিৰ অন্যান্য আনুসঙ্গিক কাৰণৰ ওপৰত গ্ৰন্থাগাৰ কৰ্মীসকলৰ পঢ়ুৱৈৰ প্ৰতি থকা দায়িত্ববোধ আৰু সেৱাৰ মনোভাৱ নাটনিও অন্যতম কাৰণ। গ্ৰন্থাগাৰ কৰ্মীসকলে ৰুটিনমাফিক কাম কৰি পঢ়ুৱৈক পঢ়াৰ প্ৰতি আকৃষ্ট কৰিব নোৱাৰে। গ্ৰন্থাগাৰৰ কৰ্মীসকলেও সংগ্ৰহ কৰা কিতাপ আলোচনীৰ প্ৰতি পঢ়ুৱৈৰ ধ্যান আকৰ্ষণ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব। এই ক্ষেত্ৰত পৰিচালক তথা গ্ৰন্থাগাৰিকৰ ন্যায়কোচিত নেতৃত্বৰ প্ৰয়োজন।



### সম্পূৰ্ণ গুণবিশিষ্ট পৰিচালনাৰ কাৰণে প্ৰয়োজন হয়

**১। স্পষ্ট আৰু পৰিষ্কাৰ উদ্দেশ্য-** গ্ৰন্থাগাৰৰ লক্ষ্য আৰু উদ্দেশ্য স্পষ্ট হ'ব লাগে। আনহাতে উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখিহে গ্ৰন্থাগাৰৰ কাৰণে সম্পদ আহৰণ কৰিব লাগে। অপচয় আৰু অকৰ্মণ্যতাৰ সকলো বিন্ধা বন্ধ কৰিব লাগে।

**২। দূৰদৃষ্টি, দায়বদ্ধতা আৰু নেতৃত্ব-** উদ্দেশ্যক ফলৱতী কৰিবলৈ প্ৰয়োজন হয় দূৰদৃষ্টি, সৰ্বস্তৰতে সকলো কৰ্ম্মীৰ দায়বদ্ধতা আৰু সফল নেতৃত্ব, কাম কৰাৰ এটা সুস্থ পৰিবেশ তথা উপযুক্ত বাতাবৰণ সৃষ্টি কৰিবলৈ গ্ৰন্থাগাৰিকৰ ঐকান্তিক প্ৰচেষ্টাই বাকীসকল কৰ্ম্মীক দায়িত্ব পালনত উদ্‌গনি দিয়ে। পৰিচালকে যদি কৰ্ম্মীৰ দোষ ত্ৰুটি আৰু ভুল ধৰাৰ কাৰণে সদাব্যস্ত থাকে, তেনেহলে গোটেই পৰিবেশটোৱেই অশান্তিজনক হৈ পৰে।

**৩। দায়বদ্ধতা আৰু জড়িত হৈ পৰা-** এজন ব্যক্তিয়ে একক ভাৱে এটা অনুষ্ঠান চলাব নোৱাৰে। গ্ৰন্থাগাৰৰ সকলো কৰ্ম্মী মাৰ বান্ধি কামত সম্পূৰ্ণভাৱে জড়িত হব লাগে। মনকৰিবলগীয়া কথা যে সুখীকৰ্ম্মীয়ে ফলদায়ক কৰ্ম্মী।

**৪। ক্ৰেতামুখী পৰিকল্পনা-** গ্ৰন্থাগাৰৰ ক্ষেত্ৰত সদায় পঢ়ুৱৈসকলৰ অভিৰুচি আগত ৰাখিহে পৰিকল্পনা কৰা উচিত।

**৫। শৃঙ্খলাবদ্ধ প্ৰণালী-** শৃংখলাবদ্ধতা গ্ৰন্থাগাৰৰ মৌলিক কৰ্তব্য। শৃংখলাবদ্ধ প্ৰণালী সঠিকভাৱে প্ৰয়োগ কৰি কাম কৰিলে কামটো সহজ কৰিব পাৰি আৰু কৰ্মীসকলে ইজনে সিজনৰ গাত দোষ জাপি দিয়াৰ মানসিকতা অন্ত পৰে। কৰ্তব্য সম্পাদন কৰিবলৈ কামটো সম্পৰ্কে জ্ঞান আৰু সেই কামৰ অভিজ্ঞতা থকা প্ৰয়োজন।

**৬। সম্পদ আহৰণ আৰু ইয়াৰ বাবে ব্যয়-** গুণবিশিষ্ট পৰিচালনাৰ কাৰণে মিতব্যয়িতাৰ প্ৰয়োজন। সম্পদ আহৰণ কৰোঁতে লক্ষ্য ৰাখিব লাগে যাতে প্ৰয়োজনীয় গ্ৰন্থাগাৰ সেৱাত অনাৱশ্যকীয় ব্যাঘাত নজন্মে।

**৭। যোগানকাৰীৰ সজাগতা-** যোগানকাৰীৰ সজাগতা মূলতঃ উদ্যোগ আৰু ব্যৱসায়ৰ মাজত জড়িত। আনহাতে গ্ৰন্থাগাৰৰ ক্ষেত্ৰত, লেখক, প্ৰকাশক আৰু যোগানকাৰীৰ মাজত যোগসূত্ৰ থকাটো আৱশ্যক।

শেষত গ্ৰন্থাগাৰৰ ক্ষেত্ৰত Total Quality Managment ৰ প্ৰাসঙ্গিকতা নিঃসন্দেহে আদৰণীয়। অৱশ্যে পৰিচালনাৰ ক্ষেত্ৰত মৌলিক কথাবোৰ সকলো ক্ষেত্ৰতে সমানে প্ৰয়োজনীয়। বিগত দিনৰ অভিজ্ঞতাৰ ফালৰপৰা দেখা পাইছোঁ গ্ৰন্থাগাৰত ভূমুকি মৰা দুই এজন সদাশয় ব্যক্তিয়ে সদুপদেশ দিয়ে, পৰিচালনাৰ ক্ষেত্ৰত ত্ৰুটি, বিচ্যুতি আঙুলিয়াই দিয়ে। আনহাতে আকৌ কেতিয়াবা দেখা যায়- দুই এজন ব্যক্তিয়ে তেওঁলোকৰ জ্ঞানৰ পাৰাকাষ্ঠা দেখুৱাবলৈ কিছুমান অদ্ভুত দিহা দিয়ে। সেইসকল ব্যক্তি আমাৰ পৰিবেশ আৰু পৰিস্থিতিৰ বিষয়ে অজ্ঞ। সেয়ে মই কব বিচাৰোঁ- আমাৰ মাজত সৎ আৰু নিষ্ঠাবান কৰ্মীৰ অভাৱ নাই, অভাৱ মাথোঁ সম্পূৰ্ণ গুণবিশিষ্ট পৰিচালনাৰ।

---







# পাৰ্বতী প্ৰসাদ বৰুৱা

পাল্কী কোঁৱৰ
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

**অসমীয়া** কাব্য সাহিত্যৰ শিৰ জিলিকা সাহিত্যিক সকলৰ ভিতৰত স্বৰ্গীয় পাৰ্বতী প্ৰসাদ বৰুৱা নিঃসন্দেহে অন্যতম। স্বৰ্গীয় ৰাধিকা প্ৰসাদ বৰুৱাৰ দ্বিতীয় পুত্ৰ স্বৰ্গীয় পাৰ্বতী প্ৰসাদ বৰুৱা। তেওঁৰ মাকৰ নাম আছিল হিমলা বৰুৱা।

অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ একনিষ্ঠ সেৱক, গীতিকবি, গায়ক, অভিনেতা, সঙ্গীত শিল্পী আৰু গীতি নাট্যৰ ৰচক আছিল পাৰ্বতী প্ৰসাদ বৰুৱা। ল'ৰা কালৰে পৰা পাৰ্বতী প্ৰসাদে গীত গাইছিল। উল্লেখযোগ্য যে, তেওঁৰ গীত ৰচনা আৰু গোৱাত মাকৰ অৰিহণা যথেষ্ট আছিল। গীতবোৰত কোমল গ্ৰাম্য জীৱনৰ চিত্ৰ, নৈসৰ্গিক শোভা সমৃদ্ধ, আৰু অনুভব কল্পনাৰ মাজেদি প্ৰকাশ ঘটিছে। উদাহৰণ স্বৰূপে গীতৰ কলি এটি তুলি দিয়া হ'ল-

*'আহিন মহীয়া শেৱালি সৰিলে*
*নিয়ৰত তিতিলে বন,*
*জোনাকত উপঙিলে কিহবাৰে ৰাগী*
*কেনেবা কৰিলে মন, বান্ধে ঐ*
*কেনেবা কৰিলে মন।'*

পাৰ্বতী প্ৰসাদ বৰুৱা আছিল বৰ লাজকুৰীয়া সেইকাৰণে গীত ৰচনাৰ বাবে ককায়েক ভগৱতী প্ৰসাদেও অনুপ্ৰেৰণা যোগাইছিল। কটন কলেজত অধ্যয়নৰত অৱস্থাত থাকোতে তাৰ এখন সভাত ডঃ সূৰ্যকুমাৰ ভূঁঞাৰ জয়মতী উপন্যাসৰ এটি গীত গাই প্ৰশংসা বুটলাৰ কথা জনা যায়। ইয়াৰ বাদেও লক্ষ্মীনাথ বেজবৰুৱাৰ 'অ' মোৰ আপোনাৰ দেশ' গীতটি পৰিবেশন কৰি ভূয়সী প্ৰশংসা লাভ কৰে। তেওঁৰ জীৱনকালত ভালেমান গীত ৰচনা কৰি থৈ গৈছে। এই গীতবোৰৰ সুৰ আইনাম, বিয়ানাম, ধাইনাম আদিৰ দৰে।

অসমৰ প্ৰথম গীতি নাটিকা ৰচোতা পাৰ্বতী প্ৰসাদ বৰুৱা। তেওঁৰ গীতি নাটিকা 'সোণৰ সোলেং' ১৯২৯ চনত আৱাহন আলোচনীত প্ৰকাশ পায়। তেওঁৰ প্ৰকাশিত পুথি গীতি নাট 'লখিমী' ১৯৩৬ চনত প্ৰকাশ পায়।

পাৰ্বতী প্ৰসাদ এজন সুদক্ষ ভাৱৰীয়া আছিল। তেওঁ শিৱসাগৰ নাট্য সমাজৰ এজন প্ৰধান পৃষ্ঠপোষকেই নহয় এজন গুৰিধৰোতাও আছিল। তেওঁ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ বুৰঞ্জীমূলক নাটক চক্ৰধ্বজ সিংহৰ প্ৰধান চৰিত্ৰ মহাবীৰ লচিত বৰফুকনৰ ভাও লৈ দৰ্শকক সংলাপেৰে স্তব্ধ আৰু মোহিত কৰিছিল।

তেওঁ ৰূপহী কথাছবিখন নিৰ্মাণ কৰি জ্যোতি প্ৰসাদৰ পিছতেই অসমীয়া কথাছবি জগতত তেওঁৰ নাম লিপিবদ্ধ কৰি গৈছে।

তেওঁ অসমীয়া সাহিত্যৰ ভঁড়াললৈ কবিতাও দি থৈ গৈছে। 'গুণগুণনি' তেওঁৰ পৈণত বয়সৰ ৰচনা। এই পুথিখনত প্ৰকৃতিৰ প্ৰতি থকা তেওঁৰ অগাধ ভালপোৱাৰ কথা পোৱা যায়। পুথিখনৰ কবিতাবোৰত প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা যিদৰে প্ৰাঞ্জল সেইদৰে নিপুনো।

ৰোমাণ্টিক যুগৰ আধুনিক কবিসকলৰ ভিতৰত গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ নাম উল্লেখযোগ্য। তেওঁ গুণগুণনি, লুইতী, ভগা টোকাৰীৰ সুৰ, শুৱলা ডাৱৰ ঐ কঁহুৱা ফুল আৰু খেল ভঙা খেল নামৰ পাঁচখন গীতি কবিতাৰ পুথি ৰচনা কৰি নিজৰ পাণ্ডিত্য এৰি থৈ গৈছে। তেওঁৰ কবিতাবিলাক সম্পূৰ্ণ ব্যক্তিনিষ্ঠ বা মননধৰ্মী। তেওঁৰ প্ৰায়বিলাক কবিতাই দেশপ্ৰেমমূলক আৰু প্ৰকৃতি বিষয়ক। তেওঁৰ কবিতাত জাতীয় প্ৰেমো মুক্ত ভাৱে প্ৰকাশ পাইছে।

১৯০৪ চনৰ ১৯ আগষ্ট তাৰিখে জন্ম গ্ৰহণ কৰা এইজনা সাহিত্যিকে ১৯৬৪ চনৰ ৭ জুনৰ দিনা সোণাৰিৰ সোণালী পামত মৃত্যুবৰণ কৰে। মানুহৰ মৃত্যু এটা কুন্ধত কটা শিল্প। ই এক ভাস্কৰ্যও এই কথা পাৰ্বতী প্ৰসাদৰ জীৱনত বৰ সুন্দৰকৈ খাপ খায়। তেওঁৰ মৃত্যুত সমগ্ৰ অসমৰ সাহিত্য জগতৰ এক ডাঙৰ ক্ষতি সাধন হয়। তেওঁৰ ৰচনা ৰাজিয়ে তেওঁক অসমীয়া সাহিত্যত অমৰত্ব প্ৰদান কৰিছে। এয়া আমাৰ বাবে গৌৰৱ।



# শৰৎ আহে শিল্পীৰ মনলৈ কবিতাৰ মাজলৈ

মনালিছা লাহন
অৰ্থনীতি বিভাগ



**ঋতু** আহে আৰু যায়। প্ৰতিটো ঋতু আহে সময়ৰ সম্ভাৰলৈ। নিজৰ গুণৰ বৈশিষ্ট্যৰে পৰিৱিষ্ট হৈ সোঁৱৰাই দিয়ে প্ৰকৃতিৰ নিয়মৰ কথা।

বসন্তৰ পিছতে গ্ৰীষ্মৰ অসহ্য অতপালি। তাৰ লগে লগে আহে বৰ্ষা। বৰ্ষা ঋতুৱে আনে ন সৃষ্টিৰ প্ৰতিশ্ৰুতি। মৈ দিয় মাটিত সোণগুটি সিঁচে। নৈ বোৰ গাভৰু হয়। সূৰ্যৰ নিদাঘ ৰ'দে খেতিয়কৰ কপালৰ ঘাম মাটিত পেলায়। হেপাহৰ লক্ষিমী ৰোৱনীয়ে কঠীয়া ৰোৱে। পথাৰ সঁজাল ধৰি চৌপাশ সেউজীয়া হয়। খেতিয়ক সকলৰ মন-প্ৰাণ জুৰ পেলাই।

লাহে লাহে গৰম কমি আহে। আহোঁ নাহো কৈ ওলাই আহিল আহিনৰ আঁচলত ধৰি। সেয়ে বিহগী কবি ৰঘুনাথ চৌধাৰীৰ ভাষাত,

'জহ গ'ল বৰ্ষা গ'ল আহিন শৰৎ
বিদ্যাধৰি চিত্ৰলেখা
খঞ্জলি দিলেহি দেখা
নাচে কত ছন্দ তুলি কৰুণ সুৰত
চমক লাগিল কিনো নন্দন পৰত।

শৰৎ। এৰা কি মিঠা অনুভৱ। শৰত কালতে মাধৈমালতী, কৰবী, যুতি, পাৰিজাত, শেৱালি আদি ফুল ফুলে। ৰাতিটোতে আয়ুস্মান হয় শুভ্ৰ শেৱালি।

'শেৱালি পাহিয়ে কোমল মিচিকি হাঁহিৰে
মাতিলেহি খিৰিকি মুখতে
দুবৰি বনতে নিয়ৰ মুকুতা মণিয়ে
হাঁহিলেহি শাৰদী পুৱাতে।'

এনেদৰেই লক্ষ্মীনাথ বেজবৰুৱাদেৱে শৰতৰ শেৱালিক কবিতাৰ দ্বাৰা প্ৰশংসা কৰিছিল।

শৰতত বিভিন্ন ফলৰ বিপুল সম্ভাৰে দেখা দিয়ে। সেয়ে ইংৰাজ কবি জন কীট্‌চে 'Ode to Autumn' ত শৰৎ কালক কুঁৱলী আৰু ভৰপক ফলৰ বতৰ বুলি কৈছে। এই সময়তে জলফাই, আমলখি, পনিয়ল আদি ফলবোৰ পক ধৰে। পথাৰৰ সেউজীয়া ৰূপ নাইকিয়া হৈ সোণোৱালী হৈ পকিবলৈ ধৰে। এই সময়ছোৱাই শিল্পী কবি সাহিত্যিকৰো বতৰ। সৃষ্টি হয় শিল্পীৰ কেনভাচত ৰঙীণ চিত্ৰ।

'মোৰ স্বপ্নৰ আকাশৰ মুঠি মুঠি
শৰতৰ সোণোৱালী ধান।
স্বপ্নবোৰ শৰবিদ্ধ এজাক জোনাক।'

শৰতত পোৱা যায় সৌন্দৰ্যৰ মেটমৰা সম্ভাৰ। আকাশত নাথাকে কলীয়া ডাৱৰ। সন্ধিয়াৰ হেঙুলীয়া আকাশত জাক জাক চৰাই। নিশাৰ আকাশত অপৰূপ আভাৰে জোনবাই। পৃথিৱীয়ে পিন্ধে ৰূপোৱালী পোছাক। প্ৰকৃতিৰ এই বিনন্দীয়া ৰূপে গুৰুজনাকো মুহিছিল। সেয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে দশম স্কন্ধ ভাগৱতত শৰৎ কালৰ বৰ্ণনা কৰিছিল—

'শৰৎ সমান নাহি সুখকাল
হৰৈ দুখ অনুক্ৰমে
আকাশত মেঘ যতেক আছিল
গুচাইল তাক প্ৰথমে।'

নিয়ৰেও শৰতক আদৰণি জনাই। শৰৎ কালৰ পৰাই নিয়ৰৰ আগমন ঘটে। ঘৰৰ সন্মুখৰ চোতালত দুবৰি বনত নিয়ৰ টোপাল কাটে। পুৱাৰ চিকিমিকিত চৰাইৰ কোলাহলত চকু মেলিলেই শেৱালিৰ গোন্ধ নাকত লাগে। নিয়ৰৰ টোপালৰ ছন্দোময় গীতত পুৱাৰ অলয় ভাঙে। শৰৎ মানেই শেৱালি, কঁহুৱা, নিয়ৰ, কুঁৱলী। শৰততে আহে শাৰদীয় দুৰ্গোৎসৱ। ধূপ-ধূনা আৰতিৰে মুখৰিত হয় পূজা মণ্ডল। এই দেশত নাৰীক দেৱী ৰূপে পূজা কৰা হয়। দেৱীয়ে যাতে সমাজত চলি থকা মহিষাসুৰৰূপী অসুয়া শক্তিবোৰ নাশ কৰি সৰ্বভূতেষু শক্তি ৰূপে সংস্থাপিত হয়।

শৰতৰ মুকলি আকাশত সেই ৰূপালী স্নিগ্ধ জোনাকত এহাল প্ৰেমিক প্ৰেমিকাই একেলগে শাৰদীয় দুৰ্গা পূজা উপভোগ কৰাৰ সেই আমেজ ভৰা অনুভূতি যেন সঁচাকৈ বৰ্ণনাতীত। প্ৰায়ে ইজনে সিজনৰ সান্নিধ্য পোৱা অথবা ম'বাইল ফোনত কথাকৈ হৃদয়ৰ বতৰা জনোৱা এহাল প্ৰেমিক প্ৰেমিকাৰ বাবেও যেন দুৰ্গাপূজাত লগপোৱা এই দিনকেইটাৰ অনুভূতি অন্যন্য হৈ পৰে।

সময়ৰ বিৱৰ্তনত মানুহৰ জীৱনশৈলী ধ্যান ধাৰণাৰ পৰিৱৰ্তন হোৱাৰ দৰে আজিৰ দিনত প্ৰেমিক প্ৰেমিকাৰ মাজত গঢ় লৈ উঠাৰ প্ৰেমৰ ধাৰণাৰো পৰিৱৰ্তন হৈছে। ফোন, ম'বাইল ফোন, ইণ্টাৰনেট্ আদিৰ দৰে ইলেকট্ৰনিক্ মিডিয়াই প্ৰেমিক প্ৰেমিকাৰ মাজত থকা দূৰত্ব কমাই আনিছে। আজিৰ প্ৰেম সেই তাহানিৰ প্ৰেমতকৈ যথেষ্ট মুক্ত। তথাপিও আজিৰ এই মুক্ত যুগটোত এহাল প্ৰেমিক প্ৰেমিকাই শাৰদীয় দুৰ্গাপূজালৈ অসীম আশাৰে বাট চাই থাকে বিভিন্ন পৰিকল্পনাৰ মাজেৰে। সন্ধিয়াৰ কোন যোৰ কাপোৰ পিন্ধি কোন সময়ত পূজালৈ বুলি দুয়ো একেলগে ওলাব, কোনখন ৰেস্তোৰাত খাব, ইজনে সিজনক কি উপহাৰ দিব ইত্যাদি বিভিন্ন পৰিকল্পনাৰ লগতে দুয়ো পূজাৰ দিনকেইটা কেনেদৰে উপভোগ কৰিব সেয়া পৰিকল্পনা কৰে। এইয়াই মাথো শৰৎ। যাক অনুভৱ কৰিলেই দেহ-মন সতেজ হয়।







# মাধৱদেৱৰ বৰগীত

**পল্লৱী বুঢ়াগোঁহাই**
অসমীয়া বিভাগ

**অসমৰ** সভ্যতাক মূলতঃ 'বৈষ্ণৱ সভ্যতা' বুলিব পাৰি। কাৰণ নানা দেৱ-দেৱী, নানা কৰ্ম পদ্ধতি নানা আচাৰ নীতি; তন্ত্ৰ-মন্ত্ৰ, যাগ-যজ্ঞ আদিৰে অসমৰ ছিন্ন বিচ্ছিন্ন অসমীয়া সমাজ খনক এক সূত্ৰেৰে বান্ধিলে শংকৰদেৱে তেওঁৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ জৰিয়তে। বৈষ্ণৱ যুগটো আছিল অসমীয়া সাহিত্যৰ সোণালী যুগ। এই যুগতে অসমীয়া সাহিত্যই ভাৰতৰ অন্যান্য আঞ্চলিক ভাষাৰ সাহিত্যৰ লগত ফেৰ মাৰি শ্ৰেষ্ঠতাৰ দাবী কৰিব পাৰিছিল। এই যুগৰ সাহিত্যক লৈ অসমীয়া ভাষা সাহিত্যৰ দুৰ্যোগৰ সময়তো বৈষ্ণৱ যুগৰ সাহিত্যই উৎসাহ, প্ৰেৰণা আৰু শক্তি যোগাব পাৰে।

বৈষ্ণৱ যুগৰ সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠাতা, উদ্বোধক আৰু মেৰুদণ্ডস্বৰূপ আছিল স্বয়ং শ্ৰীমন্ত শংকৰদেৱ। শংকৰদেৱৰ পিছতে তেওঁৰ মুখ্য শিষ্য আদৰৰ বুঢ়াৰপো, দ্বিতীয়জনা মহাপুৰুষ মাধৱদেৱৰ স্থান।

অসমীয়া সমাজখনক একত্ৰিত কৰাত বিশেষকৈ সহায় কৰিছিল শংকৰ-মাধৱৰ বৰগীতবোৰে। মাধৱদেৱৰ বৰগীতত শংকৰদেৱে লোৱা বিষয়বস্তুবোৰে স্থান পাইছে। 'বৰগীত'ত ব্যৱহৃত হোৱা 'বৰ' শব্দটো বিশেষণ, যাৰ অৰ্থ হ'ল ডাঙৰ অৰ্থাৎ শ্ৰেষ্ঠ। এই বিশেষণৰ প্ৰয়োগ আধুনিক অসমীয়াতো হয়, যেনে - বৰধেমালি, বৰফুকন আদি। এইদৰে 'বৰগীত'ৰ অৰ্থ হ'ল শ্ৰেষ্ঠ গীত। কিন্তু অসমীয়া বৈষ্ণৱ ধৰ্মত 'বৰগীত' বুলিলে শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা ভক্তিমূলক গীতৰ সংকলন গ্ৰন্থবোৰকহে বুজায়। শ্ৰেষ্ঠতা, পবিত্ৰতা, আধ্যাত্মিকতা আৰু ধাৰ্মিকতাৰ দৃষ্টিৰে এই গীত সমূহক বিভিন্ন পণ্ডিতে 'Holy Songs' 'Noble Numbers' আৰু 'Songs of Celestial' আদি আখ্যা দিছে।

মাধৱদেৱে কিমান বৰগীত ৰচনা কৰিলে সেই বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে 'গুৰুবাক্য শিৰত ধৰি মাধৱদেৱে হেনো ন-কুৰি এঘাৰটা গীত ৰচনা কৰিলে' (অসমীয়া সাহিত্যৰ ইতিবৃত্ত, ১ম, সং, পৃঃ৯৪), কিন্তু ডঃ মহেশ্বৰ নেওগৰ মতে 'মাধৱদেৱে শংকৰদেৱৰ ৩৪ টি আৰু নিজে ৰচা ১৫৭ টি গীত লৈ নতুনকৈ পুথি কৰিলে' (অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১ম, সং, পৃঃ১২৮)। ডঃ নেওগে ইয়াৰ বাহিৰেও ২৩ টি (অৰ্জুন ভঞ্জন

যাত্ৰা ৪, চোৰধৰা ৬, ভূমি লেটোৱা৫, পিম্পৰা গুচোৱা ৩, আৰু ভোজন বেহাৰ ১) গীতক অংখৰ গীত বুলি স্বীকাৰ কৰিছে। কিন্তু প্ৰকাশিত গ্ৰন্থসমূহত এই ২৩ টি গীতকো বৰগীতৰ ভিতৰত ধৰা হৈছে। "শ্ৰীশ্ৰীমাধৱদেৱৰ বাক্যামৃত" (পৃষ্ঠা সংখ্যা ৩১৮-৩৫৩)ত বৰগীত শীৰ্ষকৰ অন্তৰ্গত মুঠতে ৮৬ গীতটো দুৱাৰ (গীত সংখ্যা ৯৬) মুদ্ৰিত হৈছে। গতিকে গীতৰ সংখ্যা ১৮০ হে। আকৌ হৰিনাৰায়ণ দত্তবৰুৱাৰ দ্বাৰা সম্পাদিত 'বৰগীত' (৯ম সংস্কৰণ, ১৯৭১) ত মাধৱদেৱে ৰচিত মুঠ ১৮৪ টা গীত সংকলিত হৈছে। তাৰে ভিতৰৰ ৩ টা গীত (৯৩,১১৫ আৰু১৫০) দুবাৰ মুদ্ৰিত (ক্ৰমশঃ ১৮১, ১৭২ আৰু ১৮৬) হৈছে। গতিকে এই গ্ৰন্থত গীতৰ প্ৰকৃত সংখ্যা ১৮১। কিন্তু এই দুয়োখন গ্ৰন্থ "শ্ৰীশ্ৰীমাধৱদেৱৰ বাক্যামৃত' আৰু 'বৰগীত'ৰ প্ৰকাশিত গীতসমূহৰ তুলনামূলক অধ্যয়ন কৰিলে দেখা যায় যে তাৰ ভিতৰত ১৮৯ টা গীতৰহে মিল আছে। বাক্যামৃতৰ ১৫৪ নং গীতটো 'বৰগীত'ত নাই আৰু 'বৰগীত'ৰ দুটা গীত (১১৭ আৰু ১৫০) বাক্যামৃতত নাই। এই তুলনাৰ পাছত ক'ব পাৰি যে (ডঃ মহেশ্বৰ নেওগৰ দ্বাৰা উল্লিখিত ২৩ টা অংকৰ গীতক লৈ) বৰ্তমান মাধৱদেৱৰ মুঠ ১৮২ টা (মিল থকা ১৭৯, বাক্যামৃতৰ ১(১৫৪ নং), 'বৰগীত'ৰ ২(১১৭ আৰু ১৫০ নং)) বৰগীত পোৱা যায়।

মাধৱদেৱৰ বিৰচিত ১৬৮ টি বৰগীত শ্ৰীপূৰ্ণচন্দ্ৰ গোস্বামী সম্পাদিত আৰু প্ৰকাশিত শ্ৰীশ্ৰীমাধৱদেৱ বাক্যামৃতত পোৱা যায়। অৱশ্যে ইয়াৰ বাহিৰেও কিছুমান গীত 'কহয় মাধৱ দাস' ভণিতা থকা পোৱা যায়। মাধৱদেৱৰ বৰগীত সমূহৰ প্ৰধান বৰ্ণিত বিষয় হ'ল ভগৱান শ্ৰীকৃষ্ণৰ শিশুলীলা। ভক্তবৎসল গুণ প্ৰদৰ্শন কৰি শ্ৰীকৃষ্ণই মাতৃ যশোদা, ব্ৰজধামৰ গোপীসকলৰ আৰু শিশু সকলৰ লগত কৰা শৈশৱ লীলাৰ অতি প্ৰাণ পৰিভৃগী মাধৱদেৱৰ বৰগীতসমূহত পোৱা যায়। অৱশ্যে অন্য প্ৰসঙ্গৰ বৰগীতো নথকা নহয়। কৃষি আৰু বাণিজ্যৰ উপমাৰ আধাৰতো মাধৱদেৱে দুটি সুন্দৰ ভক্তিমূলক গীত ৰচনা কৰিছে। কৃষিজীৱি আৰু বণিকসকলক হৰিভক্তিৰ প্ৰতি আকৃষ্ট কৰিবলৈ এনে অনুপম গীত দুটি ৰচনা কৰিছিল। কৃষিভিত্তিক গীতটিৰ আৰম্ভণি-

ধ্ৰুং- কিৰিষি কৰ আলো মনাই
হৰি চৰণৰ সেৱা পৰম সুখে
যতন কৰিয়া হৰিৰ নাম সদায়
ভাবিয়ো মুখে।

সেইদৰে ব্যৱসায় ভিত্তিক গীতটিৰ আৰম্ভণি

ধ্ৰুং- ব্যৱসা কৰিয়ো ভাই হৰিৰ চৰণ ধন সাৰ।
অৰুণ চৰণ বিনে ধন নাহি আৰ।।

অৰ্থাৎ ভক্তি ৰসত ৰসিক হৈ মুক্তিৰো অপেক্ষা নকৰা ভক্তিয়েই নামঘোষাৰ প্ৰতিপাদ্য বিষয়। ইয়াৰ বাহিৰেও মাধৱদেৱৰ আত্মলঘিমা, ঐকান্তিক গুৰুভক্তি, পৰমেশ্বৰত একান্ত শৰণ আদি ভাবৰ অপূৰ্ব সমন্বয় নামঘোষাত ঘটিছে।

শিক্ষাৰ দ্বাৰাই মানুহৰ সুখ-দুখ উপলব্ধি কৰিবপৰা যায় আৰু দেহত সুস্থ মনৰ সৃষ্টি কৰে।
-এৰিষ্টটল।

জীৱনটো আচলতে খুব চুটি, কেৱল জীৱনৰ দুখ যন্ত্ৰণাইহে খুব দীঘলীয়া যেন কৰে।
-পাব্ৰিয়াছ চাইৰাছ।

ল'ৰা ছোৱালীক প্ৰকৃততে ভদ্ৰ হ'বলৈ শিক্ষা দিব লাগে অভদ্ৰ হ'বলৈ নহয়।
- পদ্মনাথ গোহাঞি বৰুৱা।

সংগ্ৰাহক ঃ শ্ৰীমতী মৃদুস্মিতা বড়া, অৰ্থনীতি বিভাগ।



# আলফ্ৰেড ন'বেল আৰু ন'বেল বঁটা

পল্লৱী গগৈ
অৰ্থনীতি বিভাগ



ন'বেল বঁটা বিশ্বৰ এটা অতি সন্মানীয় বঁটা আৰু এই সন্মানীয় বঁটা তথা পুৰস্কাৰ আগবঢ়াওঁতা হ'ল ছুইডেনৰ সৰ্বকালৰ স্মৰণীয় বিজ্ঞানী আলফ্ৰেড ন'বেল বাৰ্ণাড। আলফ্ৰেড ন'বেলে তেওঁৰ সমস্ত সম্পত্তি এখন ইচ্ছা পত্ৰৰ দ্বাৰা বিশ্বৰ আটাইতকৈ সন্মানীয় ন'বেল পুৰস্কাৰৰ বাবে দান দি থৈ যায়। সম্পত্তিৰ পৰিমাণ আছিল ৯২ লাখ ডলাৰ। তেওঁৰ ইচ্ছামতেই এই সম্পত্তিৰ আয়ৰপৰা প্ৰতিবছৰে ২৫ তাৰিখৰ ভিতৰত এই বঁটা বিজয়ীৰ নাম ঘোষণা কৰা হয়। ১৯০১ চনৰপৰা প্ৰদান কৰি অহা এই বঁটা দিয়া হয় ছটা বিষয়ত - পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান, সাহিত্য, শান্তি আৰু অৰ্থনীতি। প্ৰথম অৱস্থাত প্ৰথম পাঁচটা বিষয়তহে এই বঁটা প্ৰদান কৰা হৈছিল। কিন্তু ১৯৬৯ চনৰপৰা অৰ্থনীতি বিজ্ঞান বঁটাটো বেংক অব্ ছুইডেনে' প্ৰদান কৰি আহিছে।

আলফ্ৰেড ন'বেলৰ ইচ্ছানুসৰি ছুইডেনৰ তিনিটা আৰু নৰ'ৱেৰ দুটা প্ৰতিষ্ঠানে ন'বেল বঁটা প্ৰদান কৰে। পদাৰ্থ আৰু ৰসায়ন বিজ্ঞানৰ বাবে ইকহ'মৰ ৰয়েল ছুইডিছ একাডেমী, চিকিৎসা বিজ্ঞানৰ বাবে ৰয়েল কেৰলিন মেডিক ছাৰ্জিকেল ইন্ষ্টিটিউট আৰু সাহিত্যৰ বাবে ছুইডিছ একাডেমীয়ে এই বঁটা প্ৰদান কৰে। শান্তিৰ বাবে প্ৰদান কৰে ন'বেল সমিতিয়ে।



ন'বেল ফাউণ্ডেছনৰ তত্বাৱধান আৰু যুটীয়া সহযোগত পুৰস্কাৰ দাতা প্ৰতিষ্ঠান কেইটাই কাৰ্য পৰিচালনা কৰে। প্ৰতিটো পুৰস্কাৰৰ বাবদ এটা সোণৰ পদক, এখন ডিপ্লমা আৰু নগদ ধন প্ৰদান কৰা হয়। ন'বেল সমিতিয়ে প্ৰতি বছৰৰ ফেব্ৰুৱাৰী মাহৰ এক তাৰিখে সম্ভাব্য পুৰস্কাৰ বিজয়ীসকলৰ প্ৰস্তাৱ আহ্বান কৰে আৰু সমিতিয়ে আলোচনা কৰি প্ৰাৰ্থী বাছনি কৰে। সমিতিয়ে তেওঁলোকৰ অনুমোদনসমূহ নিজ নিজ বিভাগৰ পুৰস্কাৰ দাতা প্ৰতিষ্ঠানসমূহলৈ প্ৰেৰণ কৰে আৰু এই প্ৰতিষ্ঠানসমূহে নবেম্বৰ মাহৰ ১৫ তাৰিখৰ ভিতৰত চূড়ান্ত সিদ্ধান্ত লৈ বিজয়ীৰ নাম ঘোষণা কৰে।

পুৰস্কাৰ সম্পৰ্কীয় সকলো নীতি নিয়ম আলফ্ৰেড ন'বেলে তেওঁৰ ইচ্ছা পত্ৰত উল্লেখ কৰি থৈ যোৱাৰ ধৰণেই পালন কৰি অহা হৈছে।

**ন'বেল বঁটাৰে সন্মানিত ভাৰতীয়সকলঃ—**

১। ৰবীন্দ্ৰনাথ ঠাকুৰ, সাহিত্য, ১৯১৩
২। চি. ভি. ৰমন, পদাৰ্থবিজ্ঞান, ১৯৩০
৩। হৰগোবিন্দ খোৰানা, চিকিৎসা বিজ্ঞান, ১৯৬৮ (আমেৰিকাৰ নাগৰিক)
৪। মাডাৰ টেৰেছা, শান্তি ১৯৭৯
৫। সুব্ৰমনিয়াম চন্দ্ৰশেখৰ, পদাৰ্থ বিজ্ঞান ১৯৮৩ (আমেৰিকাৰ নাগৰিক)
৬। অমৰ্ত্য সেন, অৰ্থনীতি ১৯৯৮



# ড্ৰাগছ

## এক সামাজিক সমস্যা





**দেৱাশ্ৰী বৰুৱা**, অসমীয়া বিভাগ

মানৱ সভ্যতাৰ আৰম্ভণিৰেপৰা মানুহে তেওঁলোকৰ মৌলিক চাহিদাবোৰ পূৰ হোৱাৰ পাছৰেপৰা কৃত্ৰিম পদ্ধতিৰে সুখানুভূতি লাভ কৰাৰ অৰ্থে বিভিন্ন সময়ত জন্ম দিছে বিভিন্ন ক্ষতিকাৰক অভ্যাসৰ। এনেবোৰ ক্ষতিকাৰক অভ্যাসৰ ভিতৰত ড্ৰাগছ সেৱন অন্যতম। ফলত ই সমাজৰ এক সামাজিক ব্যাধি হিচাবে পৰিচিত হৈছে।

কুৰি শতিকাৰ আৰম্ভণিৰ দশকবোৰত মূলতঃ উন্নয়নশীল আৰু অনুন্নত দেশসমূহৰপৰা উন্নত বিশ্বৰ দেশসমূহলৈকে ড্ৰাগছৰ প্ৰবাহ আছিল। এই শতিকাৰ পঞ্চম ষষ্ঠ দশকমানলৈ ই আছিল প্ৰধানত ধনী দেশসমূহৰ সমস্যা। কিন্তু বৰ্তমান সময়ত উন্নত দেশবোৰৰপৰা মাদক দ্ৰব্যৰ অবৈধ অনুপ্ৰৱেশে উন্নয়নশীল দেশবোৰৰ ওপৰত ভীষণভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে। সাম্প্ৰতিক কালত অনুন্নত দেশৰ ছাত্ৰ, শ্ৰমিক, শিক্ষিত নিবনুৱা তথা তৰুণ সমাজৰ এক উল্লেখযোগ্য অংশ ড্ৰাগছৰ কবলত আক্ৰান্ত।

প্ৰকৃতিত পোৱা কিছুমান নিচাযুক্ত দ্ৰব্য আমি ঔষধ হিচাপে ব্যৱহাৰ কৰি ৰোগ উপশম কৰোঁ। কোনো এটা ৰোগ হ'লে তাৰ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা দ্ৰব্যটোক আমি ঔষধ বোলোঁ। কিন্তু কোনো ৰোগ নোহোৱাকৈয়েই যদি তেনে জাতীয় দ্ৰব্য ব্যৱহাৰ কৰা হয়, যাৰ দ্বাৰা শৰীৰ নিচাগ্ৰস্ত হৈ পৰে আৰু শৰীৰত ই কু-প্ৰভাৱ পেলায়। এনে ধৰণৰ দ্ৰব্য যেতিয়া এজন সুস্থ মানুহে গ্ৰহণ কৰে, সেই দ্ৰব্যটোক বৰ্তমান অস্বাভাৱিক 'ড্ৰাগছ' বোলা হয়। ড্ৰাগছে প্ৰধানতঃ মন আৰু চিন্তা শক্তিৰ ওপৰত প্ৰচণ্ড প্ৰভাৱ পেলায়। লাহে লাহে এই প্ৰভাৱ সমগ্ৰ শৰীৰতে বিয়পি পৰে আৰু এজন সুস্থ সবল যুৱকক অথৰ্ব কৰি পেলোৱাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। যিয়ে শৰীৰৰ ৰোগ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা নাইকিয়া কৰি পেলায়। ফলত মৃত্যুৰ ক্ষণ গণিবলগীয়া হয়।

প্ৰতিজন ড্ৰাগছ আসক্ত লোকেই ক্ষণিক আনন্দৰ বাবে, অৱসাদ দুৰীকৰণৰ কাৰণে এনেবোৰ দ্ৰব্য গ্ৰহণ কৰে। এনেদৰেই ড্ৰাগছ সেৱন অভ্যাসত পৰিণত হয় আৰু ব্যক্তি বিলুপ্ত হৈ পৰে, বেদনা আৰু হৃদয়ৰ অনুভূতি নোহোৱা হৈ যায়। ফলত সময়মতে এই দ্ৰব্য সেৱন কৰিব নাপালে এজন ফুলকুমলীয়া কিশোৰৰ পক্ষেও চুৰি, ডকাইতি আনকি হত্যা পৰ্যন্ত সম্ভৱ হৈ পৰে। ড্ৰাগছ সেৱন কৰি অতি সম্ভাৱনাপূৰ্ণ মেধাৱী ছাত্ৰ-ছাত্ৰী, অতি বিত্তৱান পিত-মাতৃৰ সতি-সন্ততিৰ উপৰিও অন্যান্য বহু শ্ৰেণীৰ লোক ধ্বংসৰ গহ্বৰলৈ সোমাই গৈ আছে।

বৰ্তমান সময়ত ড্ৰাগছৰ প্ৰতি কোনো বিশেষ ব্যক্তিৰ আসক্তি যেনেদৰে আছে সেইদৰে প্ৰাচীন কালৰপৰাই মাদক দ্ৰব্যৰ প্ৰতি কিছুমান বিশেষ শ্ৰেণীৰ লোকৰ আসক্তি থকা দেখা যায়। বিশেষ কেতবোৰ জনগোষ্ঠীয়ে কেতিয়াবা ধৰ্মীয় উৎসৱত আৰু কেতিয়াবা নিভাঁজ আনন্দৰ উপাদান হিচাপে মাদক দ্ৰব্যৰ ব্যৱহাৰ



কৰিছিল। ভাৰতত প্ৰাচীন কালৰেপৰা তান্ত্ৰিক আৰু আধ্যাত্মিক সাধনাৰ অৱলম্বন হিচাপে মাদক দ্ৰব্যৰ ব্যৱহাৰ হৈ আহিছে। কালক্ৰমত মাদক দ্ৰব্য বা ড্ৰাগছৰ ব্যৱহাৰ বৃদ্ধি হৈ অহাৰ ফলত ই সংক্ৰামক ব্যাধিৰ দৰে বিশ্বৰ সৰ্বত্ৰই সিচঁৰতি হৈ পৰিছে আৰু লগতে সৃষ্টি হৈছে এক ভয়াবহ সমস্যাৰ।



ড্ৰাগছ বা মাদক দ্ৰব্যৰ বজাৰখনৰ বিশালতাই এই দ্ৰব্যৰ প্ৰচলনত বিশেষভাৱে সহায় কৰিছে। মাদক দ্ৰব্যৰ বে-আইনী ব্যৱসায়ে আজি বিভিন্ন দেশৰ অৰ্থনীতিত সৃষ্টি কৰিছে ক্ষতিকৰ প্ৰতিক্ৰিয়া, উৎসাহিত কৰিছে অপৰাধ প্ৰৱণতা আৰু ধ্বংসাত্মক কাৰ্যকলাপ। আনকি কোনো কোনো দেশৰ ৰাজনৈতিক স্থিতিশীলতা আৰু প্ৰতিৰক্ষা ব্যৱস্থাকো ই আঘাট কৰিছে। এইদৰেই সংঘটিত হৈছে আন্তৰ্জাতিক অপৰাধ।



সম্প্ৰতি ভাৰততো বিভিন্ন ঠাইত ড্ৰাগছ সেৱনে ভয়াবহ ৰূপ ধাৰণ কৰিছে। একেদৰে অসমকে ধৰি দেশৰ উত্তৰ-পূৱ অঞ্চলত বিভিন্ন মাদক দ্ৰব্যৰ ব্যৱসায়ে খোপনি পুতি বহিছে। অসমৰ নতুন প্ৰজন্মৰ মাজত মাদক দ্ৰব্যৰ প্ৰতি আসক্তি বাঢ়ি আহিবলৈ ধৰিলে অসমৰ ভৱিষ্যত বুলিবলৈ একো নাথাকিব। ড্ৰাগছ সেৱন আৰম্ভ কৰাৰেপৰা এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত একোটা মানৱ শৰীৰৰ ভাঙোন প্ৰক্ৰিয়া আৰম্ভ হ'বলৈ ধৰে। শাৰীৰিক ভাৱে আহে সাময়িক দুৰ্বলতা যেনে- পেটৰ বিষ, অস্বাভাৱিক ৰক্তচাপ, ক্ষয়ৰোগ, যকৃতৰ জ্বলা-পোৰা, শৰীৰত কঁপনি, হেপাটাইটিছ, এইডছ্ আদি ৰোগ। ইয়াৰ লগতে দৃষ্টিহীনতা, নিদ্ৰাহীনতা, ভোকহীনতা আদি আৰু এটা সময়ত ই কেঞ্চাৰৰ দৰে মাৰাত্মক ৰোগৰ সৃষ্টি কৰে। ড্ৰাগছৰ মানসিক প্ৰতিক্ৰিয়াবোৰ হ'ল- বিনা কাৰণত উত্তেজিত হোৱা, তীব্ৰ হতাশাৰ ভাৱ, অসংলগ্ন ব্যৱহাৰ, উচ্ছৃংখল ব্যৱহাৰ, উদাসীনতা, আত্মহত্যাৰ প্ৰৱণতা আদি। এনেদৰেই ড্ৰাগছে এজন ব্যক্তিৰ জীৱন তিলতিলকৈ ধ্বংসৰ গৰাহলৈ ঠেলি লৈ যায়। সকলোধৰণৰ ঔষধ পাতিতেই নিৰ্দিষ্ট পৰিমাণৰ ড্ৰাগছ ব্যৱহাৰ কৰা হয়। এই ড্ৰাগছ ব্যৱহাৰ কৰি এজন ৰোগীয়ে বেমাৰৰপৰা নিৰাময় পায়। কিন্তু নিৰ্দিষ্ট পৰিমাণতকৈ বেছি ড্ৰাগছ সেৱন কৰিলে ৰোগ নিৰাময় ক্ষমতা নাইকিয়া হয় আৰু শৰীৰত অন্যান্য ৰোগে দেখা দিয়ে।

ড্ৰাগছৰ অত্যাধিক ব্যৱহাৰে কেনেদৰে ধ্বংসাত্মক সমস্যাৰ সৃষ্টি কৰিব পাৰে এই সম্পৰ্কে জনসাধাৰণ সম্পূৰ্ণভাৱে অৱগত নহয়। সেইবাবে সামাজিক বিকাশ নীতিৰ মুখ্য অংগ হিচাপে শিক্ষাৰ মাধ্যমেৰে মাদক দ্ৰব্যৰ জ্ঞান প্ৰচাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই ক্ষেত্ৰত যুৱ সমাজ, শ্ৰমিক, কৃষি শ্ৰমিক, জনজাতীয় গোট আৰু সামাজিক তথা অৰ্থনৈতিক ভাৱে পিছপৰা সম্প্ৰদায়ৰ প্ৰতি অধিক মনোযোগ দিয়াটো আৱশ্যক। বৰ্তমান চৰকাৰেও ড্ৰাগছৰ অপকাৰিতাৰ প্ৰতি জনসাধাৰণক সজাগ কৰি তুলিবৰ বাবে বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আমি নৱ-প্ৰজন্ময়েও এই সামাজিক ব্যাধিৰপৰা দেশ বা সমাজখনক আঁতৰাই আনিবলৈ হ'লে সকলো লোকৰ মাজত ইয়াৰ অপকাৰিতাৰ বিষয়ে সজাগ কৰি তুলিব লাগিব। তেতিয়াহে দেশখনক মৃত্যু মুখৰ পৰা ৰক্ষা





# ৰক্তদান মহান দান

**কৰবী গগৈ**, অসমীয়া বিভাগ

আমাৰ প্ৰতিটো পদক্ষেপতেই আনৰ সহযোগিতাৰ প্ৰয়োজন অনুভৱ কৰোঁ। আনৰ সহযোগিতা অবিহনে অকলে আমি কোনোৱেই জীয়াই থাকিব নোৱাৰোঁ। পৃথিৱীত জীয়াই থাকিবলৈ হ'লে আনৰ সহায় লাগিবই। এই কথাষাৰ হয়তো আমি উপলব্ধি কৰিব পাৰিছোঁ। আৱহমান কালৰপৰাই সেই কাৰণেই সামাজিক অধিকাৰ আৰু কৰ্তব্যৰ আহ্বান হৈছে- মৈত্ৰী, সহযোগিতা আৰু মানৱ কল্যাণ। সাম্প্ৰতিক কালত তাৰেই বাস্তৱ নিদৰ্শন হ'ল ৰক্তদান। বৰ্তমান সমাজত মানৱৰ হিত সাধন কৰা অথবা জনসেৱাৰ যিমানবিলাক দৃষ্টান্ত পোৱা যায়, তাৰ ভিতৰত ৰক্তদানেই শীৰ্ষস্থান লাভ কৰিছে বুলি ক'ব পাৰি।



বহু আগৰপৰাই চিকিৎসা বিজ্ঞানত এজন মানৱ দেহৰ পৰা আন এজনৰ মানৱ দেহলৈ ৰক্ত সঞ্চালন কৰাৰ প্ৰয়োজন তথা পদ্ধতি অনুভূত হয়। ক্ৰমান্বয়ে এই বিষয়ে অনুশীলন আৰু পৰীক্ষা-নিৰীক্ষাৰ অন্তত চিকিৎসা বিজ্ঞানীসকলে স্থিৰ সিদ্ধান্ত কৰি তাৰ প্ৰয়োগ পদ্ধতি উদ্ভাৱন কৰিলে। স্থিৰ সিদ্ধান্তসমূহৰ ভিতৰত - মানৱ দেহৰ ৰক্ত অন্য মানৱ দেহৰ ৰক্তলৈ কেনেদৰে সঞ্চাৰিত কৰিব পৰা যায়। অৰ্থাৎ প্ৰথমতে তেজৰ 'গ্ৰুপ' মিলাই ল'ব লাগে। মানুহৰ তেজৰ 'গ্ৰুপ' চাৰিটা A,B,AB আৰু O। চিকিৎসাধীন ব্যক্তিৰ তেজ যিটো গ্ৰুপৰ হয়, কেৱল সেই গ্ৰুপৰ সুস্থ মানুহৰ তেজহে ৰোগীৰ শৰীৰলৈ সঞ্চালিত কৰা প্ৰয়োজন। ভিন্ন গ্ৰুপৰ তেজ সঞ্চালিত কৰিলে ফল বিষময় হ'ব পাৰে। অৱশ্যে ৰক্তদানৰ আগত 'Rh' গ্ৰুপো পৰীক্ষা কৰি লোৱা হয়।

আমি সকলোৱে জ্ঞাত যে মানৱ শৰীৰত তেজৰ প্ৰয়োজন অনিবাৰ্য। আমি যিবোৰ আহাৰ গ্ৰহণ কৰোঁ, সেইবোৰ পৰিপাক যন্ত্ৰৰ নানা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ মূৰত সেয়ে তেজ হয়গৈ। সেই তেজ আমাৰ সৰ্বশৰীৰত সঞ্চালিত হয় বাবেইতো আমি জীয়াই আছোঁ। অসুস্থ ব্যক্তি ক্ৰমাগত ৰোগত ভুগি থকাৰ ফলত অসুখৰ উপৰিও নানান দুৰ্ঘটনাৰ ফলত শৰীৰৰপৰা ক্ৰমান্বয়ে তেজৰ মাত্ৰা কমি যায় আৰু শেষ পৰিণতি হয়গৈ মৃত্যু। তেনে অৱস্থাত ৰোগীৰ দেহত একে গ্ৰুপ বিশিষ্ট ৰক্ত সঞ্চালনৰ



প্ৰয়োজনবোধ কৰে। তাৰ ফলত ৰোগীয়ে জীয়াই থকাৰ প্ৰেৰণা পায়। এনেদৰে ৰক্ত সঞ্চালন কৰাই বহু ৰোগীক মৃত্যুৰ গৰাহৰপৰা উদ্ধাৰ কৰিব পাৰি।



অৱশ্যে এই ৰক্তদান কৰা কাৰ্যটো সুস্থ মানুহবিলাকেহে কৰিব লাগে। যাতে আন এজনৰ প্ৰাণ ৰক্ষা কৰিবলৈ গৈ নিজৰ বিপদ মাতি নানে তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। বিশেষকৈ ৰক্তদান কাৰ্যটো ল'ৰাবিলাকৰ বাবে বিশেষ উপযোগী। অৱশ্যে ছোৱালীয়েও কৰিব পাৰে। তথাপি ছোৱালীবিলাকৰ ওপৰত সিমান গুৰুত্ব দিয়া নহয়। যিহেতু আজিৰ কন্যা ভৱিষ্যতৰ মাতৃ। অৰ্থাৎ ছোৱালীবিলাক ভৱিষ্যতে এগৰাকী মাতৃ হ'বগৈ সেইবাবে তেওঁলোকৰপৰা ৰক্ত সঞ্চালন কৰি লোৱাটো চিকিৎসকসকলে সিমান গুৰুত্ব নিদিয়ে। তথাপিতো দেখা গৈছে যে যুৱকসকলৰ লগতে বৰ্তমান দলে দলে যুৱতীসকলেও স্ব-ইচ্ছাৰে ৰক্তদান কৰিবলৈ আগবাঢ়ি গৈছে।

ৰক্তদান কাৰ্যটোৰ প্ৰতি সমাজৰ মানুহবিলাক যাতে অনুপ্ৰাণিত হয় তাৰ কাৰণে চৰকাৰী ব্যৱস্থাত ঠায়ে ঠায়ে বিজ্ঞাপন, আলোচনা চক্ৰ, আনকি 'স্লাইড' আদিৰো ব্যৱস্থা কৰা হৈছে। দেখা যায় কিছুমান লোকে ৰক্তদান কৰা কাৰ্যটো মুঠেই পচন্দ নকৰে, তেওঁলোকে ভাৱে ৰক্তদান কৰিলে বহু ক্ষতি হয়। সকলোৱে বুজা উচিত যে উপযুক্ত বয়সত কোনো সুস্থ ব্যক্তিৰ শৰীৰৰ পৰা এবাৰত 250 C.C. ৰক্ত উলিয়ালে শৰীৰৰ কোনো ক্ষতি নহয়। সেইখিনি সাধাৰণতে সাত দিনৰ ভিতৰতে পূৰ হয়। তদুপৰি ৰক্তদানকাৰীক সামান্য অৰ্থ প্ৰদানৰ ব্যৱস্থাও আছে।



সমাজত অসংখ্য আহত-পীড়িত ব্যক্তিৰ কাৰণে যিমান পৰিমাণৰ ৰক্তৰ প্ৰয়োজন তাৰ তুলনাত অৰ্থৰ বিনিময়ত ৰক্ত সংগ্ৰহৰ পৰিমাণো তেনেই তাকৰ। সেয়ে প্ৰত্যেক সমাজ-সচেতন ব্যক্তিয়ে ৰক্তদান কাৰ্যটো কৰ্তব্য বুলি উপলব্ধি কৰা উচিত। যিহেতু ৰক্তদান মহান দান লগতে ৰক্তদান কৰা মানেই আন এজনৰ প্ৰাণ ৰক্ষা কৰা। এই কথাষাৰ সকলোৱে মনত ৰখা উচিত। যিহেতু ক্ষুধাৰ্তক অন্নদান, তৃষ্ণাৰ্তক জলদান- পৰমধৰ্ম বুলি আমি বিশ্বাস কৰোঁ। তেনেহ'লে মুমূৰ্ষুক প্ৰাণদান কৰাটো আমাৰ আটাইতকৈ ডাঙৰ তথা পৰম ধৰ্ম বুলি মানিবই লাগিব। এই অনন্য সাধাৰণ দানব্ৰতে বহু অকাল মৃত্যুক ৰোধ কৰিছে আৰু বহু মৃত্যুমুখীক নৱ প্ৰাণৰসত সঞ্জীৱিত কৰি তুলিছে বুলি মোৰ দৃঢ়বিশ্বাস।



# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু শিল্পভাৱনা


**চয়নিকা লাহন**
অসমীয়া বিভাগ




গীত আৰু কবিতাৰ ছন্দেৰে সংস্কৃতিৰ পথাৰত স্পন্দন তুলি মহাসাগৰৰ মাণিকেৰে অসমীয়া সংস্কৃতিক ন-ৰূপত সজাই তুলিব খোজা সব্যসাচী শিল্পীগৰাকীয়েই আছিল কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা।

বিষ্ণু প্ৰসাদ ৰাভা কেৱল এটি নাম নহয়, এক অনন্য অনুষ্ঠান। তেওঁ আছিল একেধাৰে সু-সাহিত্যিক, চিত্ৰশিল্পী, নৃত্য বিশাৰদ, দক্ষ অভিনেতা, সুবক্তা, সুদক্ষ খেলুৱৈ আৰু এজন বিপ্লৱী। কলাগুৰু ৰূপে খ্যাত বিষ্ণু প্ৰসাদ ৰাভা জনতাৰ প্ৰাণ, প্ৰেৰণাৰ উৎস।

১৯০৯ চনৰ ৩০জানুৱাৰীত ঢাকা চহৰত জন্মগ্ৰহণ কৰা বিষ্ণু প্ৰসাদ ৰাভা আছিল আজন্ম শিল্পী। মাত্ৰ সাত বছৰ বয়সতে 'ৰাজা হৰিচন্দ্ৰ' নাটৰ ৰাজকোঁৱৰ চৰিত্ৰটিৰে আৰম্ভ হৈছিল ৰাভাদেৱৰ সাংস্কৃতিক জীৱন। তেখেতৰ সাংস্কৃতিক জীৱন অসমৰ পাহাৰ ভৈয়ামৰ বৰ্ণীয়া সংস্কৃতিৰ সুবাসত গঢ় লৈ উঠিছিল আৰু অসমৰ থলুৱা লোককলাক বিশ্ব দৰবাৰত দাঙি ধৰাৰ প্ৰয়াস কৰিছিল।

বিষ্ণু ৰাভাৰ মতে, 'অসমৰ যি কৃষ্টি সংস্কৃতি আছে তাক সংৰক্ষিত কৰিব লাগিব, যি নতুন আহিছে তাকে অসমীয়া ঠাঁচত ভালকৈ সজাই পৰাই গঢ়িব লাগিব। তেতিয়াহে আমাৰ অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সভ্যতাই পূৰ্ণ বিকাশ পাব আৰু অসমীয়া জাতি বাচি থাকিব।' সংস্কৃতি হৈছে জাতিৰ প্ৰাণ, সেই সংস্কৃতি কালৰ বুকুত পৰ্বতৰ দৰে থিয় দিয়ে। সাংস্কৃতিক পৰ্বতৰ আধাৰ লোকশক্তি। লোকশক্তি অৰ্থাৎ জনগণৰ চিন্তা চেতনা, ধ্যান-ধাৰণা, জীৱন-চৰ্চাই সংস্কৃতিৰ মূল উৎস।

বিষ্ণু প্ৰসাদ ৰাভা সমন্বয়ৰ প্ৰতীক, সুন্দৰৰ পূজাৰী। সংস্কৃতিৰ সুন্দৰৰ বাটেদি পৃথিৱীক নতুনকৈ সজোৱাৰ সপোন দেখিছিল তেওঁ। তেঁৱেই হয়তো একমাত্ৰ পুৰুষ, যিজনে আমাৰ বৈষ্ণৱ সংস্কৃতি আৰু অসমৰ বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিৰ সমল সংগ্ৰহ কৰি সমন্বয় সাধনৰ চেষ্টা কৰিছিল। অসমৰ পাহাৰে ভৈয়ামে বাস কৰা বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত সদভাৱ আৰু ঐক্য-সংহতি সূচনা কৰি বৃহত্তৰ অসমৰ পৰিকল্পনাৰে শিল্পৰ সাধনা কৰিছিল। জনতাক সাৰথি কৰিয়েই সমাজৰ পৰিৱৰ্তন সাধন কৰিব বিচাৰিছিল। ৰাভাদেৱে কৈছিল জনগণৰ জীৱন আৰু সংগ্ৰামেই প্ৰকৃত শিল্পীৰ শিল্প প্ৰেৰণাৰ বাহক আৰু ইয়াৰ মাজেৰেহে প্ৰকৃত শিল্পৰ বিকাশ হয়।

প্ৰতিভাসম্পন্ন চিত্ৰশিল্পী, সুবক্তা আৰু এগৰাকী সুদক্ষ খেলুৱৈৰূপী ৰাভাদেৱ আছিল প্ৰকৃতাৰ্থতে এগৰাকী বিপ্লৱী। নিপীড়িত জনগণৰ মুক্তিৰ বাবে ৰাভাদেৱে শিল্প সাধনাৰ লগতে ওৰেতো জীৱন বিপ্লৱো কৰিছিল। এক সংগ্ৰামী সত্তাৰ গৰাকী ৰাভাদেৱে বিপ্লৱৰ মুহূৰ্তত তেওঁৰ আনটো দিশ সাহিত্য আৰু সংগীতকো প্ৰৱল ৰূপত সাৰথি কৰি লৈছিল। ফলস্বৰূপে সৃষ্টি হৈছিল 'বল্ বল্ বল্ বল্ / কৃষক শক্তি দল/ অ' বনুৱা সমনীয়া আগবাঢ়ি যাওঁ ব'ল.......', ভাঙ ভাঙ ভাঙ ভাঙ / লোহাৰ শিকলি ভাঙ/ ছিঙ ছিঙ ছিঙ / দাসৰ বান্ধোন ছিঙ.....' আদি অনেক বিপ্লৱী মানসিকতাৰ গীত আৰু কবিতা।

বিষ্ণু ৰাভাৰ মতে বিপ্লৱ কৰিবলৈ হ'লে আগতে নিজে বিপ্লৱী হ'ব লাগিব। নিজক সংস্কাৰ কৰাৰ পিছত সমাজক সংস্কাৰ কৰিব পৰাজনহে আচল বিপ্লৱী। জনতাৰ দুখৰ ভাগী হ'ব নোৱাৰিলে জনতাৰ সেৱা কৰিব পৰা নাযায়। এই কথা উপলব্ধি কৰি মানৱ দৰদী ৰাভাই পৈতৃক সম্পত্তিৰ কেইবাশ বিঘা মাটি ভূমিহীন জনক দান কৰিছিল। মুঠতে হালোৱা, বনুৱা, অনাহাৰী, শোষিতজনৰ মুক্তিৰ বাবে সমগ্ৰ জীৱন অতিবাহিত কৰা ৰাভাদেৱৰ জীৱন দৰ্শনেই আছিল গভীৰ মানৱতাবোধৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত।

গোটেই জীৱন দিহিঙে দিপাঙে জনতাৰ মঙ্গলৰ কাৰণে সমন্বয়ৰ কাৰণে ঘুৰি ফুৰা ৰাভাদেৱে ১৯৬৯ চনৰ ২০ জুনৰ পুৱতি নিশা মহাজীৱনৰ নাট সামৰিলে। অত্যন্ত প্ৰতিভাধৰ ৰাভাদেৱে এসময়ত ৰোগশয্যাত ঢলি পৰিল। দুৰাৰোগ্য ৰোগত আক্ৰান্ত ৰাভাই মৃত্যুৰ প্ৰাক্‌মুহূৰ্ততো ৰচনা কৰি গ'ল অন্যতম গীত-
'এয়ে মোৰ শেষ গান।
মোৰ জীৱন নাটৰ শেষ ৰাগিনী
কল্যাণ খৰমান....।



# গ্ৰন্থ আলোচনা





## সমালোচনা

**সাহিত্যবস্তুৰ তুলাচনী বিশুদ্ধ সমালোচনা কবিতাৰ দৰেই এক প্ৰকাৰৰ আৰ্ট**

(A good criticism is as much a work of art as a good poem- Middleton Mary)



*সমালোচকে আলোচ্য সাহিত্যৰ ভিতৰখন পৰীক্ষা কৰিয়ে ক্ষান্ত থাকিব নোৱাৰে, স্মৃতিয়ে আনি হাজিৰ কৰা তদনুৰূপ অন্য কথাত চিন্তা কৰিবলৈ বাধ্য হয়। গতিকে আলোচ্য বিষয়ৰ অন্তৰ বাহিৰ দুয়োৰে উৎকৃষ্টতা পৰীক্ষা কৰাটোকে সমালোচনা বোলা উচিত।*

কাৰ্লাইলে কথাষাৰ ধুনীয়াকৈ কৈছে-
**"সমালোচনা অনুপ্ৰাণিতজন আৰু অননুপ্ৰাণিতজনৰ মাজত থকা এজন দোভাষীৰ নিচিনা।"**



# মোৰ এখন প্ৰিয় গ্ৰন্থ
## —এক অৱলোকন


ৰিজুমণি দত্ত
ৰাজনীতি বিজ্ঞান বিভাগ




দৃষ্টিভঙ্গীৰ বিভিন্নতা অনুযায়ী নিৰ্ধাৰিত হয় কাৰোবাৰ প্ৰিয় লেখক-লেখিকা, প্ৰিয় ব্যক্তি, প্ৰিয় গ্ৰন্থ আদিৰ। কেতিয়াবা এনেকুৱাও হ'ব পাৰে অন্তৰেৰে শ্ৰদ্ধা কৰা এজন ব্যক্তিৰ মুখৰপৰা শুনা গ'ল এখন কিতাপৰ বিষয়ে, যিখন তেওঁৰ দৃষ্টিত মহৎ, তেতিয়া তেওঁ যি সকলৰ কাৰণে মহৎ তেওঁলোক সেই কিতাপখনৰ বাবে আগ্ৰহান্বিত হ'ব পাৰে। মই বৰ্তমানলৈকে যি কেইখন কিতাপ পঢ়িলোঁ সেইকেইখনৰ ভিতৰত মোক গভীৰ ভাৱে প্ৰভাৱান্বিত কৰা এখন কিতাপ হ'ল অসমৰ এজন আগশাৰীৰ সাংবাদিক সাহিত্যিক বুদ্ধিজীৱী হোমেন বৰগোহাঞিৰ দ্বাৰা ৰচিত 'প্ৰজ্ঞাৰ সাধনা' কিতাপখন।

এই কিতাপখনৰ নামটো শুনিছিলোঁ সপ্তম শ্ৰেণীত থাকোঁতে মোৰ অতি শ্ৰদ্ধাৰ শিক্ষাগুৰু ডিম্বেশ্বৰ কোঁৱৰ ছাৰৰ মুখত। ছাৰে উপদেশ দিছিল কিতাপখন সংগ্ৰহ কৰি পঢ়িবলৈ। প্ৰত্যেকৰে প্ৰতিভাসমূহ বিকশিত হ'বলৈ হ'লে অন্তৰৰ হীনমন্য ভাৱসমূহ আঁতৰি যাব লাগিব। সেই ক্ষেত্ৰত এই কিতাপখনে কিছুপৰিমাণে সহায়ক হ'ব বুলি কৈছিল সকলোৰে বাবে। ঠিক তেতিয়াৰেপৰা এই কিতাপখনৰ প্ৰতি মই পৰম আকাংক্ষিত। কিতাপখন অৱশ্যে মোৰ পঢ়াৰ সৌভাগ্য ঘটিল উচ্চতৰ

মাধ্যমিকৰ দেওনা পাৰ হোৱাৰ পিছতহে। কিতাপখন পঢ়াৰ পিছত ছাত্ৰৰ উপদেশৰ উদ্দেশ্য কাৰ্যকৰী হওঁক বা নহওঁক কিন্তু মোৰ মানসিকতাক খুউব স্পৰ্শকাতৰ জোকাৰণি তুলিলে এই কিতাপখনে। জীৱন-যাত্ৰাত মানসিক ভাবে স্থবিৰ হৈ পৰা লোকেও যদি এই কিতাপখন মনোযোগেৰে অধ্যয়ন কৰে তেন্তে তেওঁ নিজক আঁত লগাই ল'বলৈ সক্ষম হ'ব বুলি নিশ্চিত।

গোটেই কিতাপখনেই এখন উৎকৃষ্ট মানদণ্ডৰ গ্ৰন্থ। তাৰ মাজৰে কেইটামান অধ্যায়ৰ কিছুমান বক্তব্যই মোক প্ৰবল ভাৱে আকৃষ্ট কৰিছে।

কিতাপখনৰ আৰম্ভণিতে তেওঁ গুৰুৰ প্ৰসংগ উল্লেখ কৰিছে। কিন্তু গুৰু শব্দটোৰে তেওঁ সাধাৰণতে আমাৰ ধাৰণা হোৱা কোনো ধৰ্ম গুৰুৰ কথা কোৱা নাই। কিন্তু তেওঁ বৰ্তমানলৈকে এনেকুৱা এজন গুৰুৰ সন্ধানত আছে যিজনে তেওঁকThe art of living শিকাব পাৰে।শিকাব পাৰে জীৱনটো কেনেকৈ যাপন কৰিলে প্ৰকৃতি প্ৰদত্ত গুণাৱলীৰ বিকাশ সাধন কৰি এটা সুখী আৰু আনন্দময় জীৱন-যাপন কৰিব পাৰি। এই বিদ্যাটো শিকাবৰ বাবে তেওঁ গুৰু বিচাৰি ফুৰে যাইকৈ কিতাপৰ পাতত। তেওঁ জীৱনৰ লক্ষ্যক তিনিটা অৰ্থত ভাগ কৰিছে। "প্ৰথমটো আধ্যাত্মিক অৰ্থত। এই অৰ্থত জীৱনৰ লক্ষ্য কি হ'ব পাৰে এই প্ৰশ্নৰ চূড়ান্ত উত্তৰ পাইছে বুলি মানুহে দাবী কৰিব নোৱাৰে। যুগ যুগ ধৰি মানুহে এই প্ৰশ্ন কৰি আহিছে আৰু ভৱিষ্যতলৈকো কৰি থাকিব। ব্যৱহাৰিক অৰ্থত জীৱনৰ লক্ষ্য হ'ল জীৱিকাৰ কাৰণে এটা উপযুক্ত বৃত্তি বাছি লৈ তাত কৃতকাৰ্য হোৱা আৰু নিজৰ সহজাত প্ৰতিভাৰ বিকাশ সাধনৰ কাৰণে চেষ্টা কৰা। তৃতীয়তো লক্ষ্য নৈতিক অৰ্থত। নৈতিক অৰ্থত জীৱনৰ লক্ষ্য হ'ল মানুহৰ সেইবোৰ গুণৰ বিকাশ সাধন কৰা - যিবোৰ গুণে মানুহক ব্যক্তি হিচাপে এজন আদৰ্শ মানুহ আৰু সমাজৰ সদস্য হিচাপে এজন আদৰ্শ নাগৰিক হোৱাত সহায় কৰে। এজন সফল ডাক্তৰ বা উকীল বা ৰাজনীতিক হোৱাটো প্ৰতিভা নাথাকিলে বা সুযোগ নাপালে কাৰো পক্ষে সম্ভৱ নহ'ব পাৰে। কিন্তু এজন সৎ আৰু আদৰ্শ মানুহ হ'বলৈ একমাত্ৰ ইচ্ছা আৰু দৃঢ় সংকল্পৰ বাহিৰে মানুহক আন একো নালাগে।" তেওঁ কৈছে যে "বুদ্ধিৰ সহায়েৰে মানুহে বহিঃপ্ৰকৃতিক জয় কৰি প্ৰাকৃতিক শক্তি পুঞ্জৰ ওপৰত নিজৰ আধিপত্য বিস্তাৰ কৰিছে, কিন্তু জীৱনৰ কোনো নৈতিক বা আধ্যাত্মিক লক্ষ্য নথকাৰ বাবে নিজৰ ভিতৰৰ প্ৰকৃতিক জয় কৰিব নোৱাৰি হীন প্ৰবৃত্তিবোৰৰ বশ্যতা স্বীকাৰ কৰি ল'বলৈ বাধ্য হৈছে।" তেওঁ জ্ঞান আৰু প্ৰজ্ঞাৰ মাজৰ পাৰ্থক্য খুব স্পষ্টভাৱে দেখুৱাইছে। "বাহিৰৰ প্ৰকৃতিক জয় কৰিবলৈ মানুহক জ্ঞান লাগে কিন্তু মানুহৰ ভিতৰৰ প্ৰকৃতিক অৰ্থাৎ মনটোক জয় কৰিবলৈ লাগে প্ৰজ্ঞা।" "যেনেকৈ আনৱিক শক্তি উৎপাদন কৰিবলৈ জ্ঞানেই যথেষ্ট কিন্তু তাক মানুহৰ বিনাশৰ পৰিবৰ্তে মানুহৰ মংগলৰ হকে নিয়োজিত কৰিবলৈ প্ৰজ্ঞাৰ প্ৰয়োজন।" "ভোগৰ উপকৰণবোৰ আমি জ্ঞানৰ সহায়েৰেই আহৰণ কৰিব পাৰোঁ, কিন্তু প্ৰজ্ঞাৰ অবিহনে সুখ, শান্তি আৰু আনন্দৰ উপকৰণবোৰ আহৰণ কৰা অসম্ভৱ। আধুনিক সভ্যতা ব্যাধি-গ্ৰস্ত আৰু অসুখী হোৱাৰ প্ৰধান কাৰণটো হ'ল- বৰ্তমান কালত মানুহৰ প্ৰজ্ঞাৰ সাধনা হ্ৰাস পাইছে আৰু জ্ঞানৰ সাধনা বাঢ়িছে। বৰগোহাঞিদেৱে এলিয়টৰ ভাষাত কৈছে যে আধুনিক মানুহে তথ্যকেই জ্ঞান বুলি আৰু জ্ঞানকেই প্ৰজ্ঞা বুলি ভুল কৰিছে।" তেওঁ মহাত্মা গান্ধীৰ ভাষাত আৰু এটা প্ৰসংগক অতি গুৰুত্বপূৰ্ণ বুলি বৰ্ণনা কৰিছে। সেইটো হৈছে নিজৰ বিৰুদ্ধে যুদ্ধ- যিটোক তেওঁ মানুহৰ আটাইতকৈ ডাঙৰ নৈতিক কৰ্তব্য বুলি কৈছে। জীৱনৰ বেছি ভাগ ব্যৰ্থতা আৰু প্ৰতিভাৰ করুণ অপচয়ৰ মূলতেই হ'ল ইচ্ছা শক্তি অথবা নিজৰ বিৰুদ্ধে যুদ্ধ কৰা মানসিকতাৰ অভাৱ। বৰগোহাঞিদেৱে গ্ৰন্থখনৰ এঠাইত তেওঁ অন্যতম গুৰু হিচাবে মানি লোৱা মিচেল দ্যা মতাঁইৰ বিষয়ে বৰ্ণনা কৰিছে। ইয়াত মতাঁইৰ এটা বক্তব্যই মোক গভীৰ ভাবে ক্ৰিয়া কৰে। সেইটো হ'ল মতাঁইয়ে গোটেই জীৱন ধৰি এটা প্ৰশ্নৰ উত্তৰ বিচাৰি ফুৰিছিল। প্ৰশ্নটো হৈছে এজন ভদ্ৰলোকে জীৱনটো কেনেকৈ যাপন কৰা উচিত। মতাঁইয়ে বিচাৰি পোৱা ইয়াৰ উত্তৰটো হ'ল- "মানহে জীৱনটো যাপন কৰা উচিত সংকল্পৰ দৃঢ়তা আৰু মৰ্যাদা সহকাৰে। সংকল্পৰ দৃঢ়তা আৰু মৰ্যাদাবোধ আহৰণ কৰাৰ প্ৰধান উপায় হ'ল যুক্তি আৰু ইচ্ছা শক্তিৰ অনলস অনুশীলন। যুক্তি আৰু ইচ্ছা শক্তিৰ সহায়েৰে মানুহে নিজৰ সকলো স্বাভাৱিক দুৰ্বলতা জয় কৰি জীৱনৰ যি কোনো অনিবাৰ্য আৰু অৱশ্যম্ভাবী ঘটনাৰ মুখামুখি হ'ব পাৰে দাৰ্শনিক প্ৰশান্তিৰে।"

কিতাপখনৰ আন এটা উল্লেখযোগ্য বক্তব্য হ'ল- "সময়ানুবৰ্তিতা আৰু শিষ্টাচাৰ" শীৰ্ষক অধ্যায়টোৰ প্ৰথমতেই আৰম্ভ কৰা এই বক্তব্যটো "মই পাৰ্যমানে মনৰ প্ৰশান্তি অক্ষুন্ন ৰাখিবলৈ চেষ্টা কৰোঁ, কাৰণ মনৰ প্ৰশান্তি হেৰুৱালে বা সঘনে বিৰক্তি অনুভৱ কৰি থাকিলে জীয়াই থকাৰ আনন্দই নোহোৱা হৈ যায়।"



'নন্দিনী' আলোচনীখনৰ কোনোবা এটা সংখ্যাত এজন মানুহে বৰগোহাঞিদেৱৰ লগত কথা পাতিবলৈ বিচৰাত তেওঁ মাত্ৰ দুই মিনিট সময় নিৰ্ধাৰণ কৰি দিয়াত মই অতিশয় আচৰিত হৈছিলোঁ। কিন্তু মোৰ আশ্চৰ্যৰ বান্ধ খোল খালে যেতিয়া এই একেটা অধ্যায়ৰে তেওঁৰ অন্য এটা মন্তব্য জানিব পাৰিলোঁ। তেওঁ গোটেই জীৱন ধৰি বিৰক্ত অনুভৱ কৰি থকাৰ কাৰণটো হৈছে আমাৰ দেশৰ বেছিভাগ মানুহৰে সময় নিষ্ঠাৰ অভাৱ। তেওঁ আৰু কৈছে যে, " সময়ৰ ক্ষেত্ৰত মই বৰ স্বাৰ্থপৰ। জীৱনটো বৰ চুটি আৰু এই চুটি জীৱনটোৰ মহামূল্যবান মুহূৰ্তবোৰ মই আনৰ কাৰণে বেছিকৈ খৰচ কৰিবলৈ টান পাওঁ। মোৰ নিচিনা স্বাৰ্থপৰ মানুহৰ খুব বেছি বন্ধু-বান্ধৱ থকা সম্ভৱ নহয়। মোৰ এজন প্ৰিয় লেখক ই. ভি. লুকাছৰ ভাষাৰে "I am a beliver in punctuality, though it makes me lonely"

কিন্তু মোৰ এই লেখাটোৰ উদ্দেশ্য 'প্ৰজ্ঞাৰ সাধনা'ৰ কেইটামান উক্তি উল্লেখ কৰা নহয়। লেখাটোৰ উদ্দেশ্য হ'ল মই মোৰ লিখনিৰ বিষয়বস্তু হিচাপে 'প্ৰজ্ঞাৰ সাধনা' কিতাপখনক কিয় নিৰ্বাচন কৰিলোঁ? আমি যিটো বয়সত আহি উপস্থিত হৈছোহি, এইটো বয়সেই হৈছে চৰিত্ৰক উপযুক্তভাৱে গঢ় দি নিজস্বতাৰ গতিৰে ধাৱমান হোৱাৰ উৎকৃষ্ট সময়। সেয়েহে চৰিত্ৰ গঠনৰ ক্ষেত্ৰত প্ৰয়োজন হয় যিকোনো এক মাধ্যমৰ সহায়। ন্যায়, নৈতিকতা, সততা, নম্ৰতা, সৰলতা আদিৰ সমন্বয়তে চৰিত্ৰই সৎ তথা সবল ৰূপ ধাৰণ কৰে। এই কথা সকলোৰে জ্ঞাত হ'লেও কিন্তু এই গুণৰাজিক ব্যৱহাৰিক ৰূপত প্ৰয়োগ কৰাতো ইমান সহজ কথা নহয়। এই ধৰণে জীৱন গ্ৰাস কৰি পেলায়। কিন্তু এই ক্ষেত্ৰত অন্যবিলাক দিশ স্বাভাৱিক হৈয়ে থাকে। অযথা ভয়, হতাশা, উদ্বিগ্নতাই মনৰ পৰিধি অধিকাৰ কৰি লয়। কোনো কোনো ক্ষেত্ৰত আত্মবিশ্বাসৰ অভাৱ। কিন্তু এটা কথাত মই নিশ্চিত যে এই কাৰকবোৰ যিবোৰে মোক মাজে মাজে স্থবিৰ কৰি ৰাখে সেইবোৰে মোৰ দৰে আন বহুতকো হয়তো ক্ৰিয়া কৰে। সেয়েহে মই এনেকুৱা এটা নিশ্চয়তাপূৰ্ণ অৱধাৰণাৰ আশ্ৰয় ল'ব বিচাৰিছিলোঁ যাৰ গইনা দি মই নিজস্বতাৰে আগবাঢ়ি যাব পাৰোঁ।

যেতিয়া মই প্ৰজ্ঞাৰ সাধনা কিতাপখন পঢ়িলোঁ তেতিয়া মোৰ সমগ্ৰতা জোকাৰ খাই যোৱাকৈ এক অনুভৱ অনুভূত হ'ল। মই যিখিনি নিশ্চয়তা বিচাৰি ফুৰিছিলোঁ ঠিক সেইখিনি যেন কিতাপখনৰ মাজত বিচাৰি পাইছোঁ। কিতাপখনত উল্লিখিত প্ৰায় প্ৰত্যেকটো বাক্যই প্ৰেৰণাদায়ক। বিভিন্নজন বিখ্যাত মনিষীৰ বক্তব্যৰ লগত তেওঁৰ নিজৰ মতামত ৰাখ্যা কৰি প্ৰত্যেকটো অধ্যায়কে মহিমামণ্ডিত কৰি তুলিছে। তাৰে যিকেইটা বাক্যক মই নিত্য স্মৰণীয় হিচাপে নিৰ্বাচন কৰিছোঁ মাত্ৰ সেই বাক্যকেইটা ওপৰত উল্লেখ কৰিছোঁ। এজন মহান ব্যক্তিৰ এখন গ্ৰন্থৰ বিষয়ে বৰ্ণনা কৰা আমাৰ পক্ষে এক সাধ্যতীত প্ৰচেষ্টা। মই মাত্ৰ এই কথাখিনি উল্লেখ কৰিছোঁ মোৰ মানসিকতা গঢ় লোৱাত কিতাপখনৰ গুৰুত্বপূৰ্ণ প্ৰভাৱৰ বাবেহে। মোৰ পঢ়া টেবুলত পাঠ্যপুথিৰ সমান্তৰালকৈ ৰাখো এই কিতাপখন। যেতিয়া মই স্থবিৰ হৈ পৰোঁ, তেতিয়া মোৰ সহায় হৈ উঠে এই কিতাপখন। মই ভাবোঁ যদিও আমাৰ প্ৰত্যেকৰে দৃষ্টিভংগীৰ পাৰ্থক্য আছে, কৰ্ম-বয়স আদি বিভিন্ন ক্ষেত্ৰত যদিও আমি ভিন্ন তথাপিও প্ৰত্যেকেই নিজস্ব প্ৰয়োজনৰ খাতিৰতে এই কিতাপখন পঢ়া উচিত বুলি মই ভাবোঁ। কিয়নো এই সকলোবোৰৰ উৰ্ধত আমাৰ এক সাৰ্বজনীনতা আছে। সেইটো হ'ল আমাৰ প্ৰত্যেকৰে অন্তৰৰ গভীৰ কোণত হ'লেও নিজক সৎৰূপে প্ৰতিষ্ঠা কৰাৰ এক তীব্ৰ বাসনা আছে। এই ক্ষেত্ৰত 'প্ৰজ্ঞাৰ সাধনা' কিছু পৰিমাণে হ'লেও সহায়ক হ'ব বুলি মই মোৰ অভিজ্ঞতাৰ পৰা কব পাৰোঁ। এই আপাহতে মোৰ চিৰ নমস্য 'হোমেন বৰগোহাঞি' দেৱলৈ সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰিলো আৰু মোৰ এই ক্ষুদ্ৰাদিক্ষুদ্ৰ তথা অপৰিপক্ক লেখাটোৰসামৰণি মাৰিলোঁ।



# সম্প্ৰীতিৰ অন্য এক নাম
# বনভোজ আৰু শৰাগুৰি চাপৰি

বাণী দেৱী
প্ৰাক্তন গ্ৰন্থাগাৰিকা, সোণাৰি মহাবিদ্যালয







শৰতৰ শেৱালিৰ সুবাস আকাশে বতাহে যেতিয়া নোহোৱা হয়, তেতিয়া প্ৰকৃতি শুই পৰে হেমন্তৰ কোলাত, লগে লগে যেন প্ৰকৃতি জীপাল হোৱাৰ অনাগত বসন্ত আৰু বৰ্ষাৰ দিনবোৰৰ আশাত শীতৰ বোকোচাত উঠে। ইংৰাজী বছৰৰ নৱেম্বৰ মাহৰ শেষৰ ফালৰ পৰাই লাহে লাহে শীতৰ চেঁচা বতাহ জাকৰ আগমন ঘটে। আকাশ ফৰকাল হৈ পৰে। কছুৱা ফুলাৰ বতৰত আমাৰ মনবোৰে গোপনে ভাবিবলৈ আৰম্ভ কৰে এইবাৰ ক'ৰবাত বনভোজ খাবলৈ যাব পৰা হ'বনে?? সঁচাই বনভোজৰ আনন্দ অনন্য, ই ল'ৰা-বুঢ়া সকলোকে জোকাৰি যায়।

নদীৰ পাৰৰ বালিৰ চাপৰিত, কোনোবা পাহাৰীয়া নদীৰ শিলনীত, অথবা কোনোবা নিৰ্জন ঠাইত একেলগে মৰম সম্প্ৰীতিৰে জনকোলাহলৰ পৰা আঁতৰিগৈ এসাঁজ খোৱাৰ এক আনন্দ। ডিচেম্বৰ মাহ সোমোৱাৰ লগে লগে পুৰণি বছৰক বিদায় দি নতুনক আদৰণি জনোৱাৰ প্ৰস্তুতিৰ লগে লগে অসমৰ প্ৰায়বোৰ ঠাইৰে স্কুল, কলেজ, পৰিয়াল তথা চুবুৰীয়ে চুবুৰীয়ে বনভোজৰো আয়োজন দেখা যায়। কেতিয়াবা কোনোবাটো বনভোজত যিকোনো অপ্ৰীতিকৰ পৰিস্থিতি তথা বিপদ বিঘিনি আহে যদিও এই বনভোজৰ ইতিবাচক দিশটো মনকৰিবলগীয়া। সেইবাবেই আমি ভাবোঁ বছৰত এবাৰ সুপৰিকল্পিতভাৱে এটা বনভোজৰ আয়োজন কৰিব পাৰিলে বেয়া নহয়। যোৱাবাৰ আমিয়ো বনভোজলৈ গৈছিলোঁ।

২০০৯ চনৰ ২৫ ডিচেম্বৰ। সেইদিনা খৃষ্টীয়ানসকলৰ বাবে দিনটো বৰ পবিত্ৰ দিন, বাৰটো আছিল শুক্ৰবাৰ, সেয়েহে ইছলাম ধৰ্মাৱলম্বী লোকৰ বাবেও দিনটো আছিল পবিত্ৰ। সেইদিনাই আমাৰ সোণাৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যক্ষ, কৰ্মচাৰীসকল তথা অবসৰপ্ৰাপ্ত এই পৰিয়ালৰ সকলো সদস্য লগ লাগি মহা আনন্দৰে ৰাওনা হৈছিলোঁ সৰাগুৰি চাপৰি দিখৌমুখ অভিমুখে, য'ত আছিল বৰ্ণবৈষম্যহীন এক পবিত্ৰ দৰগাহ।

শৰাগুৰি চাপৰিৰ আজান পীৰৰ দৰ্গাহ চোৱাৰ এটা হেঁপাহ বহুত দিনৰপৰাই মনৰ মাজত পুহি ৰাখিছিলোঁ আৰু সেইদিনা সেই পবিত্ৰদিনটোত দৰ্গাহ দৰ্শন কৰিবলৈ পোৱা আনন্দই মনটো ভৰাই তুলিলে ইতিহাসে গৰকা শিৱসাগৰ হৈ গেমন দলঙৰে আগবাঢ়ি যেতিয়া নদীৰ পাৰ পাইছিলোঁগৈ তেতিয়া আমাৰ মনবোৰ নদীৰ জলৰাশি আৰু চিক্‌মিকাই থকা বগা বগা বালিৰ দোমোজাত পৰি আনন্দত আত্মহাৰা হৈ পৰিছিল সেয়া আছিল মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল বক্ষ আৰু মৰুভূমি সদৃশ বালিচৰ পৰিপূৰ্ণ এটা পাৰ, তাৰ সমীপত ব্ৰহ্মপুত্ৰৰ বক্ষত দিখৌনদীৰ মিলনস্থলী হয়, দিখৌ, দৰিকা আৰু ব্ৰহ্মপুত্ৰৰ সোঁতৰ সমীপতে 'শৰাগুৰি চাপৰি'-

বনভোজৰ প্ৰাৰম্ভিক কামখিনিৰ কিছুসময়ৰ পাচতে আমি গৈছিলোঁ "আজান পীৰ'ৰ দৰ্গাহৰ কাষলৈ, ভাব হৈছিল কিবা কপালৰ ফেৰত এনেহেন এটা পবিত্ৰ দিনত দৰ্গাহ দৰ্শনৰ সুবিধা পাইছোঁ। শুধ বগা ৰং দিয়া পকা দেৱালত ফুলজালি কাটি সুন্দৰকৈ নিৰ্মাণ কৰা মন্দিৰ সদৃশ এক স্থানত ক'লা মাৰ্বলেৰে আবৃত্ত, এই স্থানত সেয়া যেন আজানপীৰ চিৰনিদ্ৰাত নিমগ্ন। নামঘৰৰ মণিকূটত চন্দ্ৰতাপ তৰাৰ দৰেই এখন সেউজীয়া ৰঙৰ কোমল চাটিন কাপোৰেৰে আবৃত্ত কৰি ৰাখিছে সেই সমাধি। সেই স্থান পোৱাৰ পাচত অ'ত ত'ত পঢ়া আৰু শুনা দুই এটা কথাই মনৰ মাজত ভুমুকি মাৰিলেহি।

হজৰত 'শ্বাহ মিৰাণ' বা আজান পীৰে জীৱন যুঁজৰ অগনন বাধা বিঘিনি নেওচি আধ্যাত্মিক বিজয় পতাকা হাতত লৈ সুদূৰ বাগদাদৰপৰা অসমলৈ আহিছিল। এওঁ ইছলামৰ নীতি-নিয়ম মানিচলা সাধু পুৰুষ আছিল। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ কোনো কোনোৱে এইজন ব্যক্তিক 'ফকিৰ'- শ্ৰেণীত আবদ্ধ কৰি ৰাখিব খোজে যদিও প্ৰকৃতাৰ্থত এওঁ এগৰাকী সিদ্ধ পুৰুষ আৰু চুফী সাহিত্যৰ অগ্ৰণী চিন্তাবিদ আছিল। হজৰত আজান পীৰ আৰু তেখেতৰ অন্যান্য সহযোগীৰ সৈতে আনুমানিক ১৬৩৫ খৃত অসমলৈ আহি কিছুদিন গড়গাঁৱত আছিল তেতিয়া আহোম ৰাজত্ব কালৰ ৰজা আছিল চুচেংফা বা ৰজা প্ৰতাপ সিংহ।

ইছলাম সম্প্ৰদায়ৰ লোকৰ মতে আজান চাহেব আছিল- "পীৰ অৰ্থাৎ ধৰ্ম্মগুৰু, ওলী অৰ্থাৎ সত্যদ্ৰষ্টা, আৰু তত্ত্বজ্ঞানী চুফীসাধক"। 'পৰিৱেশে মানুহ গঢ়ে'- এনে ধাৰণা সাৰোগত কৰি অসমৰ মাটি পানী, জুই, বতাহ একাকাৰ কৰি তেওঁ জনসাধাৰণৰ মাজত সোমাই পৰিছিল। অসমৰ সমাজ, কলা, কৃষ্টি, লোকাচাৰ, লোকসংগীতৰ লগত সম্পূৰ্ণ বিলীন হৈ সম্পূৰ্ণ একক প্ৰচেষ্টাৰে মানুহৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। এই জনা সন্ত পুৰুষ হিন্দু মুছলমান উভয়ৰে প্ৰাণৰ আপোন আছিল। আৰবী, পাৰ্চী আৰু অসমীয়া ভাষাৰ সংমিশ্ৰণত সৃষ্টি কৰিছিল জিকিৰ আৰু জাৰী। অন্যহাতে মহাপুৰুষ শংকৰদেৱ মাধৱদেৱে ৰচনা কৰা বৰগীত কীৰ্ত্তন আৰু ঘোষাৰো আশ্ৰয় লৈছিল।

বিশ্বৰ ইতিহাসে কয় বিভিন্ন সময়ত বিভিন্ন স্থানত বহুতো মহাপুৰুষৰ জন্ম হৈছিল। জেৰুজালেমত যীশুখৃষ্ট, মক্কাত হজৰত, কপিলাবস্তুত গৌতমবুদ্ধ, বৰদোৱাত শঙ্কৰদেৱ আদি, এইসকল মহামানৱৰ মহান উদ্দেশ্য আছিল অধৰ্ম, অন্যায় আৰু অসত্যই আবৰি ধৰা বিশ্বক ৰক্ষা কৰি মানৱ সমাজক সজ পথেৰে জগতত বাট বুলিবলৈ সক্ষম কৰি তোলা। ঠিক তেনেদৰেই ইছলাম ধৰ্মীয় এচাম বিপথগামী লোকক সদাচাৰ শিকাবৰ বাবেই যেন আজান চাহেবৰ জন্ম হৈছিল।

মহামানৱ শ্ৰীমন্ত শঙ্কৰদেৱৰ চৰিত পুথিসমূহত থকা তেখেতৰ বিভিন্ন অলৌকিক শক্তিৰ কথা থকাৰ দৰেই আজান পীৰৰ জীৱনতো কেৰা অৰ্থাৎ অলৌকিক শক্তিৰ মাহাত্ম্য থকা বুলি বিভিন্ন লিখনিয়ে কয়। এঠাইত লিখিছে ৰূপাই দাধৰা নামৰ এজন কৰ্ম্মচাৰীৰ ব্যক্তিগত আখেজৰ বাবেই আজান পীৰৰ চকুহাল কঢ়োৱাৰ হুকুম ৰাজদৰবাৰৰ পৰা আদায় কৰি লৈছিল। আজান চাহেবৰ চকু কঢ়াবৰ হুকুম হ'লত গৃহবন্দী অৱস্থাত তেওঁ সকীয়াই দিছিল এনেদৰে-

"আমাৰে নজৰক খালত নেপেলাবা,

মৰিব বায়ত লোক পুৰি,

আমাৰে নজৰক পেলাই থৈ আহিবি

পেলাবি দিখৌ নৈ গুৰি।।" (চুফী দৰ্শন আৰু আজান পীৰ পৃষ্ঠা ১১৭)

চকুকঢ়াৰ ঘটনাৰ পাচত ৰাজ্যত যি অঘটন ঘটিছিল সেয়া তেখেতে এনেদৰে কয়-

"যেতিয়া নজৰক        দিখৌত পেলালে

দিখৌ নৈ উভতি বয়।

যেতিয়া নজৰক        মালতে পেলালে

নগৰত চৰা নাও খেলায়।

যেতিয়া নজৰক        দিখৌত পেলালে

তোলেংঘৰ কাটি হৈ যায়।"

আজানপীৰৰ চকু কঢ়াৰ কথা অসম বুৰঞ্জীতো আছে। দিখৌ নদীত অকালত বানপানী হোৱা দিখৌ নৈ উভতি বোৱা, নগৰ পানীত বুৰ যোৱা হোলোংঘৰ কাটি হোৱা আদি পৰিঘটনাত তেখেতৰ কেৰামতিৰ কথা গম পাই জীৱনৰ বাকী সময়খিনি ভকতৰ লগত নিৰলে থাকিবলৈ শৰাগুৰি চাপৰি মঠ সজায় দিলে।

"শৰাগুৰি চাপৰি        দিখৌ নৈৰ কাষৰি

ৰজাই সজাই দিয়া মঠ

ছকুৰি ফকিৰে        লয় আল্লাৰ নাম

মাদুৰি বণৰে কাঠ"

হজৰত শ্বাহমিৰাণে- আজানপীৰ আখ্যা পোৱাৰ গুৰিতো মতামত থকা দেখা যায়। কোনো কোনোৰ মতে 'আজান'ৰ যোগেদি ইছলাম ধৰ্ম্মাৱলম্বী লোকসকলক ঈশ্বৰ সাধনাৰ বাবে একগোট কৰাৰ বাবেই তেখেতক 'আজান পীৰ'- বোলাৰ লগতে অজান দেশৰপৰা আহি জিকিৰ আৰু জাৰীৰ মাজেৰে প্ৰখ্যাত হোৱাৰ বাবেই "আজানপীৰ" আখ্যা পালে। "আল্লাহৰ প্ৰতি ভক্তি আৰু প্ৰেমৰ অহৰহ সাধনাৰ যোগেদি মানুহ আল্লাহৰ কৰুণা লাভৰ যোগ্য হৈ উঠে" - (অসমীয়া জিকিৰ জাৰী, পৃষ্ঠা ১০)

অৱশেষত এই শৰাগুৰি চাপৰিত কিছুদিন থকাৰ পাছত মাঘমহীয়া দিনা কবি, গায়ক ধৰ্ম্মপ্ৰাণ আজান পীৰ চাহাবৰ ইহ জীৱনৰ সামৰণি পৰে। (চুফীদৰ্শন আৰু আজানপীৰ, পৃষ্ঠা ১১৮)

এই দৰ্গাহৰ পৰিসীমাৰ মাজত যেতিয়া ঘূৰি ফুৰিছিলোঁ তাত লগপোৱা এজন ব্যক্তিৰ পৰা গম পাইছিলোঁ যে ৰজাই থাপিত কৰা এই দৰ্গাহ পিছৰ সময়ছোৱাত অতীত চিহ্ন হৈ থকাতো বাধা আহি পৰিছে। অৱশ্যে স্থানীয় ৰাইজৰ বাবে এই স্থান পবিত্ৰ হোৱাৰ বাবেই ইয়াত তেখেত নিবেদন কৰিছিল, ইয়াৰ কাষৰীয়া অঞ্চলৰ লোকসকলৰ বিশ্বাস এই দৰ্গাহত মমবাতি জ্বলাই প্ৰাৰ্থনা কৰিলে মনোবাঞ্ছা পূৰ্ণ হয়। তাত পোৱা ব্যক্তিজনৰপৰা গম পালোঁ ২০০৫ চনত অসম চৰকাৰৰ মন্ত্ৰী বিষয়াৰ তৎপৰতাত এই শৰাগুৰি চাপৰিৰ দৰ্গাহে আজিৰ এই ৰূপ লৈছে। বৰ্তমান এই দৰ্গাহ পৰ্যটন কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই হয়তো চাৰিওফালে পকী দেৱালৰে আবৃত্ত কৰি ভিতৰ মুকলি ঠাইখিনি বৰ্ত্তমানো বিভিন্ন নিৰ্ম্মাণকাৰ্য চলি আছে। কথা প্ৰসঙ্গত গম পোৱা মতে প্ৰেক্ষাগৃহ, ৰান্ধনীশালা, অতিথিশালা আদিকে আৰু বহুতো নিৰ্ম্মাণকাৰ্য হাতত লৈছে আৰু খুউব সোনকালেই পৰ্যটকৰ বাবে সেয়া মুকলি কৰাৰ সম্ভাৱনা আছে। এনে উন্নীতকৰণ দেখি বালিভাত খোৱাৰ আনন্দৰ লগতে সেইদিনা বৰ মানসিক সুখ অনুভৱ কৰিছিলোঁ।. হৈছিল যি জন ধৰ্ম্মগুৰুৱে হিন্দু মুছলমান একেডোল এনাজৰীৰে বান্ধি তেখেতৰ এই স্মৃতি সংৰক্ষণৰ ব্যৱস্থাই নিশ্চয়কৈ আমাৰ নতুন প্ৰজন্মক সজ কথাৰ খোৰাক যোগাব।

এই আজানপীৰ দৰ্গাহ সম্প্ৰীতিৰ এক মিলনভূমি। ইয়াত হিন্দু মুছলমানৰ ভেদাভেদ অতীততো নাছিল আৰু আজিয়ো যে নাই সেই কথা আমি নিজে অনুভৱ কৰিছিলোঁ, আমি যেতিয়া পকীবেৰৰ আবেষ্টনীৰ মাজেদি পাক মাৰি দৰ্গাহৰ কাষলৈ আহিছিলোঁ- তেতিয়া শিৰত সেন্দুৰ আৰু কপালত দগমগাই থকা ৰঙা ফোঁট লোৱা এগৰাকী মহিলাই দৰ্গাহৰ বাহিৰত আছুতীয়াকৈ ৰখা এক স্থানত মমবাতি জ্বলাই একান্ত মনে প্ৰাৰ্থনা কৰি আছে। ইয়াত ধৰ্ম্মগুৰু জনাৰ সমাধিস্থল আবৃত্ত কৰি যিটো থৈছে



যিটো কেৱল পুৰুষহে ইয়াৰ ভিতৰত পদাৰ্পন কৰি প্ৰাৰ্থনা কৰিব পাৰে। মনত অকনমান আঁচ বহৱালেও নিশ্চয় কিবা যুক্তিপূৰ্ণ কথাৰ বাবেই এই নিয়ম বাহাল ৰাখিছে বুলি ধৰিলোঁ- আৰু সেই বাবেই তাত লগপোৱা তিৰুতা গৰাকীয়ে বাহিৰতে প্ৰাৰ্থনা কৰা দেখিছিলোঁ আৰু আমিয়ো তেখেতৰ ওচৰত প্ৰাৰ্থনাৰে ক্ষমা মাগিলোঁ। ধৰ্মৰ বাচ বিচাৰ, সংকীৰ্ণতা আৰু সংৰক্ষণশীলতা আজানপীৰৰ আদৰ্শত নাছিল বাবেই আজিয়ো সেই স্থানত হিন্দু মুছলিম সকলোৰে মনৰ বাঞ্ছা পূৰণৰ বাবে প্ৰাৰ্থনা কৰাৰ সুবিধা আছে।

এইবাৰ শৰাগুৰি চাপৰিত বালিভাত খাবলৈ গৈ বহুদিনৰপৰা আশাৰে বাটচোৱা আজানপীৰ দৰ্গাহৰ দৰ্শনৰ পাছত তাৰ ওপৰত দুই এখন কিতাপ চোৱাৰ হেপাঁহ উপজিল আৰু সবিশেষ জ্ঞান নহলেও দুই এটা কথা কিঞ্চিত জ্ঞান লভিলো, এয়া যেন বনভোজৰ প্ৰতিক্ৰিয়া। অসমৰ চুকে কোণে এনেবহুতোৰ ঠাই আছে য'ত বনভোজৰ আনন্দ লোৱা সুবিধা থকাৰ উপৰিও অন্য এক ঐতিহাসিক দিশো থাকে। আমি যেতিয়া ল'ৰা ছোৱালীৰ বাবেই হওঁক বা স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বনভোজৰ ঠাই নিৰ্বাচন কৰোঁ তেনে ক্ষেত্ৰত সহজতে উপলব্ধ হোৱা এনে স্থান নিৰ্বাচন কৰিলে আমাৰ নতুন প্ৰজন্মই নেদেখা ঠাই আৰু নজনা কথা জনাৰ লগতে গৌৰবোজ্বল ইতিহাসৰ কিছুহ'লেও আভাস পাব বুলি ভাবিব পাৰি।

'দিন যায় কথা থাকে, মানুহ মৰে স্মৃতি থাকে'- সেইবাবেই শৰাগুৰি চাপৰিত আজান পীৰৰ জীৱনজোৰা সাধনাৰ ফলশ্ৰুতি আজি অসমৰ আকাশে বতাহে নিনাদিত হৈ আছে। লগতে চৰকাৰী পক্ষৰ হস্তক্ষেপৰ বাবেই অসমৰ বহুলোকেই বালিভাতৰ আলমত হ'লেও এইজনা ধৰ্ম্মগুৰুৰ দৰ্গাহত মূৰ দোৱাবলৈ সুবিধা পাইছে।

এই বালিভোজতে দিনান্তৰ শেষত আমি উপভোগ কৰিছিলোঁ প্ৰকৃতিৰ নৈসৰ্গিক ৰূপ ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্যাস্তৰ এক বিনন্দীয়া দৃশ্য যিটো দৃশ্য আবদ্ধ হৈ বৈছিল আমাৰ বহুতৰে কেমেৰাত। এই বনভোজতে অনুভৱ হোৱা আৰু দুটামান দিশ এনে আছিল- যেনে ব্ৰহ্মপুত্ৰৰ পাৰত খেৰ বাহেৰে তৈয়াৰী ক্ষুদ্ৰ ক্ষুদ্ৰ দুই এখন হোটেলৰ ব্যৱসায়- যি হয়তো দুখীয়া পৰিয়ালৰ অভাৱ পূৰণ কৰিছিল- তাত আছিল দৈ, চিৰা, বিস্কুট, কুৰকুৰে, চিপচ্ ইত্যাদি। বাহৰ খুটাৰ ওপৰত তক্তা পাৰি সজা বেঞ্চত বহি আমিয়ো চাহৰ জুতি লৈছিলো তাতো যেন কিবা এটা আমেজে অহাযোৱা কৰিছিল। নদীৰ মুকলি বালিচাপৰি য'ত বনভোজৰ অগনন মানুহৰ আহ যাহ- তেনেস্থানত গোটেই দিনটো অতিবাহিত কৰোতে তিৰোতাসকলৰ বাবে এটা সমস্যা আহে, কিন্তু দিখৌমুখত দেখা এটা কথাই আমাক আনন্দ দিছিল সেইটো হৈছে কিছু আঁতৰে আঁতৰে সাজিথোৱা ইকৰা সদৃশ প্ৰাকৃতিক সম্পদেৰে ডাঠ বেৰৰ একোটাহঁত প্ৰসাৰগাৰ। দেখাত কথাত নগণ্য যেন লাগিলেও ই এটা চিন্তনীয় উত্তম বিষয়। যিজন ব্যক্তিৰ চিন্তাৰে এই কামটো কৰা হৈছে তেখেতলৈ ধন্যবাদ থাকিল। আমাৰ সীমিত চিন্তাৰে ভাবিবলৈ বাধ্য হৈছো ইয়ো যেন অন্য এক মানৱ সেৱা।

এনেদৰে সেইদিনা বিভিন্ন অভিজ্ঞতা, অনুভৱ আৰু আনন্দ লৈ আমাৰ সকলোৰে সন্তানহঁতৰ মঙ্গলকামনাৰে দৰ্গাহত প্ৰাৰ্থনা জনাই শৰাগুৰি চাপৰি দিখৌ নৈৰ কাষৰৰপৰা মেলানি মাগিছিলোঁ।

---

এটা কুৎসিৎ মনতকৈ এখন কুসিৎ মুখমণ্ডল অধিক গুণে উত্তম। — টমাচ ইলিচ

ছাত্ৰ জীৱন অতি সুখৰ, অতি মধুৰ, কিন্তু ইয়াক অতি কঠোৰ বাধা নিষেধৰ দ্বাৰা সংযত কৰি ৰাখিব পাৰিলেহে সাৰ্থক হ'ব। —তৰুণৰাম ফুকন

নভবা নিচিন্তাকৈ কোনো প্ৰতিশ্ৰুতি নিদিবা। এবাৰ প্ৰতিশ্ৰুতি দিলে তাক জীৱনত পালন কৰিবা। — মহাত্মা গান্ধী।

ভ্ৰমণ কাহিনীঃ

# কলকাতা আৰু পুৰীৰ

## শ্ৰীশ্ৰীজগন্নাথ মন্দিৰ দৰ্শন অনন্য এক অভিজ্ঞতা

শিল্পীকা ভূএগা, ৰাজনীতি বিজ্ঞান বিভাগ



২০০৯ বৰ্ষৰ চেপ্তেম্বৰ মাহৰ ২৫ তাৰিখে পুজাৰ বন্ধত মই মোৰ মা, দেউতা, দাদা সহ সৰু খুড়া আৰু খুড়ী লগ হৈ এক দীঘলীয়া ভ্ৰমণসূচী লৈ কলকাতা আৰু পুৰী অভিমুখে ৰাওনা হৈছিলোঁ।

আমি প্ৰথমে যোৰহাটৰ ৰৌৰিয়া বিমান বন্দৰৰপৰা 'জেট এয়াৰবেজ' বিমানেৰে কলকাতালৈ উৰা মাৰিছিলোঁ। সময় লাগিছিল মাত্ৰ ১ঘণ্টা ২০ মিনিট। বিমানত উঠি মোৰ ইমানেই ভাল লাগিছিল যে সেই মুহূৰ্তবোৰ মোৰ জীৱনৰ অন্য এক অভিজ্ঞতা। কলকাতাৰ নেতাজী সুভাষ চন্দ্ৰ বসুৰ আন্তৰ্জাতিক বিমানবন্দৰত উপস্থিত হৈছিলোঁ আবেলি ঠিক ৪ বজাত। আমি কলকাতাত থকা 'অসম ভৱন' অভিমুখে ৰাওনা হৈছিলোঁ। তাত কিছুসময় জিৰণি লৈ আমি কলকাতাৰ পুজা চাবলৈ গৈছিলোঁ আৰু তেতিয়াই "পাতাল ট্ৰেইন"ত (মেট্ৰ' ট্ৰেইন) উঠি বহু দূৰলৈ যাত্ৰা কৰিছিলোঁ। চাৰিটি নিশা কলকাতাত কটাই আমি কলকাতাৰ উল্লেখযোগ্য ভিক্টোৰিয়া মেম'ৰিয়েল, নেচনেল লাইব্ৰেৰী, চিৰিয়াখানা, ইণ্ডিয়ান মিউজিয়াম, হাওৰা ব্ৰীজ, বিদ্যাসাগৰ সেঁতু, তাৰকাগৃহ, ফৰ্ট উইলিয়াম দুৰ্গ, নিকো পাৰ্ক, চায়েন্স চিটি, বোটানিকেল গাৰ্ডেন, কেথেড্ৰেল চাৰ্চ, কালিঘাট, বিলাৰ মঠ আদি চাইছিলো।



কলকাতাত মাত্ৰ তিনিটি নিশা কটাই আমি চতুৰ্থদিনা ৰাতিপুৱা ৭ বজাত হাওৰা ষ্টেচনৰপৰা ভূৱনেশ্বৰ অভিমুখে ৰাওনা হ'লোঁ। প্ৰায় ২ মান বজাত আমি ভাৰতবৰ্ষৰ পূব উপকূল নীল সাগৰৰ পাৰৰ অপৰূপ সৌন্দৰ্যৰে ভৰা উৰিষ্যা প্ৰদেশৰ ভূৱনেশ্বৰত উপস্থিত হৈছিলোঁ।

চিল্কা হ্ৰদৰ পৰিৱেশ তাতেই আছে বিশ্ববাসীৰ বন্দনীয় শ্ৰীশ্ৰী জগন্নাথ মন্দিৰ। ট্ৰেইনৰপৰা নামিয়েই আমি এখন টেক্সিৰে পুৰীলৈ যাত্ৰা কৰিছিলোঁ। পুৰীৰ নীলাচল যাত্ৰী নিবাসত কিছুসময় জিৰণি লৈ আমি সন্ধিয়াৰ সাগৰৰ পাৰৰ অপূৰ্ব সৌন্দৰ্য উপভোগ কৰিবলৈ সাগৰৰ তীৰত উপস্থিত হৈছিলোঁ। এই দৃশ্য উপভোগ কৰিবলৈ বহুতো মানুহ আহিছিল। সঁচায়ে, বংগোপসাগৰৰ সন্ধিয়াপৰৰ এই মনোমোহা দৃশ্য মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰোঁ। সাগৰৰ তীৰত থকা সময়ছোৱাত সময়বোৰ কেনেকৈ অতিবাহিত কৰিলোঁ তাক বুজাব নোৱাৰি। সময় বহুত হ'লত সাগৰৰ তীৰৰপৰা থকা ঠাইলৈ উভটি আহিলোঁ। নিশাটো জিৰণি লৈ পিছদিনা পুৱাই মন মেলিলোঁ পুণ্যক্ষেত্ৰ হিন্দু ধৰ্মৰ চাৰি ধামৰ এক ধাম শ্ৰীশ্ৰী জগন্নাথ মন্দিৰৰ দৰ্শনাৰ্থী হ'বলৈ। অসম পাণ্ডা শ্ৰীশিৱশঙ্কৰ মহাপাত্ৰক পথ প্ৰদৰ্শক হিচাপে লৈ মন্দিৰ দৰ্শন কৰি শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুক সেৱা জনালোঁ। দেশৰ বিভিন্ন প্ৰান্তৰৰপৰা অহা হাজাৰ হাজাৰ ভক্তপ্ৰাণ লোকৰ মাজত ঠেলা-হেঁচাৰে গৈ হ'লেও প্ৰভুজনাক দৰ্শন কৰিলোঁ। মনতে ভাব হ'ল, শ্ৰীশ্ৰী জগন্নাথ প্ৰভুক দৰ্শন কৰিবলৈ পোৱাটো কম ভাগ্যৰ কথা নহয়। পাণ্ডা লোৱাৰ বাবেহে সেয়া সম্ভৱ হ'ল বুলি ভাৱিছোঁ। পুৰীৰ জগন্নাথ প্ৰভুৰ অদ্ভুত লীলা ক্ষেত্ৰ আজিও পুৰীৰ অদ্ভুত লীলা ক্ষেত্ৰ হৈ আছে। হিন্দুৰ সকলো পন্থাৰ লোকৰ বাবে এই মন্দিৰ সমভাৱেই পৱিত্ৰ।



শ্ৰীশ্ৰী জগন্নাথ মন্দিৰত মুখ্যতঃ তিনিটা বিগ্ৰহ আছে। মন্দিৰৰ ভিতৰৰ ৰত্নবেদীৰ বাওঁপালে বলৰাম, মাজত সুভদ্ৰা আৰু সোঁফালে জগন্নাথ প্ৰভু বিদ্যমান। এই তিনিটা মূৰ্তি নিমকাঠেৰে নিৰ্মিত যাক দাৰুব্ৰহ্ম বুলি কোৱা হয়। পুৰীৰ জগন্নাথ মন্দিৰৰ উল্লেখযোগ্য বিশেষত্ব হ'ল ইয়াত পূৰ্বৰ পৰা জাতিভেদ প্ৰথা আৰু অস্পৃশ্যতা নিষিদ্ধ। এই জগন্নাথ ক্ষেত্ৰতেই ধৰ্ম আৰু আদৰ্শ গ্ৰহণ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে জাতিভেদ প্ৰথা আৰু অস্পৃশ্যতাবিহীন "এক শৰণ ভাগৱতী ধৰ্ম" প্ৰচাৰ কৰিছিল।

পুৰীত থকা সময়ছোৱাত আমি পুৰীৰ বিভিন্ন মঠ-মন্দিৰ দৰ্শন কৰাৰ উপৰিও পৃথিৱীৰ বৃহত্তম চিল্কা হ্ৰদ চাবলৈ গৈছিলোঁ। পুৰীত তিনিটি নিশা কটাই চতুৰ্থ দিনা পুৱাই এখন চুমুৰে আমি ভূৱনেশ্বৰ অভিমুখে ৰাওনা হৈছিলোঁ। বাটত আহোঁতে আমি 'চন্দ্ৰভাগা'ৰ মনোৰম দৃশ্য উপভোগ কৰি কোনাৰ্ক সূৰ্য মন্দিৰলৈ বুলি আগবাঢ়িলোঁ। প্ৰায় ২ ঘণ্টা মন্দিৰ দৰ্শন কৰি ভূৱনেশ্বৰৰ কিছুমান উল্লেখযোগ্য স্থান যেনে- ধৱলগিৰি, উদয়গিৰি, খণ্ডগিৰি, নন্দন কানন চিৰিয়াখানা চাই ভূৱনেশ্বৰৰ এখন হোটেলত কেইঘণ্টামান অতিবাহিত কৰাৰ পিছত নিশা ২ বজাত ভূৱনেশ্বৰ ষ্টেচনৰ পৰা গুৱাহাটী অভিমুখে ৰাওনা হ'লোঁ। ৩ অক্টোবৰ তাৰিখে আমি পুৱা ৭ বজাত গুৱাহাটী পালোহি। গুৱাহাটীৰপৰা নৈশ বাছেৰে আহি ৰাতিপুৱা ঘৰ পালোঁহি।

"ভ্ৰমণে মানুহক সুখ আৰু আনন্দ যোগায়।" মোৰ এই ভ্ৰমণ সঁচায়ে মোৰ বাবে চিৰস্মৰণীয়। কিয়নো এই ভ্ৰমণে মোক দিলে অনাবিল আনন্দ, অভিজ্ঞতা তথা ঈশ্বৰক বিশ্বাস আৰু আকৰ্ষণ।



# প্ৰকৃত ভদ্ৰলোকৰ পৰিচয়

বৰ্ণালী শইকীয়া, অৰ্থনীতি বিভাগ

চৰিত্ৰ হৈছে মানুহৰ জীৱনৰ কীৰ্ত্তি স্বৰূপ। ধন-জন, টকা-পইচা, সা-সম্পত্তি, মাটি-বাৰী, ৰাজ অট্টালিকা ক্ষমতা আদিৰ শক্তি আছে, যদিও চৰিত্ৰৰ শক্তি এইবিলাক শক্তিতকৈ অধিক। চৰিত্ৰই উচ্চ সন্মান আৰু উচ্চ খ্যাতি অৰ্জন কৰে। চৰিত্ৰৰ প্ৰভাৱ সদায় সকলোতকৈ বেছি। চৰিত্ৰৱান ব্যক্তিক সকলোৱে সন্মান কৰে। চৰিত্ৰ হৈছে মানৱ জীৱনৰ উত্তম প্ৰকাশ আৰু সদাচাৰী আদৰ্শৰ প্ৰতীক। দৈহিক শক্তিতকৈ নৈতিক শক্তি অৰ্থাৎ চৰিত্ৰৰ শক্তি বহু গুণে বেছি। এখন দেশৰ, এখন ৰাজ্যৰ, এটা জাতিৰ, এখন সমাজৰ, এখন গাঁৱৰ, এটা পৰিয়ালৰ বল-শক্তি-সভ্যতা সকলোবোৰ নিৰ্ভৰ কৰে এজন ব্যক্তিৰ চৰিত্ৰৰ ওপৰত। এজন মানুহৰ বিদ্যা-বুদ্ধি, সামৰ্থ্য টকা-পইচা নাথাকিব পাৰে কিন্তু সেই মানুহজন যদি সৎ চৰিত্ৰৰ হয় তেন্তে তেওঁ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰহৈ সমাজৰ উচ্চ আসন লাভ কৰিবলৈ সমৰ্থ হ'ব। সৎচৰিত্ৰ পথ ত্যাগ কৰি অন্য পথেৰে যাত্ৰা আৰম্ভ কৰিলে, সেই যাত্ৰাত কেতিয়াও সফল হ'ব নোৱাৰি। চৰিত্ৰবান পুৰুষ মাত্ৰেই কথা আৰু কামৰ মাজত সামঞ্জস্য ৰাখি নিজৰ কৰ্তব্য কৰে। জ্ঞানেই শক্তিশালী বুলি কোৱা হয় যদিও চৰিত্ৰহীন মানুহ জ্ঞানী হ'ব নোৱাৰে। সত্যবাদিতা, সাধুতা, ন্যায়-পৰায়ণতা আদিৰ যোগেদি সৎ চৰিত্ৰ ফুটি উঠে আৰু সৎ চৰিত্ৰ ফুটি উঠা ব্যক্তি বিশেষে সজ কাম কৰে। অৰ্থাৎ কাৰ্য প্ৰতিৰোধ আৰু দুশ-দুৰ্দশা সহ্য কৰিব পাৰে। প্ৰতিজন ব্যক্তিয়ে সৎচৰিত্ৰৰ বাবে কথা আৰু কামৰ মাজত সমতা ৰাখি নিজৰ কৰ্তব্য কৰা উচিত। অন্যলোকে নিজকে যেনে ব্যৱহাৰ কৰিলে ভাল পায়, ঠিক নিজেও আনক তেনে ব্যৱহাৰ কৰিব লাগে। তেতিয়া বিশৃংখলতাই দেখা নিদিয়ে। সৎ চৰিত্ৰৰ মাজেদি প্ৰকৃত ভদ্ৰলোকৰ পৰিচয় ফুটি উঠে। যাত্ৰীবাহী যান বাহনতো লিখিব লগা হৈছে- 'আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়'। 'পবিত্ৰ হৃদয় যাৰ ভগৱান সহায় তাৰ'- ইত্যাদি। ভদ্ৰ আচৰণৰপৰা লোকচান নহয়, বৰঞ্চ অধিক লাভ হয়। মানুহৰ জীৱনত চাল-চলন কৰিবলৈ টকা-পইচাৰ প্ৰয়োজন আছে সঁচা, কিন্তু টকা-পইচা খৰচ নকৰাকৈ পোৱা বস্তুবিধ হৈছে 'সৌজন্য'। 'সৌজন্য' অৰ্জনৰ কাৰণে কোনো ধৰণৰ কষ্ট বা আত্মত্যাগৰ প্ৰয়োজন নাই। কৰ্মৰ দ্বাৰা আচৰণৰ উৎপত্তি হয়। কৰ্মৰ আচৰণ হৈছে ভাল কথা, ভাল মাত, ভাল ব্যৱহাৰ হৈছে শিষ্টাচাৰৰ লক্ষণ। সজগুণ আৰু কৰ্মদক্ষতা থাকিলে এজন মানুহ প্ৰকৃত ভদ্ৰলোক হ'ব নোৱাৰে- যদিহে তেওঁৰ আচৰণ সজ নহয়। অমায়িকতা আৰু সজ আচৰণ প্ৰতিজন ব্যক্তিৰে কৃতকাৰ্যতাৰ মূল চাবি-কাঠি। প্ৰকৃত ভদ্ৰলোকৰ পৰিচয় হৈছে তেওঁৰ আত্মসন্মানবোধ। প্ৰকৃত ভদ্ৰলোকে সদায় নিজৰ চৰিত্ৰৰ প্ৰতি সচেতন। তেওঁ নিজকে সন্মান কৰে আৰু আনলোককো সন্মান কৰে। 'প্ৰকৃত ভদ্ৰলোকে' কেতিয়াও নীচাত্মক কাৰ্য কৰিব নোৱাৰে। নীচাত্মক কাৰ্য তেওঁ সততে পৰিহাৰ কৰে। ধন-সম্পত্তি, টকা-পইচা, সা-সম্পত্তি আৰু পদ মৰ্যাদাৰ প্ৰতি লোভ নাথাকে। কৰ্ম পদ্ধতিৰ দ্বাৰা অতি তল খাপৰ লোক এজনো প্ৰকৃত ভদ্ৰলোক হৈ মহান হ'ব পাৰে। ভদ্ৰতাই সাহস গোটায়। সাহসেই সিদ্ধি লাভ কৰে। সিদ্ধি লাভেই সহিষ্ণুতা কঢ়িয়াই আনে। সহিষ্ণুতাই ধৈৰ্য আৰু মনোবল দৃঢ় কৰে। মনোবল দৃঢ় হ'লে মানুহ সৎ হয়। সৎ হ'লেই প্ৰকৃত ভদ্ৰলোক হ'ব পাৰি। প্ৰকৃত ভদ্ৰলোকৰ পৰিচয় এনেদৰেই নিৰূপিত হয়।

চৰিত্ৰৰ সম্পৰ্কে কেইজনমান বিখ্যাত ব্যক্তিৰ উক্তি—

১। চৰিত্ৰ এখিলা বগা কাগজৰ দৰে। এবাৰ যদি দাগ পৰে, ইয়াক আকৌ আগৰ দৰে বগা কৰা টান। - জে, হ'জ।

২। ধন হেৰালে একোৱেই নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায় কিন্তু চৰিত্ৰ হেৰালে সকলোখিনি হেৰায়। - চক্ৰেটিছ।

৩। সৰু ফুটাৰ মাজেদি যেনেকৈ পোহৰ দেখা যায়, তেনেকৈ সৰু কথাৰ যোগেদিও মানুহৰ চৰিত্ৰৰ মাহাত্ম্য প্ৰকাশ পায়। - লৰ্ড এভাৰবেৰী।





জীৱনক কোনে মাতে
জোৰোণৰ আঙুঠিৰ দৰে পৃথিৱীৰ মোহে
হৃদয়ৰ শাওনীয়া পথাৰত
লহ্‌পহ্‌কৈ বাঢ়ে হেঁপাহৰ সেউজীয়া ধান

— ৰঘুনাথ কাগয়ুং (চকুৰ পাহিত ৰ'দৰ টৌ)

প্ৰাপ্তি-অপ্ৰাপ্তি, প্ৰেম-অপ্ৰেম, ভাল-বেয়া
সুখ-দুখ, হাঁহি-কান্দোন, আনন্দ-বিষাদ
স্বপ্ন-দুঃস্বপ্ন, ভুল-নিৰ্ভুল, জন্ম-মৃত্যু
আদিৰ বাংময়তাতেই হয়তো পাক্ খাই থাকে জীৱনৰ সংজ্ঞা
জীৱনৰ পৰিচয় নিবিচৰাকৈ সকলোৱে আঁকিব খোজে জীৱনৰ স্কেচ্ছ-
বুকুৰ গভীৰ সুৰে ৰং তুলিকাৰ বোল সানি আঁকিব খোজে জীৱনৰ এখন ছৱি-
কবিৰ ভাষাত—

'কত কবি ভিৰ কৰে লিখোঁ বুলি জীৱনৰ জীৱন মালিতা
লিখা হৈ নুঠে কোনো দিনে নিজে হৈ পৰে এক জীয়া কবিতা'

**জীৱনক লৈ বিভিন্নজনৰ অনুভৱৰ কাব্যিক প্ৰকাশ....**

## কবিৰ তুলিকাত

# জীৱনৰ স্কেচ্ছ....

জীৱনৰ কোনো অৰ্থ নাই।
কিন্তু মানুহে তাক অৰ্থ দিব পাৰে কেৱল এটা
কাম কৰি সেইটো হ'ল ক্ৰমে ক্ৰমে নিজৰ
শক্তিক উদঘাটিত আৰু বিকশিত কৰি...
—এৰিখ ফ্ৰম।



# জীৱন

উৰ্মিলা গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ



সন্ধিয়াবোৰে যেতিয়া কথা কয়
মৌনতাই মোক আৱৰি ধৰে
ক্ৰমশঃ নিঃসংগ অনুভৱৰ হেন্দোলনী
যেন পথাৰৰ মাজৰ সেই অকলশৰীয়া
আমগছজোপা .........

সন্তৰ্পণে এখুজি দুখুজিকৈ সোমাই পৰো
অন্ধকাৰৰ মাজত
চকুৰেও নমনা হওঁ লাহে লাহে
খেপিয়াই চাওঁ ইফালে সিফালে
অকণমান জোনাকৰ আশাত
কিন্তু..............
দিশহাৰাহে হৈ ৰওঁ............

এমুঠি পোহৰৰ আশাত
(তথাপিও) আশাপাল ৰওঁ
পুনৰ এটি সোণোৱালী পুৱালৈ
কৰিব পাৰেই বা এমুঠি আলোকে
আলোকিত কৰিব
মোৰ ধূসৰিত জীৱন



# জীৱনঃ এক আলাপ

ৰূপজ্যোতি বৰগোহাঁই
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

এটা নিৰ্দিষ্ট লক্ষ্য আৰু তাৰ বাবে সংগ্ৰাম-
এয়েটো নহয় জীৱন
জীৱন মানে কিছু তিতা-মিঠা অভিজ্ঞতা
কিছু আশা-কিছু হতাশা
লক্ষ্য প্ৰাপ্তিৰ বাবেইতো জীৱনৰ সংগ্ৰাম নহয়
জীৱনৰ সংগ্ৰাম এসাজ ভাল আহাৰৰ বাবে
এসাঁজ ভাল কাপোৰৰ বাবে
অপ্ৰাপ্তিক পোৱাৰ বাবে
কিন্তু কিমানজন জয়ী হয় এই সংগ্ৰামত!
মৰম আৰু শুভকামনাৰ অবিহনে জানো পূৰ্ণ হ'ব পাৰে
জীৱনৰ সংগ্ৰাম.....
মই হাত মেলিব পাৰো জোনটোলৈ
মোৰ ড্ৰয়িং ৰূমত সজাই লবহি পাৰো
পূৰ্ণিমাৰ তৰা-ভৰা আকাশখন
কাৰণ মই সপোন দেখিব জানো
জয়ী নোহোৱাকৈয়ে জয়ী হ'ব পাৰো জীৱনৰ
সপোনে মোক লৈ যায় সেই দেশলৈ
য'ত সকলো সম্ভৱ
য'ত সকলো মোৰ....

# অনাদৃত জীৱন

প্ৰান্তীময়ী দত্ত
একাদশ শ্ৰেণী (কলা)



এজাক শিশু,
শৈশৱৰ ল'ৰা ধেমালিৰ সতে পৰিচয়বিহীন,
পথৰ দাঁতিত, দলঙৰ কাষত,
কোনেও নাজানে কি বিচাৰি ফুৰে সিহঁতে!

হাতত একোটাকৈ মোনা,
জাবৰৰ দমৰ মাজে মাজে বিচৰণ
পেটৰ তাড়নাত জীয়াই থকাৰ হাবিয়াসত।

সন্ধিয়া হ'লেই শুই পৰে ফুটপাথত
মুক্ত আকাশৰ তলত ভয় শংকা নোহোৱাকৈ,
কেতিয়া, কোনে শুনিব সিহঁতৰ
কিৰিলি মৰা হাঁহিবোৰ
অথবা ৰিক্ত হৃদয়ৰ আৰ্তনাদ, আস্ফালন।

একেখনি ধৰা, জীৱন জীৱিকাৰ
কিযে বিপৰীত ৰূপ।



# ভঙা দাপোনত জীৱনৰ স্কেচ্ছ

ফাৰহানা বেগম
স্নাতক তৃতীয় বাৰ্ষিক

বুকু ভাঙি বৈ আহে দুখৰ নিজৰা
কাৰনো হাতত তুলি দিওঁ
মোৰ ক্ষয়িষ্ণু কলিজা?
গোলাপতকৈ কাঁইট জানো
পাৰে ভাল হ'ব.....?

বোকোচাত কঢ়িয়াইছো অমাৱস্যাৰ আন্ধাৰ
দুখৰ উপপথৰ বাতি
প্ৰতিটো মুহূৰ্তমোৰ একক আৰু নিঃসঙ্গ,
কোনে আহি জ্বলাবহি
দ্বীপান্বিতাৰ হাজাৰ গছি বন্তি?

সিদিনাতো দেখিছিলো মই
ফুল, তৰা আৰু গানৰ সপোন
এতিয়া নিঃসংগতাই আৱৰি ৰাখিছে
মোৰ ধূলি ধূসৰিত হৃদয়,
শূণ্যতাৰে ভৰপূৰ বুকু।
এতিয়া নিঃসংগতাই মোৰ সংগী
নীৰৱতাৰ স'তে কথা পাতো গোপনে,
ছাঁটোও নালাগে থাকিব মোৰ স'তে,
জীৱনত কিমাননো কি পালোঁ
কিমান হেৰুৱালো কৰিম হিচাপ নিৰলে।



# "জীৱন"
## — এক প্ৰতিচ্ছবি দুখ আৰু সুখৰ



মুনমী বড়া
ইংৰাজী বিভাগ

জীৱন......

সপোন, মাথোঁ সপোন। সপোনৰ শেষ নাই, তথাপিতো মানুহে জানো জীৱনত বিচৰাখিনি পায়? নোপোৱাৰ দুখ আৰু পায়ো হেৰুৱাৰ যন্ত্ৰণা ইত্যাদিৰে ভৰি খণ্ড-বিখণ্ড হৈ পৰে জীৱন! সুখ-দুখ, হাঁহি-কান্দোনৰ জটিলতাৰে ভৰা জীৱনটোক সৰল অংকৰ দৰে সমাধান কৰিলে, ইয়াৰ উত্তৰ হয় শূন্য। মানুহে জীৱনক বিভিন্ন ধৰণে বিশ্লেষণ কৰি চাইছে; কোনোবাই জীৱন নামৰ দাপোণত সুখৰ প্ৰতিবিম্ব দেখিছে, কোনোৱাই যন্ত্ৰণাৰ। হয়তো কোনোবাই সেই দাপোনৰ সন্মুখত থিয় হৈ হাঁহিবলৈ শিকিছে আৰু অনেকেই কান্দিছে। জীৱনৰ জয়-পৰাজয় আদি অদম্য আত্মবিশ্বাসেৰে আঁকোৱালি লব পৰাতেই নিহিত হৈ থাকে জীৱনৰ গভীৰ তাৎপৰ্য। খলা-বমা, ওখোৰা-মোখোৰা জীৱনৰ বাটত বহুতো আশা-কল্পনাক বুকুত সাবটি আগবাঢ়ি যাওঁতে জীৱনে কেতিয়াবা কান্দে; কেতিয়াবা হাঁহে। প্ৰকৃতাৰ্থত জীৱনপথত আমি সকলোৱে অকলে খোজ দিব লাগে। কিন্তু কেতিয়াবা এনেকুৱা সময় আহে যি যন্ত্ৰণাৰ বাহিৰে আন একো দিব নোৱাৰে, অসহায়তাত জীৱনে কেৱল চকুলো টুকে। হাঁহিৰে সজাব খোজা জীৱনটোত যেতিয়া লেথাৰি নিচিগা তপত চকুলোৰে বাধা দিয়ে, জীৱন থমকি ৰোৱাতো স্বাভাৱিক। কাৰণ আশাভংগৰ বেদনাতকৈ কষ্টদায়ক অভিজ্ঞতা জীৱনৰ বাবে একো নাই। অৰ্থাৎ জীৱন হৈ পৰে এখন সুখ-দুখৰ প্ৰতিচ্ছবি। আৰু এই প্ৰতিচ্ছবিত কব নোৱৰাকৈয়ে সংপৃক্ত হৈ পৰে প্ৰেম। জীৱনে পাৰ কৰি যায় সংগোপনে প্ৰেমৰ পৃষ্ঠা। জীৱনত কেতিয়াবা কাৰোবাৰ প্ৰতি মৰম উপজিলেও অ-প্ৰকাশিত হৈ ৰয়। আধৰুৱা হৈ ৰয় জীৱনৰ বাটত অন্তৰৰ গভীৰ কোণৰ পৰা ভালপায়ো বহু ভালপোৱা। এয়া দোষ সময়ৰ, সমাজৰ...... আৰু ...... এই মৰম, ভালপোৱা যেতিয়া হেৰাই যায় তেতিয়া, কান্দি উঠে হৃদয়বোৰ, উচুপি উচুপি উপচি পৰে হৃদয়ৰ ভাষাৰে। কাৰণ নোপোৱাৰ বেদনাতকৈ পাই হেৰুৱাৰ বেদনা, গভীৰ আৰু চিৰস্থায়ী আৰু জীৱন হৈ পৰে - সপোন- মাথোঁ সপোনৰ।

কাব্যিক গদ্য

# এটি নিৰ্মম বিননি

উদ্দীপ্তী মহন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

সৃষ্টিৰ কোনোবা এক ক্ষণত
তোমাতে মই থিতাপি লৈছিলো মা
তোমাৰ শৰীৰৰ উমাল আৱৰণে
মোক আঁকোৱালী লৈছিল।
মা ! অশেষ যত্নেৰে তুমিও খাই মোক খুৱাই
চন্দ্ৰকলাৰ দৰে বাঢ়িবলৈ দিয়া নাছিলা জানো ?
মইও তোমাৰ গৰ্ভৰ পৰাই, অনুভৱ কৰিব পাৰিছিলো
পাপাৰ হাতৰ কোমল পৰশ আৰু আইতা ককাৰ মাত
মা ! মই তোমাৰ গৰ্ভত ছমহীয়া হওঁতে তুমি যে শুনিছিলা
"তোমাৰ হাঁহি কঁহুৱা কোমল, শেৱালি কোমল পাহি"
মইও যে কিমান ভাল পাইছিলো.....
জানা মা, সেইদিনা মইও নাচিছিলো।
তুমিও জানো গম পোৱা নাছিলা মই নচাৰ কথা ?
তুমি যে পাপাক চিঞৰি মাতিছিলা,
মোক এবাৰ অনুভৱ কৰিবলৈ !
তোমাৰ বাৰু মনত আছেনে মা ?
আইতাই যে তোমাক ঘোষা পঢ়ি শুনাইছিল
তোমাৰ কাণেৰে মইও শুনিছিলো জানা....
তোমাৰ গৰ্ভৰ আন্ধাৰৰ মাজতো তোমাৰ দৃষ্টিৰে,
পৃথিৱীখনক মই দেখিছিলো
তোমাৰ প্ৰতিটোপাল তেজৰ উষ্ণতাত
মই অনুভৱ কৰিছিলো মোক কোলাত ল'বৰ বাবে
তোমাৰ অন্তৰৰ ব্যাকুলতা
মা ! তুমি ভাবিছিলা নেকি মইও সহ্য কৰিব পাৰিছিলো
তোমাৰ সেই ব্যাকুলতা ?
লাহে লাহে মোৰ তোমাৰ দৃষ্টিৰে
পৃথিৱীখন চোৱাৰ হেঁপাহ কমি গ'ল মা।
মোৰো জানা, পাপাই মোলৈ অনা পুতলাবোৰ
এবাৰ নিজ হাতেৰে চুই চাবলৈ বৰ মন গৈছিল।
মই সেই ইচ্ছাক দমন কৰি ৰাখিব পৰা নাছিলো..
সেয়েহে মই অন্ধকাৰৰ মাজতো বাট বিচাৰি
ভূমিষ্ঠ হ'লো।।
কিন্তু মা...
সেই মুহূৰ্তত তোমাৰ চিৎকাৰ শুনি মোৰ
তোমাৰ গৰ্ভত মোৰ মৃত্যুৱে শ্ৰেয় আছিল যেন লাগিছিল।
মইও কান্দি উঠিছিলো সেয়েহে,
কান্দি কান্দি তোমাক বুজাই দিব খুজিছিলো
মোৰ মনৰ আত্মগ্লানি....
তুমি হয়তো বুজিছিলা মা,
আৰু সেয়েহে অপলক নেত্ৰে তুমি মোলৈ চাই ৰৈছিলা।
ডাক্তৰ-নাৰ্চে গংগা জলেৰে ধুৱাই পবিত্ৰ কৰি তোমাৰ কোলাত
তুলি দিওতে
তুমি যে মোৰ দেহত হাত ফুৰাই দিছিলা !
মোৰ কণমানি চকুদুটি পাপাক দেখি জুৰ পৰি গৈছিল
কিন্তু ....
পলকতে মা তুমি পাপালে এক বজ্ৰাহত দৃষ্টি নিক্ষেপ কৰিলা
মই নুবুজিলো তোমাৰ সেই দৃষ্টিৰ ভাষা
কিন্তু মা, পাপাই ঠিক পঢ়িছিল সেই দৃষ্টি...
সেয়ে একে আজোৰে পাপাই মোক
কাঢ়ি নিছিল তোমাৰ কোলাৰ পৰা
মা মই যে কিমান আচৰিত হৈছিলো এক অনাকাংক্ষিত
পাপাৰ হাতৰ স্পৰ্শ পাই ?
আৰু তুমি এক ঘৃণাৰ দৃষ্টিৰে কেনেকৈ যে
চাইছিলা মোলৈ !
মইতো কল্পনাই কৰা নাছিলো মা !......
বুজা-নুবুজাৰ মাজত দোদুল্যমান হৈ থাকোতে
শুনিছিলো তোমাৰ আৰু পাপাৰ মুখৰ সেই বাক্য,
"ডাক্তৰ এই সন্তান আমাক নেলাগে, এই
সন্তান আপুনি ডাষ্টবিনত পেলাই দিলেও দিব,
কাৰণ আমি কন্যা সন্তান বিছৰা নাছিলো।"
সেই কথা শুনি মই যেন মা শিল পৰা কপৌ হৈ গ'লো
আৰু চিঞৰি চিঞৰি মোৰ তোমাক সুধিবলৈ মন গৈছিল
'মোৰ দোষ কি মা ? কি দোষৰ বাবে তুমি ন-মাহ
ন-দিন নিজৰ দেহত ঠাই দি, তেজ দি শেষত
তুমি মোক এলাগী কৰিলা; কেৱল মই
কন্যা সন্তান বাবে ?"
ভাবিলে আচৰিত হওঁ মা,
তুমি কেনেকৈ ইমান স্বাৰ্থপৰ হ'লা মা ?
সঁচাই মা তুমি বহুত স্বাৰ্থপৰ হ'লা মা
বহুত স্বাৰ্থপৰ..... ।।



# গল্প কুঞ্জ



বৰ্তমান যুগৰ সাহিত্যৰ ভিতৰত নিজস্ব বৈশিষ্ট্য প্ৰসাৰতা আৰু সাহিত্যিক ৰীতিৰ ফালৰপৰা সবাতোতকৈ সমৃদ্ধিশালী ৰূপ হ'ল চুটিগল্প। চুটিগল্প আপোন চৰিত্ৰ বৈশিষ্ট্যৰ মহিমাৰে মণ্ডিত এক স্বতন্ত্ৰ সাহিত্যৰূপ, এবিধ সংক্ষিপ্ত স্বতঃসম্পূৰ্ণ আৰ্ট।



বিখ্যাত গল্পকাৰ H.E. Batesএ কৈছিল—
"যি কোনো বস্তু - এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে, এটা ফুলৰ পাপৰি মেল খোৱাৰ পৰা আৰম্ভ কৰি এটা প্ৰচণ্ড ভূমিকম্পলৈকে- সূৰ্যৰ পোহৰত দেখা প্ৰতিটো বস্তুৱেই চুটিগল্পৰ বিষয় হ'ব পাৰে।"

মানৱ মনৰ
আকুল
জিজ্ঞাসাৰ
ক্ষুদ্ৰতম
বাংময়
অভিব্যক্তিয়েই
আজিৰ
চুটিগল্প।







# মাতৃ স্নেহ

**ৰতিপ্ৰভা গগৈ**
মুৰব্বী প্ৰবক্তা, অসমীয়া বিভাগ

ভতিজাক মুহিধৰে কথাযাৰ কোৱাৰ পাছৰে পৰা মৰমীৰ বুকুৰ বিষটোৱে আমনি কৰিবলৈ ধৰিলে। মৰমীৰ চকুৰ আগত অতীতৰ বহু কথা জীৱন্ত হৈ ধৰা দিলে। কলেজত নাম লগাবলৈ যোৱাৰ দিনা অসীমৰ লগত তাইৰ দেখা- কলেজ কেণ্টিনত। তাৰ পাছৰে পৰা ক্ৰমে লাহে লাহে আৰম্ভ হৈছিল মন গহ্বৰৰ গোপন গোপন কথাৰ আদান-প্ৰদান। অৱশেষত অসীমক নেদেখিলে মৰমীৰ এক পলো শান্তিৰে নোযোৱা হ'ল। সেই দিনবোৰ কিমান মিঠা, কিমান যে মধুৰ আছিল। তাতোতকৈ মধুৰ দিনৰ কাষ চাপিছিল যেতিয়া দুয়ো সাংসাৰিক বান্ধোনেৰে বান্ধ খাই পৰিল। অসীমে চিৰদিনৰ কাৰণে মৰমীক কাষ চপাই ল'লে পিতৃ-মাতৃৰ মতৰ অবিহনেই। কলেজৰ পৰা মৰমীক বাইকত সদায় উঠাই অনাৰ দৰেই আনি যেতিয়া ঘৰমুৱা হ'ল মৰমী চমকি উঠিল সদায় দলঙৰ সিপাৰৰ ধাবাখনলৈ নিয়াৰ পৰিবৰ্তে অসীমে সেইদিনা ঘৰ অভিমুখে বাইক চলাই দিছিল। অৱশেষত মাক-দেউতাক একমাত্ৰ সন্তান কলেজৰ ২য় বৰ্ষৰ ছাত্ৰী মৰমীয়ে অসীমৰ লগত সংসাৰ আৰম্ভ কৰিলে।

মৰমৰ অসীমক তেনেই কাষতে পাই মৰমীৰ যিমান ভাল লাগিছিল তাতোতকৈ বেছি ভয় লাগিছিল। এখন অচিনাকী ঘৰত অচিনাকী পৰিবেশত সংসাৰৰ আও-ভাও নোপোৱা মৰমীয়ে প্ৰতি পদে পদে উজুটি খোৱাটো অতি স্বাভাৱিক।

মৰমীৰ মাক-দেউতাকেও একমাত্ৰ সন্তানৰপৰা পালে মোক্ষম আঘাট। অভিমানী মনক বুজাই কিছুদিনৰ পিছত শান্ত হৈ অসীমৰ ঘৰৰপৰা যোৱা প্ৰস্তাৱক আঁকোৱালী লৈ দুয়োঘৰে মিলা-মিছাৰ পথত হাত আগবঢ়ালে। টকা ঢালি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী পদ এটাও কিনি দিলে।

সময় আগবাঢ়িল। মৰমী আৰু অসীমৰ মাজলৈ কণ্ কণ্ আহিল। মাক-বাপেকৰ আলসুৱা মৰমীয়ে কিমান যে সমস্যাৰ সন্মুখীন হ'ব লগা হ'ল যিবোৰ তাইৰ বাবে আছিল সপোনৰো অগোচৰ। সন্তানে পৃথিৱীৰ মুখ দেখাৰ বাবে মাক জনীয়ে ইমান কষ্ট ভোগ কৰিব লাগেনে? কাঁইট এটাই বিন্ধিলেও মাক-বাপেকে এনে হুলস্থুলখন লগাইছিল। এতিয়া সন্তান জন্ম দিয়াৰ অসহ্য বিষ তেওঁলোকে কাঢ়ি নিব পাৰিব নে? তাইৰ মাক-দেউতাকলৈকো খং উঠে। দেউতাকে নাজানিলেও মাকেতো জানিব লাগে ছোৱালী মানুহৰ জীৱনত কিমান কষ্ট থাকে? লগে লগে দুঃখ লাগে তাইক জন্ম দিওঁতেও মাকে এনে কষ্টকে পাইছিল নহয়।

মাক দেউতাকৰ আলসুৱা মৰমীৰ দেহত ইমান শক্তি ক'ত যে লুকাই আছিল তাইৰ ভাবিলেও আচৰিত লাগে। কণ্ কণ্‌ক জন্ম দি তাইৰ যতন লোৱা, নিশা পৰে পৰে উঠি তাইক খুওৱা, মৰমীয়ে ভাবিবই নোৱাৰে। বিয়াৰ আগৰ আৰু পাছৰ তুলনা নাই। লগতে অসীমৰো যতন ল'ব লাগে মৰমীয়ে। মাকবোৰ এনেদৰেই জীয়াই থাকে- মৰমীয়ে ভাবে।

"আই তোৰ মানুহজনক তইয়ে সন্মান কৰিব লাগিব, মাকৰ দৰে মৰম দিব লাগিব।" মৰমীয়ে সংসাৰ আৰম্ভ কৰাৰ পাছত গাঁৱৰ বয়োজ্যেষ্ঠা এগৰাকী সম্পৰ্কীয় মানুহৰ আশীৰ্বাদ লওঁতে এনেদৰে উপদেশ দিছিল। মৰমীয়ে কথাষাৰ পাহৰা নাছিল। স্কুল কলেজৰ কোনো শিক্ষা নথকা আইতা এগৰাকীৰ জীৱনৰ গভীৰ উপলব্ধিৰে কোৱা এনে সাৰুৱা কথাই মৰমীক আপ্লুত কৰিছিল। অৱশ্যে নতুনতে কথাষাৰৰ তাৎপৰ্য ইমান গভীৰ ভাৱে বুজা নাছিল। সন্মান দিব লাগে অৱশ্যে তাইতো অসীমৰ মৰমতে জন্মদাত্ৰী পিতৃ-মাতৃক নিজৰ ঘৰখন এৰি গুছি আহিছে। মাকৰ দৰে মৰম দিয়াৰ কথাটো তাই পাছতহে উপলব্ধি কৰি অসীমৰ খোৱা-বোৱা, পিন্ধা-উৰা সকলো দায়িত্ব মৰমীৰ। কব নোৱাৰাকৈয়ে যেন অসীমে মৰমীক সম্পূৰ্ণ মানুহটো গটাই দিলে। হয়, অসীমৰ দায়িত্ব মৰমীয়ে মাকৰ দৰেই পালন কৰিবলৈ ল'লে। অসীমৰ দেহৰ সামান্য পৰিৱৰ্তনো মৰমীৰ চকুত পৰে। অসুখ-বিসুখ হ'লে, মুখখন শুকান দেখিলে মৰমীৰ বুকুখন বিষাই যায়।

মানুহে কয় - " মাকে চাই মুখলৈ, ঘৈণীয়ে চাই হাতলৈ।" মৰমীয়েতো কোনো দিন তেনেদৰে অসীমৰ হাতলৈ চাই পোৱা নাই। তাইৰ ঘটনৰ টকাৰেই দুয়ো কোনোমতে চলি থাকে।

চাকৰিৰ থলীলৈ দূৰ হোৱাৰ বাবে মৰমীহঁতে নগৰত ভাৰাঘৰত থাকিবলৈ লাগে। কণ্‌কণ্‌ক চাবৰ বাবে সৰু ছোৱালী এজনীও মাক-দেউতাকে ঠিক কৰি দিলে জোঁৱায়েকক এখন গাড়ী লৈ দিলে- ড্ৰাইভাৰ লৈ অথবা নিজে ভাৰা মাৰি দুপইচা অৰ্জন কৰাৰ পথ এটা পালে অসীমে আঢ়ৈ কঠা মাটি মৰমীৰ মাক-দেউতাকেই লৈ দিলে। তাতে সৰু কৈ এটি ঘৰ সাজি থাকিবলৈ ল'লে। তিনিবছৰীয়া কণ্‌কণ্‌ক নগৰৰ নামী ইংৰাজী স্কুলত নাম লগাই দিলে।

সংঘাতৰ পাছত সুখে পাহি মেলা সংসাৰখনত হঠাতে কেনেদৰে কেনা লাগিল মৰমীয়ে ক'বই নোৱাৰিলে। অসীমে মদ খাবলৈ ল'লে। প্ৰথম দিনা মুখত মদৰ গোন্ধ পোৱা অসীমক ককৰ্থনা কৰিবলৈ গৈ মৰমীৰ মাত থোকাথুকি হ'ল।

নাই, নাই তুমি কিয় চিন্তা কৰিছা লগৰ ল'ৰাৰ Request এবাৰ নোৱাৰি এক পেগ মাত্ৰ খালোঁ। নাখাওঁ, আজিৰ পৰা নাখাওঁ।

কণ্‌কণৰ শপত খাই নাখাওঁ বুলি কোৱা অসীমে ঠিক এমাহৰ পাছত আকৌ খাই ঘৰ সোমালেহি। সেই দিনা মৰমীয়ে মাত নিদিলে। ভাত পানী যতনাই দি বিছনাত পৰিল। কিন্তু অসীমে মৰমীক সেই দিনা শান্তি নিদিলে।

"ভাত বাঢ়ি দি শুবলৈ যাবা? নাখাওঁ মই ভাত। মই কুকুৰ নেকি?

শোকে খুন্দা মাৰি ধৰা মৰমীয়ে থোকাথুকি মাতেৰে প্ৰতিবাদ কৰিলে- "তুমি নাখাওঁ বুলি কণ্‌কণৰ শপত খাইছিলা। তোমাৰ অকনো দুঃখ নালাগিল নে কণমানিজনীৰ মূৰত ধৰি শপত খাই এইবোৰ খাবলৈ।"

সেইদিনা অসীমে আৰু একো নক'লে যদি সদায় ঘৰলৈ খাই অহাটো অভ্যাসত পৰিণত হ'ল। মৰমীয়ে মাক-দেউতাকৰ হতুৱাই কোৱালে। নিজেও নোখোৱা সময়ত ছেগ বুজি বুজালে, লগৰ বন্ধু-বান্ধৱৰ হতুৱাই কোৱালে। কিন্তু অসীমে সদায় ঘৰলৈ খাই আহিবলৈ ধৰিলে। মৰমীয়ে মাত্ৰ ভাবে ক'ত কেনা লাগিল? কিয় এনে হ'ল? কাক ক'ব। চকুৰ পানীৰে বাট নেদেখা মৰমীয়ে কণ্‌কণক বুকুত লৈ উচুপি উঠে।

বুকুত বজ্ৰপাত পৰাৰ দৰে আন এটা খবৰে মৰমীৰ মুখৰ মাত একেবাৰে বন্ধ কৰি দিলে। লগৰ শিক্ষয়িত্ৰী মণিমালাই এদিন স্কুলতে আছুতীয়াকৈ মাতি নি মৰমীক ক'লে "তোমাক ইচ্ছা নাথাকিলেও ক'বই লাগিব যিহেতু মই তোমাৰ হিতাকাংক্ষী।"

"কোৱা কোৱা কিয় নক'বা।" মৰমীৰ বুকুত ধান বানিবলৈ ধৰিলে। কি কথা ক'ব মণিমালাই। মৰমীৰ অনেক সুখ দুঃখৰ অংশীদাৰ মণিমালা।

"কিছুদিনৰ পৰা মই অহকানে পহকানে শুনি আছিলোঁ যদিও কথাটো গুৰুত্ব দিয়া নাছিলোঁ। কিয়নো কাম নাইকিয়া মানুহে সঁচাই মিছাই কিছুমান যা-তা কথা কৈ ফুৰে। কিন্তু কালি মই নিজ চকুৰে দেখিলোঁ-।

"কি দেখিলা? কি দেখিলা? " আশংকাত মৰমীৰ চকু চলচলীয়া হ'ল।

অলপ সময় ৰৈ মণিমালাই ক'লে - "তুমি ৰূপালীক চিনি পোৱা? সেই যে মানুহজনক এৰি আহি ল'ৰা এটিৰে সৈতে ভাৰা লৈ থাকে। চাৰি আলিৰপৰা দুটামান ঘৰ পাৰ হৈ"

"অ' পাওঁ কোৱা এওঁকে এদিন কোৱা শুনিছিলোঁ"

"হয় নেকি? তাইৰ ঘৰলৈ বোলে 'অসীম' সঘনে আহ-যাহ কৰে। কালি ওচৰৰ মানুহ এঘৰত ফুৰিবলৈ যাওঁতে মই তেওঁক সোমোৱা দেখিলোঁ। প্ৰায় এক-ডেৰ ঘণ্টাৰ পাছত ওলাই যোৱা দেখিলোঁ। তুমি অলপ কথাটো মন কৰিবা। কিয়নো 'মতা মানুহ'ৰ কথা। মই জনাত মানুহ গৰাকী ভাল নহয়। গিৰীয়েকৰ লগত তেনেকুৱা কিবা কাৰণতে কাজিয়া লাগি আঁতৰি আহিল। নিজৰ সংসাৰ ভাঙিব পৰা মানুহে আনৰ সংসাৰ ভাঙিবলৈ কি চিন্তা কৰিব।"

শিল পৰা কপৌৰ দৰে থৰ লগা মৰমীক মণিমালাই গাত ধৰি জোকাৰি দিলে- "মৰমী, মৰমী" মৰমীৰ চকুৰ পানী সৰসৰাই সৰিবলৈ ধৰিলে। দীঘল হুমুনিয়াহ কাঢ়ি আপোন মনে ক'লে "উস্ ভগৱান! মই কি পাপ কৰিছিলোঁ, মোৰ জীৱনত এনে ঘটনাও ঘটিল।" মৰমীয়ে আজিকালি কিবা দুখ পালেই ভাৱে মাক দেউতাকক নভবা নিচিন্তাকৈ কম কষ্ট দিলে নে? তাৰেই ফল তাই ভোগ কৰিছে।

ঘৰলৈ গৈ পোনছাটেই বিছনাত ওপৰলৈ মুখ কৰি শুই পৰিল। কি বুলি ক'ব অসীমক ছিঃ ইমান লাজ লগা কথা। তাই থাকোতেই সি আকৌ আন এজনীৰ দেহৰ সোৱাদ ল'বলৈ গ'ল। তাইৰপৰা সি কি পোৱা নাছিল?

"তোমাক নেদেখিলে থাকিব নোৱাৰো মৰমী



'তুমি মোৰ জান, দেহা'

'উঃ কি যে মিঠা মিঠা কথা। সঁচানে, সঁচানে এইবোৰ সঁচানে? নে চকু চৰহাৰ কথা উহঁ মণিমালাই মিছা নকয়। তাইৰ কি স্বাৰ্থ আছে, তাইৰ সংসাৰখন ভঙাৰ। কান্দি কান্দি চকু উখহাই অৱশেষত সাজু হ'ল অসীমৰ মুখামুখি হোৱাৰ। যিমানেই নিষ্ঠুৰ নহওক কিয় বাস্তৱ বাস্তৱেই। চকুৰ পানী নহয় সাহসেৰে তাই অসীমৰ মুখামুখি হ'ব, মৰমেৰে তাক বুকুৰ মাজত ধৰি ৰাখিব।

নিৰ্দিষ্ট সময়ত অসীম আহিল। অসীমৰ ভাত বাঢ়ি কাষতে বহি বহি ইটো সিটো যাচি শোৱাৰ যো-জা কৰিলে। অসীমে মৰমীক ধৰি বিছনালৈ টানি আনিব খোজোতে মৰমীয়ে লাহেকৈ অসীমক আঁতৰাই দি ক'লে- "মই তোমাক কথা এটা ক'ব খুজিছোঁ।"

"কি কথা কোৱা কোৱা" বিছনাত বাগৰি অসীমে মৰমীলৈ চাল।

"মই কথা এটা শুনিছোঁ। তুমি বোলে ৰূপালীৰ ঘৰলৈ সদায় যোৱা আৰু বহুত সময় ধৰি তাইৰ ঘৰত থাকা?"

"অ' সেই কথা। মই আজি সেই মাষ্টৰনীজনীক দেখিয়ে বুজিছিলোঁ, আজি তোৰ মাথা গৰম হ'ব। কি হ'ল, কি ক'লে?"

"পোনে পোনেই 'তই'। মৰমী হতবাক হ'ল। আঃ স্বাৰ্থত আঘাট লাগিলে মানুহৰ ইমান দ্ৰুত পৰিবৰ্তন ঘটিব পাৰে বুলি মৰমীয়ে জনা নাছিল। 'তই'ৰ পৰা গাত হাত উঠোৱালৈকে দূৰত্ব কিমান হ'ব পাৰে মৰমীয়ে নাজানে। কিন্তু কেইদিনমানৰ পাছতে তাৰ উমান তাই পালে। ৰূপালীৰ কথা ওলালেই অসীম টিঙিৰি তুলা হয় আৰু মুখৰ লেকাম নোহোৱা হয়। মৰমীয়েও লাহে লাহে সংযম হেৰুৱাবলৈ ধৰিলে। পৰিণতিত অসীমে এদিন মৰমীৰ গালত হাত দিলে। মৰমীয়ে এইয়া বৰ অস্বাভাৱিক বুলি নাভাবিলে। কাৰণ

ৰূপালীৰ লগত অসীমৰ দৈহিক সম্পৰ্কৰ কথা ভাবিলেই তাইৰ গা জিকাৰ খাই উঠে। ছিঃ ছিঃ এইজন মানুহক মৰম কৰিব পাৰিনে? একেলগে শুব পাৰিনে? তথাপি সহি থাকিব লগা হ'ল। কাৰণ অসীম কণ্কণৰ পিতৃ। কণমানিজনী পিতৃহাৰা কৰিব পাৰিনে?

সহ্যৰো এটা সীমা আছে। অসীম মানুহ হৈ থকা নাই। মৰমীৰ দেহে অসীমৰ অত্যাচাৰ সহিব নোৱাৰা হ'ল। অৱশেষত মৰমী মাক-দেউতাকৰ ওচৰলৈ কিছু দিনৰ বাবে স্কুলৰপৰা ছুটী লৈ গুছি গ'ল। পোন্ধৰ দিনৰ পাছত আহি দেখে চকী-টেবুল ভঙা, গডৰেজ আলমাৰীত দাৰ ঘাপ। কাপ্-প্লেট, গিলাছ ভাঙি শেষ কৰি থৈছে। কৈফিয়ৎ বিচাৰিলত মৰমীক অসীমে উভতি ধৰিলে- "কাক সুধি গৈছিলি? আৰু কোনোবা আছে নেকি? যা এতিয়াও গুছি যা। কাৰ ওচৰলৈ আহিছ।" তৰ্কাতৰ্কিৰ পৰিণতিত মৰমীৰ গালত অসীমৰ কাণতলীয়া চৰ আৰু মৰমীয়ে হেৰুৱালে চিৰদিনৰ বাবে এখন কাণৰ শ্ৰৱণ-শক্তি। উস্ মৰমীৰ নিজৰ ওপৰতে ধিক্কাৰ উপজিল। এইটো মানুহক পাবলৈকে তাইৰ কি হাহাকাৰ। পিতৃ-মাতৃ আত্মীয় স্বজন সকলোৰে বাদ দি গুছি আহিছিল। তাই কান্দিব নে হাঁহিব ভাবি পোৱা নাছিল।

উপায়???

বিবাহ-বিচ্ছেদৰ বাদে তাই জীয়াই থকাটোও সম্ভৱ নহয়।

ভতিজাক মুহীধৰে ক'লে "আজি দাইক লগ পাইছিলোঁ। একেবাৰে ক্ষীণাই শুকাই জকাটোহে আছে। মৰমীৰ বুকু বিষাবলৈ ধৰিলে।

"ক'ত বা আছে, ক'ত বা খাইছে, মাকজনী থকা হ'লে।"

বুকুত মাতৃ স্নেহৰ বন্যা ব'বলৈ আৰম্ভ কৰাৰ আগতেই মৰমীয়ে ভাবিলে - 'নহয়, কণ্কণৰ ভৱিষ্যতৰ বাবে তাক এই শক্তি দিব লাগিব। মাতৃ স্নেহ- কেৱল কণ্কনৰ বাবে- । কণ্কনৰ ভৱিষ্যতৰ বাবেই মৰমীৰ অন্তৰ ডাঠ কৰিব লাগিব।

মৰমীয়ে বুকুৰ বিষটো পাতলা যেন অনুভৱ কৰিলে।

প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি ক্ষমতা নাইবা আমোদ নিবিচাৰে। তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য।

- জগদীশ চন্দ্ৰ বসু।

স্বাধীন হোৱা মানেই মুক্ত হোৱা নহয়। - ৰবীন্দ্ৰ নাথ ঠাকুৰ।

যি মানুহে আনৰ দ্বাৰা শোষিত হৈ ভাল পায়, তেওঁলোকৰ বাবে কঠিন হ'ল নিজকে শাসন কৰাটো-

মেক্স লাৰ্ণাৰ।



# ভোক

ইমানী বৰুৱা
স্নাতক তৃতীয় বৰ্ষ, ইংৰাজী বিভাগ



গোটেই বিশ্বখন ঘূৰিপকি চালে হয়তো আমাৰ ভাৰতবৰ্ষতেই দৰিদ্ৰ লোকৰ সংখ্যা বেছি পোৱা যাব; আৰু সেই দৰিদ্ৰ সীমাৰেখাৰো তলত আছে টিংকুৰ পৰিয়ালটো। একমাত্ৰ বাছি থকা তাৰ ভনীয়েকজনী, মাক-দেউতাক, ককায়েক, ভায়েক সকলো খাবলৈ নাপায়েই মৰিল। অৱশেষত থাকিলগৈ টিংকু আৰু তাৰ ভনীয়েক ৰুণ্জুন। আজিও তাই মাজৰাতিখন ভোকৰ তাড়নাত চিঞৰি চিঞৰি কান্দিছে। বেছেৰী ....! ছয় বছৰীয়া ছোৱালীজনীয়ে পানী খোৱাৰ বাদে ভাত এমুঠিও খাবলৈ আজি অতদিনে পোৱা নাই। সদায় ৰাতি তাই এনেদৰেই কান্দে। কেতিয়াবা ককায়েক টিংকুৱে সিজোৱা কচু আৰু ঢেঁকীয়া খোৱায়।

যোৱা কিছুদিনৰপৰা টিংকুয়ে ড্ৰাইভিং শিকি আছে। খুব কম সময়ৰ ভিতৰতেই সি ড্ৰাইভিং শিকিও ল'লে। দুই এজনৰ গাড়ীৰ ভাড়াও মাৰিছে। কিন্তু ভাড়া মাৰি পোৱা টকাকেইটা গোটে পাটে সি মালিকক দিয়ে। মাহেকৰ মূৰত দৰ্মহাকেইটা পায় যদিও নাটেগৈ। অৰ্থাৎ সি মাহেকৰ মূৰত যিমান দৰ্মহা পাব লাগে; মালিকে সিমান টকা নিদিয়ে। আজিও সি একেদৰেই সোণাৰামৰ দোকানৰ সন্মুখত ৰৈ থাকোঁতেই নবীনে আহি জনালে তাক যে বিপিন মাষ্টৰে লৰালৰিকৈ মাতি পঠাইছে। টিংকুৱে বিপিন মাষ্টৰক খুব শ্ৰদ্ধা কৰে। টিংকুৱে প্ৰায় সপ্তম মানলৈকে পঢ়িছিল। বিপিন মাষ্টৰৰ ক্লাছ কৰি সি খুব ভাল পাইছিল। তেওঁৰ মুখৰপৰা স্পষ্টকৈ ওলাই অহা শুৱলা বাক্যকেইটা আজিও টিংকুৰ মনত আছে। সেয়ে বিপিন মাষ্টৰে টিংকুক মাতিলেই সি মৰি পৰি হ'লেও তেওঁৰ কাষ চাপেগৈ।

খকাখুণ্ডাকৈ টিংকু বিপিন মাষ্টৰৰ ঘৰ ওলালগৈ। সেইসময়ত তেওঁ কাৰোবাৰ পিঠিত এচাৰিৰ সৌকাৰ কোব পেলাই আছিল। সেই কোব এনেয়ে নহয়, কোনোবাই নিশ্চয় পঢ়াৰ মহলা দিব পৰা নাই। গাঁওখনৰ বহুকেইটা ল'ৰা-ছোৱালীয়ে তেওঁৰ ওচৰত গৈ পঢ়েগৈ। টিংকুক দেখি তেওঁ বাহিৰলৈ ওলাই আহিল আৰু কালিলৈ যাবলগীয়া মিটিংখনৰ কথা কৈ টিংকুক গাড়ীখন চলাই নিবলৈ ক'লে। টিংকুৰ শেঁতা ভোকাতুৰ মুখখনত হাঁহি এটা সামান্যকৈ বিৰিঙিল।

পিছদিনা পুৱা হ'বলৈ অলপ সময় থাকোঁতেই ৰুণজুনে ভোকত সাৰ পাই আকৌ কান্দিবলৈ ধৰিলে। ককায়েকে তাইক শান্ত্বনা দিলে যে আজি সি যেনে-তেনে তাইলৈ খাবলৈ কিবা অলপ যোগাৰ কৰিব। ক্ষন্তেক পাছতে সূৰ্যৰ হালধীয়া ৰশ্মি বেৰৰ ফুটাৰেদি আহি দুয়ো ককায়েক-ভনীয়েকৰ কপালত পৰিল। টিংকু শুই উঠি লাহেকৈ খিৰিকিখন খুলি দিয়াত এজাক চেঁচা মৃদুপ বতাহ আহি কোঠাটোত সোমালহি। চৰাইৰ কল্‌কলনিৰ শব্দত পুৱাৰ কেঁচা ৰ'দ আৰু সেউজ সুমধুৰ পৰিৱেশটো আজি টিংকুৰ কাৰণে আনদিনাতকৈ অলপ বেলেগ যেন লাগিল। তাৰ মনটো ফৰকাল যেন লাগিল। ৰুণজুনেও চকুপানী মচি খিৰিকীৰ ওচৰত থিয় হৈ বাহিৰৰ সুন্দৰ, কুঁৱলিৰ আৱৰণে ঢাকি ৰখা ধৰিত্ৰীখনলৈ চাই মিচিক্‌কৈ হাঁহি এটা মাৰিলে। অলপ পাছত টিংকুৱে জুহালৰ তলত জুই দি কেট্‌লিটোত পানী অলপ দি, চাহপাত ঢালি ফিকা চাহ একাপ কৰি দুয়োটাই খালে। টিংকুৱে ততাতৈয়াকৈ গা-পা ধুই তুলসী গছৰ গুৰিত পানী ঢালি প্ৰণাম কৰি বিপিন মাষ্টৰৰ ঘৰলৈ শুদা পেটেৰেই ওলাই গ'ল।

বিপিন মাষ্টৰেও চহৰলৈ যাবলৈ যো-জা কৰি আছিল। কাৰণ গাঁওৰপৰা চহৰলৈ বহু দূৰ বাট, প্ৰায় ৪ ঘণ্টা সময়। বিপিন মাষ্টৰৰ বাইদেৱে টিংকুক ৰুটি দুখন বন্ধাকবি ভাজিৰ সৈতে দিলে। তাৰে এখন ৰুটি সি ৰুণজুনলৈ বুলি পকেটত সোমোৱাই থ'লে। মনতে সি ভাবিলে চহৰৰপৰা সি তাইলৈ কিবা কিবি খোৱা বস্তু অনাৰ লগতে ৰুটিখনো দিব পাৰিব...।।

খলা-বমা শিলগুটিয়া ৰাস্তাৰে বিপিন মাষ্টৰৰ গাড়ী আগবাঢ়ি গ'ল। এটা সময়ত দুয়ো গৈ মিটিং হোৱাৰ থলী পালেগৈ। কেইজনমান আদহীয়া ব্যক্তিয়ে বিপিন মাষ্টৰক খুব আদৰ-সাদৰ কৰি সম্ভাষণ জনালে। কাৰণ তেওঁ সেইখন মিটিংৰ মুখ্য অতিথি আছিল। টিংকুৱেও গাড়ীখন গছ এজোপাৰ ছাঁত থ'লে। বহুদূৰ বাট গাড়ী চলাই আহি টিংকুৰ ভাগৰো লাগিছিল আৰু ভোকো লাগিছিল। সি মিটিংৰ কথা শুনি গল.....।।

এটা সময়ত বিপিন মাষ্টৰেও ভাষণ দিলে। টিংকুৱে কাণ থিয় কৰি শুনি আছিল। তেওঁ শিশু শ্ৰমিকৰ ওপৰতে ভাষণ দি আছিল। টিংকুৱে ভাষণটো শুনি আছিল একান্তমনে আৰু বিপিন মাষ্টৰৰ প্ৰতি তাৰ শ্ৰদ্ধা দুগুণ বাঢ়ি গৈ আছিল। কাৰণ তেওঁ দৰিদ্ৰ শিশু শ্ৰমিকৰ ওপৰত সুন্দৰ বক্তব্য দাঙি ধৰিছিল। কিন্তু ভোকৰ তাড়নাত তাৰ পেটে কল-কলাবলৈ আৰম্ভ কৰিলে। এবাৰ পকেটত হাতখন ভৰাই ৰুটিখনো উলিয়াই লৈছিল যদিও ৰুণজুনৰ কথা ভাবি ৰুটিখন সোমোৱাই থ'লে।

ইতিমধ্যে মিটিংও শেষ হ'ল। সকলোৱে ভাত-মাছ-মাংস খুৱালে। টিংকুৱেও বৰ আগ্ৰহেৰে বাট চাই আছিল বিপিন মাষ্টৰে নিশ্চয় তাক ভাত খাবলৈ মাতিব। সি দুৰৰপৰাই মানুহৰ আদৰ-কায়দা চাই থাকিল। মাছ-মাংসৰ গোন্ধত তাৰ আৰু বেছি ভোক লাগিল। বিপিন মাষ্টৰেও ভাত খাই অহা সি দেখিলে। মনে মনে ভাবিলে কোনেও নহ'লেও মাষ্টৰে নিশ্চয় তাক ভাত খাবলৈ মাতিব। কিন্তু ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি। তেনে নহ'ল।

সন্ধিয়া পৰত দুয়ো ঘৰ পালেহি। মাষ্টৰে টিংকুলৈ দুশ টকা এটা উলিয়াই দিলে। কিন্তু টিংকুৱে সেই টকা গ্ৰহণ নকৰি মাথোঁ ক'লে ৰাতিপুৱাৰে পৰা সন্ধিয়ালৈকে বাইদেৱে দিয়া ৰুটি-ভাজিৰ বাদে পেটত একো এটা নোসোমাল। এতিয়া এই টকাৰে সি কি কৰিব.....!!

টিংকু আন্ধাৰৰ মাজত বিলীন হৈ গ'ল.....!!





# অস্তাচলত উদিত সূৰ্য



জুৰিমণি গগৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

পাহাৰৰ উচ্চ শিখৰৰ পৰা জুলীয়ে এৰি অহা চিনাকি গাৱঁখনলৈ চাই পঠিয়ালে। দিগন্তৰ অপময়মান ৰেখাত লাহে লাহে বিলীন হৈ গৈছে সীমান্তৰ গাঁৱখন। সযতনে গঢ়ি তোলা তামোল নাৰিকলৰ বাৰীবোৰ আৰু অযত্নপালিত হৈ গৈছিল।

বেলি লহিয়াবলৈ আৰু বেছি পৰ নাই শৰতৰ নিৰ্মল আকাশত অ'ত ত'ত দুই এচপৰা বৰফ হেন ডাৱৰ।

মন্ত্ৰ মুগ্ধ হৈ প্ৰকৃতিৰ সৃষ্টি চাই ভাগৰ পাহৰি যোৱা জুলীয়ে দৃষ্টি আঁতৰাই আনি সতীৰ্থ দলটোলৈ চালে।

এক নিষ্পাপ সপোনৰ বাস্তৱতাক বিচাৰি জীৱন যৌৱন সংগ্ৰামৰ সৈতে একাকাৰ কৰা দুঃসাহসী তৰুণ-তৰুণীৰ এটা দল বাৰিষাৰ গাভৰু নদী, উচ্চ গিৰীকল্প একাকাৰ কৰি আগবঢ়া এটা নতুন যুগৰ প্ৰতিনিধি।

পাহাৰৰ প্ৰকাণ্ড প্ৰকাণ্ড শিলবোৰ গহীন গম্ভীৰ হৈ ৰহি আছে যেন শতাব্দী যোৱা তপস্যাৰ অন্তই পৰা নাই।

পাহাৰৰ মাজত এডাল অন্তহীন একাবেঁকা ৰচি পেলাই যোৱাৰ দৰে লুংলুঙীয়া ঠেক বাট। এই লুংলুঙীয়া বাট এটা ওপৰলৈ উঠিছে খুব কম দূৰত সমতল আকৌ কেতিয়াবা থিয় গৰা মানুহৰ জীৱনৰ উত্থান পতনৰ দৰেই এই পাহাৰীয়া ৰাস্তাবোৰ।

হাবি ভাঙি বাট উলিয়াই নিছে, বস্তিৰ মানুহ এজনে।

পাহাৰৰ লুংলুঙীয়া ৰাস্তাও এতিয়া নিৰাপদ নহয়। শত্ৰু সেনাই সংগোপনে খাপ দিব পাৰে।

জুলীহঁতৰ এই গ্ৰুপটোত এইবাৰ নতুন ল'ৰা কেইজনমান আছে। মানস নামৰ সুস্থ-পুষ্ট লোদোৰ-পোদোৰ ল'ৰাটো লেবেজান হৈ পৰিছে; পাহাৰৰ বাবে এই স্বাস্থ্য নহয়। জুলীয়ে মনতে ভাবিলে। ইতিমধ্যে জুলীয়ে বিপ্লৱী জীৱনৰ বিপদ-সংকুলতা, বিপদ-বিঘিনি, কষ্ট দুখ দুৰ্দশা আদিৰ সৈতে ভালদৰে চিনাকি হৈছে। তাইৰ বাবে এই যাত্ৰা ইমান কষ্টকৰ নহ'লেও নতুন সতীৰ্থ কেইজন লেবেজান হৈ পৰিছে। প্ৰথমবাৰ পাহাৰ বগাঁওতে তাইৰো তেনে হৈছিল।

পানী পোৱা যাবনে বাৰু? কোনোবা এজনৰ প্ৰশ্নটো শুনি তাই চাৰিওফালে চাবলৈ ধৰিলে। সিহঁতে পানী নেপালে বাবে কলগছৰ সাঁহটোকে চোৱাই পানীৰ অভাৱ পূৰণ কৰে। "ওচৰতে কৰ'বাত পোৱা যাব নিশ্চয়।" তাই লাহেকৈ ক'লে।

বুলবুল আৰু বিজয় নামৰ পুৰণা সদস্য দুজনে ক'ৰবাত কলগছ বা পানীৰ সন্ধানত আগবাঢ়ি গৈছে। বাকীকেইজনে এজোপা ডাঙৰ গছৰ তলত চাউনি পাতিবলৈ ঠাইখিনি চাফা কৰিছে।

জুলীয়ে কিবা খাদ্য উপযোগী ফলৰ গছ পাই নেকি চাবলৈ ধৰিলে। ইমান থিয় পাহাৰটোত জুলীয়ে একো নেদেখিলে। হঠাৎ তাইৰ মনটো আনন্দত নাচি উঠিল কিয়নো, দুই এঠাইত থকা সৰু সৰু টিলাবোৰ কাটি থোৱা আছে। তাই ভাবিলে ওচৰতে ক'ৰবাত আদিবাসী মানুহ আছে নিশ্চয়। তেনেহ'লে খাদ্যপানী পোৱা যাব! নতুন ল'ৰা ছোৱালী কেইটাক খাবলৈ দিব পাৰিলেই হ'ব। সিহঁতে খোৱা বোৱাত নিজকে মিলাব পৰা নাই। সেইবাবে সিহঁত দুৰ্বল হৈও পৰিছে।

কিন্তু কাটি থোৱা টিলাবোৰত খেতি কৰা হোৱা নাই কিয়। প্ৰশ্নটো তাইৰ মনত উদয় হ'ল। তাই এইবাৰ ভালদৰে চাৰিওফালে চাই গম পালে যে ইয়াত বহুতদিন বৰষুণ দিয়া নাই। গছ-পাতবোৰ শুকান হৈ গৈছে। এজাক বৰষুণ অহা হ'লে! তাই আকাশলৈ চালে। আকাশখন অলপ ডাৱৰীয়া যেন লাগিল। বৰষুণ হ'বও পাৰে; তাই ভাবিলে।

এটা কেম্প সম্পূৰ্ণ হোৱাৰ পাছত ল'ৰাকেইজনে আৰু এটা কেম্প সাজিছে। সেইটোত তাই আৰু তাইৰ লগৰ ছোৱালী থাকিব।

হঠাতে বিজুলি ঢেৰেকণীৰে বতৰটো গোমা হৈ আহিল। এটোপ-দুটোপকৈ বৰষুণৰ টোপালবোৰ পৰিবলৈ ধৰিলে। ল'ৰাকেইটাই কেম্পটো সোনকালে বনাই শেষ কৰিবলৈ দৌৰাদৌৰি কৰিলে। ছোৱালী কেইজনীও ৰেচন পাতি আৰু সিহঁতে পিঠিত কঢ়িয়াই অনা বেগবোৰ কেম্পত সোমোৱালেগৈ। লাহে লাহে বৰষুণজাক ডাঙৰকৈ আহিছে। জুলীয়ে এজোপা গছৰ তলত বহিছে। বৰষুণৰ অভাৱত শুকাই যোৱা ধুলিবোৰ বৰষুণ পৰাৰ লগে লগে ওপৰলৈ উঠি গৈছে। বৰষুণ পাই গছ-বন, লতা-পাত, ফল-ফুলবোৰ যেন আনন্দত নাচি উঠিছে।

- বাইদেউ এই বৰষুণজাক বহুদিনৰ মূৰত আহিছে নহয়নে? বুলিয়ে জুলীৰ ওচৰলৈ আহি ক'লে। .... ওঁ.... বৰষুণজাক বহুদিনৰ মূৰতে আহিছে।'

- আমি থিয় গৰাটো পাৰ হোৱা সময়ত যদি এই বৰষুণজাক আহিলেহেঁতেন? বুলিৰ মাতটো অকণমান কঁপি উঠা যেন লাগিল জুলীৰ। মাতটো অকণমান টান কৰিয়ে জুলীয়ে ক'লে- 'বুলি', 'হেঁতেন', 'যদি', এই শব্দবোৰ মুখত কাহানিও নানিবা। তুমি কৈছা থিয় গৰাইদি আহি থাকোতে বৰষুণ দিয়া হ'লে কি কৰিলাহেঁতেন। আমি তাৰ মাজেদি আগবাঢ়িব লাগিব। পাৰ্থক্য মাথো ইমানেই। বৰষুণ দিয়া হ'লে বৰষুণৰ পানীৰে পিছল কৰা বাবে আমি বেছি কষ্ট কৰি ধীৰে ধীৰে আগবাঢ়িব লাগিলহেঁতেন। অকণমান বৈ মাতটো কিছু কোমল কৰিয়ে জুলীয়ে ক'লে- আচলতে কি জানা মৃত্যুৰ স'তে পলে পলে খেলা কৰিয়েই আমি আগবাঢ়িছো। তথাপিও যে আমি জনগণৰ বাবে কাম কৰিছো। এখন নতুন সমাজ এটা নতুন ব্যৱস্থা গঢ়ি তোলাৰ বাবেই বিপদসংকুল পথ বাচি লৈছো এইটোৱেই আমাৰ প্ৰেৰণা। এনেকুৱা থিয় পথ আৰু বহুত পাম, ইয়াতকৈ থিয় গৰাও আমি পাৰ হ'ব লাগিব সেই বুলি ভয় কৰিলেই নহ'ব। আমি ইয়াৰ পিছত হয়তো গেজেপনি মৰা হাবিয়েই পাম। য'ত সূৰ্যৰ পোহৰো নপৰে। গৈ থাকোতে হয়তো গছৰ ওপৰৰ পৰা লেপালেপে জোকো আহি গাত পৰিব পাৰে। তেতিয়া তোমাৰ থিয় গৰাইদি খোজ কাঢ়িবলৈকে ভাল যেন লাগিব।

বুলিৰ মুখখন শেঁতা পৰি গ'ল। জুলীয়ে এইবাৰ সাহ দিবলৈ ক'লে- এইবোৰ কথা এনেদৰে জানিলে আগৰে পৰা সাৱধান হ'ব লাগে।

- বাৰু তুমি এতিয়া যোৱা মই অকণমান অকলশৰে বহিব বিচাৰো- বুলি কেম্পলৈ উভটি গ'ল। বৰষুণজাক আহিয়েই আছে পাহাৰৰ টিলাবোৰেদি, পানীবোৰ ক্ৰমে বাগৰি তললৈ গৈছে। তাই থিয় হৈ থকা কোমল পাহাৰীয়া মাটিবোৰ বৰষুণত বোকা হৈ পৰিছে। তাই অলপমান বোকা মাটি হাতত তুলি ল'লে। তাই হাতৰ মাটিখিনিলৈ চাই থাকিল; এনেকুৱা বোকা মাটিতে সিহঁতে ভূঁই ৰোৱে। তাইৰ হঠাতে ঘৰলৈ মনত পৰিল।

বতৰৰ এই প্ৰথমজাক বৰষুণ যদি সিহঁতৰ তাতো পৰিছে তেন্তে গাঁৱৰ মানুহৰ মাজতো উথপ-থপ লাগিছে। তাইৰ গাঁৱ খেতিৰ সময়ৰ কথাই মনত এক বুজাব নোৱাৰা



আনন্দৰ ঢল বাগৰিল। কিন্তু হঠাতে জুলীৰ মনটো সেমেকি গ'ল। তাইৰ ঘৰত বিধৱা ৰোগীয়া মাক, বিধৱা বৌৱেকে বাৰু কেনেকৈ খেতিৰ কাম চম্ভালিছে, হালোৱা বোৱনী বিচাৰিছে, আৰু কণমানি ভতিজাক জোন বাৰু এতিয়া কিমান ডাঙৰ হ'ল, স্কুল যাব পৰা হৈছে চাগৈ? তাইতো আঠ বছৰমান ঘৰলৈ যোৱাই নাই। এবাৰ গৈয়ো আধাৰ পৰাই উভটি আহিছিল। জুলীয়ে অকণমান সময় বৈ যায়। কাৰ ওপৰত ক্ষোভ কৰি তাই আধা বাটৰ পৰা উভটি আহিছিল। গাঁৱৰ মানুহৰ ওপৰত নে সামাজিক নীতি নিয়মৰ ওপৰত? কেৱল তাইৰ ইমুৰৰ পৰা সিমুৰলৈ ঘূৰি ফুৰোতে বিভিন্ন মানুহ বিভিন্ন পৰিৱেশৰ মুখামুখি হৈছে। 'হয় গাভৰু ছোৱালীকেইজনীনো কিহৰ জহত দিনে ৰাতিয়ে ঘূৰি ফুৰিছে, সহজ-সৰল মানুহৰ স্বাভাৱিকতে এইবিলাক প্ৰশ্নই আহে।' কিন্তু ইয়াৰ বাবে মানুহখিনি দায়ী নহয়। প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম মানেইতো ঠেক চিন্তাৰ বিকৃত মূল্যবোধৰ বিৰুদ্ধেও সংগ্ৰাম।

জুলী ঘৰৰ পৰা ওলাই অহাৰ কথাবোৰ মনত পৰিবলৈ ধৰিলে। তাইৰ ঘৰত ককায়েক এজন, বায়েক এজনী আৰু মাক-দেউতাক। বায়েক বহুত আগতেই বিয়া হৈ গ'ল। তাইৰ মেট্ৰিক পাছ কৰাৰ আগতেই দেউতাক ঢুকাল। ককায়েকে দেউতাকৰ বাবটো লৈয়ে খেতিত ধৰিলে। এদিন ককায়েক ৰাজীৱে কৈৱৰ্ত গাঁৱৰ ভাল পাই থকা ছোৱালী ঘৰ সোমোৱালেহি।

গাঁৱত মেল বহিলে। 'কৈৱৰ্ত গাঁৱৰ ছোৱালী আহোমৰ ঘৰত সোমোৱাইছে'- গাঁৱৰ ৰাইজৰ বাবে বৰ ডাঙৰ অপৰাধ। দণ্ডটো ভৰিবই লাগিব। লগতে ভোজভাত খুৱাব লাগিব। পৰাচিত হ'ব লাগিব। এশ এটকা দণ্ডও দিব লাগিব। নহ'লে ৰাইজে সিহঁতৰ লগ নলয়। ৰাজীৱে ধোঁৱা-কোঁৱা দেখিলে। ইমানবোৰ টকা ক'ৰ পৰা পাব। সি ৰাইজক কাবৌ কাকুতি কৰিলে। জুলী বৈ থাকিব নোৱাৰিলে। 'বাদ দে ককাইদেউ আমি অকলে থাকিম।' - তাই ককায়েকৰ হাতত ধৰি মেলৰ বাহিৰ কৰি লৈ গ'ল। তাই সমাজত কেতিয়াও ডাঙৰকৈ কথা কোৱা নাছিল। অথচ তাই জানে এই বিস্ফোৰণ এই বিদ্ৰোহৰ পৰিণতি কি হ'ব।

- তই আকৌ বাঘৰ আগতেল খোৱাজনী কেতিয়াৰ পৰা হ'লি। মতাৰ মেলত তহঁতৰ মাত নাই। কামেশ্বৰ মহাজনৰ সোহাঁতে থকা বীৰেন্দ্ৰ দদাইটিৰ কথা শুনি তাইৰ খং দুগুণে বাঢ়িল। ক'ত লিখা আছে মোক দেখুৱাই দেচোন। নিয়ম তহঁতেহে বনাইছা। ভগবানে বনোৱা নাই নহয়। জাতি-ভেদ তহঁতিহে কৰিছ ভগবানে কৰিবলৈ কোৱা নাই নহয়। ক'তো লিখা নাই ছোৱালীয়ে ইটো কৰিব, সিটো কৰিব নাপায় বুলি।" তই পঢ়িলি বুলি তোৰ পিতাৰ বয়সৰ আমাকো নমনা হলিনে।' বীৰেন্দ্ৰ দাইটিয়ে যেন তুঁহ জুইত ঘীউহে ঢালি দিলে। লাহে লাহে বীৰেণৰ কথাত সমৰ্থন কৰি পাছত তাইক সকলোৱে চিঞৰি চিঞৰি তিৰস্কাৰ কৰিলে।

গাঁৱৰ ৰচকী পদুমীয়েতো তাইক ঘৰলৈ আহি কিবা-কিবি শুনাই গ'ল। - 'তোক কিহে পাইছিল মতা মানুহৰ মেললৈ যাবলৈ। তই হবলা মেলত থকা ডেকাইঁতক গা দেখুৱাবলৈ গৈছিলি?'

জুলীয়ে একো উত্তৰ নিদিলে, তাই মনে মনে শুনিয়ে থাকিল। কিমান উত্তৰ দিব! তাই নিজেও উত্তৰ বিচাৰি ফুৰিছে। এই অন্যায় এই মূল্যবোধৰ শেষ ক'ত।

অ' সৌজনী জুলী নেকি? কাৰোবাৰ মাতত তাই উভতি চালে। ৰ'দত ঘামি জামি হাতত কিতাপ কেইখনমান লৈ আহোতে তাই এইবিলাককে ভাবি আহিছিল। কেতিয়ানো পৰিৱৰ্তন হ'ব বাৰু এই ব্যৱস্থাৰ। মানুহে কেতিয়া বহলকৈ চিন্তা কৰিবলৈ শিকিব বাৰু। হঠাতে পিছফালৰ পৰা মাতষাৰ শুনি আচৰিত হ'ল কিয়নো গাঁৱত তাইক কোনেও নামাতে। দ্বিতীয়তে এই মাতষাৰ দিছে গাঁৱৰ ককায়েক তথা ৰাজীৱৰ বন্ধু অমলে।

'অ' অমল ককাইদেউ দেখোন' - তাইৰ চকু মুখত আশ্চৰ্যকৰ ভাব ওলাই পৰিছিল। 'আচৰিত হৈছা নহয়'- অমলে হাঁহি সুধিলে। আচৰিত নহৈ পাৰিনে ককাইদেউ। 'তইতো বহুদিন হ'ল কৰৱালৈ গুচি যোৱা। আজি হঠাতে ক'ৰ পৰা ওলালহি? সকলোৱে ভাবিছিল তই হেনো সন্যাসী হলিগৈ।'

'সন্যাসী .. ওঁ ... এক প্ৰকাৰে সন্যাসীয়ে দে'- স্বগতোক্তি কৰিলে। অমলে ক'লে- কিনো অকাই পকাই ক'ৰ? ককাইদেউ ভালকৈ বুজাই ক'চোন। বনত গৈ ভগবানৰ তপ জপ কৰাকে জানো সন্যাসী কয়? এক প্ৰকাৰে সন্যাসী বিলোকো স্বাৰ্থপৰ। সিহঁতে নিজৰ বাবে প্ৰাৰ্থনা কৰে। মই যে কৈছো আমি যে একপ্ৰকাৰৰ সন্যাসীয়েই। কিয় জানা? আমি মানৱতাৰ বাবে কষ্ট কৰো। সেয়ে কৈছো প্ৰকৃত সন্যাসী আমিহে। লোভ-মোহ ত্যাগ কৰি নিজৰ ক্ষন্তেকীয়া জীৱনটো দুদিনীয়া সুখৰ টৌত উটাই নিদি আমি জনগণৰ বাবে কাম কৰিছো।' তহঁত ল'ৰাবোৰে হ'ব পাৰ নেকি তেনে সন্যাসী? - তাইৰ সৰলতাৰে ভৰা প্ৰশ্ন শুনি অমলে মিচিকিয়ালে- 'তেন্তে সন্যাসী জনগণৰ মাজত থাকে? জনগণৰ মাজত কাম কৰি লক্ষ্যত উপনীত হব পৰাতহে প্ৰকৃত আনন্দ আছে।

জুলীয়ে উত্তেজনাত হয়তো সামান্য কঁপিছিল। এদিন তাইৰ ককায়েক নাইকিয়া হৈ গৈছিল। সেইদিনা ৰাতি শুই থকাৰ

পৰাই কোনোবাই তাক ধৰি নিয়াৰ পাছত সি আৰু উভটি নাহিল। কেইদিনমানৰ পাছত এদিন পুলিচে খবৰ দিলে -'সি মৰিল'।

ইয়াৰ পিছৰে পৰা এক প্ৰচণ্ড ধুমুহা। কোনো কোনোৱে কৈছিল - 'তাইক ধৰি বান্ধি কাটি দোচেও কৰি নদীত উটুৱাই দিব লাগে। থুই কটা! নিজৰ ককায়েকৰ মূৰ খালে, বৌয়েককো বিধবা কৰিহে এৰিলে? মোৰ হ'ব লাগিছিল এনে ছোৱালী জন্মতে ডিঙি চেপি মাৰি পেলালোহেঁতেন। এদিন বিধৱা বৌৱেকক তাই সুধিয়ে পেলাল। বৌৱে ভাৱে নে যে ককাইদেউৰ মৃত্যুৰ বাবে তাইয়েই দায়ী? বৌৱে হুকহুকাই কান্দি পেলালে। জুলীয়ে জানে বৌৱেকে তাইক ভুল নুবুজে। কিন্তু মানুহৰ এই অজ্ঞানতাৰ শেষ ক'ত...।

এদিন সিদ্ধান্ত লোৱাৰ সময় আহিল তাই যুঁজিব। তাই এদিন বিপ্লৱী সংগঠনত যোগ দিবৰ বাবে ঘৰৰ পৰা ওলাই আহিছিল। তেতিয়া মাকে তাইক নুশুনা হোৱাকৈ চিঞৰি চিঞৰি কৈ আছিল- যা যা গা ঘেলাবলৈ পৌৰেহঁত বৈ আছে নহয়। মই মৰিলেও এইমুৱা নহবি। জুলীয়ে এই বিলাক কাৰণত দুখ নকৰে। তাই জানে তাই হয়তো এদিন বিজয়ৰ পতাকা লৈ তাই ঘৰলৈ উভতি যাব। এখন নতুন সমাজ হ'ব কপট ঠেক চিন্তাৰ ঠাই নাথাকিব। মানুহে মানুহক বুজিব। এই আশাৰে তাই আজি ঘূৰি ফুৰিছে।- বাইদেউ, ছাৰে কেম্পত সকলোকে গোট খাবলৈ কৈছিল। গুৰুত্বপূৰ্ণ আলোচনা কৰিবলৈ আছে। বুলিৰ মাতত জুলী উচপ খাই উঠিলে। কি ভাবি আছিলেনো মই ইমানকৈ মাতি আছো। অ' কি কৈছিলা ছাৰে মাতিছে। তুমি যোৱা চোন, মই গৈ আছো। বৰষুণ কেতিয়া এৰিলে ক'বকে নোৱাৰো। সময়বোৰ যেন কেনেকৈ গ'ল গমকে নাপালোঁ। কি ভাবি আছিলো বাৰু?

তাই আকাশলৈ চাই দেখিলে ৰামধেনু ওলাইছে। বুলি কেম্পৰ ভিতৰলৈ গ'ল। জুলীয়ে দীঘলকৈ উশাহ লৈ সন্মুখলৈ চালে বৰ উজ্জ্বলকৈ ৰামধেনু ওলাইছে। তাই বহুদিন এইবোৰ চাবলৈ পাহৰিয়ে গৈছিল। লাহে লাহে তাই পশ্চিমৰ আকাশলৈ চালে। সূৰ্যটো অস্ত যাবলৈ ধৰিছে। আৰু গোটেই আকাশখন যেন ৰঙা হৈ গৈছে। তাইৰ হৃদয়ত দোলা দি যোৱা এষাৰ কথাই হৃদয়খন ৰামধেনুৰ দৰেই উজ্জ্বল কৰি তুলিলে।

'অস্তগামী দিগন্ত চাই হতাশ নহবা। তাতো এটা নিৰ্মম সত্য লুকাই আছে। সেই সত্যই হ'ব অহাকালিৰ ৰাতিপুৱা আৰু দিগন্ত সুৰুয।'

জুলীয়ে লাহে লাহে কেম্পৰ ফালে খোজ ল'লে।







# ৰেগিং

দুলুমণি বড়া
সোণাৰি মহাবিদ্যালয়

**চকুকেইটা** মেলিয়েই তাই দেখা পাইছিল ওচৰত বৈ আছে এজন ডাক্তৰ, দুগৰাকী নাৰ্চ আৰু টেবুলত কিছুমান দৰৱ-পাতি। তাই এখন বিচনাত শুই আছে। চকু মেলা দেখি ডাক্তৰে তাইক মিচিকিয়াই সুধিছিল, ভাল পাইছা? তাইৰ কি হৈছে কব নোৱাৰে। সেয়েহে তাই ডাক্তৰক আচৰিত হৈ সুধিছিল তাইৰ কি হৈছে। চমুকৈ ডাক্তৰে একো হোৱা নাই, ভাল হৈ যাব, তুমি জিৰণি লোৱা বুলি কৈ কোঠাটোৰ পৰা ওলাই গৈছিল। নাম তাইৰ জ্যোতিমণি দুৱৰা। এটি দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। দুবছৰ আগতে দেউতাক কলেৰাত ভোগী মৃত্যু হয়। মাক আৰু এটি ভায়েকৰ সৈতে ঘৰখনৰ মাত্ৰ তিনিটা প্ৰাণী। বৃদ্ধা মাকে লোকৰ ঘৰত ৰোৱা, তোলা, ধান দোৱা, ধান মৰা আদি কৰিয়েই ঘৰখন চলাই নিছে। ভায়েকে এইবাৰ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিছে। ইফালে তায়ো দ্বিতীয় বিভাগত প্ৰাক্ স্নাতক পাছ কৰি স্নাতক প্ৰথম বাৰ্ষিকত নাম-ভৰ্ত্তি কৰিছে। প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিও ভায়েকক তাই ক'লা শাখাত পঢ়িবলৈ কৈছে। জ্যোতিমণিয়ে ভায়েকৰ গাত ডাঙৰ মানুহ হোৱা লক্ষণ যেন দেখা পাইছে। তাইৰো আশা এম. এ. পাছ কৰি ওচৰতে এখন কলেজ প্ৰতিষ্ঠা কৰিব। কিয়নো ওচৰত কলেজ নোহোৱা বাবে তাই ত্ৰিশ কিলোমিটাৰ দূৰৰ কলেজলৈ বাছেৰে অতি কষ্টেৰে অহা-যোৱা কৰিব লগা হৈছে। টকাৰ অভাৱতে মেছ কৰিব পৰা নাই। তাতে ভায়েককো দিব লগাত পৰিছে। অভাৱৰ সৈতে যুঁজ কৰি মাকে আৰু কিমান দিব? অভাৱৰ পৰা কিছু সকাহ পাবলৈ কেইজনমান ল'ৰা-ছোৱালীক গধুলি টিউচন কৰে। আৰু সেই টিউচন কৰি পোৱাৰ টকাৰেই পঢ়িবলৈ দৃঢ়তাৰে জ্যোতিমণিয়ে আগবাঢ়ি গৈছে। নহ'লে কেতিয়াবা চাহ খাবলৈতো বাদেই বাছৰ ভাড়া দিবলৈও হাতত পইচা নাথাকে। সেয়েহে কেতিয়াবা কলেজলৈ যাব নোৱাৰে। জ্যোতিমণিয়ে দৃঢ় প্ৰতিজ্ঞা কৰিছে যে এদিন সমাজত নিজকে মানুহ ৰূপে থিয় কৰাব। আৰু অভাৱগ্ৰস্ত ঘৰখনক অভাৱৰ পৰা মুক্ত কৰাব। কিন্তু এনে অলীক সপোন এদিন নাইকিয়া হৈ গৈছিল।

সেইদিনা আছিল সোমবাৰ, ঠাণ্ডা ভাত কেইটামান খায়েই পুৱা সাত বজাত জ্যোতিমণিয়ে কলেজলৈ বুলি ওলাই গৈছিল। জ্যোতিমণিহঁতৰ অহা-যোৱা কৰা মাত্ৰ এখনেই বাচ। তিনি কিলোমিটাৰ দূৰত সাত বাজি পঞ্চলিছ মিনিটত বাছ গৈ ধৰিব লাগে। কেতিয়াবা যদি বাছৰ কিবা যান্ত্ৰিক বিজুতি হয় বা সময়মতে গৈ বাছ ধৰিব নোৱাৰে তেন্তে সেই মানুহখিনিৰ সেইদিনা

ক'ৰবালৈ যোৱা আৰু নহয়। চৰকাৰেও সেই মানুহ খিনিক মাহী আইৰ চকুৰে চোৱা যেন লাগে। চৰকাৰৰ নূন্যতম সা-সুবিধাখিনিৰ পৰাও বঞ্চিত। কিমান বাৰ যে স্থানীয় ৰাইজে সভা আহব্বান কৰি কিমানকেইজন মন্ত্ৰী, এম. এল এ ক অভিযোগৰ বিষয়ে অৱগত কৰালে তাৰ হিচাপ নাই। মন্ত্ৰী এম. এল. এ. সকলে সভাত ডাঙৰ ডাঙৰ বক্তৃতা দি সকলো সুবিধা হব বুলি কোৱাৰ বাহিৰে আন একোৱেই দিয়া নাই।

ঠিক সাত বাজি পঞ্চলিছ মিনিটত তাই বাছত উঠিছিল আৰু ন বজাৰ আগেয়ে তায়ো কলেজ পাইছিল। জ্যোতিমণিয়ে 'শিক্ষা' বিষয়টো সন্মানীয় বিষয় হিচাপে লৈছে। সেয়ে ন বজাৰ আগেয়ে তায়ো কলেজ আৰম্ভ হয়। তাই সম্পূৰ্ণ ক্লাছ কৰিব নোৱাৰে, কাৰণ দুই বজাৰ আগেয়ে বাছ এৰে।

তেতিয়াও কলেজত 'নৱাগত আদৰণি সভা' পতা নাই। কলেজত ৰেগিং নামৰ চিনাকি পৰ্ব চলি আছে। নতুন ছাত্ৰ-ছাত্ৰীক পুৰণা ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন প্ৰশ্ন সুধি নানা হাৰা শাস্তি কৰিছে। সেইদিনা জ্যোতিকো দুজনমান ছাত্ৰই এটি নিজান ৰুমলৈ মাতি লৈ গ'ল। অশেষ অশ্লীল প্ৰশ্ন অৱতাৰণা কৰি তাইক বিপদত পেলাইছিল। ইফালে তাইৰ ঘৰলৈ আহিবৰ বাবে বাছৰ সময় হৈ আহিছিল। বাছৰ সময় হোৱা বুলি কোৱা সত্বেও তাইক এৰি দিয়া নহৈছিল। বহু সময়ৰ মূৰত তাইক এৰি দিছিল। কিন্তু বাছখন সেই সময়ত হয়তো আধা বাট অতিক্ৰম কৰিছিল। তাই মহা বিমোৰত পৰিল। ক'তো এখনো গাড়ী তাই দেখা নাপালে। অৱশেষত এখন ট্ৰাক পাইছিল। ট্ৰাকৰ পৰা নামোতে সন্ধ্যা লাগিছিল। ট্ৰাকৰ পৰা নামি তিনি কিলোমিটাৰ দুৰ নিজান ৰাস্তায়েদি তাই ঘৰলৈ বুলি আগবাঢ়িল। তাইৰ যথেষ্ট ভয় লাগিছিল। চুলিৰ আগত জীউ বান্ধি নিজান পথেৰে খৰকৈ খোজ পেলাইছিল।

হঠাৎ ফুটুকানি হাবি ডোখৰত এটা নৰপশুৱে গবা মাৰি ধৰিছিল। আৰু এক ঘণ্টাৰ মুৰত তাইক এৰি দিছিল। নৰপশুটোৰ হাতৰ পৰা মুক্ত হোৱাৰ পাছত জ্যোতিমণিয়ে দৌৰিছিল ঘৰৰ ফালে। ঘৰ পাইয়েই মা বুলি চিঞৰি বিচনাত অজ্ঞান হৈ পৰি গ'ল। তাৰ পিছত কি হ'ল তাই একো নাজানে। মাকে জ্যোতিৰ কি হ'ল একো ধৰিব নোৱাৰি ওচৰ চুবুৰীয়াক মাতিলে। গাঁৱৰ কেইজনমানে তাইক মেডিকেলত ভৰ্তি কৰিলে।

বহুত বেলিৰ মুৰত চকু মেলি ডাক্তৰ আৰু নাৰ্চক সোধা সত্বেও একো নোকোৱা বাবে তাই মনত পেলাবলৈ চেষ্টা কৰিলে। লাহে লাহে জ্যোতিৰ সকলো কথাই এটা এটাকৈ মনত পৰি গ'ল। খং আৰু বেজাৰত গোটেই গা-ঘামেৰে তিতিছিল। খং উঠিছিল কলেজৰ ছাত্ৰ কেইজনৰ ওপৰত। সিদিনা ইমান দেৰিলৈকে ছাত্ৰকেইজনে ৰখাই নোথোৱা হ'লে কেতিয়াও এনে হ'বলৈ নাপালেহেঁতেন। একোজন কলেজীয়া শিক্ষা গ্ৰহণ কৰি থকা শিক্ষিত ডেকাৰ এনে কু-চৰিত্ৰৰ যোগেদি জানো এখন সুস্থ সমাজৰ আশা কৰিব পাৰি? জীৱনটোৰ কথা ভাবি জ্যোতি জিকাৰ খাই উঠিছিল। জীৱনৰ সকলো সম্পদ হেৰুৱাই ভৱিষ্যৎ অন্ধকাৰ দেখি তাই পুনৰ অজ্ঞান হৈ বিচনাত পৰি গ'ল।

## Some largest, longer, highest and smallest of India :

1. Which is the longer River Bridge of India ?
Ans : Mahatma Gandhi Setu, Patna.
2. Which is the largest Museum of India ?
Ans : National Museum, Kolkata.
3. Which is the longest Railway Platform of India ?
Ans : Kharagpur ( W. Bengal )
4. Which is the highest Tower of India ?
Ans : Pitampura Tower , Delhi.
5. Which is the largest River Island of India ?
Ans : Majuli (Brahamaputra, Assam).
6. Which is the largest Zoo of India ?
Ans : Zoological Garden, Alipur, Kolkata.
7. Which is the largest Masque of India ?
Ans : Jama Masjid, Delhi.
8. Which is the longest river of India ?
Ans : Ganges.
9. Which is the highest award is rewarded in India till now ?
Ans : Bharat Ratna.
10. Which is the largest forest state of India ?
Ans : Madhya Pradesh ( M.P.)

– Mujahed Ahmed



# নতুন জীৱন

অভিজিৎ ফুকন
বুৰঞ্জী বিভাগ




*সুৰাত মগন ভয়াল ৰাতি*
*মৌন কোলাহল*
*মই যেন এক ৰ'দৰ বিলাপ*
*শব্দৰ সমদল।*

ৰেডিঅ'ত জয়ন্ত হাজৰিকাৰ এটি সুমধুৰ গীত শুনি ঘৰৰ আগফালৰ বাৰাণ্ডাখনত চকীত বহি আছিল কনক চন্দ্ৰ বৰুৱা। কনক চন্দ্ৰ বৰুৱা এজন প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক। আজি ৰাতিপুৱাৰে পৰা নেৰানেপেৰা বৰষুণ দি আছে। দুদিন মানৰ আগৰে পৰা বৰুৱাক কিছুমান দুঃচিন্তাই আগুৰি ধৰিছে। তেওঁৰ দুই পুত্ৰ হ'ল এই দুঃচিন্তাৰ কাৰণ।
ঃ চাহ বাকিছোঁ খাব নেকি? হঠাৎ ঘৈণীয়েকৰ মাতত কনক চন্দ্ৰ বৰুৱাৰ সম্বিৎ ঘূৰি আহিল।
ঃ আনা বৰুৱাই ঘৈণীয়েকৰ ফালে চাই ক'লে।
ঃ এয়া লওক। ঘৈণীয়েকে বৰুৱালৈ কাপটো আগবঢ়াই দিলে।

হঠাৎ গেট খোলাৰ শব্দ শুনি বৰুৱাই মূৰ তুলি চাই দেখিলে তেওঁ পুত্ৰ বিনয়ে দ্ৰুত পদক্ষেপেৰে কৰবালৈ ওলাই গৈছে। এই সময়তনো কলৈ যাব খুজিছে? তাকে পিছফালৰ পৰা চিঞৰি সুধিব বিচাৰিছিল যদিও তেওঁ ৰৈ গ'ল। তেওঁ ভালদৰেই জানে যে বিনয়ক সুধিলেও একো লাভ নহ'ব। বিনয় ওলাই যোৱাৰ সময় নাই, ঘৰলৈ উভতি অহাৰো সময় নাই। তিনিবাৰকৈ মেট্ৰিক পৰীক্ষা দিও সি পাছ কৰিব পৰা নাই।

বহুত আশা কৰিছিল তেওঁ দুই পুত্ৰ বিশাল আৰু বিনয়ৰ ওপৰত। তেওঁলোকক আদৰ্শবান, সৎ পুৰুষ হিচাপে গঢ়ি তুলিবলৈ। তেওঁ শিক্ষকতাৰ জীৱনত বহুতকে মানুহ কৰি গঢ়ি

তুলিছে কিন্তু তেওঁৰ দুই পুত্ৰক কৰিব নোৱাৰিলে। তেওঁ ডাঙৰ পুত্ৰ বিশালে ঘৈণীয়েকৰ সৈতে তেজপুৰত থাকে। ঘৈণীয়েকৰ এখন বিউটী পাৰ্লাৰ আছে আৰু বিশালে দালালগিৰি কৰি দুপইচা অৰ্জন কৰে। এই দালালগিৰি কৰি মানুহক ঠগ-প্ৰৱঞ্চনা কৰাৰ বাবেই তেওঁ বিশালক ঘৰৰপৰা বাহিৰ কৰি দিছিল। বিনয়ে দশম শ্ৰেণীত ভৰি দিয়েই মদ, চিগাৰেট সেৱন কৰিছিল। ইয়াৰ পিছৰে পৰা বিনয়ে পঢ়া শুনাত মন নিদিয়া হ'ল, ৰাতি বহু দেৰিকৈ ঘৰত সোমায়, লগৰ বোৰৰ লগত তিনিআলি, চাৰিআলিত আড্ডা মৰা, ছোৱালী জোকোৱা, কাজিয়া লগা কামত লিপ্ত হৈছিল।

ঃ বিনয় বাৰু এই অসময়ত কলৈ ওলাই গৈছে, তুমি কব পাৰা নেকি? ওচৰতে থকা ঘৈণীয়েক লতামণিক বৰুৱাই সুধিলে।

ঃ অ' তাক বিধায়ক শইকীয়াই মাতিছিল। সি তালৈকে গৈছে।

ঃ তাক শইকীয়াই মাতিছিল। কিয়? তাৰ নিচিনা মুৰ্খ এটাক শইকীয়াক কিয় লাগে? বৰুৱাই বিৰক্তিৰে সুধিলে।

ঃ বিনয়কটো একো বেয়া কামত মতা নাই। শইকীয়াক হেনো ইলেকচনত সহায় কৰি দিব লাগে।

ঃ আজি কালি ৰাজনীতিবিদবোৰক তাৰ নিচিনা মুৰ্খ বোৰকহে প্ৰয়োজন হয়।

ঃ নিজৰ ল'ৰাক এনেকৈ কয় নে? পঢ়া শুনাৰ ক্ষেত্ৰতহে সি অলপ বেয়া।

ঃ মনে মনে থাকা, কনক চন্দ্ৰই লতামণিক ধমক দি উঠিল। তুমি মৰম কৰি কৰি তাক ধ্বংস কৰিলা। সি দিনে-ৰাতিয়ে ক'ত কি কৰি ফুৰে তুমি দেখা নাই। নিজৰ ল'ৰা ছোৱালীৰ প্ৰতিনো কাৰ মৰম নাই। সেই বুলিয়েই মৰম চেনেহত অন্ধ হোৱা উচিত নহয়। কালি ক'লা সি বাইক এখন কিনিব বিচাৰিছে তাৰ বাবে মই তাক ২০ হাজাৰ টকা দিব লাগে আৰু ২০ হাজাৰ তাৰ হাতত আছে। এইযে ২০ হাজাৰ টকা সি পালে ক'ত, তাক বাইক লাগে কিয়? নে লগৰবোৰৰ লগত আলিয়ে গলিয়ে ঘূৰি ফুৰিবলৈ। মোৰ সকলো মান-সন্মান শেষ কৰিলে। সি যে মোৰ সন্তান তাক ক'বলৈ মোৰ লাজ লাগে।

বৰুৱাৰ কথাত ঘৈণীয়েক লতামণিৰ খং উঠিছিল যদিও প্ৰকাশ নকৰি আঁতৰি গ'ল।

বৰষুণজাক কমিছে যদিও আকাশ-মেঘাচ্ছন্ন। কোন সময়ত আকৌ বৰষুণ আহে ঠিক নাই।

ঃ এই ৰাহুল, নাজিৰাৰপৰা আহোঁ ব'ল। বেছি দেৰি নকৰোঁ, যাম আৰু আহিম। বিনয়ে ৰাহুলক ক'লে।

ঃ নাজিৰা? তাৰ মানে প্ৰিয়াক্ষীৰ ঘৰলৈ?

ঃ অ' প্ৰিয়াক্ষীৰ ঘৰলৈ।

ঃ মই নোৱাৰোঁ দেই।

ঃ কিয়?- বিনয়ে ৰাহুলক সুধিলে।

ঃ কিয় মানে আজি মনীষাৰ লগত চিনেমা চাবলৈ যোৱাৰ কথা আছিল। তইতো জানই সোমবাৰে সোমবাৰে সদায় চিনেমা চাবলৈ নিব লাগে। অলপ পিছতেই তাই ফোন কৰিব আৰু মই গৈ আনিব লাগিব, থৈয়ো আহিব লাগিব।

ঃ তই কিন্তু ভাল ডিউটি কৰি আছ। বিনয়ে হাঁহি এটা মাৰি ৰাহুলক ক'লে।

এনেতে সিহঁত দুটাৰ সন্মুখেৰে এজনী গাভৰু ছোৱালী খুব দ্ৰুত পদক্ষেপেৰে পাৰ হৈ গ'ল। ছোৱালীজনীক দেখি ৰাহুল থমকি ৰ'ল আৰু একে দৃষ্টিৰে ছোৱালীজনীৰ ফালে চাই ৰ'ল।

ঃ অই বদমাছ কি চাইছ, পছন্দ হৈছে নেকি? - বিনয়ে ৰাহুলক সুধিলে।

ঃ আৰে পছন্দ হ'লেওটো উপায় নাই। তাইক বহু দিনৰপৰাই চাই আছোঁ। আজি কিন্তু তাইক বিৰাট ধুনীয়া লাগিছে।

ঃ অই তোৰ আৰু কাম নাই। এনে থাৰ্ড ক্লাছ ছোৱালীৰ ওপৰত চকু দিছ। তাইৰ নাম মিনি। দুবেলা-দুমুঠি আহাৰৰ বাবে আনৰ ঘৰত কাম কৰে।

ঃ তাই যতেই যি নকৰক কিয় তাই কিন্তু খুব ধুনীয়া। সেই সময়তে ৰাহুলৰ ফোনটো বাজি উঠিল।

ঃ মনীষাৰ ফোন - এই বুলি ৰাহুলে ফোনটো জেপৰপৰা ৰিচিভ কৰিলে মনীষা কোৱা, কেতিয়া যাব লাগিব।

ঃ তুমি আজি আহিব নালাগে। আজি নাযাওঁ। আজি মাহীৰ ল'ৰাটোৰ বাৰ্থডে আছে মই তালৈ যাবলৈ ওলাইছোঁ। তুমি মোক তাৰ পৰা ৭ মান বজাত লৈ আহিবা। এইবুলি কৈ মনীষাই কানেকচন কাটি দিলে।

ঃ এই ছোৱালীবিলাকে আমাক সিহঁতৰ বডি গাৰ্ডৰ দৰে ব্যৱহাৰ কৰে। কলেজলৈ নিয়া, বিউটি পাৰ্লাৰলৈ নিয়া, বান্ধৱীৰ ঘৰলৈ নিয়া- ৰাহুলে বিৰক্তি প্ৰকাশ কৰি ক'লে।

ঃ তোৰ কামটো নহলেই যেতিয়া মোৰটোকে কৰি দে। বিনয়ে ৰাহুলক ক'লে।

ঃ তই মোক নেৰিবি যেনহে পাইছোঁ, ব'ল ব'ল। ৰাহুলে বিনয়ক ক'লে।

ৰাহুলে বাইকখন ষ্টাৰ্ট কৰি বিনয়ক পিছত বহিবলৈ ক'লে।

ঃ অই অই প্ৰিয়াক্ষীৰ ঘৰ কোনফালে নেজান নেকি? সেইফালে কলৈ যাৱ? বিনয়ে ৰাহুলক কলে।

ঃ ৰ' ৰ' সেই মিনিক এবাৰ চাই আহোঁ।

ঃ ঐ তই তেনে এজনী ছোৱালীক কিয় জোকাব বিচাৰিছ?

ঃ ধুৎ তই মনে মনে বহি আহ।

মিনিৰ ওচৰ পাই ৰাহুলে বাইকৰ গতি বেগ কমাই দিলে।



ৰাহুলে মিনিলৈ চাই সুধিলে- কি খবৰ মিনি, ডিউটি ক'ত কৰিছা?

ৰাহুলৰ কথাত মিনিৰ খং উঠিল খঙতে তাই ৰাহুলক বকিবলৈ ধৰিলে।

ঃ ঐ তই যে ইমান বেয়াকৈ কৈছ, তোক মই কিবা বেয়াকৈ কৈছোঁ নেকি।

ঃ ৰাহুল তই কিয় এনে এজনী ছোৱালী জোকাই লৈছ। তই তোৰ মান-সন্মান নষ্ট কৰিব বিচাৰিছ নেকি? - বিনয়ে ৰাহুলক খঙেৰে ক'লে। ৰাহুলে বিনয়ৰ কথাত গুৰুত্বই নিদি মিনিক ক'লে-

ঃ আজি কিন্তু তোমাক বিৰাট ধুনীয়া লাগিছে।

ঃ ঐ তহঁতে মোক কি বুলি ভাৱিছ। তহঁতৰ দৰে মোক অসভ্য পাইছ নেকি? বাটে ঘাটে ছোৱালীৰ কোনোবা দিন চৰ খাই মৰিবি। ইয়াৰপৰা গুচি গ'লে যা, নহ'লে মই চিঞৰি দিম বুলি মিনিয়ে চিঞৰিবলৈ ধৰিলে।

ঃ আও এইজনীৰ কথা শুনিছ? কথা একেবাৰে A.K. 47 ৰ দৰে ওলাইছে। আমাক এনেকুৱা ব্যৱহাৰ কৰা চাই লম তোমাক। এই বুলি কৈয়ে ৰাহুলে বাইকখন ঘুৰাই সেই ঠাইৰপৰা দুয়ো আঁতৰি আহিল।

মিনিয়ে চিঞৰি থকা শুনি ওচৰৰ মানুহবোৰে আহি কি হ'ল বুলি তাইক ঘেৰি ধৰিলে।

সেই সময়তে প্ৰিয়াক্ষী আৰু তাইৰ মাক জুৰি চাফাৰিত কলেজৰপৰা আহি আছিল আৰু মানুহৰ জুম দেখি গাড়ীখন ৰখালে।

ঃ কি হ'ল তোমাৰ? ইমানকৈ কাক গালি পাৰিছা? প্ৰিয়াক্ষীৰ মাক জুৰিয়ে মিনিক সুধিলে।

ঃ কোন হ'ব আৰু সেই বদমাইছ কুকুৰ দুটাই মোক জোকাইছিল।

ঃ তুমি সিহঁত দুটাক চিনি পোৱা নেকি? মিনিক জুৰিয়ে সুধিলে।

ঃ অ' পাওঁ, এটা কনক মাষ্টৰৰ ল'ৰা আৰু বিধায়ক শইকীয়াৰ পুতেক।

অ' সিহঁত দুটা। বুলি কৈ সিহঁতো তাৰ পৰা আঁতৰি আহিল।

বাটত মাকে প্ৰিয়াক্ষীক ক'লে - শুনিলা নহয় তোমাৰ প্ৰেমিকে কেনেদৰে বাটে-ঘাটে ছোৱালী জোকাই ফুৰে। মই তোমাক আগৰে পৰা কৈ আছিলোঁ তুমিহে বিনয় তেনেকুৱা ল'ৰা নহয় বুলি কৈ আছিলা। এতিয়া শুনিলাতো।

মাকৰ কথাত প্ৰিয়াক্ষীয়ে মনে মনে থাকিল। তাই বিনয়ৰ কথাকে ভাবি গৈ থাকিল। ভাল ঘৰৰ ল'ৰা বিনয়ো ভাল ল'ৰাই হ'ব।

ঃ প্ৰিয়াক্ষী তুমি বিনয়লৈ ফোন কৰা আৰু মই তাক আমাৰ ঘৰলৈ মাতিছোঁ বুলি কবা। - মাকৰ কথাতহে সম্বিৎ ঘূৰি আহিল।

ঃ মাকৰ কথামতে প্ৰিয়াক্ষীয়ে বিনয়লৈ বুলি ফোন কৰিলে।

ঃ হেল্ল' বিনয় তুমি ক'ত আছা- প্ৰিয়াক্ষীয়ে বিনয়ক সুধিলে।

ঃ মই আৰু ৰাহুলে তোমালোকৰ ঘৰলৈ আহিছিলোঁ কিন্তু গেট বন্ধ থকাৰ বাবে এতিয়া ঘৰলৈ যাবলৈ ওলাইছোঁ।

ঃ তুমি ঘৰলৈ যাব নালাগে তাতে ৰোৱা তোমাৰ লগত অলপ কথা আছে। এই বুলি কৈ প্ৰিয়াক্ষীয়ে কানেকচন কাটি দিলে।

ঃ মা বিনয় আমাৰ ঘৰৰ ওচৰতে আছে তাক তাতে ৰৈ থাকিবলৈ কলোঁ।- প্ৰিয়াক্ষীয়ে মাকক ক'লে।

ঃ ভালেই কৰিলা। লগত ৰাহুলো আছে হবলা।

ঃ আছে - প্ৰিয়াক্ষীয়ে ক'লে।

প্ৰিয়াক্ষী স্নাতক প্ৰথমবৰ্ষৰ ছাত্ৰী। তাই শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী। তাইৰ মাক জুৰি সেইখন মহাবিদ্যালয়ৰ অধ্যাপিকা। তাইৰ দেউতাক নাই। দেউতাক এটা বিমান দুৰ্ঘটনাত নিহত হৈছিল।

অলপ সময়ৰ পাছতে প্ৰিয়াক্ষীহঁতে ঘৰ পালেগৈ। বিনয় আৰু ৰাহুলে গেটৰ সন্মুখতে ৰৈ আছিল। গেটৰ সন্মুখতে প্ৰিয়াক্ষী নামিল। মাকে গাড়ীখন লৈ ভিতৰলৈ গ'ল।

বিনয় মই গৈ থাকোঁ। প্ৰয়োজন হ'লে মোক মাতিবা মই আহি তোমাক লৈ যাম। ৰাহুলে বিনয়ক ক'লে।

ঃ হব কম বাৰু। ৰাহুলে বাইকখন লৈ গুচি গ'ল, প্ৰিয়াক্ষী আৰু বিনয় দুয়ো ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

ঃ তুমি বহা মই ভিতৰৰ পৰা আহোঁ। - প্ৰিয়াক্ষীয়ে বিনয়ক ক'লে।

পাঁচ মিনিট মান পিছতে মাক-জীয়েক ভিতৰৰপৰা ওলাই আহিল।

ঃ তোমাক দুটামান কথা কম বুলিহে মাতিছোঁ। তুমি কিন্তু বেয়া নাপাবা। প্ৰিয়াক্ষীৰ মাকে বিনয়ক ক'লে।

ঃ নাই খুড়ী বেয়া নাপাওঁ। বিনয়ে কলে।

ঃ তুমি বাৰু এই বেয়া কামবোৰৰ পৰা আঁতৰি থাকিব নোৱাৰানে?

ঃ মানে খুড়ী মই ঠিক কথাবোৰ বুজি পোৱা নাই- বিনয়ে একো নজনাৰ ভাও জুৰি ক'লে।

ঃ তুমি নেভাবিবা যে মই তোমাৰ বিষয়ে একো নেজানো। তুমি ক'ত কি কৰি ফুৰা মই জানো।

ঃ আজি কিয় সেই ছোৱালীজনীক বাটত জোকাইছিলা।

ঃ মানে খুড়ী মই ......

ঃ মনে মনে থাকা। প্ৰিয়াক্ষীৰ মাকে বিনয়ক ধমক দি ক'লে তুমি তোমাৰ দেউতাৰাৰ মান-সন্মান নষ্ট কৰিছা। তোমাৰ দেউতাৰাক মই শ্ৰদ্ধা কৰোঁ। চাৰৰ দৰে সৎ, গুণী, আদৰ্শবান ব্যক্তি এই অঞ্চলত নাই। তুমিও তোমাৰদেউতাৰাৰ দৰে সৎ, আদৰ্শবান হোৱা হ'লে মই এইবোৰ কথা কবই

নালাগিলহেতেঁন। তুমি তোমাৰ ঘৰখনৰ মান-সন্মানৰ কথা চিন্তা কৰিব লাগিব। মোৰো মান-সন্মানৰ কথা আছে। মইতো এজন অসৎ, বদমাছ ল'ৰাৰ লগত মোৰ ছোৱালীয়ে সম্বন্ধ কৰাতো নিবিছাৰোঁ। আচল কথা হৈছে মানুহৰ চৰিত্ৰ আচাৰ-ব্যৱহাৰ। এই কথাবোৰ তুমি সদায় মনত ৰাখিবা। এনে কোনো কাম নকৰিবা যাৰ ফলত তোমাৰ লগতে তোমাৰ ঘৰখনৰ মান-সন্মান হেৰুৱাব লগা হয়। এতিয়াও বহু সময় আছে তুমি এইবোৰৰপৰা আঁতৰি আহা, লগৰ বদমাছ ল'ৰাৰ সংগ এৰি দিয়া আৰু এটা নতুন জীৱন গঢ়ি তোলা। মই মোৰ ছোৱালীক এজন সৎ, আদৰ্শবান ব্যক্তিৰ ওচৰত গতাব বিচাৰোঁ। সকলো মাক-বাপেকে নিজৰ সন্তানৰ ভাল সৎ কথা চিন্তা কৰে। ময়ো তোমাক নিজৰ ল'ৰাৰ দৰেই এই কথা ক'লোঁ। আশা কৰোঁ তুমি এই কথা বোৰ গভীৰভাৱে চিন্তা কৰি এইবোৰৰ পৰা আঁতৰি আহিবা। এতিয়া বহু দেৰি হ'ল তুমি ঘৰলৈ যোৱা। এই বুলি কৈয়ে প্ৰিয়াক্ষীৰ মাকে উঠি ভিতৰলৈ গ'ল।

ঃ বিনয় তোমাক মই বহুত ভালপাওঁ। মইয়ো বিচাৰোঁ তুমি এজন সৎ, আদৰ্শবান ব্যক্তি হোৱাতো। তুমি যদি এইবোৰৰপৰা আঁতৰি নাহা তেতিয়াহ'লে তুমি মোক হেৰুৱাব লাগিব। তুমি এইবোৰৰপৰা আঁতৰি আহা।

- প্ৰিয়াক্ষীয়ে বিনয়ক ক'লে।

ঃ হ'ব মই চেষ্টা কৰি চাম।

ঃ চেষ্টা নহয় তুমি এইবোৰৰ পৰা আঁতৰি আহিবই লাগিব।

ঃ হ'ব এতিয়া মই গৈ থাকোঁ, বুলি কৈয়ে বিনয়ে বহাৰপৰা উঠিল।

বিনয়ে প্ৰিয়াক্ষীৰ মাকে কোৱা কথাবোৰকে ভাবি ভাবি আহি তিনিআলিৰ চাহৰ দোকানখনত চাহ খাবৰ বাবে সোমাল।

বিনয়ে ঘৰত সোমাওঁতে সন্ধিয়া ৭ বাজিল।

পুতেক অহাৰ গম পাই মাকে তাৰ ৰুমলৈ গ'ল।

ঃ আহিয়ে বিচনাত পৰিলি যে। গা বেয়া নেকি? - মাকে বিনয়ক সুধিলে।

ঃ নহয় মোৰ একো হোৱা নাই। তুমি এতিয়া ইয়াৰ পৰা যোৱা মোৰ খুব ভাগৰ লাগিছে।

মাক লতামণিয়ে তাৰ ৰুমৰপৰা ওলাই আহিল।

বিনয়ে প্ৰিয়াক্ষীৰ মাকে কোৱা কথাবোৰ আকৌ ভাবিবলৈ ধৰিলে।

সঁচাই তাইৰ মাকে একো বেয়া কথা কোৱা নাই। মই কেতিয়াও এইবোৰৰ কথা চিন্তা কৰা নাছিলোঁ। আজি মই উপলব্ধি কৰিছোঁ। মা-দেউতাই মোক লৈ বহুত আশা কৰিছিল। মই তেওঁলোকৰ সকলো আশা শেষ কৰিলোঁ। মই আৰু কেতিয়াও তেনে কাম নকৰোঁ। ৰাহুলহতঁৰ সংগ এৰি দিম। প্ৰিয়াক্ষীক মই কেতিয়াও হেৰুৱাব নোখোজোঁ। তাই আৰু মোৰ ঘৰখনৰ বাবেই এইবোৰৰপৰা আঁতৰি আহিব লাগিব। এনেদৰে ভাবি ভাবিয়েই বিনয়ে টোপনি গ'ল।

ৰাতিপুৱা খুব সোনকালেই বিনয়ে সাৰ পালে। বিচনাৰপৰা উঠিয়েই মুখ ধুবলৈ বাথৰুমলৈ গ'ল। মুখ ধুই আহি সি তাৰ সিদ্ধান্তটো জনাবলৈ বুলি প্ৰিয়াক্ষীৰ নম্বৰটো ডায়েল কৰিলে।

ঃ গুড মৰ্ণিং প্ৰিয়াক্ষী। বিনয়ে ক'লে-

ঃ গুড মৰ্ণিং। আনটো মূৰৰপৰা প্ৰিয়াক্ষীয়ে ক'লে।

ঃ আজি ইমান সোনকালে উঠিলা যে। আকৌ প্ৰিয়ক্ষীয়ে ক'লে।

ঃ অ' আজিৰপৰা তুমি বিচৰাৰ বিনয়ক পাবা। আজিৰপৰা মই এটা নতুন জীৱন আৰম্ভ কৰিম। এই জীৱনত বিনয়ক পাবা তুমি, এজন সৎ, আদৰ্শবান হিচাপে। মই এই সকলো বিলাক আজিৰ পৰা ত্যাগ কৰিছো। বিনয়ে ক'লে।

ঃ সঁচা, তুমি সঁচাই কৈছাতো? মই আজি তোমাৰ ঘৰলৈ গৈ আছোঁ মই তোমাৰ সিদ্ধান্তৰ কথাটো মাক কওঁ গৈ এতিয়া ৰাখা বুলি কৈ প্ৰিয়াক্ষীয়ে ফোনৰ কানেকচন কাটি দিলে।



He who excuses himself , accuses himself.

When you have nothing to say, say nothing ,

Do not say a little in money words, but a great deal in a few.

An intelligent man never Snubs anybody.

A reconciled friend is a double enemy.

Speech is great , but silence is greater.

—— **Carlyle.**



# জীৱন বিষাদময় যদিও মোহনীয়

লক্ষীৰেখা দত্ত
অৰ্থনীতি বিভাগ



পৃথিৱীলৈ জন্ম হৈ আহিলে মানুহে সুখ-দুখ, আশা-হতাশা, যাতনা ইত্যাদি লগত লৈ আহিবই। এই সকলোবোৰ মানুহৰ জীৱনত চকৰীৰ দৰে ঘুৰি থাকে. এই চকৰীত মানুহ ঘুৰিবই লাগিব আৰু এদিন এই চকৰী স্তব্ধ হ'বই। এইটো প্ৰকৃতিৰ নিয়ম। এই নিয়মক আমি দলিয়াই পেলাব নোৱাৰো। দলিয়াব বিচাৰিলেও কিছুমান মোহে আমাক বাধা দিয়ে।

এনেদৰে শিল্পীয়ে কথাবোৰ গুণাগথা কৰি থাকোতেই কেতিয়ানো চকীত বহাভাগেই টোপনি গ'ল গমকে নাপালে। স্কুলৰ পৰা আহি ৰোহিতে 'মা' বুলি মাতি জোকাৰি দিয়াতহে সাৰ পাই চেতনা পাইছে।

অ' তই আহিলি? যা হাত মুখ ধুই ল'।

মই ভাত বাঢ়ি দিওঁ। দুয়ো একেলগে ভাত খাবলৈ বহিলে।

তোৰ আজি কি হৈছিল অ', বিচনা নাইকিয়াৰ দৰে প্লাষ্টিকৰ চকীখনতে শুই পৰিলি যে। তোৰ আৰু ইমান টোপনি ধৰিলে নে, এই দিন দোপৰতে।- ৰোহিতে ভাত খোৱাৰ মাজতে কথাবোৰ কৈ গ'ল।

তই কিজানি নাজান, মাকে ভাতৰ পাতৰ পৰা উঠি ক'বলৈ ধৰিলে-

আজিৰ এই তাৰিখতে তোৰ দেউতা আৰু মোৰ বিয়া হৈছিল। এই বিয়াত মই সন্মতি দিছিলো যদিও, মোৰ বৰ দোধোৰ-মোধোৰ অৱস্থা হৈছিল অ'।

কিয় জান?

বিয়াৰ আগতে তোৰ দেউতাৰক মই মাত্ৰ দুবাৰহে লগ পাইছিলো। মা-দেউতাৰ পচন্দত মই সম্পূৰ্ণ সন্মতি দিছিলো। তেওঁলোকেও কিমান পূজা-উপাসনা কৰি বিয়াৰ ন' বছৰৰ মূৰত মোক সন্তান হিচাপে পাইছিল। মই তেওঁলোকৰ প্ৰত্যেকটো কথাতেই হয়ভৰ দিছিলো। সেয়ে কিজানি তোৰ দেউতাৰা নিছিনা এজন মৰমীয়াল, সৎলোক মই জীৱন সঙ্গী ৰূপে পাইছিলো। কিন্তু

নিয়তিৰ যে কি নিয়ম, জীৱনৰ আধাবাটতে তেওঁক আমাৰ পৰা কাঢ়ি লৈ গ'ল। আমাক নিথৰুৱা কৰি গ'ল। ৰোহিতে কথাটো পাতলাবলৈকে মাকক ফুচুৰি সুৰত ক'লে-

- হ'ব দে, হ'ব দে, মই আছো নহয়, তোৰ সুপুত্ৰ। মাকে তাৰ মুখলৈকে চাই সৰ্বসুখ পাহৰি নিজৰ কামত লাগিল।

ৰোহিত এইবাৰ দশম শ্ৰেণীৰ ছাত্ৰ। সি পঢ়া-শুনাত ভাল, যথেষ্ট ভাল। এইবাৰ সি আৰু বেছিকৈ পঢ়া-শুনাত মন দিছে। মাকৰ চৰকাৰী সুলভ মূল্যৰ দোকানখনো তেনেকৈ চলোৱা নাই। সি ভালদৰে পঢ়া-শুনা কৰি এটা ভাল চাকৰি কৰি মাকক সুখত ৰাখিব বিচাৰে। সি দিনে-ৰাতিয়ে নিতৌ পঢ়া-শুনাত মন দিছে। মাকেও তাৰ অশেষ যতন লৈছে। ৰোহিতৰ দেউতাকেও তাক লৈ যথেষ্ট সপোন দেখিছিল। কিন্তু কি হ'ব। তাৰ স্কুলৰ ইউনিফৰ্মতো দেখা নোপোৱাকৈ এই সংসাৰ ত্যাগ কৰিলে। মাক শিল্পীয়ে একমাত্ৰ পুত্ৰৰ কাৰণেই এই মায়াৰ সংসাৰত কঠোৰ সংঘাত কৰি জীৱন অতিবাহিত কৰিব ধৰিলে।

আত্মজনৰ প্ৰতি থকা এই মোহেই মানুহক প্ৰকৃত জীৱনৰ পৰিচয় শিকায়। শিল্পীয়ে একমাত্ৰ পুত্ৰ ৰোহিতৰ জীৱন গঢ়িবৰ কাৰণেই এই সংসাৰত নানা ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি এই স্থানত ভৰি দিছেহি।

এনেদৰেই দিনবোৰ পাৰ হৈ গৈ থাকিল। ৰোহিতে মেট্ৰিক পৰীক্ষা দিলে। কেৱল পৰীক্ষাৰ ৰিজাল্ট ওলাবলৈ বাকী। মাকে ৰিজাল্ট নিদিয়াৰ আগতেই পুতেকক কলেজত পঢ়োৱাৰ কথা কল্পনা কৰিলে-ৰোহিত কলেজত পঢ়িব, ভাল মানুহ হৈ ঘৰলৈ ঘূৰি আহিব, চাকৰি কৰিব......

আজি সোমবাৰ, মেট্ৰিকৰ ৰিজাল্ট ওলাব। ৰোহিতে কি কৰিছে, কি কৰিব লাগে তাৰ কোনো হিচাব নাই।

মা, অ' মা ভাত দেছোন, অ' নালাগে ৰ' মই গাকে ধুৱা নাই। এই বুলি সি বাহিৰৰ পৰাই চিঞৰিছে।

সি এঘাৰ বজালৈ অপেক্ষা কৰিছে। এঘাৰ বাজিল সি নিজৰ চাইকেল লৈ মাকক সেৱা এটা কৰি স্কুললৈ বুলি ৰওনা হ'ল।

স্কুলৰ গেটৰ ভিতৰত সোমাব নৌ পাওঁতেই তাৰ বন্ধু প্ৰিতিছ, ৰাতুল- হঁতে তাক দাঙি ধৰি একে উশাহতে কৈ গ'ল-

'অই তই আমাৰ স্কুললৈ গৌৰৱ কঢ়িয়াই আনিলি, তই অসমৰ ভিতৰতে 'দ্বাদশ' স্থান অধিকাৰ কৰিছ।'

সিহঁত আটাইবোৰৰে কথা শুনি ৰোহিতৰ দেহলৈ আনন্দৰ জোৱাৰ নামিল। তাৰ ভৰি পাতালতে পৰিছে নে, আকাশতে পৰিছে সি গমকে নোপোৱা হ'ল। সি তৎক্ষণাত বৰ্ডত ৰিজাল্ট চাই প্ৰধান শিক্ষকৰ ৰুমলৈ বুলি খোজ ল'লে। সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে তাক গামোচা, ফুলেৰে আদৰণি জনাই তাৰ গালে-মুখে চুমাৰে উপচাই পেলালে।

ৰোহিতে এই খবৰ মাকক দিবলৈ উদ্যত হৈ পৰিল আৰু সি বেগেৰে চাইকেল চলাই ঘৰৰ অভিমুখে ৰাওনা হ'ল। তাতো যে কিমান বাধা, ৰাস্তাৰ বিপৰীতে অহা উদণ্ড ডেকাৰ বাইকৰ চকাৰ তলত সোমাল, সেই ৰোহিত বৰুৱা।

হস্পিটেলত এফালে মাকৰ কান্দোন, আনফালে স্কুলৰ, গাঁৱৰ মানুহৰ কথাৰে (কিয় এনে হ'ল, কিয় হ'বলৈ পালে...) হস্পিটেল চৌহদত হুলস্থুলৰ পৰিবেশ।

ক্ষন্তেক পিছতে ডাক্টৰ, নাৰ্চ ওলাই অহাত মাকক ভিতৰত সোমাবলৈ অনুমতি দিয়া হ'ল-।

'মা মোক বচা, মই মৰিব নিবিচাৰো মা! তোৰ মোৰ সপোনবোৰক চুৰমাৰ হ'ব নিদিবি মা- বুলি সি কেৱল কান্দিলে'। ৰোহিতে বিচনাৰ পৰাই কথাখিনি কৈ কৈ মাকক সাৱটি ধৰি দুয়ো কান্দি কান্দি প্ৰায় অচেতন হৈ পৰিছে।

এই জীৱনৰ চকৰীত ঘূৰিবলৈ ৰোহিতক এই পৃথিৱীয়ে মৰণৰ ঠাইলৈ ঠেলি নিদিলে। সংসাৰৰ মায়া-মোহে তাক আকোঁৱালী লৈ জীৱন গঢ়িবলৈ বাট দেখালে। সি এজন সৎ মানুহ হৈ এই সমাজলৈ, মাকলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সমৰ্থ হ'ল।

---

Perseverance concerns all things .
Patience is bitter, but its fruit is sweet.
— **Rousseau**



# জোনাক বিহীন জীৱন

**ৰাকেশ গগৈ**
অসমীয়া বিভাগ



পূৰ্ণিমাৰ নিৰ্মল জোনাক নিশা। জোনৰ কোমলতাই যেন ডাৱৰৰ মাজে মাজে লুকা-ভাকু খেলিছে। নিয়ৰৰ কণ-কণ টোপালবোৰে চেঁচা কৰি ৰাখিছে পৃথিৱীৰ সেউজীয়া। কিন্তু চেঁচা পেলাব পৰা নাই নয়নৰ হৃদয়খনি....।

এন্ধাৰৰ কেঁচা-কেঁচা গোন্ধই সাৱটি ৰাখিছে সেই কোঠাটি, যিটো কোঠাৰ এচুকত নীৰৱে বহি আছে নয়ন। একান্ত মনে খিড়িকীৰে জোনাক দেখাৰ মানসেৰে বাহিৰলৈ চাই আছে সি। তাৰ চাৱনিয়ে যেন বুজায় যায় তেনেই অকলশৰীয়া সি, যেন সকলো হেৰায় গৈছে তাৰ.....।

সি কিয় তেনেকৈ বহি থাকে, খিড়িকীৰে সোমাই অহা বতাহছাটিয়েও যেন বুজিব নোৱাৰে! এন্ধাৰৰ মাজতেই বহি থাকে সি।

নয়ন, নয়ন .. কি হ'ল, তইচোন শুৱাই নাই?

নয়নে আজিকালি প্ৰায় ৰাতিবোৰ বহিয়েই কটায়। তাক যেন আন্ধাৰে আমনি কৰে, শুব নোৱাৰে সি। আগতেও নুশুৱাকৈ কটাইছিল, প্ৰায় তিনি-চাৰি বছৰৰ আগতে। তেতিয়া তাৰ দেউতাকৰ নিষ্ঠুৰ মৃত্যুৱে শুৱলৈ নিদিছিল তাক। কিন্তু এতিয়া সি কিহত অশান্ত? কিহে শুৱলৈ নিদিয়ে তাক?

উপায়হীন হৈ মাকে বুজাইছিল, চা, নয়ন তোৰ লগত মই আছো নহয়। তই শুৱলৈ চেষ্টা নকৰ কিয়? তোৰ কিবা এটা হ'লে মোৰো জানো কষ্ট নহয়? শু নয়ন

শু।

মাকে দীপিকাৰ লগত পুনৰ শোৱাকোঠাত সোমাল। পিছদিনা পুৱাতেই দীপিকাই তাইৰ বান্ধৱী বিনীতাৰ ঘৰলৈ ওলাই গ'ল, টিংখাং হাইস্কুললৈ যোৱাৰ কথা। টিংখাং হাইস্কুল দীপিকা-বিনীতাহঁতৰ মনৰ সপোন। পঞ্চম শ্ৰেণীৰ পৰা গঢ় লৈ উঠা সিহঁতৰ বান্ধৱীৰ সম্পৰ্ক সেই হাইস্কুলৰ বুকুতেই যেন জীয়াই আছে। হাইস্কুলৰ আজিয়েই শেষ দিন, আজি হাইস্কুল শেষান্ত পৰীক্ষাৰ ৰিজাল্ট দিব। লগৰ বান্ধৱীবোৰৰ লগত আজিয়েই কথা পাতি ল'ব সিহঁতে বহুদিনলৈ.....।

নয়ন, তাৰো টিংখাং হাইস্কুল অতি হেপাঁহৰ আছিল। সিও তাতেই পঢ়িছিল। দেউতাকৰ মৃত্যুৰ পিছত সি পঢ়াত মন বহুৱাব নোৱাৰিলে। উচ্চ শিক্ষা লবলৈ হেঁপাহ তাৰো আছিল, আশা সিও পুহিছিল, যদিও হেৱায় গ'ল সেই অন্ধকাৰ এটি ক্ষণতে। মাক-ভনীয়েকৰ মৰম সাবটি সি ঘৰতেই থাকিল।

সেইবোৰ সি মনত নেপেলায়, সোঁৱৰণ তাৰ বাবে হৈ পৰিল এটি সেমেকা সপোন। বাস্তৱেও তাক, তাৰ ভয়ংকৰ ৰূপ দেখুৱাই আহিছে।

নয়ন, উঠিলিনে? আহ, মুখ-হাত ধুই চাহ জলপান খাই ল'। দীপিৰ আজি ৰিজাল্ট দিব নহয় তাই বিনীতাৰ লগত টেটেলী তিনিআলিলৈ গৈছে। টিংখাং হাইস্কুল টেটেলীতল তিনিআলিৰ কাষত থকা বাবে মানুবোৰে প্ৰায় টিংখাং হাইস্কুলক বুজাবলৈ টেটেলী তিনিআলিহে ব্যৱহাৰ কৰে।

সেইটো অপু আহিছে, আহ আহ তাকো ভিতৰলৈ লৈ আহ্।

নয়ন, নয়ন।

অ' অপু আহ।

কি-ৰে, শুই উঠিছহে নেকি? ইমান দেৰি ভনীয়েৰৰ ৰিজাল্ট দিব নহয়, যা-যোগাৰ কৰিছ নাই?

নয়নে যা-যোগাৰ কৰিব ক'ৰ পৰা? দেউতাকে আগতে হাইস্কুলৰ চকীদাৰহে কৰিছিল, যি কেইটকা উপাৰ্জন কৰিছিল তাৰে খাবলৈকে নোজোৰে, পঢ়াৰ খৰচ থাকেই। কিতাপৰ দামহে যিমান। সাঁচিবই নোৱাৰিলে। তাৰ পাছতো.....

ঘৰখনো চলোৱাৰ দায়িত্ব তাৰেই। পুৱা পেপাৰ দিনো কেইটকা পায়? তথাপিও যোগাৰ কৰিছে সি, থূলমূলকৈ হ'লেও।

কি হ'ল? একো নকলিযে।

কম আৰু কি, বল ভিতৰলৈকে যাওঁ। তাতেই কি কম কম।

অ' অপু আহিলা। ভালনে ঘৰত?

ভালেই মা। আপোনাৰ ভালনে?

ভালেই আছো বোপাই। বহাচোন বহা। নয়ন, হ'ল নাই তোৰ? আহ চাহ দিলো। অপু চাহ খাবাচোন।

হব মা।

অপু নয়নৰ ভাল বন্ধু। এতিয়া সি দিখাৰী মহাবিদ্যালয়ৰ এজন ভাল ছাত্ৰ। কিন্তু নয়ন, সি যেন শূণ্যত ওলমি পৰিছে। তাৰ গাৰ ছাঁটোৱেও যেন তাৰ লগ এৰিব খুজিছে! সি আজিকালি লাজেই পায় তাৰ লগৰবোৰৰ লগত ফুৰিবলৈ কি বুলি পৰিচয় কৰাই দিব সিহঁতৰ লগৰবোৰক? নয়ন নপঢ়া-নুশুনা ল'ৰা। এইবোৰেই নয়নৰ চিন্তা। তাক যেন অনুভৱেও এইবোৰকেই কৈ যায়।

নয়ন, চাহ খা আকৌ, মই শেষেই কৰিলো। ব'ল হাইস্কুলৰ ফালে এপাক ওলাই যাওঁ।

বাদ দে না, আজিকালি ফুৰিচোন ভালেই নালাগে। ঘৰত থাকিয়েই ভাল পাওঁ।

ব'ল-না যাৰ। তোৰ লগত ফুৰাৰ হেঁপাহ মোৰ হেৰাই যোৱা নাই নহয়।

আৰে, কি বলকিছ আকৌ তই, ব'ল।

আগৰ নয়ন এনেকুৱাই আছিল, বন্ধুৰ লগ পালেই হাঁহি-ধেমালিৰে ফুৰ্টি কৰা, চাইকেল লৈ আলিয়ে আলিয়ে ঘূৰি ফুৰা, গাঁৱত কিবা এটি পাতিলেই বন্ধুবোৰৰ অনুৰোধত গীত গোৱা। এনেদৰেই কটাইছিল সি, তাৰ সোণালী শৈশৱ কাল। কিন্তু এতিয়া সি ওলাই গলে যেন বেলিটিয়ে সোমাবলৈ বিচাৰে, কলীয়া মেঘে যেন সাবটি ধৰে নীলিম আকাশ! তাৰ সেইবাবেই ভাল নালাগে।

নয়ন, কিবা ভাবি আছ নেকি অ' তই?

না– ভাবিবি আৰু কিতো। তইতো জানই মা আৰু ভনীজনীৰ বাহিৰে কিনো ভাবিম। নিজৰ জীৱনৰ কথা বাদেই দিলো, মা আৰু ভনীজনীৰ কথাই ভাবো কেতিয়াবা।

কিয় শেৱালি.....?

নয়নৰ শেঁতা পৰি যোৱা হৃদয়খন যেন কণমান সময়ৰ বাবে পুৰঠ হৈ গ'ল। তাৰ হৃদয়খন যেন ঘূৰি আহিল আগৰ ৰূপলৈ।

ৰখা........।

কি হ'ল নয়ন?

চাইকেলখন ৰখা না। তাইৰ কথা কিয় মনত পেলালি বাৰু অপু? তইতো জানই মই তাইকেই ভালপাওঁ। জীৱনত হয়তু আৰু কাকো ভাল পাব নোৱাৰিম তাইৰ দৰে। কিন্তু, মই আঁতৰি থাকো তাইৰ পৰা, আঁতৰি থাকিব বিচাৰো তাইৰ পৰা। মোৰ ভালপোৱাই তাকেই বিচাৰে, তাই সুখেৰে থাকক। মোৰ লগত জানো তাই সুখত থাকিব পাৰিব? মোৰ অন্ধকাৰ ঘৰখনত তাইৰ জানো অশান্তি নহব? তাই শান্তি পাব জানো? তাই সুখী হব জানো? বহুতবোৰ প্ৰশ্ন অ'। তাইৰ মোৰ মাজত বহুত পাৰ্থক্য জাননে? মোৰ ভগা-ছিগা ঘৰটোৰ দৰে, তাইৰ ঘৰখন নহয়, মোৰ উকা দুহাতৰ দৰে তাইৰ দুহাত উকা নহয়। তাইৰ মৰম-প্ৰেম-ভালপোৱাৰ বহুত মূল্য আছে। আৰু মই, মই জানো তাইৰ মৰম-প্ৰেম-ভালপোৱা পোৱাৰ যোগ্য? যোগ্য জানো মই? তয়েই কচোন। মই তাইক নিবিচাৰো জান, মই তাইৰ কণমান মৰমহে বিচাৰো, কণমান ভালপোৱাহে বিচাৰো। যদিও মই তাইৰ মৰম-ভালপোৱা পোৱাৰ যোগ্য নহয়, তাই য'তেই থাকক সুখেৰে থাকক, তাকেহে বিচাৰো। মোৰ ভালপোৱাই তাকেই বিচাৰে।

শুন অপু, টকা-পইছা নাথাকিলে হৃদয়ত কাৰোবাৰ বাবে প্ৰেম-ভালপোৱা ৰাখিব নালাগে। সেইবোৰৰ কোনো অৰ্থই নাথাকে, যাক ক'ব পাৰি অৰ্থহীন প্ৰেম, আৰু জীৱনৰেই যদি মূল্য নাথাকে তেনে, সেই জীৱনৰ প্ৰেম-ভালপোৱাৰ জানো মূল্য থাকে? মোৰ এই প্ৰেম-ভালপোৱাবোৰো জানো অৰ্থহীন, মূল্যহীন নহয়? মূল্য আছেজানো, মোৰ এই প্ৰেম-ভালপোৱাৰ?

অপু, শেৱালিয়ে মোক কোৱা নাই, যে তোমাৰ মৰমৰ মূল্য নাই, তোমাৰ ভালপোৱাৰ অৰ্থ নাই। আৰু তাই তেনেদৰে নাভাবেও। কিন্তু মোৰ জীৱনটো তইতো দেখিয়েই আছ। কিবা ৰং আছেনে? কি কৰিম, টকা-পইছা নাই ভাই, কৰিব পৰাও একো নাই।

শুন, তাইৰ কথা ভাবি ভালপাওঁ, কিন্তু কবলৈ লাজ লাগে জান'। থাকক মোৰ হৃদয়ত তাইলৈ থকা ভালপোৱাই যিদৰে থাকি ভালপায় সেইদৰেই থাকক। মই দলিয়াই দিব নোৱাৰো। তাইৰ স্মৃতিবোৰ মই হেৰুৱাব নোখোজো। তাই য'তেই থাকে, যদি সুখেৰে থাকে, যদি শান্তিৰে থাকে যদি হাঁহিমুখে থাকে, মই তাতেই সুখী। আৰু মইতো কৈছোৱেই, মোৰ ভালপোৱাই তাকেই বিচাৰে।

অপু, মোৰ এই কথাবোৰ আন কোনোৱে নাজানে, আৰু আশাকৰো এইবোৰ যেন কোনোৱে নাজানক। হব এতিয়া ব'ল যাওঁ। অলপ মৌনতাই যেন সাবটি ধৰিছিল সিহঁতক।

কি হ'ল চাইকেল চলা আকৌ। খোজকাঢ়ি যাবি নেকি?

মইতো চাইকেল চলায়েই গৈ আছিলো। তইহে ৰখাবলৈ কৈ ট্ৰেজেদি ফালিলি।

হব তোক কৈছো নহয়, আজিলৈ হব। ব'ল চাইকেল চলা।

এ হৈ গ'ল।

কি হৈ গ'ল?

আৰু নগলেও হ'ল তোৰ ভনী আৰু বিনীতা আহিয়েই আছে। ব'ল যাওঁগৈ।

অপু দাদা, ৰিজাল্ট চাবলৈ আহিছিলে?

হয় দীপিকা, আৰু নাযাওঁ আৰু ভাল খবৰ কবিনে?

আমি দুয়োজনী পাছ কৰিলো। কিন্তু ভাল খবৰনে বেয়া খবৰ নাজানো দুয়োজনী প্ৰথম বিভাগতে।

বাঃ Congratulation on your's success.

Thank you দাদা।

ভনীয়েকৰ ৰিজাল্ট শুনি নয়ন যেন দোমোজাতহে পৰিল। এইবাৰ কেনেদৰে পঢ়ুৱাব সি?

দাদা, কিবা হ'লনি তোৰ? কিবা ভবা যেন লাগিছে।

নাই নাই, একো ভবা নাই? তই যা, মই অলপ বজাৰৰ পৰা আহো। বিনীতা, তুমি আমাৰ ঘৰলৈ যাবানে?

দাদা মই ঘৰত কৈ অহা নাই নহয়।

ঠিক আছে, তেনে কালিলৈকে এপাক যাবা।

নিশ্চয় যাম দাদা।

বজাৰৰ বস্তুবোৰৰ যিমানহে দাম, কিযে কৰো।

কি হ'ল নয়ন? কিবা ভাবিলি?

নাই নাই একো ভবা নাই। ভাবিছো আজি সকলোৰে এসাঁজ ফুৰ্তিৰে খাওঁ। ব'ল হৈ গ'ল।

ইফালে নয়নৰ মাকে ৰিজাল্ট শুনি দীপিকাক সাৱটি উচুপি উঠিছে। মাকৰ হৃদয়ৰ মৰম-আশিসৰ কণিকাবোৰ যেন দীপিৰ বুকুলৈ সোমাই গৈছে এটি এটিকৈ! দীপিও উচুপি উঠিল।

দীপি, মাকে মৰমতে মতা নাম। দীপি আৰু নয়নৰ অবিহনে মাকো বহুতেই সংগীবিহীন। সিহঁত কৰবালে ওলাই গলেই মাকজনীয়ে সিহঁতৰ কথাই ভাবি ভাবি সময়বোৰ পাৰ কৰাই দিয়ে। কি হবগৈ সিহঁতৰ? কি কৰিব সিহঁতে। এইবোৰেই।

মাকৰ চিন্তা, ওচৰ-চুবুৰীয়া ৰিজাল্ট শুনি আহিব। কিন্তু পাৰ্টি খুৱাব কিহে? আছে কি ঘৰখনত শূণ্যতাৰ বাদে! মাকে ওলাই অহা দুটোপাল চকুলোক বাধা দিব নোৱাৰিলে। সৰি পৰিল অবাধেই।

মা.... মা, আমি আহিলো। নয়নৰ যেন এইযাৰি নতুন মাত! মাকে বহুদিনৰ মূৰত শুনিছে। মাকৰ মনটো সুখ-শান্তিৰে ভৰি পৰিল।

দীপি, ওচৰ-চুবুৰীয়াক খবৰ দে। আজি এসাঁজ সকলোৰে খাওঁ। যা-যা সোনকাল কৰ।

নয়ন, কিন্তু কেনেকৈ? মাকৰ দুৰ্বলতা যেন ওলাই আহিছে!

মা, চিন্তা কিয় কৰিছে, মই বজাৰৰ পৰা সকলোবোৰ আনিলো নহয়। নয়নক যেন সঁচাই আজি নতুন ৰূপত দেখিছে মাকে। তাৰ অন্ধকাৰ আঁতৰাই সি হাঁহা দেখিছে, সি ফুৰ্টিকৰা দেখিছে। মাকৰ মৰম-আশিসৰ কণিকা পুনৰ নিগৰি ওলাল দুচকুৰে।

কিন্তু নয়ন, তাৰ হাঁহি-ফুৰ্টি সকলোবোৰ যেন মাক-

ভনীয়েকৰ বাবেহে। মাকৰ কথা ভাবি-ভনীয়েকৰ কথা ভাবি সি বাৰুকৈয়ে উপায়হীন অনুভৱ কৰে। পাৰোতেই সি নিজৰ হাতঘড়ী, জোতা বিক্ৰী কৰি ভনীয়েকৰ পাৰ্টি যোগাৰ কৰেনে? তিনি - চাৰিদিনৰ আগতেই সি বিক্ৰী কৰি দিছিল তাৰ মৰমৰ দীপিৰ কথা ভাবি মৰমৰ হাতঘড়ীটো, জোতাযোৰ। অন্ততঃ মাক-ভনীয়েকক হুঁহুৱাব লাগিব, এসাঁজ খাব লাগিব তাৰ চকুৰ আগত, হাঁহিমুখে।

হেঁপাহ আছিল যদিও দীপিক উচ্চ-শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰিলে। তাইও তাৰ দৰে ঘৰতেই বহি থাকিল।

দিনবোৰ, মাহবোৰ, বছৰবোৰ এনেদৰেই বাগৰি গৈছিল সিহঁতৰ। এসাঁজ খাই এসাঁজ নোখোৱাকৈ...।

লাহেকৈ ডেকা হ'ল নয়ন। সিহঁতৰ আধি দিয়া মাটিবোৰ সি নিজেই খেতি কৰিবলৈ ললে। খেতিৰ ধানে বছৰটো যেনে-তেনে পাৰ কৰাই সিহঁতে। দীপিও ডাঙৰ হ'ল, ল'ৰা আহি আছে কিন্তু বিয়া দিয়া নাই। মাকৰ লগতেই থাকিম বুলি কয় তাই। কিন্তু সেইটো জানো সম্ভৱ? মাকে বুজাব নোৱাৰিছে তাইক। নয়নৰ কথাত অৱশেষত মাকৰ আশা হেঁপাহ পূৰাবৰ বাবেই তাই বিয়াত সন্মতি দিয়ে। তিনিখন গাঁৱৰ সিপাৰৰ বজেন নামৰ এজন ডেকাৰ লগত দীপিৰ বিয়া হয়।

দীপিক ঘৰৰ পৰা উলিয়াই দি সিহঁতে যেন তাইক একেবাৰেই বিদায় দিলে। বিয়াৰ ছয়-সাতমাহৰ পাছতেই কালান্তক কৰ্কটে তাইক লৈ গ'ল যমালয়লৈ। দীপিৰ সেই বাতৰিয়ে মাক আৰু নয়নৰ হৃদয়ত যি কুৰা জুই লগাই দিলে, সিহঁতে তাৰ জ্বালা নাপাহৰিল কাহানিও। প্ৰতিদিন-প্ৰতিৰাতি তাৰ জ্বালা উপভোগ কৰে সিহঁতে।

নয়নৰ মাকজনীও লাহেকৈ বুঢ়ী হৈ আহিল, এতিয়া সিহঁতৰ ঘৰখনত কেৱল নয়ন, আৰু কঁকাল পৰা দুখত ভাগি পৰা সেই তামচুলিয়া তাৰ মাকজনীহে থাকে। মাক বুঢ়ী হৈ অহাত বেমাৰ-আজাৰবোৰেও মাকৰ কাষ চাপি আহিল। চিকিৎসা কৰাব নোৱাৰিলে ধনৰ অভাৱত এদিন হঠাৎ নিষ্ঠুৰ সময়ে নয়নৰ বুকু উদং কৰি তাৰ মৰমৰ মাকজনীকো কাঢ়ি লৈ গ'ল।

নয়নে কৰিব কি, নিজৰ মাকজনীকো সুখ শান্তি বুলি কোৱা বস্তুকণ দিব নোৱাৰিলে। মাথো তাৰ চকুলোৰে ধুৱাই নিলে মাকৰ মুখমণ্ডলত ভাঁহি থকা সমস্ত দুখ-বেদনা!

মা.... মা...! তুমি গ'লাগৈ মা। কিয়? কিয় মা কিয়? কিয় গ'লাগৈ....? তুমিতো জানাই, মোৰ নিজৰ বুলিবলৈ কোন কোন আছিল। আজি একেবাৰে অকলশৰীয়া কৰিলা। যোৱা মা যোৱা, তাত সুখেৰে থাকিবাগৈ। মইতো সুখ কি, শান্তি কি তোমাক দিব নোৱাৰিলোৱেই, দেখুৱাবও নোৱাৰিলো মা। মই দোষী, মই দোষী মা, মই দোষী....!

নয়নে আজি নতুন ৰূপত কান্দিলে, সি কন্দা আনে নেদেখিছিল। তাৰ চকুলো মাকৰ সুখ-শান্তিৰ কাৰণেই লুকুৱাই ৰাখিছিল। কিন্তু আজি মাকৰ আত্মাৰ সদ্গতি কামনা কৰি ভগৱানৰ চৰণত তাৰ চকুলো দুটোপীকে ঢালি দিলে।

গাঁৱৰ ৰাইজৰ সহায়-সহযোগত যেনে তেনে মাকৰ শ্ৰাদ্ধ সমাপন কৰিলে সি। অন্ধকাৰ কোঠাই পুনৰ সাৱটি ললে নয়নক কণমান জোনাক দেখাৰ আশাৰে সি পুনৰ খিৰিকিৰে বাহৰলৈ চাবলৈ ধৰিলে।

চাৰিমাহমানৰ পাছত এদিন হঠাৎ অপু ওলালহি। সি বুজি পায় নয়নক, নয়নৰ দুখ-বেদনা সি বুজে। কিজানিবা সি পাবে নয়নৰ জোনাকবিহীন জীৱনটোত কণমান জোনাক ঢালিব....!

নয়ন ..... নয়ন? শুলিয়েই নেকি? চাওঁ দোৱাৰখন খোল।

অপু, বহুদিনৰ দেৰিকে যে?

নয়ন, কি হ'ল তোৰ, তই কথা ক'বলৈ পাহৰিছ নেকি? নয়নে যেন সঁচাকৈয়ে কথা ক'বলৈ পাহৰি গৈছে। সি মাজে মাজে অদ্ভুত ভাষা কৈ দিয়ে।

পাহৰিছো নেকি? লগ নাই যে কথা পাতিবি কাৰ লগত। আন্ধাৰবোৰেও চাচোন মোক পাট্টা দিছেনে?

নয়ন মুৰ্খামি নবলকিবিচোন। শুন নয়ন, মানুহৰ জীৱন এনেকুৱাই, নিজে কিবা এটা কৰো বুলি কৰিব নোৱাৰি, সকলোবোৰনেদেখাজনেই কৰে। নয়নক বুজাবলৈ যেন অপু ভগৱানৰ কাষ চাপি গৈছে। কি কৰিবি, তেওঁৰ ওচৰত আমাৰ হাত নাই নহয়। বিয়াখন পাতি ল' নয়ন, সুখে-শান্তিৰে থাক। চাবি লাহে-লাহে সকলোবোৰ ঠিক হৈ আহিছে।

হাঃ হাঃ হাঃ... বিয়া? বিয়া মই পাতিম? কিন্তু কিন্তু কাক অপু? তই ভাবিছনেকি, মোকো আপোন কৰি লব পৰা কোনোবা আছে এই পৃথিৱীত?

নয়ন, সকলো কথা হাঁহিত নুৰুৱাবি। অকণমান কথাবোৰ দকৈ ভাবিবি। শেৱালিয়েও জানো তোক পাহৰিব পাৰিছে? তাইৰো হৃদয় বুলি কিবা এখন আছে। য'ত লুকাই আছে মৰম-ভালপোৱা আৰু সঁহাৰি, সহানুভূতি.....!

অপু, তোক জানো মই আগতেও কোৱা নাই, তাই আৰু মোৰ পাৰ্থক্য বহুত। আৰু তই কিয় কিয় তাইক মোৰ দুখৰ মাজলৈ টানিব খোজিছ? কিয়? তাইক মই বহুত ভাল পাইছিলো, আজিও তাইকেই ভালপাই আছো আৰু আগলৈও তাইকেই ভালপাই থাকিম। কিন্তু প্ৰেম-ভালপোৱা মানেই বিবাহ নহয় অপু। মই মানি নলওঁ কেতিয়াও।

নয়ন, তই তাইক কৈ চা, নোকোৱাকৈ তাইৰ কথা তেনেদৰে কিয় ভাবিছ? তাই তেনেকুৱা নহয় নয়ন।

শুন অপু, মোৰ দুখবোৰ বৰ বেদনাদায়ক। আৰু মই তাইক এইবোৰ দিব নোখোজো। তাই বহুত ভাল ছোৱালী, তাই বহুত ভাল ল'ৰা পাব। তাই পোহৰত থাকিব। মোৰ এই আন্ধাৰৰ মাজত তাইক সোমোৱাব নোখোজো। মোৰ দৰে ল'ৰা এটাৰ লগত তাই সুখী হ'ব নোৱাৰিব। আৰু মই নিবিচাৰো, মোৰ এই অন্ধকাৰ কোঠাত তাই জিৰণি লব। তাই সুখেৰে থাকক অপু, তাই শান্তিৰে থাকক। মোৰ ভাল পোৱাই তাকেই বিচাৰে, তাই সুখে-শান্তিৰে থকাটো। মই পাৰিম, এই কোঠাৰ পৰা সেইটো কোঠালৈ যাবলৈ মই অকলেই পাৰিম। মোক লগ নালাগে অপু, মই পাৰিম। লগত থকাবোৰ দেখিছিলিয়েই, কেনেকৈ এৰি থৈ গ'ল নিঃসঙ্গ কৰি।

নয়ন যেন সঁচাই বৰ অকলশৰীয়া। কি কৰিব বেচেৰাই টকা-পইচা নথকাত সকলোবোৰ হেৰুৱাই পেলাইছে। তাৰ হাঁহি পাৰিলেহেঁতেন সি ধৰি ৰাখিব, যদি অন্ধকাৰ কোঠাই আবদ্ধ নকৰিলেহেঁতেন তাক। বেচেৰা অপুৱেনো কিমান বুজাব, তাৰো একেই অৱস্থা। তথাপি সি নয়নৰ সুখৰ কাৰণে কান্দে।

নয়ন তই মোক বুজিবি বুলি ভাবিছিলো, কিন্তু তই বেছিহে মুৰ্খ হলি। তই নিজকে কিয় কিয় অকলশৰীয়া কৰিব খুজ অ' নয়ন? তোৰ কি কাকো ভাল নালাগে? শেৱালিক বাৰু তই বেয়া পাইছ, তোৰ দুখৰ মাজত ৰাখিবলৈ তোৰ, অন্ধকাৰ কোঠাত ৰাখিবলৈ কিন্তু তই সুখী হবলৈ কিবা এটা কৰ।

কি কৰিম? তয়েই ক'চোন।

নয়ন শেৱালিক বাৰু তই বিয়া নকৰাব, বেলেগ কোনো নাইনে বিয়া কৰাব পৰা? তই কি ভাবিছ নেকি, তোৰ জীৱনটো শেষ হৈ গৈছে? জীৱনৰ বেছিভাগ সময়েই আছে বুজিছ। কিবা এটা কৰ, মোৰো জানো ভাল লাগে তোক দেখি।

অপু মই বুজিলো, মোক আৰু নুবুজালেও হব। কিন্তু কিন্তু তই বুজা নাই কিয়? তই নুবুজ কিয় যে মোৰ জীৱনটোৱেই বিবৰ্ণ, বিবস্ত্ৰ...! আৰু, মোক লৈ কোনোৱে সুখী হ'ব নোৱাৰে। তই নুবুজ কিয়, অপু...!

নয়ন দুখ বোজা হয়তো বহুতেই ওলাব। কিন্তু নয়নে তেনে এটা জীৱনলৈ কাকো আমন্ত্ৰণ নজনাই। শেৱালিৰ ভালপোৱা বুকুত সাৱটি সি তেনেদৰেই থাকিব পাৰিব। শেৱালি যতেই থাকে, শেৱালিয়ে যদি সুখেৰে থাকে, সি তেনেদৰেই সুখী হব। সঙ্গী নিবিচাৰে সি। নিসংগতা, মৌনতা, নীৰৱতাই তাৰ সঙ্গ। তাতকৈ একো নালাগে তাক।

সি আগৰ দৰেই বহি থাকে, অন্ধকাৰ কোঠাত গুণগুণনি তুলি জোনাক দেখাৰ মানসেৰে-

"মমৰ শিখাটি যে জ্বলে

নিজৰে বুকু পুৰি

দিবলৈ বিলাই আনক পোহৰ

দহনৰ জ্বালা নিজে সহি

বোজে কোনে মমৰ

বেদনা গলি জ্বলা

বুকুৰে জানা

নোসোধে কোনেও

কিয় বাৰু......!

আন্ধাৰবোৰে যেন বেছিকৈহে জিৰণি লয়, তাৰ সেই অন্ধকাৰ কোঠাটোত! জোনাকীয়েও ভয় কৰে সোমাবলৈ. তাৰ কোঠালৈ। জোনাক-জোনাকীক সি আৰু নিবিচাৰে!

এমাহ পাছত অপু আকৌ আহি ওলালহি। আজি শেৱালিৰ বিয়াৰ দিন, কি কৰিছে নয়নে?

নয়ন ... নয়ন...? কি কৰি আছ?

আছো আৰু এনেয়ে, কি কৰিমনো....।

নয়ন, তই নগলি নেকি?

ক'লৈ যোৱাৰ কথা সুধিছ?

তই গম নাপাৰ নেকি? আজি শেৱালিৰ বিয়া.....!

নয়নৰ হৃদয়খন যেন কোনোৱাই চেপি পেলাইছে...। মৌনতাই এটি ক্ষণ সাৱটি ধৰিলে। যেন মৌনতাই গিলি পেলাব অন্ধকাৰ কোঠাটোক...! সি গমেই নাপায়, আজি শেৱালিৰ বিয়া। খবৰ পালেও কি হব, শেৱালিক সিতো একো দিব নোৱাৰে। তাৰ হৃদয়খনে যেন হুৰহুৰাই কান্দিলে। একো দিব নোৱাৰিলে সি। অন্ততঃ যাবৰ সময়ত এষাৰ মাত।

অপু মই সঁচাই নাজানো। আৰু জানিলেও তাইকনো কি দিব পাৰিম? অন্ততঃ যাবৰ সময়ত এষাৰ মাত দিব পাৰিলোহেঁতেন। বুকুৰ জলভাইদি বৈ গ'ল শেৱালিলৈ..... এমুঠি প্ৰেম-ভালপোৱা, সুখী জীৱনৰ সফল কামনা। তাৰ অনুভৱ উৰা মাৰি শেৱালিৰ কাষ পালেগৈ। অন্ততঃ যাবৰ সময়ত এষাৰ মাত দিব সি.....!

"শেৱালি সুখী জীৱনৰ কামনাৰে তোমালৈ কি আনিছো চোৱা.... এখিলা কাগজত যেন লিখা আছে "শেৱালি মই তোমাকেই ভালপাই থাকিম"! তুমি সুখী হোৱা শেৱালি!"

নয়ন, কি হ'ল তোৰ? একেথৰে কি চালি?

নয়নৰ জোনাকবিহীন জীৱনটোৱে অন্ধকাৰ কোঠাৰ পৰা খিড়িকীৰে বাহিৰলৈ কণমান জোনাক দেখাৰ মানসেৰে চাই ৰ'ল...!

# ৰং নাম্বাৰ

মৃদুস্মিতা বড়া
অৰ্থনীতি বিভাগ



ৰাতিপুৱাই গা-ধুই নামঘৰত ধূপ-ধুনা জ্বলাই মই নিজৰ কোঠাত সোমাইছোঁহে। তেনেতে মোৰ মোবাইলটো টিং টিং কৈ বাজি উঠিল। মই নম্বৰটো অচিনাকী দেখি ফোনটো ৰিচিভ কৰোঁ নকৰোঁকৈ ৰিচিভ কৰিলোঁ আৰু ক'লোঁ.....

ঃ হেল্ল। কোনে কৈছে আৰু কাক বিচাৰিছে?

ঃ সিফালৰ পৰা এটা অচিনাকী কণ্ঠস্বৰ ভাঁহি আহিল। হেল্ল পৱন ঘৰত আছেনে?

ঃ পৱন? কোন পৱন? মই আচৰিত হৈ ক'লোঁ, "আমাৰ ঘৰত কোনো পৱন নামৰ ল'ৰা নাই মই পবনক চিনি নাপাওঁ' বুলি কৈ ফোনৰ কানেকচন কাটি দিলো।

চুলিখিনি আচুৰিছোঁহে আকৌ মোবাইলৰ ৰিংটনটো বাজি উঠিল।

ঃ হেল্ল'।

ঃ অলপ সময় কোনো মাতবোল নাই।

ঃ হেল্ল'। কোনে কৈছে? নামাতে কিয়?

ঃ মই পৱনক বিচাৰিছোঁ। মই তাৰ বন্ধু।

ঃ এইটো পৱনৰ ঘৰ নহয়। আপোনাৰ চাগৈ ভুল হৈছে; মই মনতে ভাবিলোঁ, মোৰ বন্ধু মানস বা পৰশে হয়তো মোক আমনি দিবৰ বাবে মোৰ লগত ধেমালি কৰিছে। তাকে ভাবি ক'লোঁ- অ' মানস কি কৰিছা? ভালনে তোমাৰ?

ঃ মই মানস নহয়। পবনৰ বন্ধুহে।

ঃ তেনেহ'লে কোন? পৰশ নেকি? তুমি হোষ্টেলৰ পৰা কেতিয়া আহিবা?

ঃ সিফালৰ পৰা উত্তৰ আহিল, "তুমি দেখোন বহুত ল'ৰাক চিনি পোৱা। মই মানস, পৰশ কোনোৱেই নহয়, পৱনৰ বন্ধুহে আৰু তোমাৰ এজন অচিনাকী বন্ধু।"

মোৰ বিৰাট খং উঠি গ'ল। 'ৰং নাম্বাৰ' বুলি কৈ পুনৰ ফোনৰ কানেকচন কাটি দিলোঁ।

দিনটো বহু ব্যস্ততাৰ মাজেৰে পাৰ হৈ গ'ল। সূৰ্যটোৱে পশ্চিম আকাশত অস্ত যোৱাৰ পাছত কেতিয়ানো গধুলি হ'ল গমকে নাপালোঁ। গধুলি চাহ খাই, পঢ়া টেবুলত বহিছোঁহে, তেনেতে আকৌ মোৰ মোবাইলৰ ৰিংটনটো বাজিল। চাই দেখিলোঁ আকৌ সেই অথনিৰ নাম্বাৰটো প্ৰথমে ভাৱিছিলোঁ কাটি দিওঁ নেকি! নাই নাকাটি ৰিচিভ কৰিলোঁ।

ঃ হেল্ল'

ঃহেল্ল'

ঃ (মই মাতটো চিনিবলৈ চেষ্টা কৰিলোঁ। নাই এইটো মানস বা পৰশৰ মাত নহয়। ইহঁত দুটা মোৰ বন্ধু। গুৱাহাটীৰ বি বৰুৱা কলেজত পঢ়ে)। অ' মুন নেকি! কি কৰিছা, ভাত খালানে? (মুন মোৰ পেহীৰ ল'ৰা)।

ঃ মই মুন নহয়।

ঃ তেনেহ'লে কোন? নোকোৱা কিয়? মোৰ লগত কিয় ইমান ধেমালি কৰিছা?

ঃ মই মুন বা বুন কোনো নহয়। মই .... (মাতটো আকৌ ৰৈ গ'ল)।

ঃ ৰৈ গ'লা যে, মুন আমাৰ ঘৰলৈ কেতিয়া আহিবা?

ঃ তুমি যেতিয়াই মাতা তেতিয়াই যাম। কিন্তু আজি নহব কাইলৈ পৰহিলৈ... যেতিয়া মন যায়।

ঃ তোমাক কথাবোৰ কোনোবাই ফুচফুচাই শিকাই আছে নেকি? ওচৰত কোন? নয়ন নেকি?

ঃ মোৰ লগত এজন আছে; কিন্তু নয়ন নহয়।

ঃ অ' মুন তুমি কিয় ইমান ধেমালি কৰিছা। তুমি নীৰজহঁতৰ ঘৰত আছানে? তেওঁলোকৰ ঘৰত ভালনে?

ঃ বাহ তুমি দেখোন বহুত ল'ৰাৰ নাম জানা। বাৰু, তোমাৰ বয়ফ্ৰেণ্ডবোৰৰ নামবোৰকে কোৱাচোন।

মোৰ খং উঠি গ'ল। খংটো সামৰি পুনৰ মৰমেৰে সুধিলোঁ। 'সঁচাকৈ কোৱাচোন তুমিনো কোন?

ঃ মোক চিনি পোৱা নাই; এতিয়াও।

ঃ ওঁ চিনি পোৱা নাই কাৰণেহে সুধিছোঁ। কোৱা আকৌ

ঃ কলোৱেইচোন। মই পবনৰ বন্ধু।

ঃ তোমাৰ নামটো কি?

ঃ সিফালৰ পৰা উত্তৰ আহিল, শুনা।

মই পূৰ্ণিমাৰ জোন
হ'ব খোজা যদি হৃদয়ৰ আপোন,
মযে তোমাৰ মৰমৰ সোণ
তোমাৰ বুকুৰ আপোন।

ঃ মোৰ হাঁহি উঠিল। হাঁহি হাঁহিয়েই ক'লোঁ-
হয় যদি তুমি মোৰ বুকুৰ আপোন,
সঁচাকৈ কবাই তুমি বাৰু কোন?

ঃ তোমাৰ হাঁহিটো বৰ ধুনীয়া। সঁচাকৈ মন চুই গ'ল।

ঃ বাহ, মই ইমানদিনে জনাই নাছিলোঁ। ধন্যবাদ।

ঃ তুমি কোন কোৱা। নহ'লে মই কানেকচন কাটি দিম।

ঃ ছৰী নাকাটিবা প্লিজ। তোমাৰ হাঁহিটো, মৌ মিঠা মাতটো শুনিবলৈ সঁচাকৈ ভাল লাগিছে। তুমি ছাগৈ দেখিবলৈ ধুনীয়া, বৰ মৰম লগা নিশ্চয় নহয়নে বাৰু?

ঃ মুন তুমি কিন্তু বহুত বেছিকৈ কথা ক'বলৈ শিকিছা।

ঃ সেইয়া, তোমাক কিমান ক'লোঁ যে মই মুন নহয়; তোমাৰ সোণহে।

ঃ সঁচাকৈ কোন বাৰু ? মানস, পৰশ, মুন আনকি নয়নো নহয়। তেন্তে কোন? কোৱাচোন কোন হয়?

ঃ তোমাৰ বয়ফ্ৰেণ্ডবোৰৰ নামবোৰ ধুনীয়া দেই। শুনি ভাল লাগিছে।

ঃ মুন তুমি জোখতকৈ বেছি ধেমালি কৰিছা দেই। মাৰ দিম হ'লে।

ঃ ঠিক আছে, তোমাৰ মাৰ নাখাওঁ। শুনা মই পলাশ আৰু ই মোৰ বন্ধু আকাশ। আমি এইবাৰ নগাঁও কলেজত একাদশ শ্ৰেণীত নামভৰ্তি কৰিছোঁ।

ঃ উপাধি নাই নেকি?

ঃ আছে তোমাৰ নামতো কোৱা তেতিয়া কম।

তেনেতে মায়ে আহি মোবাইলটো মোৰ হাতৰ পৰা লৈ ক'লে- হেল্ল', মুন তই কেতিয়া আহিবি? মই তোৰ জেঠায়ে কৈছো।

ঃ অ' জেঠাই, মই মুন নহয়।

ঃ তাই অথনিৰে পৰা মুন বুলিহে কথা পাতি থকা শুনিবলৈ পাইছিলোঁ।

ঃ নহয় মানে জেঠাই ৰাতিপুৱাই ধেমালিতে লগৰ এটালৈ ফোন কৰিছিলোঁ। ভুলতে আপোনালোকৰ ঘৰত লাগিল। আপোনাৰ ছোৱালীয়ে ৰিচিভ কৰিলে। তাইৰ লগত কথা পাতি ভাল লাগিল। গতিকে আকৌ ফোন কৰি আমনি কৰিলোঁ। বেয়া নাপাব।

ঃ মাৰ খং উঠিল আৰু ক'লে, "তাই মোৰ ছোৱালী বুলি কেনেকৈ জানিলা।'

ঃ আপোনাৰ মাতটোৰ লগত আপোনাৰ ছোৱালীৰ মাতৰ মিল আছে। গতিকে কৈ দিলো। বেয়া নাপাব। আমাক ক্ষমা কৰি দিব দেই জেঠাই।

মই মাৰ পৰা ফোনটো লৈ ক'লো, 'কি ক্ষমা কৰাৰ কথা কৈছা"।

ঃ চোৱাছোন তোমাৰ মাৰ মিছাতে খং উঠিল। সেয়েহে তেওঁৰ ওচৰত ক্ষমা বিচাৰিছোঁ। বেয়া নাপাবা দেই।

ঃ বাৰু নাপাওঁ।

ঃ তুমি কোন কলেজত আৰু কিহত পঢ়া?

ঃ মই স্নাতক তৃতীয় বৰ্ষত পঢ়ি আছো।

ঃ কোন কলেজত পঢ়ে আপুনি? (হঠাতে সম্বোধন তুমিৰ পৰা আপুনিলৈ সলনি হৈ গ'ল)ঃ ইয়াৰে স্থানীয় কলেজ এখনত।

ঃ ছৰী' - আমাক বেয়া নাপাব দেই বাইদেউ। আপোনাক আমাৰ সমনীয়া বুলিহে ধেমালি কৰিলোঁ। আমাক ক্ষমা কৰি দিব দেই।

ঃ ঠিক আছে নাপাওঁ বাৰু। তোমালোকক ভাইটি বুলি ভাবি ক্ষমা কৰি দিলোঁ। কিন্তু আজিৰপৰা তেনে কাম কেতিয়াও নকৰিবা। ছোৱালীয়ে ফোন ৰিচিভ কৰিলে বুলিয়েই সকলোৰে লগত ধেমালি নকৰিবা। তেওঁ এগৰাকী হয়তো বয়োজ্যেষ্ঠ মহিলাও হ'ব পাৰে। গতিকে আজিৰে পৰা নেদেখাকৈ কাকো সমনীয়া বুলি ভাবি ফোন নকৰিবা দেই।

বাৰু, এতিয়া মোৰ সময় নাই। বহুত কাম আছে। আজিৰে পৰা তেনে মতলবেৰে দ্বিতীয়বাৰ ফোন নকৰিবা। সিহঁতে আৰু কিবা ক'ব বিচাৰিছিল কিন্তু ক'বলৈ সুবিধা নিদি ক'লো 'এতিয়া ৰাখিছো দেই, গুড নাইট।"

ঃ হুঃ গুড্ নাইট, দিয়ে?

মায়েও চকুকেইটা ৬০ পাৱাৰৰ বাল্বটোৰ দৰে ৰঙা কৰি মোক ক'লে- "বুজিলিতো? নাম্বাৰ চেভ্ নাথাকিলে কেতিয়াও ফোন ৰিচিভ্ কৰিব নালাগে।' আজিৰ পৰা তয়ো ফোন নুচুবি"- দপ্‌দপাই মোবাইলটো হাতত লৈ মা পাকঘৰ পালেগৈ।

## Indian Polity :: President of India

| SL.NO. | NAME | FROM | TO |
|---|---|---|---|
| 1 | Dr. Rajendra Prasad | 26.01.1950 | 13.05.1962 |
| 2 | Dr. S. Radhakrishnan | 13.05.1962 | 13.05.1967 |
| 3 | Dr. Zakir Hussain | 13.05.1967 | 03.05.1969 |
| 4 | V.V. Giri (Vice president) | 03.05.1969 | 20.07.1969 |
| 5 | Justice M. Hidayatullah | 20.07.1969 | 24.08.1969 |
| 6 | V.V. Giri | 24.08.1969 | 24.08.1974 |
| 7 | F Ali Ahmed | 24.08.1974 | 11.02.1977 |
| 8 | B.D. Jatti | 11.02.1977 | 25.07.1977 |
| 9 | N. Sanjiiva Reddy | 25.07.1977 | 25.07.1982 |
| 10 | GainiJail Singh | 25.07.1982 | 25.07.1987 |
| 11 | R. Venkataraman | 25.07.1987 | 25.07.1992 |
| 12 | Dr. S.D. Sharma | 25.07.1992 | 25.07.1997 |
| 13 | K.R. Narayanan | 25.07.1997 | 25.07.2002 |
| 14 | Dr. A.P.J. Abdul Kalam | 25.07.2002 | 25.07.2007 |
| 15 | Mrs. Pratibha Patil | 25.07.2007 | Till now |

**Abdul Jolil**, Major:Economics





# দুঃসময়

নিৰ্মল গগৈ
ৰাজনীতি বিভাগ

ঘড়ীটোৱে ৰাতি এঘাৰ বজাৰ সংকেত ধ্বনি পেলোৱাৰ লগে লগে হঠাতে আদিত্যৰ টোপনি ভাঙি গ'ল। বিচনাৰ পৰা উঠি কাষৰ টেবুলত থকা ঠাণ্ডা পানীৰ জাৰটোৰ পৰা এগিলাছ পানী খাই পুনৰ বিচনাত বাগৰ দিলে। কিন্তু সি আৰু টোপনি যাব নোৱাৰিলে। অতীতৰ কিছুমান স্মৃতি তাৰ মনত দোঁ খাবলৈ ধৰিলে। যেনেকৈ এটা ঘড়ীয়ে বাৰটা সংখ্যা পাৰ কৰি আকৌ যিদৰে একৰ পৰা আৰম্ভ কৰে, আৰু ইয়াৰ কাঁটাকেইডালে এটা নতুন সময়ক আদৰি লওঁতে যিমান আনন্দ আৰু এটা সময়ত এৰি থৈ অহাটো ঘড়ী কাঁটাকেইডালৰ সিমান বেজাৰ। ঠিক সেই আদিত্যৰ জীৱনটো তেনেকৈ পাৰ হৈ অহা ঘড়ীৰ কাঁটাৰ দৰে, সিও আৰু কেইটামান দিনৰ পাছত বিবাহ পাশত আৱদ্ধ হৈ যুগ্ম জীৱনটো ঘড়ীৰ কাঁটাৰ দৰেই একৰ পৰা আৰম্ভ কৰিব। কিন্তু তাৰ বাকী এডভান্সৰ সময়খিনি অৰ্থাৎ পাৰ হৈ অহা সময়খিনি তাৰ বাবে বৰ দুঃসময়। এই সময়খিনিত তাৰ মনত পৰিছে শৈশৱ কৈশোৰত এৰি থৈ অহা কিছুমান নজহা নপমা স্মৃতি।

জোনাকী গাঁৱৰ এক দৰিদ্ৰ ঘৰৰ সন্তান আছিল আদিত্য। দেউতাক মুহী আছিল লোকৰ ঘৰত কাম কৰি দিন হাজিৰা কৰা মানুহ। আৰু আদিত্যৰ মাক অৰ্থাৎ মুহীৰ পত্নী মলয়াই আজি দুবছৰ মানৰ আগত এটা অচিন ৰোগত ভূগি চিৰনিদ্ৰাৰ কোলাত শুই পৰিছিল। এইখন পৃথিবীৰ পৰা গুচি যোৱা আগতে মুহীক দি থৈ গৈছিল 'ন' বছৰীয়া আদিত্যৰ লালন পালনৰ দায়িত্ব। মলয়াৰ মৃতদেহলৈ চাই বুকু ভুকুৱাই কান্দিছিল মুহীয়ে। মাকৰ চিতাত জুই দিওঁতে পাগলৰ দৰে জপিয়াই চিঞৰি চিঞৰি কান্দিছিল 'ন' বছৰীয়া আদিত্যই। মনত পৰিছিল তাৰ মাকে কোৱা অমূল্য কথাবোৰলৈ। যিদিনা মাকে তাক কোলাত লৈ জোনৰ দেশৰ কথা কৈছিল, ৰামায়ণ, মহভাৰতৰ কথা কৈছিল, তেতিয়া সি মাকৰ মুখলৈ একেথৰে থ'ৰ লাগি চাই আছিল।

আদিত্যৰ মাকৰ মৃত্যু হোৱাৰ দুবছৰ পিছৰলৈকে সি প্ৰায় স্কুল যাবলৈয়ো এৰি দিয়াৰ দৰে হ'ল। ৰাতিপুৱা শুই উঠাৰ পৰা কাম বন কৰি ভাত খাই দেউতাক কামলৈ যোৱাৰ পিছত আদিত্যই পদুলি মুখৰ নঙলাত বহি ৰাস্তালৈ চাই থাকে। লগৰ ল'ৰাবোৰে তাক হাত বাউল দি স্কুললৈ লগ ধৰিলে সি মূৰ জোকাৰি নাযাওঁ বুলি কয়। এদিন হঠাতে আদিত্যহঁতৰ স্কুলৰ হেডমাষ্টৰে তাক পাই স্কুললৈ নোযোৱাত ধমক দি কলে - 'তোৰ মাৰে নাই, বাপেৰটো আছে, তথাপিও স্কুল যাবলৈ মন ন'কৰ, লোকৰ মাউৰা লৰা ছোৱালীয়ে স্কুললৈ যায়, - চাল্লা গাধ'- ।

হেড মাষ্টৰৰ কথা শুনি আদিত্যৰ দুচকুৰে লোটক বৈ আহিল। মাক নথকাৰ বাবে স্কুললৈ নোযোৱা নহয়, আৰু গলেও যে ঘৰত মানুহ নথকাৰ কাৰণে দেউতাকে গালি পাৰিব, সেইটো কথাও নহয়। আটাইতকৈ ডাঙৰ কথা হ'ল যে আদিত্যৰ স্কুল যাবৰ বাবে ইউনিফৰ্ম নাছিল, আৰু এযোৰ নতুন ইউনিফৰ্ম কিনি দিবৰ বাবেও যে দেউতাকৰ শক্তি নাছিল, এই কথা আদিত্যই উপলব্ধি কৰিয়েই স্কুল নোযোৱা সিদ্ধান্ত লৈছিল। পিছতে হেডমাষ্টৰে গম পোৱাত আদিত্যক এযোৰ নতুন ইউনিফৰ্ম কিনি দি স্কুললৈ লৈ গৈছিল।

মলয়া মৃত্যু হোৱাৰে পৰা মুহীৰ মন একেবাৰে ভাগি পৰিছিল। আগৰ দৰে কাম বন কৰি দিন হাজিৰা কৰিবলৈ তাৰ মন নবহা হ'ল। ঘৰৰ পৰা ভাত পানী খাই কাম কৰোঁগৈ বুলি ওলাই আহি তিনি আলিৰ বৰজোপাৰ তলত তাচ-পাত খেল খেলি, মদৰ আদ্দাতেই দিনৰ দিনটো কটাই দিয়ে। গধুলি হ'লে ঘৰলৈ আহি ভাত কেতিয়াবা খায়, আৰু কেতিয়াবা নাখাই শুই থাকে। এদিন তিনি আলিত আদ্দা মাৰি থাকোতে লগৰ বিলাকে বন্দোৱস্ত কৰি দিলে এজনী স্ত্ৰীৰ লগত মুহীৰ বিয়া হোৱা কথা। পিছে মুহীয়েও কথাটো অনুভৱ নকৰা নহয়, ঘৰৰ একমাত্ৰ ল'ৰা আদিত্যক ঘৰৰ কামৰ পৰা ৰেহাই পাবলৈ এজনী স্ত্ৰীৰ প্ৰয়োজনৰ কথাটো মুহীয়ে বাৰুকৈয়ে অনুভৱ কৰা যেন লাগিছিল।

যথা সময়ত মুহীৰ দ্বিতীয় পত্নী আহিল তেতিয়া মুহীৰ ঘৰখনো শুৱনি হ'ল। অ'ত দিনে ঘৰৰ ভিতৰখনত মাটিৰ প্ৰলেপ নিদিয়া ভেকুৰা ঠাইত 'ন' ছোৱালীয়ে আহি ৰঙা মাটিৰ প্ৰলেপ দি ঘৰ একেবাৰে ৰঙচঙীয়া কৰি তুলিল। কামলৈ মন নবহা মুহীয়েও দৈনিক পেটৰ ভাতৰ কাৰণে দিন হাজিৰা কৰি গ'ল আৰু আদিত্যও স্কুললৈ গৈ পঢ়া-শুনা কৰিবলৈ ধৰিলে। যেন সিহঁতৰ জীৱনটোও ঘড়ীৰ কাঁটাৰ দৰে এটা দীঘলীয়া সময় অতিক্ৰম কৰি পুণৰ একৰ পৰা আৰম্ভ কৰিছে আৰু এনেকৈয়ে পাৰ কৰিছিল অনাগত দিনবিলাক।

নিষ্ঠা আৰু একাগ্ৰতাৰে অধ্যয়নত ব্ৰতী হৈ মেধা ছাত্ৰ হিচাপে পাৰদৰ্শিতা দেখুওৱা আদিত্য বিদ্যালয়খনৰ কাৰণে এক সুকীয়া পৰিচয়। যোৱাবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত লেটাৰ মাৰ্ক পোৱাৰ বাবে বিদ্যালয়খনৰ গৌৰৱৰ পাত্ৰ। অকল সেয়ে নহয়, গাঁৱ তথা পৰিয়ালৰ লোকৰ বাবেও। সেয়েহে দেউতাকে কঠোৰ শ্ৰমৰ টকাৰে, ঘৰৰ ওচৰৰ এবিঘা মাটি বিক্ৰী কৰি আৰু হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সহযোগত চহৰৰ এখন উচ্চমান কলেজত আদিত্যক এডমিশ্বন কৰাই দিছিল।

কেতিয়াবা মুহীৰ দুখ লাগে। কিয়নো আদিত্যৰ যদি এই সময়ত নিজৰ মাকজনী থকা হ'লে সি হয়তো আৰু দুগুণ উচ্ছাস পালেহেঁতেন। কিন্তু মাহীমাকে জানো তাক সকলো খিনি দিব পাৰিছে নে? নিজ মাতৃৰ দৰে হৃদয়ৰ সঁচা মৰম মাহীমাকে তাক বিলাই দিছেনে...?

দিছে! নিজ মাকৰ দৰে মাহীমাকে তাক সকলো খিনি দিব পাৰিছে। মাহীমাকৰ কোনো সন্তান নথকাত, আদিত্যক মাহীমাকে নিজ পুত্ৰ হিচাপে মৰম চেনেহ বিলাই দিছে। নহলেনো গাঁৱৰ মধ্যবিত্ত ঘৰৰ ছোৱালীয়ে কেতিয়াও মুহীৰ দৰে এজন নিঠৰুৱা পুৰুষক বিয়া নকৰালেহেতেন। কেৱল মাত্ৰ আদিত্যৰ দৰে এটা দুৰ্ভগীয়া ল'ৰাক প্ৰতিপালনৰ দায়িত্ব নথকা মাতৃৰ অভাৱ পূৰণ কৰিবৰ বাবে হয়তো তাই মুহীৰ লগত দ্বিতীয় পত্নী হিচাপে বিয়াত বহিবলৈ সাজু হৈছিল।

এনেকৈয়ে দিনৰ পাছত মাহ, আৰু মাহৰ শেষত বছৰ বিলাক পাৰ হৈ যাব ধৰিছে। এদিন আদিত্যই কলেজত ক্লাছ কৰি থাকোতে হঠাতে তাৰ চকু পৰিল যে এজনী ছোৱালীয়ে তাৰ ফালে বৰকৈ চাই আছে। ক্লাছটোৰ পৰা শিক্ষকজন ওলাই যোৱাৰ পাঠত ছোৱালীজনীয়ে আহি আদিত্যৰ পৰিচয় সোধাত সি চমুকৈ ক'লে যে তাৰ নাম আদিত্য শইকীয়া, আৰু ঘৰ জোনাকী গাঁৱত বুলি কৈ তাইৰ পৰিচয় সুধিলে.....।

ঃ মোৰ নাম অল্মিপিকা কাকতি। কিন্তু সকলোৱে 'অলি' বুলিয়েই মাতে, ঘৰ এই টাউনতে। এইমাত্ৰ যে ক্লাছ কৰি গ'ল সেইজনেই মোৰ দেউতা....।

ঃ বাৰু এতিয়া কোৱাছোন মোৰ পৰিচয় কিয় প্ৰয়োজন হ'ল ...? আদিত্যই তাইক লাহেকৈ সোধিলে।

ঃ নহয় মানে তোমাৰ লগত পৰিচয় হোৱা মোৰ বহুদিনৰ পৰাই মন আছিল। কিন্তু হঠাৎ এনেকৈ চিনাকি হ'বলৈ পাই মনটো ভাল লাগিল। হয়তো তাৰ মাজত.....

ঃ কি হ'ব পাৰে...? আদিত্যই আকৌ প্ৰশ্ন কৰিলে।

ঃ এয়ে হব পাৰে প্ৰেম, কোনোবাই কাৰোবাৰ প্ৰতি থকা দুৰ্বলতা....।



কথাষাৰ শুনি আদিত্যৰ বুকুখন কপি উঠিল। এক মুহূৰ্তৰ কাৰণে যেন পৃথিৱীখন নিতাল মৰাৰ দৰে অনুভৱ হ'ল আদিত্যৰ। জীৱনত কাৰোৱাৰ সৈতে প্ৰেমত পৰাটো সি কেতিয়াও বিচৰা নাছিল। কাৰণ আদিত্য হৈছে এখন গাঁৱৰ দৰিদ্ৰ ঘৰৰ সন্তান আৰু সিহঁতৰ পৰিয়ালত চৰকাৰী চাকৰি থকা কোনো এটা প্ৰাণীয়ো নাছিল। গতিকে সি কোনোৱা ছোৱালী লগত প্ৰেমত পৰি পিছত অপমানীত হৈ লজ্জা পাবলগীয়া কথাটো সি মানি ল'বলৈ টান পাইছিল। কিন্তু অলিৰ বাবে.......? এজনী সম্ভ্ৰান্ত ঘৰৰ ছোৱালীৰ লগত সি প্ৰেমত পৰাটো আদিত্যৰ বাবে বৰ কঠিন আছিল। তথাপিও বুজাই দিছিল অলিক, সিহঁতৰ অৱস্থাৰ কথা- ।

একেবাৰে কমবয়সীয়া অবুজ ছোৱালীৰ দৰে হৈ পৰিছিল অলি। আদিত্যই ইমান বুজাই থকা স্বত্তেও বুজিবলৈ চেষ্টা কৰা নাছিল তাই। মাত্ৰ বাৰে বাৰে কৈছিল প্লিজ আদিত্য তুমি ইমান কঠোৰ ন'হবা, মানুহে জীৱনত ধন টকা পইচাৰে সকলো কৰিব পাৰিলেও জানো প্ৰেম বুলি কোৱা বস্তুটো কিনি ল'বলৈ পায়, তুমি আজিও নাজানা নেকি যে সঁচা প্ৰেম আৰু সঁচা মৰমেই হেনো অমৰ, আৰু এই অমৰত্ব তুমি জীয়াই ৰাখিব পাৰিবা আদিত্য, তাৰ বাবে তুমি জগৰীয়া হব নালাগে...।

জগৰীয়া কিহৰ বাবে আদিত্য জগৰীয়া হব। সিটো প্ৰেম নিবেদন কৰা নাই। মাত্ৰ অলিয়েহে আদিত্যৰ পৰিচয় লৈ প্ৰেম নিবেদনৰ সুৰুঙা বিচাৰিছিল, তাৰ কাৰণে অলিহে জগৰীয়া। এখন উচ্চমান কলেজৰ প্ৰবক্তা তথা চহৰৰ সম্ভ্ৰান্ত ঘৰৰ গৰাকীৰ জীয়েক এটা দৰিদ্ৰ পৰিয়ালৰ ল'ৰা আদিত্যৰ লগত প্ৰেমৰ হেতালি খেলিলে কাৰ নাক-কাণ কাটিব, অলিৰ দেউতাকৰহে। সেইকাৰণেই আদিত্যই বৰ বেছি কথা কৈ থকাতকৈ অলিৰ আকলুৱা প্ৰেমকে আদৰি ল'বলৈ বাধ্য হৈ কলেজৰ সুমধুৰ দিন বিলাক পাৰ কৰিছিল। যথাসয়মত এদিন আদিত্যই কলেজৰ পৰা বি.এ. গ্ৰেজুৱেশ্বন লৈ বিশ্ববিদ্যালয় শিক্ষাৰ পৰা বঞ্চিত হব লগা হ'ল। ইউনিভাৰচিটিত নাম ভৰ্ত্তি কৰিবলৈয়ো অজস্ৰ পৰিমাণৰ টকা পইচাৰ প্ৰয়োজন হয়। সেয়ে সি উচ্চ শিক্ষাৰ বাবে মন নেমেলি ঘৰতে কিবা এটা কৰাৰ চিন্তা কৰিছিল। দেউতাকো দিনক দিনে বৃদ্ধ হৈ আহিছে, আৰু এদিন দেউতাকে আদিত্যক ওচৰলৈ মাতি আনি নিজৰ অৱস্থাৰ বিষয়ে, আৰু যেনে-তেনে কৰি এটা সৰু সুৰা চাকৰি হ'লেও ঘৰখন চম্ভালাৰ কথা, তাৰ পাছত তাৰ সংসাৰ পতাৰ কথা কৈছিল।

কিন্তু চাকৰি বুলি কওঁতে আদিত্যৰ মনটো একেবাৰে কুচ খাই পৰিছিল। বি.এ. পাছ কৰাৰ পাছত কতবাৰ চাকৰিৰ কাৰণে ইন্টাৰভিউ দিলে, দৰখাস্তও দিলে, তথাপিও চাকৰিৰ গোন্ধকে নোলাল। সিদিনাও এটা ৰেলফাৰৰ ইণ্টাৰিভিউ দি আহিল, তাতো একো ৰিজাল্ট নাই। সেই কাৰণে সি চাকৰিৰ কাৰণে ৰখি থকা নাছিল। নিজৰ সীমিত শিক্ষাৰ জ্ঞানেৰে গাঁৱৰ কেইজনমান ছাত্ৰ-ছাত্ৰীক লৈ আৰম্ভ কৰিছিল 'জ্ঞানোদয় টিউচন চেণ্টাৰ' ছাত্ৰ-ছাত্ৰীৰ পৰা ফিজৰ টকাকেইটাৰে আদিত্যৰ ঘৰখন কোনোৰকমে চলি থাকিবলৈ সক্ষম হৈছিল।

গাঁৱখনৰ সিটোমূৰৰ পৰা ৰাস্তায়েদি অহা কাৰ খনক গাঁৱৰ মানুহে ৰ' লাগি চাই আছিল। আগতে এই ৰাস্তায়েদি খুব কম গাড়ী মটৰহে আহে। গাড়ীখন আহি প্ৰায় আদিত্যহঁতৰ ঘৰৰ সন্মুখত ৰখালে। গাড়ী খনৰ পৰা এজন ব্যক্তি আৰু এজনী আদবয়সীয়া মহিলা আহি প্ৰথমে মুহীকেই সুধিলে-

ঃ এইটো আদিত্য শইকীয়াৰ ঘৰ নহয় জানো...।

ঃ অ' হয়, আৰু ময়েই আদিত্য শইকীয়াৰ দেউতাক।- মুহীয়ে লাহেকৈ ক'লে।

কথাষাৰ শুনি ব্যক্তিজনে মুহীৰ ফালে এপলক দৃষ্টি নিক্ষেপ কৰি ঘৰটোৰ ফালে চালে। নৰাৰ খেৰেৰে ছোৱা ঘৰৰ চালখনৰ দৃশ্যটো দেখি মানুহজনৰ একপ্ৰকাৰৰ বিৰক্তি ভাবেই জন্মিছিল। সেই সময়তে আদিত্য ক'ৰবাৰ পৰা আহি হঠাৎ মানুহজন আৰু মহিলা গৰাকীক দেখি সি থমকি গৈছিল।

ঃ দেউতা আলহীক দেখোন বহিবলৈ কোৱাই নাই- আদিত্যই দেউতাকক উদ্দ্যেশি কলে ।

দেউতাকে আলহীক ভিতৰলৈ মাতি সেই পুৰণা দিনৰ কাঠৰ চকীকেইখন আগবঢ়াই দি ক'লে "ইয়াতে বহক'। আলহী বহাৰ পিছত ওচৰতে থকা আদিত্যক দেখুৱাই ক'লে "এইটো মোৰেই ডাঙৰ ল'ৰা, আজি বি. এ. পাছ কৰা প্ৰায় পাঁচ ছয়বছৰ মানেই হ'ল, কিন্তু এতিয়ালৈকে চাকৰি বাকৰি দেখোন হোৱাই নাই, ঘৰতে এতিয়া বেকাৰ হৈ থাকিব লগীয়া হৈছে।" কথাখিনি কৈ শেষ নোহোৱাৰ আগতে আলহীয়ে এগিলাছ পানী বিচাৰিছিল।

ভাবিছিল মুহীয়ে যেতিয়া সিহঁতৰ ঘৰলৈ চকচকীয়া গাড়ীত নতুন আলহী আহিছে সেয়া নিশ্চয় কোনোবা অফিচৰ মানুহ হ'ব লাগিব। হয়তো আদিত্যৰ কাৰণে কিবা চাকৰি দিব--। সেই কাৰণে মুহীয়ে আদিত্যৰ পঢ়া শুনাৰ কথা ঘৰৰ অৱস্থাৰ কথা আলহীক বিতংকৈ বুজাই দিছিল। কিন্তু আলহীয়ে পানী গিলাছ খাই মুহীৰ ঘৰৰ পৰা বিদায় মাগি গুচি গৈছিল।

আদিত্যই আলহীক চিনি পাইছিল। পুৰুষজন আগতে আদিত্যই পঢ়ি থকা কলেজখনৰ শিক্ষক, আৰু অলিৰ দেউতাক আছিল। আৰু মহিলাগৰাকী নিশ্চয় অলিৰ মাক। সেই কাৰণে আদিত্যৰ নিজকে লাজ লাগিছিল।

পিছে কিয় আহিবলগীয়া হ'ল অলিৰ মাক-দেউতাক...।

চহৰৰ পৰা অলিৰ মাক দেউতাক গাঁৱৰ আদিত্যৰ ঘৰলৈ যেনে ধৰণৰ আশা লৈ আহিছিল সেই সকলোবোৰ বিফলে যোৱাৰ দৰে হ'ল। কিয়নো অলিৰ বিয়াৰ উপযুক্ত সময় হোৱাৰ বাবে মাক-দেউতাকক ভাবিবলৈ চিন্তা কৰাইছিল। সেইবাবে অলিক সুধিছিল মাকে আদিত্য শইকীয়াৰ কথা আৰু অলিয়েও আদিত্য শইকীয়াৰ বাহিৰে অন্য পুৰুষৰ সৈতে বিয়াত নবহো বুলি মাক-দেউতাকৰ আগত স্পষ্টভাৱে প্ৰকাশ কৰিছিল। সেয়ে অলিৰ মাক-দেউতাকে আদিত্য শইকীয়াৰ পৰিচয় লৈ আহিছিল আদিত্যৰ গাঁৱৰ ঘৰলৈ।

আদিত্য হঁতৰ ঘৰৰ পৰা গৈ অলিৰ দেউতাকে অলিক এটা পূৰ্ণহতীয়া চৰ সোধাই ধমক দি কৈছিল 'সেই গাঁৱৰ ওকখা পঁজা ঘৰটো চাবলৈয়ে আমাক পঠিয়াইছিলা, যাৰ ঘৰত বাহিৰলৈ এখন চোফা নাই, মাক দেউতাকৰ কোনো চাকৰি নাই, সেইখন ঘৰৰ ল'ৰাৰ লগত তুমি সম্বন্ধ স্থাপন কৰি মোৰ নাক-কাণ কাটিবলৈ বিচাৰিছিলা, মই কথা দিলো তোমাৰ বিয়া কেতিয়াও আদিত্যৰ লগত হব নোৱাৰে, - বিয়া হ'ব তোমাৰ বাস্তৱৰ লগত।

বাস্তৱ কোন..? চহৰৰ এজন সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা বাস্তৱ, আৰু দেউতাক দেশৰ ৰাজনীতিৰ লগত জড়িত এজন গণ্য-মান্য ব্যক্তি। আগতে বাস্তৱে অলিহঁতে পঢ়া কলেজখনত একে ক্লাচতে পঢ়িছিল। কিন্তু অলিয়ে তাৰ স'তে বিয়া হোৱাটো সপোনতো ভবা নাছিল। কাৰণ বাস্তৱ আছিল 'মদাহী' নামে খ্যাতি অৰ্জা এক পৰিচয়, আৰু সিহঁতৰ ঘৰখনো আছিল সেই পৰিৱেশৰেই। যিখন ঘৰত বাপেক পুতেক চিন নোহোৱাকৈ মদৰ আদ্দা বহে, সেই খন ঘৰত অলিৰ দৰে এজনী সৰল ছোৱালীয়ে কেনেকৈ বোৱাৰী হৈ থাকিব আৰু অলিৰ দেউতাকৰ দৰে এজন শিক্ষকৰ মান সন্মান থাকিব ক'ত? তথাপিও মাক দেউতাকৰ কথামতেই বাস্তৱৰ লগত বিয়াৰ কথা বতৰা চলিছিল আৰু দেউতাকৰ কঠোৰ শাসনত পৰি পাহৰি পেলাবলৈ চেষ্টা কৰিছিল আদিত্যক।

বহু দিনৰ মূৰত আদিত্য টাউনৰফালে ওলাই আহিছিল। গাড়ী পৰা নামি দুখোজমান আগবাঢ়ি যাওঁতেই এখন মটৰচাইকেলত কাষত দেখা পাইছিল অলিক। তাইক দেখা মাত্ৰেই আদিত্যই অলিৰ কাষ চাপি সুধিছিল-

ঃ অলি তোমাৰ ভালনে?

কথাষাৰ শুনা মাত্ৰেই অলি একেবাৰে অগ্নিশৰ্মা হৈ ক'লে

ঃ মোৰ ভাল বেয়াৰ খবৰ ল'বলৈ তুমি কোন?

ঃ মই আদিত্য।

ঃ অ' সেই গাঁৱৰ ভতুৱাটো।- ভেঙুচালি কৰি অলিয়ে ক'লে।

ঃ কি তুমি পাহৰি গ'লা নেকি অলি, এই ভটুৱাটোকেই যে এদিন তুমি প্ৰেম নিবেদন কৰিছিলা। - আদিত্যই খঙেৰে তাইক ক'লে।

ঃ আই এম ছৰি। এদিন মই তোমাক কোৱা নাছিলো জানো যে মোৰ প্ৰেমৰ বাবে তুমি জগৰীয়া হব নালাগে, জগৰীয়া মইহে, তুমি নাজানা আজিকালি ধন টকা পইচাৰহে প্ৰেম কিনিবলৈ পায়, নহ'লেনো মোৰ দেউতাৰ দৰে এজন শিক্ষকে টকাৰ পইচাৰ লোভত পৰি তোমাৰ মোৰ মাজত থকা সঁচা প্ৰেমক কিয় বঞ্চিত কৰিলে।

ঃ তেন্তে তুমি আগতে মোৰ সৈতে প্ৰেমৰ অভিনয়হে কৰিছিলা। আজিৰ পৰা ধন টকা পইচাৰে প্ৰেম কিনি ফুৰিবা, তেতিয়াই তুমি সুখী হবা, আৰু মইয়ো ইয়াকে বাঞ্চা কৰো, থেংক ইউ, গুড বাই- বুলি কৈ গুচি গৈছিল অলিৰ কাষৰ পৰা।

বহু দেৰিৰ পৰা বাট চাই থকা পিয়নটোৱে আদিত্যৰ কাৰণে ৰখি আছিল এখন চিঠি দিবৰ বাবে। খৰখেদাকৈ অহা আদিত্যক পিয়নটোৱে চিঠিখন দি গুচি গ'ল। খামটোলৈ চাই আদিত্যৰ মনটো ভাল লাগি গ'ল। একেবাৰে শেষত দিয়া ৰেলফাৰ ইণ্টাৰভিউৰ চাকৰিৰ এপইন্টমেণ্ট লেটাৰ। চাৰে দহ হাজাৰ টকাৰ দৰমহাৰে আৰম্ভ হ'ব তাৰ চাকৰি চহৰত থকা এটা অফিচত।

চাকৰিত জইন হোৱাৰে পৰা তাৰ ঘৰখনো সলনি হৈ গ'ল। কেচা ঘৰৰ ঠাইত পকা ঘৰ সাজি, কাঠৰ চকীৰ ঠাইত চোফা আনি সুন্দৰকৈ সজাইছিল আদিত্যৰ ঘৰখন। কিন্তু সিদিনা তাৰ হঠাতে মনত পৰি গ'ল দেউতাকে কোৱা কথাষাৰলৈ- "আদিত্য তই যেন তেন কৰি চাকৰি এটা যোগাৰ কৰি তোৰ সংসাৰখন পাতিবলৈ চেষ্টা কৰ। সেই যেন কথাটোৱে তাক মনৰ স্মৃতিত বাৰুকৈ খুন্দা দি আছিল। সিদিনা ৰাতি এঘাৰ বজাৰ পৰ্যন্ত তাৰ টোপনি ধৰা নাছিল তাৰ বিয়াৰ কথা চিন্তা কৰি।

বিয়া! আৰু পোন্ধৰ দিন পাছত একে অফিচত চাকৰি কৰা এজনী যুৱতীৰ সৈতে তাৰ বিয়া। বিয়াত উৰুলি দিব, এই উৰুলি তাৰ বাবে কিমান সু সময় হ'ব পাৰে আৰু পাৰ হৈ অহা জীৱনৰ এটা স্তৰ তাৰ বাবে কিমান দুঃসময় হ'ব পাৰে।

*(বিঃদ্রঃ- এই গল্পটো হাইস্কুলীয়া পৰ্যায়তে লিখা মোৰ এটা দীঘলীয়া গল্প। যিহেতু 'সোণালী' পাতত প্ৰকাশৰ বাবেই গল্পটো যথেষ্ট চমু কৰা হল।)*



ব্যংগ ৰচনা

ত্ৰিভুৱন গগৈ
অসমীয়া বিভাগ

এক মিনিটৰ গল্প

# ভট্-ভটি



মলৌৰ পুতেক ফিতৌ হায়াৰ ছেকেণ্ডাৰী প্ৰথম বৰ্ষৰ ছাত্ৰ। কলেজত প্ৰথম সপ্তাহ; কলেজৰ হাউৱা বাৰুকৈয়ে লাগিছে। এই কথা তাৰ ৰচক-পচক, চাল-চলন, খোজ-কাটলত আনৰ চকুত নপৰাকৈ থকা নাই। বাৰে বাৰে ফেইল কৰিলেও এইবাৰ যে টানি টুনি পাছ কৰি কলেজত ভৰিটো থৈছেহি এই কথা যাতে প্ৰকাশ নাপায় তাক লৈ ফিতৌ সদায় সচেতন। অৱশ্যে বিকল্প হিচাপে আন উপায়ো অৱলম্বন নকৰাকৈ থকা নাই। কথাই কথাই ইংৰাজী, হিন্দী শব্দ বিমিক্স কৰি ব্যৱহাৰ কৰে। তাৰো যে কলেজত পঢ়াৰ 'অকাদ' আছে এই কথা লৈ গংগাটোপৰ দৰে অনবৰতে বুকু ফিন্দাই ফুৰে। পকেটত লৈ ফুৰে পাঁচশ টকাৰ নোট। তাৰ লগৰবোৰে তাৰ জহতে দবনি পিটি খায়। লগৰবোৰে বাহঃ বাহঃ দিয়ে। ফিতৌৰ দৰে মালদাৰ ল'ৰা থাকিলে 'নৌ টেনচন'।

তাৰ দাবী দেউতাকে তাক এখন 'বাইক' লৈ দিব লাগে। কাৰণ দস্তোৰমত সি এতিয়া কলেজত পঢ়ে। এইদৰে সদায় গ্ৰাম্যটেক্সীত বাদুলী ওলমাৰ দৰে ওলমি যাব নোৱাৰে।

'হেৰৌ বাঘৰ নলী চোবোৱাটো ক'ৰবাৰ। এই ছবিঘা মাটিত খেতি কৰি ঘৰখন চলাই তোক কলেজত পঢ়াইছোঁ, তোক কেনেকৈ এখন বাইক লৈ দিওঁহে।'- প্ৰত্যোত্তৰত দেউতাকে কয়।

লগে লগে ফিতৌৰ খং হিমালয় পৰ্বত বগাই শৃংগত উঠেগৈ। দেউতাকৰ কথাত বাইকখন নোপোৱাত সিফালে আকৌ তাৰ গাৰ্লফ্ৰেণ্ড সুনীতালৈ মনত পৰাৰ লগে লগে সি ক্ৰমাৎ ৰোমান্তিক হৈ পৰে। ফুলি থকা বুকুখনত জমা হৈ পৰে

বৰফ গলা পানী।

মনত জুমুৰি ধৰা এনেবোৰ চিন্তাই তাক খুলি খুলি খাইছে, পেটলৈ ভাত নোযোৱা হৈছে। কাণৰ পৰ্দাত এই বাক্যশাৰী শুনাৰ লগে লগেহে সি সচকিত হৈ পৰে। 'ঐ জহনিত যোৱা। তোৰ ভাতৰ চকিদাৰ হৈ থাকিম নেকি মই?"

অৱশ্যে বহুত দিন নেৰানেপেৰাকৈ বাপেকক কুটুৰি কুটুৰি ধাৰে-ঋণে এখন বাইক ল'বলৈ মান্তি হ'ল। পিছে ছেকেণ্ডহেণ্ড। কোনো কথা নাই কিয়নো সুনীতাই এইবাৰ তাৰ বাইকৰ বেকচিট শুৱনি কৰিবই। দুয়োটা উৰি যাব বতাহৰ দৰে হুঁ-হুঁৱাই বৰদৈচিলা ধাবালৈ।

কালি কলেজত সুনীতাই তাক লগ পাই সুধিছিল।

- তুমি বাইক ল'বা?

- অ' ল'ম।

- কি বাইক ল'বা কৰিশ্মা- নে পালচাৰ্ । ৰংটো একেবাৰে ৰঙা ল'বা দেই।

- তেনেকুৱা নহয়। চেকেণ্ডহেণ্ড 'ৰাজদূত' লম - সি লাহেকৈ ক'লে।

- কি ?????

ৰাজদূতৰ মাততকৈ ডাঙৰকৈ ওলোৱা তাইৰ কি বুলি শব্দটোৱে তাৰ গোটেই ৰোমান্তিক কামনা-বাসনা চুৰমাৰ কৰি মেজাজ বেয়া কৰি দিলে। সিযে তাইক কিমান ভাল পাইছিল। তাই আকৌ এইখনহে কৰিলে।

সিফালে তাৰ লগৰ ৰাজাই সুনীতাক সদায় ৰঙা কৰিশ্মাত উঠাই দৌৰাবলৈ ধৰিলে। তাৰ যেন ..... সি ভাবিলে ৰাজক সি এশিকনি দিব।

পিছে বিধিৰ কি বিপাক। সিদিনা ৰাজাহঁতে বৰদৈচিলা ধাবাত কিবা পাৰ্টী কৰি আছিল। সি আৰু তাৰ নাইপীয়া পাৰ্টনাৰটো তাত দেখি গুটেইমখা কঁদুবাহৰ দৰে জাঙোৰ খাই উঠিল। সিহঁতক মাৰিবলৈ দুটিমানে চোঁচাও ল'লে। ফলত সিহঁতে সহায় ল'লে সাৰথি ৰাজদূতৰ। কি অপূৰ্ব দৃশ্য আগে আগে ৰাজদূতৰ ভট্ ভটনি, পিছে পিছে কদু ববলৰ সো-সোৱনি। ৰাজদূতে স্পীড সহিব নোৱাৰি ৰাস্তাৰ কাযত ঘোঁৰা বাগৰ দিলে। ফলত সিহঁত হ'ল খালৰ চেঙেলি মাছ আৰু বাকীমখাই পাৰত বহি বৰশী টোপালে।

গুটেইমখা ধাবালৈ বুলি পুনৰ উভতনি সোঁত কোবালে। আচৰিত কথা ৰাজা আৰু সুনীতা বাইক ঠেলাত ব্যস্ত। সকলোৱে চকু কঁপালত উঠিল। আজিতো ৰাজাৰ 'গাৰ্লফ্ৰেণ্ডৰ' বাৰ্থদে আৰু এইয়া কি .......?

ঃ ৰাজা?

বন্ধুহঁত মই দুষিত। আচলতে মোৰ দেউতাই ইমান টকা গোটাই থোৱা নাই যে মই সদায় কৰিশ্মা দৌৰাম সুনীতাৰ বাৰ্থদে পাতিব পাৰিম। এতিয়া খৰছ কৰা টকাকেইটা ক'ৰ জাননে? যোৱা মাহত দেউতাই পোৱা পেঞ্চনৰ টকা। মায়ে মোক দিছিল এতিয়া ধাবাত সৱ দিয়ে আহিলোঁ। সুনীতাৰ কথালৈয়ে এইখন লৈছিলোঁ। এতিয়া তেল শেষ হ'ল। সেয়ে মই ঠেলিছোঁ আৰু পাছে, পাছে সুনীতা।

সুনীতাই মাথোঁ ভেৱা লাগি চাই ৰ'ল। মনত এটি প্ৰশ্ন মই কেতিয়াৰ পৰা আনক শুহি খোৱা বিধৰ হলোঁ বাৰু?

## Nick Names of Indian Places :

| | | | |
|---|---|---|---|
| i) | Golden City | — | Amritsor |
| ii) | Manchester of India | — | Ahmedabad |
| iii) | Sorrow of Bihar | — | Kosi river |
| iv) | Switzerland of India | — | Kashmir |
| v) | Deccan Queen | — | Pune |
| vi) | Heaven of India | — | Jammu & Kashmir |
| vii) | Gateway of India | — | Mumbai |
| viii) | Space City | — | Bangaluru |
| ix) | Garden City of India | — | Bangaluru |
| x) | City of Building | — | Kolkata |



নাটক

# শেষ নিশাৰ অতিথি

নাট্যকাৰঃ ৰীতা দত্ত
প্ৰৱক্তা, সোণাৰি মহাবিদ্যালয়



চৰিত্ৰসমূহঃ মনা
জিনা
উপলা
মনিট্ৰেচ (মনি)
ৰিমঝিম
ৱাৰ্ডেন

(মঞ্চত কেইখনমান প্লাষ্টিকৰ চকী থাকিব। ছাত্ৰী নিবাসৰ বাৰান্দাৰ বেৰত ওলমি থাকিব এখন পুৰণি প্ৰাচীৰ পত্ৰিকাঃ 'কিৰণ')

মনাঃ (ফোন এটা টিপি থাকিব অলপ সময়। নিজে নিজে ফাক্ ফাক কৈ হাঁহিব, পুনৰ SMS লিখাৰ দৰে কৰি থাকিব, অলপ অলপ হাঁহিও থাকিব, কাৰোবাক মাতোঁ মাতোঁকৈ ইফালে-সিফালেও দুই এবাৰ চাব। তথাপি ফোনটোতে একাত্ম হৈ থকা দেখি জিনাই মনে মনে আহি পিছফালে ঠিক কাণৰ কাষতে চিঞঁৰিব)

জিনাঃ কিনো পিটিকি থাক' অ' সেইডাল? (মনাই উচপ্ খাই উভটি চায়) পাগল তই নে উপলা?

মনাঃ (হাঁহি হাঁহি চকীৰ পৰা উঠে আৰু কয়) পাগল? পাগল নহৈ পাৰিবি? শশাংক যে, শশাংক, সেই যে থাৰ্ড য়েইৰৰ ক'লা-ওখকৈ -এ-চুলিবোৰ যে থিয় থিয়, কাণফুলি পিন্ধে যে-

জিনাঃ উফ্ হ'ল কি তাকে ক'চোন?

মনাঃ মেছেজ, মেছেজ দিছে (হাঁহে)

জিনাঃ কি লিখিছে- চাওঁ?

মনাঃ লিখিছে Who was Mahatma Gandhi?

জিনাঃ অ'- পিছে? উত্তৰ তই দিছ?

**মনাঃ** নাঃ, সিয়েই দিছে (হাঃ হাঃ হাঃ কৈ হাঁহে আৰু কয়) Mahatma Gandhi was a shirtless hero (দুয়োজনীয়ে হাঁহি হাঁহি পেটত ধৰে)

**জিনাঃ** মানে - মানে পাগল ৩ টা? শশাংক - মেছেজ দিয়া পাগল, তই, অকলে অকলে সেইবোৰকে পঢ়ি হাঁহি থকা পাগল আৰু উপলা সঁচাসঁচিকৈ পাগল।

**মনাঃ** (গহীন হৈ) বাৰে বাৰে উপলাৰ প্ৰসংগ ওলিয়াইছ' যে? তাইৰ কিবা হৈছে? নে তাই কিবা অদ্ভুত আচৰণ পুনৰ আৰম্ভ কৰিছে? (জিনাৰ গাতে হাত দি সোধে)

**জিনাঃ** মই তোৰ ওচৰলৈ আহোঁতে তাইক পাগঘৰতে বহি লৈ কান্দি থকা দেখিছিলোঁ।

**মনাঃ** ওচৰলৈ নগ'লি? নুসুধিলি একো?

**জিনাঃ** কোনোবা এজনীয়ে চিঞঁৰি দিলে, ময়ো সেইফালে গৈ তাইৰ কথা পাহৰিয়েই থাকিলোঁ।

**মনাঃ** (হাত দুখন মোহাৰি) তয়ো যে আৰু!

**জিনাঃ** বাৰু বাদ দে? আজি দেওবাৰ ভাবিলোঁ - বোলোঁ আজি চুলিত হেনাকে কৰোঁ। ওলালহি নহয়, আপদীয়াসোপা। হেঁ? আজিহে আহিবলৈ পালিহঁক? (বাহিৰলৈ ডিঙি মেলি চাই চিএঞৰে) ঐ উপলা বাই? চাহ হ'লনে নাই?

**মনাঃ** (চকী এখন টানি আনি বহি বহি কয়) কি খাব? চাহ? অ' তাৰ মানে মহাৰাণী শোৱাৰপৰা উঠি ফোঁ ফোৱাই আমাৰ ফাললৈকে আহিছিলা হব পায়? আহোঁতে ক্ৰন্দনৰতা উপলাবাইৰ হুমুনিয়াহ ভৰা উচুপনি শুনি হংস খোজেৰে নিঃশব্দে আহি আমাৰ পিছফালে থিয় হৈ মোৰ হাস্য বদনা চেহেৰা দেখি হতভম্ব হৈ ফট্কাৰ দৰে ধুম্কৈ উঠিছিলা?

**জিনাঃ** অসমীয়াত মেজৰ নললি কিয়?

**মনাঃ** এয়া কি সখা, ঈৰ্ষা নে ব্যঙ্গবাণ?

**জিনাঃ** লালিত্য এৰ অ' এইজনী! ব'ৰ নকৰিবি। কোন আহিল নুসুধিলি যে?

**মনাঃ** ধৰি ল' মোৰ ফোনলৈ শশাংকৰ মেছেজ অহাদি সংগোপনে তোৰ কোঠাত প্ৰৱেশ কৰিছেহি তোৰ ৰুমমেট- বতাহী- ৰিমঝিমৰ অতিথি?

**জিনাঃ** ঠিকেই অনুমান কৰিছ তই। সিহঁতৰ প্ৰতাপত শয্যা ত্যাগ কৰি তুৰন্তে তোৰ কোঠাত প্ৰবেশ কৰিলোঁহি। অতিথিবোৰো তোৰ দৰে পাগল। সোমায়েই আৰম্ভ কৰিলে তেওঁবিলাকৰ প্ৰেমিকসকলৰ সদ্‌নাম, বদনাম আৰু মেছেজ.....

**মনাঃ** প্লিজ, তাৰে এটাকে শিকাই দে না? শশাংকলৈ পঠিয়াই দিওঁ?

**জিনাঃ** চুৰুনী!

**মনাঃ** অভিনেত্ৰী! টোপনিৰ ভাও জুৰি হ'বলা কাণ টলকা মাৰি শুনি আছিলি?

**জিনাঃ** বিনা প্ৰমাণৰ কথা কোৱা অনুচিত।

**মনাঃ** প্ৰমাণ শীঘ্ৰে নিদিলে তই এই কোঠালি ত্যাগ কৰিবলৈ বাধ্য হ'বি।

**জিনাঃ** হুম্‌কি দিছ? শুন তেন্তে। নহয় লিখি যা-

जब तुम्हे देखने को मन करता है,
तब Missed Call मार देता हूँ।
जब तुम्हे मिलने को मन करता है
तब एक मेचज भेज देता हूँ।
जब तुम्हारें आवाज सुनने को मन करता है
तब एक पत्थर उठाकर कुत्ते को मार देता हूँ।

(দুয়োজনীয়ে হাঁহে- হাঁহি হাঁহি ইজনী সিজনীৰ গাত ঢলি পৰে। ঠিক তেনেতে উপলা বাই কান্দি কান্দি সোমাই আহে)

**উপলাঃ** (চাহ দিয়ে; আঁচলেৰে মুখ মচে। দুয়োজনীৰ হাঁহি বন্ধ হয়। চাহ দি উপলা আঁতৰি যায়। দুয়োজনীয়ে তাই যোৱাৰ ফালে অপলক নেত্ৰে চাই ৰয়। খন্তেক নীৰৱতা। বাঁহীৰ কৰুণ সুৰ বাজি উঠে। ভিতৰৰপৰা ছোৱালীবোৰৰ মাত-কথা-হাঁহি আদি ভাঁহি আহে) মনিট্ৰেছ সোমাই আহে, হাতত এখন কাগজ আৰু এটা কলম।

**মনিট্ৰেছঃ** অ' তহঁত দুয়োজনী ইয়াতেই আছ হ'বলা? অলপ ইটো সিটো কৰ। (চকীত বহে) মানে, আলহীবোৰ বহাৰ ব্যৱস্থাটো ক'ত কৰিলে ভাল হ'ব বাৰু - ক'চোন?

**ম+জিঃ** কিয়? চোতালত?

**মঃ** চোতাল? হেৰ' ক'ত চোতাল দেখিলি? (এনেতে কাপ নিবলৈ উপলাবাই সোমাই আহে। তাই ভালদৰে নুশুনে। মাজে মাজে অকলে অকলে হাঁহেও। চকু দুটি উখহি থকা যেন লাগে কৰুণ)

**উপলাবাইঃ** মই আৰু কি কি কৰিব লাগিব? (কঁকালত ধৰি ধৰি কয়) ইজনীয়ে বোলে চকীবোৰ চাফা কৰ- কৰিলোং। সিজনীয়ে বোলে চোতালখন চাফা কৰ- কৰিলোং, এজনীয়ে ক'লে হট্‌কেচনে চুট্‌কেচটো ধুই দে- দিলোং। শেষেই নহ'ল সেই বতাহী জনীয়ে ধমকিয়েই লগাই দিলে- ঐ কালৰী, ডিচ্‌বোৰ ধুলিনে? কালৰী বুলিলে মই বেয়া পাং বাইদেউ। মই কিবা ঠিক মতে মানে বাৰুকৈ নুশুনোং না? (হঠাতে তাই নাচিবলৈ ধৰে) "মই কিবা গেলা গেলা গোন্ধাংনা? তই কিবা মোকে নো ভাল পাৱ না?"- নাচি নাচি কাপপ্লেটযোৰ লৈ যাবলৈ ধৰে। (তিনিওজনীয়ে হাঁহি হাঁহি শুনিলেহে; কিন্তু এটাও শব্দ নকলে।



পুনৰ আলোচনাত বহিল।)

**মনিট্ৰেছঃ** চোতাল যদি চাফাই কৰা হ'লেই তেন্তে তহঁত দুজনীয়ে তাতেই চকীবোৰ সজাই দে। ৰ'বি (বাহিৰলৈ চাই চিঞঁৰে) পুলিনকাই, পুলিনকাই, পাকঘৰৰ কামবোৰ বৌক দিয়া, তুমি চোতালখনকে অলপ চিকুনাই দিয়াচোন (কৈ কৈ তাইও যায়গৈ)

**মনাঃ** ধেৎ চাল্লা। নোট এসোপাও লিখিবলৈ থাকিল নহয়! (উঠিবলৈ লয়)

**জিনাঃ** আজি বাদ দে সেইবোৰ। পিছে, অতিথিনো কাক কাক নিমন্ত্ৰণ কৰা হ'ল জাননে কিবা?

**মনাঃ** অঁ' কালি শুনিছিলো কৈ থকা, প্ৰিন্সিপাল চাৰ হ'ব মুখ্য অতিথি। বাকী চাৰহঁতকো মাতিছে। বাহিৰা আলহী নাই হ'বলা। চুপাৰ বাইদেউ থাকিবই (জিনালৈ অৰ্থপূৰ্ণভাৱে চায়)

**জিনাঃ** বয়জ হোষ্টেলৰ ল'ৰাবোৰ নেমাতে?

**মনাঃ** হাঃ হাঃ হাঃ ৰহস্য ইজ ডিক্লাৰ।

**জিনাঃ** যাঃ (মাৰিবলৈ হাত দাঙে)।

**মনাঃ** সত্যৰ সদায় জয়। ল'ৰাবোৰক যদি নিমন্ত্ৰণ কৰা নহয় (উকিলৰ দৰে) ইয়'ৰ অ'নাৰ - গেম্‌টো নজমিব যেন লাগে। ইয়'ৰ অ'নাৰ- অন্যথা পচি যোৱা বেৰৰ জলঙাইদি তেওঁলোকে জুমি চাই ১৪৪ ধাৰাত গৈ কাৰাগাৰৰ ভাত খাবগৈ লাগিব।

**জিনাঃ** হ'ব হ'ব থ। উকিল নেদেখুৱাবি, ব'ল যাওঁ, বাকীবোৰে ক'ত কি- কৰিছে চাওগৈ (যাবলৈ ধৰে। তেনেতে মনিট্ৰেছ সোমাই আহি সিহঁতলৈ চাই কয়)

**মনিঃ** সৌখিনিতে টেবুলখন থাকিব। তাতে বাইদেৱে কেক্ কাটিব। পেকেট লাঞ্চকে কৰা হৈছে। মাজৰাতি সকলোৱে খাবলৈ ইচ্ছা নকৰিবও পাৰে, তেতিয়া লৈ যাব পাৰিব। পেপাৰ প্লেট, গ্লাচ আদি ইয়াতেই সজাই থবি। একাপ চাহ ভাল লাগিব। (সিফালৰ পৰা ৰিম্‌ঝিম্ আৰু বৰ্ণালী দৌৰি সোমাই আহে। এজনী লুটিখাই পৰে, আনজনীয়ে চকী এখনত ধৰি কথম্‌পি ৰয়)

**সকলোৱেঃ** কি হ'ল তহঁতৰ?

**ৰি+বঃ** ফোন আহিছে (ফোঁপাই ফোঁপাই কয়)

**সঃ** তাতে কি হ'ল?

**ৰি+বঃ** কৈছে, কৈছে বোলে (ইফালে সিফালে চাই কোনেও নুশুনাকৈ কিন্তু দৰ্শকে শুনাকৈ কয়) ৰাতি ১২ বজাত আমাৰ হোষ্টেললৈ কোনোবা আহিব (কঁপে)।

**সঃ** কি???

**ৰিঃ** বৰ ভয় লাগিছে অ?

**মনিঃ** বাইদেউক কথাটো জনাব লাগিব। ৰ' চোন, ৰ। চাওঁচোন ফোনটো দে (হাত পাতে। বৰ্ণালীয়ে দিয়ে) নাম্বাৰটো চাওঁ? (সকলোৱে ডিঙি মেলি মেলি চায়) P.C.O. ৰ নাম্বাৰ যেন লাগিছে.... (মনত পৰাৰ দৰে হঠাতে কয়) ল'ৰাৰ নে ছোৱালীৰ মাত?

**ৰিঃ** ধেৎ ল'ৰাৰ মাত শুনিও মই নাৰ্ভাচ কৰিব লাগেনে?

**মনিঃ** তোৰ মূৰটো। (উপলা বাইও হাতত ডাং এডাল লৈ সোমাই আহে। শেষৰ শব্দটো আধা শুনা-নুশুনাকৈয়েই কয়)

**উপলাবাইঃ** মই ঠিকেই ভাবিছিলোং। চোৰটো-। ক'ত সোমালে? সি কুকুৰে ছোৱালী হোষ্টেলত সোমায়? (মেখেলা খুচি মাৰিবলৈ সাজু হয়)

**মনিঃ** চোৰ নহয় অ'? কিন্তু ডাং ডাল কেলেই বাৰু (বিৰক্ত হৈ কয়)

**উঃ** গৰু? গ'লিনে (খেদে)

**ম+জিঃ** হুলস্থুলখন নকৰিবিচোন। একো হোৱা নাই।

**উঃ** স্কুল? (আকৌ খেদে। কৈ কৈ যায়) ইমানদিনে ইয়াতে থাকিও কলেজ চিনি নেপালি না? স্কুল বিচাৰি আহিছ, চাল্লা- জহনিত যোৱাহঁত (যায়গৈ। পুনৰ আনফালেদি সোমাই আহে) তহিলং কৰিলে ঐ বাইদেউ, তহিলং কৰিছে। ইমান কষ্টেৰে ৰান্ধিলোং, ডাইলৰ কেৰাহীখনতে গৰুৱে মুখখন ভৰাই দিলে (কান্দিব ধৰে। বহি বহি মূৰত চপৰিয়াই কয়) কিমান ক'লোঁ বোলোঁ ভগা চকোৱাখন নতুনকৈ বনাই দিয়ক- চাৰে নুশুনিলে। ভ্ৰাম্যমান থিয়েটাৰৰ দৰে পাকঘৰটো আজি এঠাইত, কালিলৈ আন এঠাইত বহুৱাই দিলেহে হয়না? আৰু, সৌ - পুলিনৰ ন- ছোৱালীজনীয়ে তাৰ লগত চুপতি মাৰি নথকা হ'লে গৰু পাগঘৰত সোমাবলৈ পায়না? মই ৰান্ধনিজনী থাকোঁতে তাইক কিয় আকৌ (appointment) এপয়না দিলে? থিয়েটাৰতহে এনেকে নয়ননীলিম গুছি গ'লে ৰবি শৰ্মা আহে..... (কৈ কৈ যায়গৈ। সকলোৱে খন্তেকৰ বাবে ভয় পাহৰি হাঁহি উঠে)

**মনিট্ৰেছঃ** (হাত ঘড়ীলৈ চাই) বাৰু, বাৰু। সময় এতিয়া সন্ধ্যা ৭ বাজোঁ বাজোঁ। মনা, তই আলহী অহাৰ লগে লগে হাতত চফ্‌ৰ বটালৈ আগবাঢ়ি যাবি।

**ৰিম্‌ঝিম্‌ঃ** গান - নাচ কিবা হ'বনে? (ৱাৰ্ডেন সোমাই আহে)

**ৱাৰ্ডেনঃ** হ'ব হ'ব, কিয় নহ'ব? তোমালোকে নৃত্যৰ আখৰাও কৰিব লাগিব নহয়, খৰধৰ কৰা। চাবা, যাতে হিন্দী নাচ নোলোৱা। মাত্ৰ ৫ মিনিটৰ বাবে নাচিবা। মই ঠিক দহ বজাত পুনৰ আহিম। সকলোৱে কামত লাগাহঁক (যায়গৈ) (সকলোৱে টেপত বিহু এটা বজাই নাচটো প্ৰেক্‌টিছ কৰে। উপলাও আহি নাচিবলৈ ধৰে)

**জিনাঃ** গামোচা নেলাগিবনে? (উপলাই শুনে)

**উপলাঃ** (তেল-হালধী লগা গামোচাখন দি কয়) এইখনে হ'বনা?

(সকলোৱে হাঁহে)

**সঃ** ভূতৰ ওপৰতে দানহ।

**উঃ** সান্দহ? সান্দহ ক'ত পাম?

**সঃ** (পুনৰ হাঁহে) (সেমেনাসেমেনি কৰি উপলা যায়গৈ)

**মনিঃ** চেহ্ ৰ' চোন ৰ'। (টেপ বন্ধ কৰে)

**সঃ** কি হ'ল?

**মঃ** ফোনটোৰ কথা বাইদেউক কোৱাই নহ'ল নহয়? মই যাওঁ দে। তহঁতে কামবোৰ চম্ভাল। (যাবলৈ লয়, তেনেতে ৱাৰ্ডেন উধাতু খায় সোমাই আহে। প্ৰচণ্ড খুন্দা খায়। চ'ৰি মেম্। মেমে নুশুনে, কৈ যায়)

**ৱাৰ্ডেনঃ** সকলো কাষ চাপি আহাচোন। এটা সমস্যা হৈছে। (বহিবলৈ চকী এখন দিয়ে)

**জিনাঃ** আকৌ উপলাবাই কান্দিছে নেকি? (সকলোৱে কাণ পাতে) হয় কান্দিছে। মেম্ তেওঁৰ কি হয় মাজে মাজে?

**ৱাৰ্ডেনঃ** সেয়া ক'ম বাৰু। এতিয়া আন এটাহে সমস্যা হৈছে। (উঠে) এটা অনামী ফোন আহিছে। কোনোৱা হেনো ৰাতি ১২ বজাত হোষ্টেলত সোমাবহি। মই ইতিমধ্যে প্ৰিন্সিপাল চাৰলৈ ফোন কৰিছোঁ। তেখেতেও থানাত Inform কৰিছেই। গতিকে, এতিয়া প্ৰথমতে পুলিচ তথা চি.আৰ.পি.এফৰ জোৱানে হোষ্টেল ঘেৰাও কৰিবহি। তোমালোকে গীত-মাত হৈ হাল্লা বন্ধ কৰা। দুৱাৰ-খিড়িকী তথা বিচনাৰ তল তথা বাথৰূম আদি চেক্ কৰা। (দুই এজনীকৈ গৈ থাকে) এতিয়া ১২ বাজিবলৈ মাত্ৰ ১০ মিনিট বাকী, আলহীবোৰ অহাৰ সময় হৈছে। (তেনেতে গাড়ীৰ হৰ্ণ শুনা যায়) সৌৱা আৰক্ষী পালেহিয়েই। (ভিতৰলৈ যোৱা কেইজনীয়ে হাতত টৰ্চ, লাঠি আদি লৈ আহি থুপ খায়হি। ৱাৰ্ডেন আঁতৰি যায়)

**সঃ** মৰ্ এতিয়া (কঁপে) ইজনীয়ে সিজনীক ধৰি থাকহঁক।

**জিনাঃ** মনিট্ৰেছ, প্ৰাৰ্থনা এটাকে গাওঁ নেকি?

**মনিঃ** গা- গা- পাৰ যদি গা-

**মনাঃ** এশাৰীও মনত নাই-

**ৰিঃ** মই পিছে পিছে গাম-

**ৱাঃ** মই সেৱাহে কৰিম-

(সকলোৱে আঁঠু কাঢ়ি বহে। অগাপিছাকৈ সকলোৱে 'মুক্তিত নিষ্পৃহ যিটো' গাবলৈ ধৰে। উপলা আউলি-বাউলি হৈ শুধ বগা সাজ পিন্ধি সোমাই আহে আৰু কান্দিবলৈ ধৰে........)

**উপলাঃ** এনেকৈয়ে, এনেকৈয়ে- এদিন মোৰ ল'ৰাটো হেৰাই গৈছিল। সিহঁতে (সৌঁতি) মাৰি পেলাইছিল। বন্দুকে খুন্দিয়াই খুন্দিয়াই (বুকু চপৰিয়াই কান্দে) মাৰিছিল। সকলোৱে ওঁঠত আঙুলি দি কন্দা বন্ধ কৰিবলৈ কয়, কিন্তু তাই নুশুনে, নুবুজে। ইহঁতে (মানুহলৈ চাই) মোৰ ছোৱালীজনীৰো সতীত্ব শেষ কৰি দিলে। (অলপ ৰৈ ল'ৰাহঁত শুন। (দৰ্শকলৈ (চায়)। তহঁতে বিপথে নেযাবি ঐ নেযাবি। (চিঞৰে) মোক দেখিছনে নাই? মই কিমান নিঃসহায়! বুকু শুদা কৰিবলে, (শিৰৰ) মাথাৰ সেন্দুৰ মচিবলে, তহঁত আৰু নেযাবি (বহি লৈ মাটিত ঢকিয়াই ঢকিয়াই কান্দে। পুনৰ উঠে) আহক আজি কোন আহে। মই ওলাই যাম। বাইদেউহঁত তোমালোক নোলাবা। মই গুলী বুকুপাতি ল'ম-মই - হাঃ হাঃ হাঃ হাঃ (হাঁহে, অট্টহাস্য কৰে, ঘড়ীত ১২ বজাৰ সংকেত বাজে, বম্ব ফুটে উপলাই উচপ্ খাই চিঞৰি উঠে- হেপে না য়াৰ, (Happy New Year) সকলোৱে বিশেষ বিশেষ ভংগীৰে ৰৈ যায়। ফোনৰ ৰিংট'ন শুনা যায়। ইজনীয়ে সিজনীক হেপ্পি নিউ য়েৰ জনায়, হাত মিলায়, চেইম টু ইউ' কৈ থাকে আৰু ৱাৰ্ডেনে কেক্ কাটে। তেওঁ আধা কটাকৈয়ে ফোনটো ৰিচিভ কৰে আৰু কয়-

**ৱাৰ্ডেনঃ** এইমাত্ৰ পুনৰ এটি ফোন আহিছে। বাহিৰত উপলাৰ বাবে ৰৈ আছে তেওঁৰ হেৰুৱা, পুত্ৰ জয়। যাক হেৰুৱাই তাই পাগলী হৈ গ'ল....... ব'লাহঁক তেওঁক উপলাৰ বুকুত সোমোৱাই দিওঁ (যাবলৈ ধৰে) (কৰণ এটি সুৰ বাজি থাকে। মঞ্চত জিনা আৰু মনা ৰৈ যায়। বাকীবোৰ যায়গৈ)

হঠাৎ জিনাই চিঞৰি উঠে-

**জিনাঃ** মনা, মনা - (হাঁহিবলৈ ধৰে) চাহি চাহি - শশাংকৰ মেছেজ-

**মনাঃ** কি লিখিছে, কি লিখিছে- চিঞৰি চিঞৰি গা- চোন-

**জিঃ** লিখিছে (হাঁহে) কান্দা, কান্দা সকলোৱে কান্দা, আনন্দত কান্দা, বিষাদতো কান্দা (পুনৰ হাঁহিবলৈ ধৰে), কাৰণ জমা পানীত -

**মনাঃ** কি? জমা পানীত কি?

**জিনাঃ** মেলেৰীয়াই (হাঁহে)

**মনাঃ** মেলেৰীয়াই? কি হ'ল?

**দুয়োঃ** জমা পানীত মেলেৰীয়াই কণী পাৰে- (বিশেষ ভঙ্গীত ৰৈ যায়, পট পৰে)





# কবিতা শিতান

## কাঁচিয়লি

"বুকুৰ ববচাৰ জটৰা ফালি
কোনে কৰে সময়ৰ বিলাসী খৰচ!
কৌপাটতে থাপি যায় ভাবনাৰ ৰঙীন অভিমান
বতাহৰ ডাকতে আহে নেকি
কবিৰ শব্দৰ ঢৌ!
নে জুই লগা আঙঠাই সাজে কবিতাৰ দেহ!
নে জোনাক অন্ধকাৰত ভাহি আহে
কবিতাৰ অস্থিৰ যাতনা!"

— দীপিকা শইকীয়া

এটা ডাঙৰ প্ৰশ্ন ক'ত বাৰু কবিৰ এই প্ৰসৱ যাতনা, কবিয়ে বাৰু কেনেকৈ পিন্ধাই এই কবিতাৰ সাজ ? চেণ্ট আগষ্টিনৰ ভাষাত- যাৰ বিষয়ে নুসুধিলে বহুত কিবা কব পাৰি অথচ সুধিলে একো ক'ব নোৱাৰি। কবিতাৰ আঁহ বিচাৰিলে পাওঁ - কবিতা মানৱ হৃদয়ৰ গভীৰ বেদনা বোধৰ উৎসই সৃষ্টি কৰা এক কলাত্মক প্ৰকাশ আৰু অনুভূতিৰ উতলা হৃদয়ত অনুভূতিৰ তীব্ৰতাতেই জন্ম হয় কবিতাৰ। কবিতাৰ অসীম শক্তিৰে প্ৰকাশ কৰে মানৱ আত্মাৰ আহেঁ আহেঁ জড়িত থকা চিৰন্তন সত্য আৰু কবিয়ে সেই সত্যৰ সোঁতত জগতৰ আগত প্ৰকাশ কৰিব বিচাৰে হৃদয়ত দোলা দি থকা বিশেষ অনুভূতি, অন্তৰাত্মাৰ স্তুপীকৃত আৱেগ, অনুৰাগ। ই বাহ্যিক জগতৰ পৰা মনৰ কৌশলেৰে বস্তুৰ ফটোগ্ৰাফ কৰি তোলা ফটো নহয়।

কবিৰ ভাষাত কবিতা—

"কবিৰ হৃদয়ৰ মৃত্যুঞ্জয় ঘা
ঘাবোৰ কবিতা
কবিতাবোৰ আশা
আশাবোৰ জীৱন।"

আৰু সেইয়ে "এসাগৰ চাকনৈয়াত ঘুৰি ফুৰে" কবিৰ হৃদয়। "হৃদয়ত চকুযোৰ বান্ধি কবিৰ যাত্ৰা"। কবিবোৰ এনেকৈয়ে উপস্থিত হয়গৈ এক সাৰুৱা উপকূলত আৰু সেই উপকূলৰ পৰাই আৰম্ভ হয় হৃদয়ৰ পৰা হৃদয়লৈ এডাল চিন-অচিন সাঁকোৰে হৃদয়ৰ পাৰ বাগৰি উপচি পৰা শব্দৰ সমদল।

আৰু এনেকৈয়ে কবিৰ ভাষাত কবিবোৰ হৈ পৰে-

কবি ফুলতকৈয়ো
পাহাৰ আৰু নিজৰাতকৈয়ো
শিশুৰ চকুযোৰতকৈয়ো
জোন আৰু প্ৰস্ফুটিত নাৰীতকৈয়ো সুন্দৰ।
তেওঁ নিৰ্মেঘ আকাশৰ দৰে নীলা
অন্ধকাৰৰ দৰে গভীৰ জোস্নাৰ দৰে
কোমল
তেওঁ পানী আৰু স্বপ্নৰ দৰে বৰ্ণহীন।





# বসন্তৰ স্কেচ

**প্ৰিয়ংকা চেতিয়া ফুকন**
ৰাজনীতি বিজ্ঞান বিভাগ।

(১)

বসন্ত তুমি আহিছা বুলি প্ৰকৃতিয়ে,
শূণ্য ৰং সলাই সেউজী পোছাক পিন্ধিছে
তুমি জানা (?)
তোমাৰ মৰমতে কপৌ, কেতেকী, তগৰে
প্ৰভাতী কিৰণত নিজৰ সুবাস বিলায়।

(২)

কুলিৰ কোকিল সুৰে তোমাৰ বুকুতো চাগে,
কঁপনি তোলে ভৰা শাওণৰ দৰে।
সেয়ে তোমাৰ আকুল আহ্বানত,
উৰি আহে নাহৰৰ আঁৰত লুকাই,
ৰঙীণ বসন্তৰ প্ৰাণ ভৰি উশাহ ল'বলৈ।

(৩)

তুমি জানা বসন্ত,
তুমি অনেকৰে প্ৰিয় ঋতু,
কাৰণ; তুমি যে বোৱাব পাৰা,
প্ৰতিটো ক্ষণতে ব্যাকুল হৈ থকা প্ৰেমিকৰ দুচকুত,
অপেক্ষাৰ অন্তত; প্ৰশান্তিৰ নিজৰা।

(৪)

পহিলা বহাগত সেউতীৰ বিয়া,
বৰুণ দেৱতাক তাই খাটিছে,
নেচালে যেন কলহৰ মুখে বৰষুণৰ ধাৰ
নহ'লে যে পাব অপবাদ।
মাকৰ ঘৰত চৰু চুচি খোৱাৰ।।



# অ' সোঁৱৰণী

**সৌৰভ জ্যোতি চেতিয়া**
অসমীয়া বিভাগ



হালধীয়া পাতবোৰ সৰিছে
শীতল বতাহজাকত
সোঁৱৰণীৰ সেমেকা গোন্ধ এটা
বিয়পিছে;
বহু .. দূৰলৈ...

কঁপি কঁপি ভাঁহি অহা
বাঁহীৰ আৰণ্যক গানত,
পাতবোৰত
ছিটিকি পৰা আন্ধাৰতো
তীব্ৰ হৈ পৰি গোন্ধটো
বেলি হেঁঙুলীয়াৰ পৰত
সোঁৱৰণীৰ গোন্ধে
গোটেই কুঁৱলীয়ে বাটটো আবৰিছে;
হালধীয়া সৰাপাতৰ সমদল উভতিছে
সেউজীয়াৰ স্মৃতি সানি।

বুকু হালধীয়া হৈ পৰা বুটামৰ
পাঁচোটা মূৰত
পাঁচোটা আঙুলি বোলাই খুলি দিছো
সৰাপাতে গুণ, গুণাই
গাবলৈ বুলি ফাগুণৰ গান।

ফাগুণৰ গানে-গানে
সেউজীয়া বৰষুণ-
বৰষুণজাক হৃদয়লৈ কুৰুকি কুৰুকি
সৰাপাতৰ খৰমৰনিৰ মাজেৰে
মোৰ শৰীৰলৈ বৈছে।
এতিয়া
মোৰ শৰীৰত
তলসঁতীয়া এখনি শ্যাম বৰণীয়া নৈ।

# তোমাৰ ওঁঠৰ ভাঁজত শৰতৰ হেঙুল পুৰা




**চিৰঞ্জীৱ কটকী**
প্ৰাণীবিজ্ঞান বিভাগ

তোমাৰ ওঁঠৰ ভাঁজত শৰতৰ হেঙুল পুৰা
দুচকুত নীল আকাশৰ মেঘমল্লিকা
আৰু
কি বুলিলে
তুমি সুখী হ'বা......
দুহাতেৰে কানিমুনি সপোন এটা
সাৱটি আছো
গণি আছো
আঙুলিৰে সৰকা
দিনলিপিৰ প্ৰতিটো পৃষ্ঠা
এনেকৈ আৰু কিমান দিন.....
জোনৰ পাছত বেলি
বেলিৰ পাছত জোন।
ভাবি ভাবি উপঙি ফুৰো কেতিয়াবা
যেনেকৈ উপঙি ফুৰে মোৰ চেতনাত
তোমাৰ উৰণি আঁচল

এনেকৈ কটিয়াই ফুৰিছো
কামিহাড়ৰ ফেৰেঙণিত থোৱালি মেলা
এটা অঘৰী উশাহ
চিলাই চিলাই দুহাতেৰে
এটা ছিগো ছিগো হেঁপাহ........

# কবি



**ভূপেন গগৈ**
স্নাতক প্ৰথম বৰ্ষ

চকুৰ আগত অন্যায় অবিচাৰ
শোষণ পীড়নৰ তাণ্ডৱ নৃত্য দেখিও;
প্ৰতিবাদৰ কণ্ঠ যি খোলা নাই এদিনো।
সৰ্বহাৰা নিঃস্বজনৰ দুখত সমদুখী হৈ,
টুকা নাই যি এটুপি চকুলো।
শীত তাপ নিয়ন্ত্ৰিত কোঠাত বহি,
কোনসতে হ'ল তেওঁ মানুহৰ কবি।
অংকিত হ'লেই যেনিবা
কবিতাত তেওঁৰ,
দুখ-দুৰ্দশাগ্ৰস্ত জনৰ নিকৰুণ ছবি।



# বিচাৰৰ বৰদুৱাৰ খোলা আছে তোমালৈ



**দেৱানন্দ ফুকন**
অসমীয়া বিভাগ

নিজকে নিচিনি কোন বাৰু ঘূৰি ফুৰে?
যদি কওঁ সেইজন পাগল।
বিচৰাবোৰ নিবিচাৰি পলাই থকাজনক
একো যে নাম দিয়া নহ'ল
বিচাৰৰ বৰদুৱাৰ খোলা আছে তোমালৈ
ওলাই আঁহা বন্ধুসৱ সকলোৱে এক হৈ
কত শত দাবী সমূহ তোলা এতিয়াই
সৎ বিচাৰৰ সময় হয়তো এতিয়াই
বিসৰ্জন আৰু কিমান দিবা?
কিমানৰ বুকু উদং কৰিবা?
শুনা,
আইৰ বুকুত আৰু বেছি তেজ নাই
শুহি শুহি শেষ হৈছে ক্ৰমান্বয়ে
শুনা সকলোৱে এদিন কাৰোবাৰ ৰাজ হ'ব
সেই দিন ভৱিষ্যতে নহয় বৰ্তমানেই ক'ব
কোৱাচোন,
উত্তৰ দিবলৈ কিবা বাকী আছেনে?
শুধিছো মই সকলোকে এই বাক্যৰ বানেৰে।



# অনুভৱ

**ডলীৰাণী বৰুৱা**
স্নাতক প্ৰথম বৰ্ষ

মন কঁপোৱা আবেলি এটিত
আকাশৰ বহল বুকুত
পলাশজোপাই ছটিয়াইছিল ৰং,
পছোৱাজাকৰ পিছে পিছে
দৌৰিছিল অশান্ত এটি মন।

পানীপ্ৰিয়া চৰাইৰ দৰে ব্যাকুল
এটোপাল পানীৰ প্ৰয়োজন
এটি মাথো স্পৰ্শৰ বাবে,
আকাশো কজলা বৰণ অভিমানত
বৰষুণ আহিব চাগে।

এক অন্তহীন শূণ্যতা আৰু বিষণ্ণতাত
ডুবি থকা এটি মনক লাগে
এচপৰা ছাইৰঙী মেঘ,
এচাটি কোবাল বতাহে উৰুৱাই নিব
সহ্যাতীত বিষাদৰ আৱেশ।
সোণাৰু ফুলাৰ সপোনৰ শেষত
হালধীয়াই কৰিলে এটি মন চঞ্চল
এয়া আপেক্ষাৰ অন্তত হয়,
বাৰিষাৰ প্ৰথমজাক
বৰষুণৰ উন্মাদনাত ৰোমাঞ্চিত হৃদয়।

# বিশ্ব প্ৰেমিক

উদ্দিপ্তী মহন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

তেওঁ হৃদয়ৰ নিৰ্জন উপত্যকাত
প্ৰোথিত কৰিছে এটি ৰঙা গোলাপৰ কলি,
মাজনিশা যেতিয়া ভৰ যৌৱনা হৈ ফুলি উঠিব
প্ৰতিবেদনৰ নঙলামুখতে সেই শত শত শ্বহীদৰ আত্মালৈ প্ৰণাম জনাইছোঁ যি সকলে সোণাৰি মহাবিদ্যালয় নামৰ জ্ঞানৰ মন্দিৰটি গঢ় দিলে। সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়াকে প্ৰমুখ্যে কৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, সকলৈলে সেৱা জনাইছোঁ। লগতে ২০০৯-২০১০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক মোৰ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সোণাৰি মহাবিদ্যালয় শিবসাগৰ জিলাৰ বিশেষ ঐতিহ্যৰে মহিমামণ্ডিত তথা এখন অগ্ৰণী শিক্ষানুষ্ঠান, য'ত দেৱতা সদৃশ শিক্ষাগুৰু সকলে দিয়ে জীৱনৰ শিক্ষা। তেনে এক উচ্চ শিক্ষাৰ স্বপ্ন লৈ কলেজীয়া জীৱনৰ প্ৰথম খোজ দিছিলোঁ।

২০০৯-২০১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে নিৰ্ব্বাচনত জয়ী হৈ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মই ছাত্ৰ একতা সভাৰ প্ৰতিটো কাৰ্যসূচীতে মোৰ পূৰ্ণ সহযোগিতা আগবঢ়াই মোৰ দায়িত্ব সুচাৰুৰূপে পৰিচালনা কৰিছিলোঁ।

শিক্ষাৰ ফালৰ পৰা আগৰ তুলনাত বৰ্তমান সোণাৰি মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থা, ফলাফল যথেষ্ট উন্নতমানৰ হৈছে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে সমূহ শিক্ষাগুৰু সকলৰ আপ্ৰাণ প্ৰচেষ্টাক মই আন্তৰিকতাৰে শ্ৰদ্ধা জনাইছোঁ।

আমাৰ কাৰ্যকালৰ প্ৰতিটো দিশতে প্ৰয়োজনীয় দিহা-পৰামৰ্শৰে নিৰ্দ্ধাৰিত কাৰ্যসমূহ সফলভাৱে ৰূপায়ন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰাজেন তামুলী ছাৰলৈ তথা শিক্ষাগুৰু সকল আৰু কৰ্মচাৰী বৃন্দলৈ লগতে মোৰ নিৰ্বাচনৰ সময়ৰ পৰাই বিভিন্ন প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়াই অহা মোৰ বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি, অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

প্ৰতিবেদনৰ মুখনি মাৰোতে ভবিষ্যতৰ ছাত্ৰ একতা সভালৈ আমাৰ অনুৰোধ যে আমাৰ কাৰ্যকালত সফল কৰিব নোৱাৰা কাৰ্যসমূহ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত আগুৱাই যায় যেন। 'ছাত্ৰ শক্তি মহান শক্তি' এই শক্তিক গৌৰৱোজ্জ্বল কৰি তুলিবলৈ সবল নেতৃত্বৰে আগুৱাই যোৱাৰ লগতে মহাবিদ্যালয়ৰ পবিত্ৰতা অক্ষুন্ন ৰাখি ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থ জড়িত সকলো সমস্যা সমাধানৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালৰ সময়ত অজানিতে হৈ যোৱা অনিচ্ছাকৃত ভুল-ক্ৰুটিৰ মাৰ্জনা বিচাৰি মোৰ কাৰ্যকালৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

সোণাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে-

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

দেৱজিৎ বড়া
উপ-সভাপতি
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৯-২০১০ বৰ্ষ।





সোণাৰি মহাবিদ্যালয়ৰ প্ৰবক্তাসকল



সোণাৰি মহাবিদ্যালয়ৰ প্ৰবক্তাসকল



সোণাৰি মহাবিদ্যালয়ৰ প্ৰবক্তাসকল




প্ৰাক্তন গ্ৰন্থাগাৰিকা বাণী দেবীৰ সৈতে গ্ৰন্থাগাৰৰ কৰ্মচাৰীবৃন্দ



সোণাৰি মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



দুলীয়াজানত অনুষ্ঠিত
যুৱ মহোৎসৱত
ভৰত নাট্যম প্ৰতিযোগিতাত
দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত
প্ৰিয়ংকা চেতিয়া ফুকন




আফছানা খাতুন
ষ্ট্ৰং ৱ'মেন



কাবেৰী গগৈ
শ্ৰেষ্ঠ অভিনেত্ৰী



এই বৰ্ষৰ শ্ৰেষ্ঠ নাট্যদল



সোণাৰি মহাবিদ্যালয়
ছাত্ৰ একতা সভাৰ
প্ৰতিনিধিসকল



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনখনিত কলমে আঁক টনাৰ প্ৰাক্‌মুহূৰ্ততে মই অসমীয়া জাতিৰ চিৰস্মৰণীয় সেই বীৰ শ্বহীদসকলৰ চৰণত মোৰ প্ৰণাম যাচিছোঁ, যি সকলে নিজৰ মূল্যবান প্ৰাণৰ আহুতি দি তেওঁলোকৰ তেজেৰে দেশমাতৃক ধুৱাই নিকা কৰি সজাই পৰাই তেওঁলোকৰ উত্তৰ পুৰুষসকললৈ এৰি থৈ গ'ল। মই এনে মহান শত শত 'শ্বহীদ'ৰ আত্মালৈ অশ্ৰু অঞ্জলি যাচিছোঁ।

সোণাৰি নগৰৰ এই একমাত্ৰ সোণত শুৱগা মহাবিদ্যালয়খনিক গঢ় দি নগৰখনিত জ্ঞানৰ জ্যোতি জ্বলোৱাৰ উদ্দেশ্যেৰে আজিৰ পৰা ৪০ বছৰৰ আগতে যি সকল বৰেণ্য ব্যক্তিয়ে প্ৰচেষ্টা চলাইছিল আৰু সেই প্ৰচেষ্টাৰ ফলস্বৰূপে আমি বৰ্তমানৰ সোণাৰি মহাবিদ্যালয়ৰ অপূৰ্ব ৰূপ দেখিবলৈ পাইছোঁ, সেইসকল মহান ব্যক্তিক মই এই আপাহতে পৰম শ্ৰদ্ধাৰে সুৱৰিছোঁ। লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়াকে প্ৰমুখ্য কৰি মহাবিদ্যালয়খনিক একতাৰ দোলেৰে বান্ধি ৰখা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। ইয়াৰ লগতে মই সেইসকল স্বনাম ধন্য ব্যক্তিক কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছোঁ যিসকলে মোক সাধাৰণ সম্পাদক পদটোৰ বাবে উপযুক্ত বুলি বিবেচনা কৰি নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবলৈ সাহস যোগাইছিল আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচনত তেওঁলোকৰ উপযুক্ত সাধাৰণ সম্পাদকৰ প্ৰাৰ্থী বুলি বিবেচনা কৰি নিৰ্বাচিত কৰি দিছিল তেওঁলোকক মোৰ ফালৰ পৰা এই ছেগতে আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জনালোঁ।

সাধাৰণ সম্পাদকৰ দায়িত্ব এটা গুৰু দায়িত্ব। এগৰাকী সাধাৰণ সম্পাদক হিচাপে আপোনালোকে হয়তো মোৰ পৰা বহুতো সহযোগিতা আশা কৰিছিল। আপোনালোকৰ আশা কিমান পূৰণ কৰিব পাৰিলোঁ সেয়া আপোনাসবৰ বিচাৰ্য বিষয়। মোৰ সীমিত অভিজ্ঞতা আৰু শিক্ষাগুৰুসকলৰ পৰামৰ্শত যৎপৰোনাস্তি সমস্যাসমূহ সমাধান কৰিবলৈ চেষ্টা কৰিছিলোঁ। তথাপি মোৰ এই প্ৰচেষ্টাত ৰৈ যোৱা ত্ৰুটিসমূহ আপোনাসবে মাৰ্জনা কৰিব। প্ৰতিষ্ঠাৰ কালৰে পৰা সোণাৰি মহাবিদ্যালয়ৰ যি সুনাম আছে সেই সুনাম অক্ষুন্ন ৰাখিবৰ বাবে মই অহৰহ চেষ্টা চলাইছিলোঁ। মোৰ কৃতকাৰ্যতাৰ কাঠামো আপোনাসবৰ হাতত।

সোণাৰি মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰূপে মই আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিভা বিকাশৰ বিষয়সমূহৰ প্ৰতি অনীহাৰ ভাৱ দেখা পাইছিলোঁ। সৰস্বতী পূজাৰ বাদে অন্য অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা তেনেই নগণ্য হোৱা দেখা গৈছিল। বিভিন্ন প্ৰতিযোগিতাত আংশিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰাটো অতি পৰিতাপৰ বিষয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পুথিগত বিদ্যাৰ লগতে বাৰ্ষিক খেল-ধেমালি তথা অন্যান্য অনুষ্ঠানসমূহত উপস্থিত থাকি বৌদ্ধিক বিকাশৰ চেষ্টা চলোৱাৰ লগতে শিক্ষাগুৰুসকলৰ নিৰ্দ্দেশিত কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণ কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীকে আহ্বান জনালোঁ।

মোৰ কাৰ্যকালত শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ সুপৰামৰ্শ তথা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ উপস্থিতিত নিম্নলিখিত কাৰ্যসমূহ সমাধা কৰা হ'ল।

১। মহাবিদ্যালয়ৰ সপ্তাহ আয়োজন কৰা হয়।

২। আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত মাণ্ডলিক ফাইনেলত জয়ী হৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা ক্ৰিকেট প্ৰতিযোগিতাত পোনপ্ৰথম বাৰৰ বাবে সুবিধা পোৱা মোৰ কাৰ্যকালৰ অন্যতম সাফল্য বুলি মই অনুভৱ কৰো।

৩। দুলিয়াজানত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত অংশগ্ৰহণ কৰা হয়।

৪। সৰস্বতী পূজা উদ্‌যাপন।

৫। মোৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তা গিৰীণ গগৈ চাৰ তথা গ্ৰন্থাগাৰিকা বাণী দেৱী বাইদেউৰ বিদায় সভা অনুষ্ঠিত কৰা হয়।

৬। ২৬/০৬/২০১০ তাৰিখত নৱাগত আদৰণি সভা।

৭। স্নাতক ৩ য় বৰ্ষৰ বিদায় সভা।

৮। ০৫/০৮/২০১০ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়।

৯। খেলপথাৰৰ উন্নয়নৰ বাবে N.S.S. মহাবিদ্যালয়ৰ শিক্ষকগোট তথা ছাত্ৰ একতা সভাৰ সহযোগত কঠিয়াৰূপনৰ এটি অভিনৱ ব্যৱস্থা কৰা হয় আৰু সেই কঠিয়াসমূহ বানাক্ৰান্ত তথা দুখীয়া শ্ৰেণীৰ খেতিয়কসকলক বিতৰণৰ ব্যৱস্থা হাতত লোৱা হয়।

১০। ০৫/০৯/২০১০ তাৰিখত শিক্ষক দিৱস পালন কৰা হয়।

মহাবিদ্যালয়ৰ বহুতো সমস্যা আছিল আৰু সমাধান কৰিব লাগিছিল যদিও সময়ৰ অভাৱ তথা বিভিন্ন কাৰণত সমাধান কৰিব নোৱাৰিলোঁ। সেই সমস্যাসমূহ অনাগত দিনত নতুন ছাত্ৰ একতা সভাই পূৰ্ণ কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমস্যাসমূহ দূৰ কৰিব বুলি আশা ৰাখিলোঁ। সেই সমস্যাসমূহ এনেধৰণৰ-

১। বৰ্তমান মহাবিদ্যালয়ৰ সুনাম বৃদ্ধি হোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে কিয়নো আমাৰ চৰাইদেউ অঞ্চলৰ প্ৰায় সংখ্যক ল'ৰাছোৱালীয়ে এই মহাবিদ্যালয়তে নামভৰ্তি কৰিবলৈ লৈছে। গতিকে বিশ্ববিদ্যালয়ে ধাৰ্য কৰা নামভৰ্তিৰ অনুপাত বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

২। উন্নত মানৰ কম্পিউটাৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা হাতত ল'ব লাগে। যি শিক্ষাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ কৰ্মদক্ষতা বৃদ্ধি কৰাত সহায়ক হ'ব।

৩। ছাত্ৰ নিবাসলৈ যোৱা এটা নিৰ্দিষ্ট পথ ধাৰ্য কৰি দিব লাগে।

৪। ছাত্ৰাবাসৰ চাৰিসীমাৰ দেৱাল নিৰ্মাণৰ ব্যৱস্থা হাতত ল'ব লাগে।

৫। ছাত্ৰসকলৰ প্ৰস্ৰাৱগাৰটো উন্নতৰ কৰিবৰ বাবে ব্যৱস্থা হাতত ল'ব লাগে।

বৰ্তমান মহাবিদ্যালয়ৰ শিক্ষাগত ছাত্ৰ-ছাত্ৰীসকলক মোৰ তৰফৰ পৰা ক'ব বিচাৰোঁ যে আমাৰ সোণাৰি মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক বাতাবৰণটোক আমি ছাত্ৰ-ছাত্ৰীসকলেহে বৰ্তমানৰ চালুকীয়া আসনতকৈ অধিক উন্নতমানৰ আসনত অধিষ্ঠিত কৰাত অৰিহণা যোগাব পাৰোঁ কিয়নো আমাৰ মহাবিদ্যালখনে বহুতো ঘাট-প্ৰতিঘাট, বিপ্লৱ, ক্ষোভ, জয়-পৰাজয়, নানান কষ্টৰ ফাঁকে ফাঁকে আহি আজি এই আসন পাইছেহি। আমিয়েই সেইসকল বৰেণ্য ব্যক্তি হ'ব পাৰোঁ যি এই পৃথিৱীৰ অজ্ঞান আন্ধাৰৰ কোঠালিত এটি দূৰন্ত শিক্ষা প্ৰদান কৰে যাৰ স্তিমিত অৰুণৰ স্পৰ্শই চিৰ মুহূৰ্ত সংবেদনশীল কৰি তুলিব পাৰিব, যাৰ দীপ্তিময় ৰূপে আত্মৰূপায়ন কৰি অজ্ঞান আন্ধাৰৰ সীমা খেদি সভ্যতাৰ আলোড়ন সৃষ্টি কৰিব আৰু যাৰ স্ফুলিংগত ত্বৰিত হৈ আমি গঠন কৰিব পাৰিম সোণাৰি মহাবিদ্যালয়ৰ স্বৰ্ণালী ৰূপ।

মোৰ কাৰ্যকালত বিভিন্ন দিশত গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়োৱা আমাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়াৰ লগতে সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ লগতে প্ৰতিটো কাৰ্যসূচী সফল কৰাত মোক সহায় সহযোগ তথা যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক সহায়ৰ হাত আগবঢ়াইছিল তেওঁলোকক মই পৰম কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ সুনাম আৰু গৌৰৱ কামনা কৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলোঁ।

'জয়তু সোণাৰি মহাবিদ্যালয়'

**শ্ৰীসন্দীপ বুঢ়াগোহাঁই**
সাধাৰণ সম্পাদক
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৯-১০ বৰ্ষ।



## সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



জয় জয়তে ইতিহাসে গৰকা মোৰ অতি শ্ৰদ্ধাৰ জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়লৈ প্ৰণাম আৰু শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলোঁ। এই মধুৰ ক্ষণতে সেই সকল চিৰ নমস্য ব্যক্তিকো সোঁৱৰিছো, যি সকলে অশেষ ত্যাগ আৰু কষ্টেৰে এই পবিত্ৰ জ্ঞানৰ মন্দিৰটি স্থাপন কৰিলে।

প্ৰতিবেদনৰ আৰম্ভণিতেই সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ ডঃ ৰাজেন তামুলী ছাৰ, উপাধ্যক্ষা শ্ৰীযুতা ৰতিপ্ৰভা গগৈ বাইদেউকে প্ৰমুখ্যে কৰি অধ্যাপক-অধ্যাপিকা আৰু সমূহ কৰ্মচাৰী বৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰী, দাদা-বাইদেউ বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টি সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম যাচিলোঁ।

২০০৯-২০১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে সহকাৰী সাধাৰণ সম্পাদিকাৰ পদৰ বাবে নিৰ্বাচিত কৰে। মোক সহকাৰী সাধাৰণ সম্পাদিকা পদৰ বাবে নিৰ্বাচিত কৰাৰ কাৰণে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

২০৯-১০ বৰ্ষৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰি থাকোঁতেই বিশেষ একো লেখত লবলগীয়া কাম কৰিব নোৱাৰিলেও মই ছাত্ৰ একতা সভাৰ সভাপতি তথা সাধাৰণ সম্পাদক আৰু অন্যান্য বিষয়ববীয়াসকলক সহায় সহযোগিতা আগবঢ়াইছিলো আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই আয়োজন কৰা বিভিন্ন সভা সমিতি আদিত আৰু বিশেষভাৱে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ, সৰস্বতী পূজা আৰু অন্যান্য কাৰ্যসূচীত মই সক্ৰিয় অংশ গ্ৰহণ কৰিছিলোঁ। মই মহাবিদ্যালয়ৰ উন্নতিৰ হকে কিছুমান কাম কৰিম বুলি মনতে ভাবিছিলো কিন্তু বাস্তৱত সম্পূৰ্ণ ৰূপে ৰূপায়িত কৰিব নোৱাৰিলো।

সদৌ শেষত মোৰ এই এবছৰীয়া কাৰ্যকালত মোৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাত ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকলৰ লগতে ২০০৯-১০ বৰ্ষৰ স্নাতক তৃতীয় বৰ্ষৰ দাদা-বাইদেউ আৰু মোৰ বান্ধৱী ৰুমী, ভাগ্যশ্ৰী, আনুৱাৰা, প্ৰিয়ংকা, ফাৰহানা, আফছানা, পল্লৱী, জিলিমিলি আৰু মোৰ বন্ধু প্ৰাণজিৎ, সন্দিপ, হিৰুমণি, বুন, প্ৰণৱ, অপু, পাপু, বৰুণৰ লগতে সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত অনিচ্ছাকৃতভাৱে মোৰ যদি কিবা ভুল-ভ্ৰান্তি হৈছিল তাৰ বাবে মই সদৌটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

শেষত, সোণাৰি মহাবিদ্যালয় এখন আদৰ্শ মহাবিদ্যালয় হওঁক তাৰে কামনা কৰি এই প্ৰতিবেদন সামৰিলোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

**পল্লৱী বৰঠাকুৰ**
সহকাৰী সাধাৰণ সম্পাদিকা
ছাত্ৰ একতা সভা
২০০৯-১০ বৰ্ষ



# সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষা মহোদয়া প্ৰমুখ্যে সমূহ শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দলৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো।

২০০৯-২০১০ বৰ্ষৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদিকা পদৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ পোৱাত মই সঁচাই আনন্দিত। সাহিত্য বিভাগৰ সম্পাদিকা হিচাপে মই বিগত বৰ্ষটিত কোনো বিশেষ অৰিহণা যোগাব নোৱাৰিলো। ...../...../২০০৯ তাৰিখৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয় ক্ৰীড়া সপ্তাহত মই সাহিত্য বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ পাতিবলৈ সক্ষম হৈছিলোঁ।

শেষত মোৰ একছৰীয়া কাৰ্যকালত মোৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাত মই প্ৰধানকৈ বিভাগীয় উপদেষ্টা শ্ৰীযুত ৰঘুনাথ কাগয়ুং ছাৰ, ডঃ জ্যোতিমা ফুকন বাইদেউ, শ্ৰীযুত পৰানন কোঁৱৰ ছাৰ আৰু লগতে মোৰ দায়িত্বত থকা প্ৰতিটো কামকাজতে সহায় আগবঢ়োৱা ছাত্ৰ-একতা সভাৰ সকলো বিষয়ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোক বিভিন্ন দিশত উপদেশৰ লগতে সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰী নিবাসৰ সমূহ আবাসীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হোৱা মোৰ ভুলবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। আগন্তুক বৰ্ষবোৰত যাতে উক্ত বিভাগটিত অধিক সাফল্যমণ্ডিত হৈ উঠে আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু সোণাৰি মহাবিদ্যালয়।"

**ভাগ্যশ্ৰী ফুকন**
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৯-২০১০ বৰ্ষ।





# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই মোৰ পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলীদেৱ, মাননীয়া উপাধ্যক্ষা মহোদয়া শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ বাইদেউ প্ৰমুখ্যে সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দলৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছো আৰু এই ঐতিহাসিক শিক্ষানুষ্ঠান 'সোণাৰি মহাবিদ্যালয়'ৰ ২০০৯-২০১০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ যিসকলে মোক সুযোগ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

প্ৰতিজন মানুহৰ বুকুতে কিজানি একো একোটা শূণ্য গহ্বৰ থাকে। সেই শূণ্যতা পুৰোৱাৰ স্বপ্নত বিভোৰ হৈ থাকোতেই পল-অনুপলকৈ পাৰ হৈ যায় সমগ্ৰ জীৱন। চাওঁতে চাওঁতে মোৰ একছৰীয়া কাৰ্যকালৰ যৱনিকা পৰিল। এই সময়ছোৱাত মোৰ অজানিতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা আপোনালোকৰ আগত যদি কিবা ভুল বা দোষ কৰিছো তেনেহ'লে মই এই সুযোগতে ক্ষমা মাগিছো, যিহেতু আমি জানো যে মানুহ মাত্ৰেই ভুল আৰু ময়ো ইয়াৰ ব্যতিক্ৰম নহয়। আশাকৰো আপোনালোকে মোক ক্ষমা কৰি দিব। সোণাৰি মহাবিদ্যালয়ৰ সঙ্গীত সম্পাদক হিচাপে শুভাকাংক্ষীসকলে বহুতো কিবা মোৰ পৰা আশা কৰিছিল। কিন্তু মই নাজানো তেওঁলোকক সহায়ৰ হাত আগবঢ়োৱাৰ ক্ষেত্ৰত মই কিমান দূৰ সফল হৈছো। সম্পাদকহৈ বহুতো কাম কৰিবলৈ হাতত লৈছিলো যদিও সকলো ক্ষেত্ৰত সফল হোৱা নাছিলো।

সম্পাদকৰ দায়িত্ব লোৱাৰ কেইসপ্তাহমানৰ পাছতেই 'কলেজ সপ্তাহ' অনুষ্ঠিত হৈছিল। সময়ৰ অভাৱৰ বাবে সকলো প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নগ'ল যদিও অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট আছিল। সেই প্ৰতিযোগীসকলৰ শৃংখলাবদ্ধতা, প্ৰতিভা আৰু পাৰদৰ্শিতা সঁচাকৈয়ে লেখত ল'বলগীয়া। সেই ক্ষণত মই অনুভৱ কৰিছো যে আমাৰ মহাবিদ্যালয়ত বহুতো প্ৰতিভাৱান শিল্পী আছে।

কাৰ্যকালৰ সময়ছোৱাত প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে চলোৱাত বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে বিভাগীয় তত্বাৱধায়ক তথা শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীযুত ৰঞ্জিত চন্দ্ৰ বৰগোঁহাই ছাৰ, শ্ৰীযুত গণেশ বৰুৱা ছাৰ আৰু শ্ৰীযুত শৈলেন্দ্ৰ ফুকন ছাৰ আৰু বিভিন্ন সময়ত সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু শ্ৰদ্ধেয় শিক্ষাগুৰুসকল, শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, দাদা বাইদেউ, বন্ধু-বান্ধৱী, মুনমীবা, আৰফিনা বা, দুলু বা, প্ৰিয়াকক্ষু বা, জ্যোতিস্মিতা বা, জ্যোতিস দা, ময়ূৰী, প্ৰিয়াশ্ৰী, সাগৰ দা, গণেশ দা, নৱজ্যোতি দা, সঞ্জয় দা, হানচেং দা, দিগন্ত দা, প্ৰশান্ত দা, দেবানন্দ দা, কামান, পুলকেশ, অনুজ, উদ্দিপ্ত, প্ৰদুন্ম্য, লক্ষ্য, মানস, চুমন, যোগান্ত তথা মোৰ সকলো বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সঙ্গীত সম্পাদকৰ দায়িত্ব পালনত কৃতকাৰ্যতা বা ব্যৰ্থতাৰ বিচাৰ আপোনালোকৰ কিন্তু কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰা সন্মুখীন হোৱা সকলোবোৰ মোৰ বাবে অভিজ্ঞতা তথা স্মৃতি হৈ ৰ'ব। মোৰ কাৰ্যকালৰ সময়ছোৱাত দুলীয়াজানত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ ক্ৰীড়া মহোৎসৱত ভাগ ল'বলৈ দুজন শিল্পী প্ৰেৰণ কৰা হৈছিল। লগতে সংগীতৰ বহুতো নতুন নতুন বাদ্য যন্ত্ৰ যেনে Key Board, Bass Giter, Lead Giter, Dhulki আদি অন্তৰ্ভুক্ত কৰা হৈছিল।

সদৌ শেষত পুণৰ এবাৰ মোৰ এই একছৰীয়া কাৰ্যকালত হোৱা ভুল-ক্ৰুটি সমূহৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক অধ্যাপকৰ ওচৰত ক্ষমা বিচাৰিছো।

প্ৰতিবেদনৰ সামৰণিত পৰৱৰ্তী ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়ালৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন তথা সোণাৰি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনাৰে।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"।

**সুৰজিৎ দত্ত**
সংগীত সম্পাদক
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা।
২০০৯-২০১০ বৰ্ষ।

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ কলম ধৰাৰ প্ৰাক্ মুহূৰ্তত মই সেই সকল দূৰদৃষ্টি সম্পন্ন তথা মহান ব্যক্তি সকলক সোঁৱৰিছো, যি সকল মহান ব্যক্তিৰ অনেক ত্যাগ আৰু শ্ৰমৰ বিনিময়ত শিৱসাগৰৰ নিচেই কাষতে ঐতিহ্যমণ্ডিত সোণাৰি নগৰৰ মাজ-মজিয়াত এই জ্ঞানৰ মন্দিৰ খন প্ৰতিষ্ঠা কৰি আজিৰ এই অৱস্থাত উপনীত কৰিলেহি। সেই সকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো। তাৰ পাছত সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলী চাৰ, উপাধ্যক্ষা শ্ৰীযুতা ৰতিপ্ৰভা গগৈ বাইদেউক প্ৰমুখ্যে কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ মৰম, কৃতজ্ঞতা আৰু শুভকামনা জ্ঞাপন কৰিছো।

যোৱা ২০০৯-২০১০ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত লঘু, খেল বিভাগৰ সম্পাদক ৰূপে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মহাবিদ্যালয়ৰ বাৰ্ষিক 'মুখপত্ৰ' 'সোণালী'ৰ যোগেদি ধন্যবাদ জ্ঞাপন কৰিলোঁ।

লঘু খেল বিভাগৰ সম্পাদক হিচাপে এই দিশত কিমান দূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। কিন্তু ইয়াক মই দৃঢ়তাৰে ক'ব পাৰো যে মই মহাবিদ্যালয়ৰ দায়িত্ব আৰু কৰ্তব্যত কোনোদিনে অৱহেলা কৰা নাই। মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ লগতে আন বিষয়ববীয়া সকলৰ কাৰ্যসূচীত মই সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিলো। মহাবিদ্যালয় সপ্তাহত মই যথেষ্ট একাগ্ৰতাৰে মোৰ দায়িত্ব পালন কৰি গৈছিলো। কিন্তু দুৰ্ভাগ্যবশতঃ ভাৱে যোৱা বছৰ ডিব্ৰুগড় মহাবিদ্যালয়ৰ অন্তৰ্গত আন্ত মহাবিদ্যালয়ৰ ক্ৰিকেট প্ৰতিযোগিতা আৰু আমাৰ মহাবিদ্যালয় সপ্তাহ ঠিক একে সময়তে আৰম্ভ হোৱা বাবে মই অনিচ্ছাকৃত ভাৱে হ'লেও খেলত ভাগ ল'ব লগা হৈছিল। সেই বাবে মহাবিদ্যালয় সপ্তাহৰ দুদিন মই মহাবিদ্যালয়ত উপস্থিত থাকিব পৰা নাছিলো। সেই সময়ত মই দায়িত্বত দি যোৱা বন্ধু-বান্ধৱী সকলে মোৰ বিভাগৰ খেল সমূহ সুচাৰুৰূপে চলাই গৈছিল। এই সুযোগতে তেওঁলোকক মই আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত মোৰ এবছৰীয়া কাৰ্যকালত মোৰ বিভাগৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত মই অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলী চাৰকে প্ৰমুখ্যে কৰি বিভাগীয় উপদেষ্টা শ্ৰীযুত গিৰীণ গগৈ চাৰ, ডঃ ৰাণা কোঁৱৰ চাৰ, শ্ৰীযুত উৎপল কোঁৱৰ চাৰ, শ্ৰীযুত জ্যোতি প্ৰসাদ ফুকন চাৰ, দুদুল দা, বাবা দাৰ লগতে শ্ৰদ্ধাৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। আৰু মোৰ প্ৰতিটো কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলাৰ বাবে মোক বিভিন্ন দিশৰ পৰা দিহা পৰামৰ্শ দিয়া মোৰ দাদা শ্ৰীযুত বিপ্লৱ প্ৰান্তন শইকীয়া দেৱলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মোৰ এই গোটেই কালছোৱাত মোক সম্পূৰ্ণভাৱে সহায়ৰ হাত আগবঢ়োৱাৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকলৰ লগতে- সন্দিপ, হিৰু, দীপাঙ্কৰ, আৰিফুৰ, বিশাল, নিখিল, ৰাণা, বিশ্ব-বিকাশ, প্ৰসেনজিৎ, অপূৰ্ব বিকাশ, পল্লৱ মোহন গগৈ (গুৰু), ৰাজেন, মাচুদ, হানচেং, উজ্জ্বল, দিগন্ত, ভৰত, সঞ্জয়, ধ্ৰুব দা, পল্লৱ দা, দিবাকৰ, কিৰণ, অভিজিত, আস্ফাক, অনিল, অৰুণিমা, দিপীকা, ইমানী, মনামী, হাচিমা, ৰুবিনা, অনিতা, শান্তি, বীনা, সীমা, চানী, মধুপল্লী, উৎপল, ৰূপম, জয়শ্ৰী, প্ৰণাবিকা বা, চয়নিকা, ঋতুৰাজ সিং, পল্লৱী, পাপু, লক্ষ্মী, নিচিত, অৰিন্দম, পুলকেশ, বিশ্বজিৎ, ইন্দ্ৰজিৎ, চন্দন, প্ৰণৱ, অম্লান, চন্দ্ৰজ্যোতি দত্ত (জান), বসন্ত দালৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

মই আশা কৰিছো উঠি অহা নব-প্ৰজন্মই আমাৰ সোণাৰি মহাবিদ্যালয় খনৰ সোণালী ঐতিহ্য অটুত ৰাখিব আৰু এই মহাবিদ্যালয়খনৰ সৈতে আন্তৰিকতা গঢ়ি তুলি এক প্ৰতিযোগিতামূলক মনোভাৱ গঢ়ি তুলি নিজকে সকলো দিশৰ পৰা এক আদৰ্শবান ছাত্ৰ-ছাত্ৰী হিচাপে গঢ় দি মহাবিদ্যালয়খনৰ সন্মান যুগমীয়া কৰি ৰাখিব।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হে যোৱা মোৰ ভুল ক্ৰুটিবোৰৰ বাবে আপোনালোকৰ ওচৰত মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

মঃ চাজিদ হুচেইন
সম্পাদক, লঘু খেল বিভাগ
২০০৯-২০১০ বৰ্ষ।



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ তথা মাননীয় অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলী ছাৰ প্ৰমুখ্যে কৰি সন্মানীয় শিক্ষাগুৰু লগতে মৰমৰ বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো।

২০০৯-২০১০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই মোৰ দায়িত্ব পালন কৰোঁতে যদি ক'ৰবাত ভুল-ক্ৰুটি ৰৈ গৈছে তাৰ বাবে সকলোৰে আগত মাথো প্ৰাৰ্থনা বিচাৰিলো। শেষত মহাবিদ্যালয়ৰ ভৱিষ্যৎ তথা সকলো দিশতে উন্নতি হোৱাৰ কামনাৰে মোৰ চমু প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

**শ্ৰীমতী ৰিজুমণি খামন**
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা
সোণাৰি মহাবিদ্যালয়
ছাত্ৰ একতা সভা, ২০০৯-২০১০।



## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক মই এই আপাহতে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ, যিসকলৰ অশেষ শ্ৰম আৰু ত্যাগৰ বিনিময়ত গঢ় লৈ উঠিল জ্ঞানৰ জ্যোতি বিলোৱা এই সোণাৰি মহাবিদ্যালয় লগতে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলী ছাৰ, উপাধ্যক্ষা ৰতিপ্ৰভা বাইদেউ আৰু শিক্ষাগুৰু বৃন্দলৈ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণাম নিবেদিছোঁ। মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দ আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

২০০৯-২০১০ বৰ্ষৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক হিচাবে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা দিয়া সেইসকল ছাত্ৰ-ছাত্ৰীক আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সাংস্কৃতিক সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰ পৰাই বিভাগীয় সম্পাদক হিচাবে মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ চেষ্টাৰ কোনো ক্ৰুটি কৰা নাই। মোৰ এই কাৰ্যকালত মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগে কিমানদূৰ সফলতাৰ বাটত আগুৱালে সেয়া আপোনাৰলোকৰ বিচাৰ্যৰ বিষয়।

মোৰ কাৰ্যকালৰ আৰম্ভণিতে হোৱা মহাবিদ্যালয় সপ্তাহত মোৰ সাংস্কৃতিক কাৰ্যসূচীৰ পাতনি মেলে। প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যা আশানুৰূপ আছিল যদিও ঢোল বাদন, পেপাঁ বাদন, বাঁহী বাদন আৰু সত্ৰীয়া নৃত্যৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা আশানুৰূপ নাছিল। অনাগত দিনত এই বিভাগৰ সম্পাদকে উক্ত প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা বৃদ্ধি কৰিব বুলি আশা কৰিলোঁ।

দ্বিতীয়তে দুলীয়াজানত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে বিশেষ সফলতা লাভ কৰিব নোৱাৰিলেও ভাৰত নৃত্যমত প্ৰিয়ংকা চেতিয়া ফুকনে তৃতীয় পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। এই ছেগতে প্ৰিয়ংকা চেতিয়া ফুকনলৈ ধন্যবাদ জনালোঁ আৰু যুৱ মহোৎসৱত ভাগ লোৱা মহাবিদ্যালয়ৰ দলটিলৈও ধন্যবাদ থাকিল।

তৃতীয়তে মোৰ কাৰ্যকালত উলহ-মালহেৰে পালন কৰা হ'ল 'সৰস্বতী পূজা'। ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু বন্ধু-বান্ধৱী আৰু ভাইটী-ভণ্টিৰ সহযোগত সুকলমে উদ্‌যাপন কৰা হ'ল এই অনুষ্ঠান।

তাৰোপৰি মহাবিদ্যালয়ৰ প্ৰতিটো কাৰ্যসূচী সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ ছাত্ৰ একতা সভাৰ লগ হৈ প্ৰতিটো কামতে পূৰ্ণ সহযোগিতা আগবঢ়ালোঁ।

মোৰ এই এবছৰীয়া কাৰ্যকালৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাত সু-দিহা পৰামৰ্শ আগবঢ়োৱা সাংস্কৃতিক বিভাগৰ উপদেষ্টা ৰীতা দত্ত বাইদেউ, পল্টু পাল ছাৰ, মুহিধৰ চেতিয়া ছাৰ, দীপাঞ্জলী বাইদেউলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰতিটো কামতে মোৰ গাৰ ছাঁৰ দৰে লাগি থকা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, দাদা- বসন্ত, বন্ধু পৰাগ, ৰূপম, ভাস্কৰ, সৌৰভ, চন্দন, বিজয়া, দেৱাশ্ৰী, পল্লৱী, পাল্কী, নৱদ্বীপ, দেৱা, যোথিকা, প্ৰণামিকা, কাবেৰী, প্ৰিয়ংকা, চৰিতা, চুমী, প্ৰফুল্ল, হানচেং, সঞ্জয় আৰু অসমীয়া বিভাগৰ প্ৰতিজন বন্ধুলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰুটিবোৰৰ বাবে আপোনালোকৰ ওচৰত মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

সোণাৰি মহাবিদ্যালয় সদায় যেন এখন আদৰ্শ মহাবিদ্যালয় হৈ জিলিকি ৰয় তাৰ কামনাৰে- "জয়তু সোণাৰি মহাবিদ্যালয়"।

**চন্দন লাহন**
সাংস্কৃতিক বিভাগৰ সম্পাদক
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৯-২০১০ বৰ্ষ।



## Social Service Secretary's Report-2009-2010

At the outset, I thank my Principal, the College faculty and the students who are the asset of this institution. As a social service secretary, first of all I would like to thank those students who elected and valid for me.

I can never forget the love showered upon me by my fellow students. My aim was to motivate the students to take part in all the events and activities through which they realize the famous saying-Think globally, act locally. Apart from that I thought of giving a new look to the Ecological Park of Sonari College during my terms which couldn't fulfill also. I couldn't attend many activities which I had planned for betterment of student community due to sudden unavoidable circumstance of mine.

Anyways, I hope the next students to be elected in my post would perform better and enrolled the campus into a developed and cultivated learning institution.

Thanking You,

**Nayanjyoti Buragohain**
Secretary, Social Service
Sonari College Students' Union

# গুৰু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক বুলনিতে দেশ মাতৃৰ চৰণ বুকুৰ তেজেৰে ধুৱাই নিকা কৰা সেই শত শত শ্বহীদৰ আত্মালৈ অশ্ৰু অঞ্জলি অৰ্পন কৰি সোণাৰি মহাবিদ্যালয় নামৰ জ্ঞান মন্দিৰটি গঢ় দিওঁতা বৰেণ্য মহানুভৱ ব্যক্তিসকলক সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছো আৰু শ্ৰদ্ধাৰে সোঁৱৰিছো। সোণাৰী মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ৰাজেন তামুলী, উপাধ্যক্ষ শ্ৰীযুক্তা ৰতিপ্ৰভ গগৈ বাইদেউক প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ মৰম কৃতজ্ঞতা আৰু শুভকামনা জ্ঞাপন কৰিছো।

মই আমাৰ মহাবিদ্যালয়ৰ সমূংহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীকে মোৰ হিয়াভৰা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যিসক, ছাত্ৰ-ছাত্ৰীয়ে ২০০৯ আৰু ২০১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত গুৰু খেল বিভাগৰ সম্পাদকৰ দৰে এটি গধুৰ দায়িত্ব অৰ্পন কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াই যাবলৈ সুবিধা প্ৰদান কৰিলে।

সোণাৰি মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদকৰ দৰে পাছত অধিষ্ঠিত হৈ মহাবিদ্যালয়ৰ খেল বিভাগত কি কি কৰিব পাৰিলো সেয়া আপোনাসকলৰ বিচাৰ্য্য বিষয়। তথাপিতো মই মোৰ সাধ্য অনুসাৰে মোৰ কামত আত্মনিয়োগ কৰিছিলো। মোৰ কাৰ্যকালতে ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয়ৰ ক্ৰীড়া প্ৰতিযোগিতাত আমি ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলো। কিন্তু আমাৰ প্ৰতিযোগীৰ পাৰদৰ্শিতা দুৰ্বল হোৱাৰ হেতুকে আমাৰ মহাবিদ্যালয়লৈ এই জয়ৰ ফল কঢ়িয়াই আনিব নোৱাৰিলো। কিন্তু আমি কষ্ট নকৰাকৈ থকা নাছিলো। প্ৰতিযোগীৰ সকলৰ লগতে আমাৰ শিক্ষাগুৰু সকলেও এই কষ্টৰ সমভাগী হৈছিল। আৰু উপযুক্ত যোগাযোগ আৰু আমাৰ প্ৰতিযোগীৰ অভাৱৰ বাবে আমি আমাৰ মহাবিদ্যালয়ৰ আনবিলাক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব নোৱাৰিলো।

গুৰু খেলবিলাকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মুহূৰ্ত্তটো হৈছে মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ। মই এই ক্ৰীড়া সপ্তাহত গুৰু খেল বিভাগৰ সম্পাদক হিচাপে আটাইবিলাক কেল অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিলো কিন্তু সময়ৰ পৰিমাণ কম হোৱাৰ বাবে আটাইবিলাক খেলৰ প্ৰতিযোগিতা অতি কম সময়ত অনুষ্ঠিত কৰিব লগা হৈছিল আৰু সেই কাৰণে ছাত্ৰ-ছাত্ৰীসকলে বহুতো অসুবিধাৰ সম্মুখীন হ'ব লগা হৈছিল আৰু ইয়াৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। কিন্তু অতি পৰিতাপৰ কথা যে মহাবিদ্যালয়ৰ ক্ৰিড়ী সপ্তাহত ছাত্ৰ-ছাত্ৰী উপস্থিতি আৰুঅংশগ্ৰহণ কৰিছিল নিচেই নগন্য। সেয়ে সকলোলৈ এই প্ৰতিবেদনৰ দ্বাৰাই মোৰ অনুৰোধ যে, অনাগত দিনবোৰত যেন তেওঁলোকে মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত উপস্থিত থাকি আৰু নিজে অংশ গ্ৰহণ কৰাৰ লগতে আনকো উৎসাহিত কৰে যেন। মোৰ ক'বলগীয়া ঃ গুৰু খেল বিভাগৰ সম্পাদকৰ দৰে গুৰু দায়িত্ব পালন কৰাত অনেকৰে অনেক কিবা ক'বলগীয়া থাকিব পাৰে। মোৰ কাৰ্যসূচীসমূহত ক'ৰবাত ভুল হৈ যোৱাটো স্বাভাৱিক। আপোনালোকে যেন মোৰ নিজ শিষ্য, ভাতৃ, বন্ধু হিচাপে গণ্য কৰি ভুলবিলাক ক্ষমা কৰে যেন।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ কাৰ্য্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে গিৰীণ গগৈ চাৰ, জ্যোতিপ্ৰসাদ চাৰ, ফনীন্দ্ৰ কোঁৱৰ চাৰকে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ প্ৰতিটো সাফল্যমণ্ডিত কৰি তোলাৰ বাবে মোক বিভিন্ন সময়ত সহায়-সহযোগ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে মোক উৎসাহ আৰু সহায় আগবঢ়োৱা মানিক দা, পুতুল দা, সৌৰভ দা, নৱজ্যোতি দা, বসন্ত কাই আৰু মোৰ বন্ধু অপূৰ্ব, গণেশ, সন্দিপ, মোৰ বাইদেউ জ্যোতিস্মঅতা, সুৰভী, ৰিংকী, মোৰ ভাইটি লক্ষ্য, পংকজ, শশংক, দেৱ, সুৰজিৎ; তদুপৰি ছাত্ৰী নিবাস আৰু ছাত্ৰ নিবাসৰ সমূহ আবাসীৰ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সামৰণি ঃ প্ৰতিবেদনৰ সামৰণিত ভৱিষ্যতৰ ছাত্ৰ একতা সভালৈ মোৰ অনুৰোধ যে, আমাৰ কাৰ্যকালত সফল কৰিব নোৱাৰা কাৰ্যসমূহৰ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত আগুৱাই যায় যেন।

সদৌ শেষত নৱীনৰ্বাচিত ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়ালৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

**শ্ৰী মানস প্ৰতীম গগৈ**
সম্পাদক, গুৰু খেল বিভাগ
সোণাৰী মহাবিদ্যালয়ৰ ছাত্ৰ এক সভা
২০০৯-২০১০ বৰ্ষ।



# Debating Secretary's Report-2009-2010



Namaskar,

At the very outset I would like to offer my regards to our respected Principal, Dr. Rajen Tamuli with Mr. Sunil Dutta Sir and Mr. Rajib Kotoky Sir. I am also grateful for all the Lecturers and the students of Sonari College for their valuable advice and co-operation.

I thank you all for the help in handling this respectable portfolio. I am not sure how much you are satisfied and upto which limit I have succeeded in my duty and promises made to you but I believe that I have given my best. During my session I organized all the competitions under my portfolio during College Week. The 'Quiz Competition ' was held under ' Click on Quiz' and I hope that it was at par with the best.

At last I specially offer my thanks to my seniors Hansang Konwar and all my friends. I hope to get your co-operation in future to perform my duties.

"Long Live Sonari College "

"Long Live Sonari College Students Union "

THANKS.

**Pongkhi Konwar**
Debating Secretary

# সোণাৰি মহাবিদ্যালয়ৰ ২০০৯-২০১০ বৰ্ষৰ ক্ৰীড়া সপ্তাহত অনুস্থিত কৰা বিভিন্ন প্ৰতিযোগিতাসমূহ আৰু লগতে পুৰস্কাৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ নাম উল্লেখ কৰা হ'ল

**অসমীয়া কবিতা আবৃত্তি**
প্ৰথম স্থান - প্ৰিয়ংকা শৰ্মা।
দ্বিতীয় স্থান - মেঘালী বৰুৱা।
তৃতীয় স্থান - সৌৰভ চেতিয়া।

**ইংৰাজী কবিতা আবৃত্তি**
প্ৰথম স্থান - মেঘালী বৰুৱা।
নিচুকণি - গায়ত্ৰী দেৱী।

**অসমীয়া বাতৰি পঢ়া**
প্ৰথম স্থান - মেঘালী বৰুৱা।
দ্বিতীয় স্থান - ইমানী বৰুৱা।
তৃতীয় স্থান - পল্লৱী গগৈ।

**ইংৰাজী বাতৰি পঢ়া**
দ্বিতীয় স্থান - হানছেং কোঁৱৰ।
তৃতীয় স্থান - মধুপলি গগৈ।

**থলীতে লিখা কবিতা**
প্ৰথম স্থান - পল্লৱী প্ৰিয়া কোঁচ।
দ্বিতীয় স্থান - চিৰঞ্জীৱ কটকী।
- চিৰন্তন গগৈ।
তৃতীয় স্থান - প্ৰিয়ংকা চেতিয়া ফুকন।
- ৰাকেশ গগৈ।
- মেঘালী বৰুৱা।

**থলীতে লিখা চুটিগল্প**
প্ৰথম স্থান - চিমি বৰগোঁহাই।
দ্বিতীয় স্থান - সংগীতা গগৈ/ইমানী বৰুৱা।
তৃতীয় স্থান - সীমান্ত জীৱন বৰা।
- জোনালী বিশ্বকৰ্মা।

**স্ব-ৰচিত কবিতাৰ পাণ্ডুলিপি (অসমীয়া)**
প্ৰথম স্থান - প্ৰিয়ংকা চেতিয়া ফুকন।
দ্বিতীয় স্থান - চিৰঞ্জীৱ কটকী।
তৃতীয় স্থান - চিৰন্তন গগৈ।
- কৃষ্ণ কাগয়ুং।
উদ্‌গনি - পল্লৱী প্ৰিয়া কোঁচ।

**স্ব-ৰচিত কবিতাৰ পাণ্ডুলিপি (ইংৰাজী)**
উদ্‌গনি - উৎপল তাঁতী।

**প্ৰবন্ধ (অসমীয়া)**
দ্বিতীয় স্থান - পাল্কী কোঁৱৰ।
উদ্‌গনি - চন্দন দাস।
- দেৱজিৎ বড়া।

**প্ৰবন্ধ (ইংৰাজী)**
উদ্‌গনি - ৰূপম তাচা।

**চিত্ৰাঙ্কন**
প্ৰথম স্থান - চন্দন নয়ন দাস।
দ্বিতীয় স্থান - সীমান্ত জীৱন বৰা।
তৃতীয় স্থান - জয়ন্ত বৰুৱা।

**একাংকিকা নাটৰ লিখনি**
উদ্‌গনি
প্ৰথম স্থান - নিৰ্মলি কুমাৰ গগৈ।
- কপজ্যোতি বৰুৱা

**সাংস্কৃতিক প্ৰতিযোগিতাৰ ফলাফলসমূহ-**

**বিহু নৃত্য প্ৰতিযোগিতা**
প্ৰথম - যোথিকা গগৈ
দ্বিতীয় - দেৱানন্দ ফুকন
- মুনমী কোঁৱৰ
তৃতীয় - অৰ্চনা কোঁৱৰ

**আধুনিক নৃত্য প্ৰতিযোগিতা**
প্ৰথম - প্ৰিয়ংকা শৰ্মা
দ্বিতীয় - চুমী বড়া
তৃতীয় - যোথিকা গগৈ
- মুনমী বড়া।

**দলীয় নৃত্য প্ৰতিযোগিতা**
প্ৰথম - প্ৰিয়ংকা চেটিয়া ফুকন আৰু সঙ্গীবৃন্দ।
দ্বিতীয় - উদিপ্তী মহন আৰু সঙ্গীবৃন্দ।
তৃতীয় - ভাস্কৰ গগৈ আৰু সঙ্গীবৃন্দ।

**একক অভিনয় প্ৰতিযোগিতা**
প্ৰথম - পুলকেশ গোহাঁই
দ্বিতীয় - চয়নিকা কোঁৱৰ
তৃতীয় - কাবেৰী গগৈ।

**মুক অভিনয় প্ৰতিযোগিতা**
প্ৰথম - পুলকেশ গোহাঁই
দ্বিতীয় - হানচেং কোঁৱৰ
তৃতীয় - কনচেং গগৈ।

**সাজপাৰ প্ৰতিযোগিতা**
প্ৰথম - পল্লৱী বৰঠাকুৰ
দ্বিতীয় - মিনতি তেলী
তৃতীয় - যোথিকা গগৈ।

**কৌতুক প্ৰতিযোগিতা**
প্ৰথম - হানচেং কোঁৱৰ আৰু সঙ্গীবৃন্দ।
দ্বিতীয় - যোথিকা গগৈ আৰু সঙ্গীবৃন্দ।
তৃতীয় - ফিট্ ফাট্ গোষ্ঠী

**একাংকিকা নাট**
শ্ৰেষ্ঠ নাট্যদল- বাহিৰে ৰংচং ভিতৰে কুৱাভাতুৰী।
দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল- এখন ঘৰ।
তৃতীয় শ্ৰেষ্ঠ নাট্যদল- হাঁহি।
শ্ৰেষ্ঠ অভিনেতা- নৰোত্তম গগৈ (কণিষ্টবল)
শ্ৰেষ্ঠ অভিনেত্ৰী - কাবেৰী গগৈ (গোলাপী)
দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী- প্ৰিয়ংকা শৰ্মা (মনোমতী)
শ্ৰেষ্ঠ সহঃ অভিনেতা- পুলকেশ গোহাঁই (ইন্সপেক্টৰ)
শ্ৰেষ্ঠ সহঃ অভিনেত্ৰী- যোথিকা গগৈ (শান্তি)
শ্ৰেষ্ঠ কৌতুক অভিনেতা- নৱদীপ বৰুৱা (সাগৰ)
শ্ৰেষ্ঠ পৰিচালক- নৰোত্তম গগৈ
(বাহিৰে ৰংচং ভিতৰে কুৱাভাতুৰী)
বিচাৰকৰ বিশেষ বঁটা - পল্লৱী প্ৰিয়া কোঁচ।

**সঙ্গীত প্ৰতিযোগিতাৰ ফলাফলসমূহ**

**বৰগীত**
প্ৰথম স্থান - জুৰি দত্ত।
দ্বিতীয় স্থান - প্ৰিয়াশ্ৰী গগৈ।
তৃতীয় স্থান - মৈত্ৰেয়ী বৰুৱা।

**ভজন**
প্ৰথম স্থান - সুৰজিৎ দত্ত।
দ্বিতীয় স্থান - প্ৰিয়াশ্ৰী গগৈ।
তৃতীয় স্থান - মৈত্ৰেয়ী বৰুৱা।

**লোকগীত**
প্ৰথম স্থান - প্ৰিয়াশ্ৰী গগৈ।
দ্বিতীয় স্থান - মৈত্ৰেয়ী বৰুৱা।
তৃতীয় স্থান - অৰ্চনা শ্যাম।

**বিষ্ণু ৰাভা সঙ্গীত**
প্ৰথম স্থান - প্ৰিয়াশ্ৰী গগৈ।
দ্বিতীয় স্থান - চিমি বৰগোহাঁই।
তৃতীয় স্থান - জুৰি দত্ত।
- চিৰন্তন গগৈ

**জ্যোতি সঙ্গীত**
প্ৰথম স্থান - প্ৰিয়াশ্ৰী গগৈ।
দ্বিতীয় স্থান - চিমি বৰগোহাঁই।
তৃতীয় স্থান - প্ৰিয়াশ্ৰী গগৈ।

**বিহুগীত**
প্ৰথম স্থান - অৰ্চনা শ্যাম
দ্বিতীয় স্থান - প্ৰিয়াশ্ৰী গগৈ
তৃতীয় স্থান - প্ৰিয়ঙ্কা চেতিয়া ফুকন।

**গজল**
নিচুকণি বঁটা - সুৰজিৎ দত্ত

**পাৰ্বতীপ্ৰসাদ সঙ্গীত**
প্ৰথম স্থান - জুৰি দত্ত।
দ্বিতীয় স্থান - প্ৰিয়াশ্ৰী গগৈ।
তৃতীয় স্থান - চিৰঞ্জীৱ কটকী।

**ভুপেন্দ্ৰ সঙ্গীত**
প্ৰথম স্থান - কাব্যশ্ৰী বড়া।
দ্বিতীয় স্থান - চিৰঞ্জীৱ কটকী।
তৃতীয় স্থান - জুৰি দত্ত।

**আধুনিক গীত**
প্ৰথম স্থান - কাব্যশ্ৰী বড়া।
দ্বিতীয় স্থান - প্ৰিয়ঙ্কা চেতিয়া ফুকন।
তৃতীয় স্থান - অৰ্চনা শ্যাম।

২০০৯-২০১০ বৰ্ষৰ শ্ৰেষ্ঠা গায়িকা- শ্ৰীমতী প্ৰিয়াশ্ৰী গগৈ।

**DEBATING REPORT**

1) Memory Test :
1st prize -: Prantimoyee Dutta
2nd ,, -: Rumi Gogoi
3rd ,, -: Pallavi Borthakur.

2) Quiz Competition :
1st -: Rituraj Singh & Biswajit Dutta.
2nd -: Utpal Changmai & Ajoy Talukder
3rd -: Krishna Kargyung & Rittam Churi

3) Extempore Spuch :
1st -: Chow Suteopha Gogoi
2nd -: Uddipti Mohan

3rd -: Chirantan Gogoi

4) Debating :
1st -: Chayanika Konwar
2nd -: Pongkhi Konwar
3rd -: Gayotri Devi.

-----------------------

## Sports result of Academic Year 2009-2010.

1) **Badminton** :-
a) Boys(Single) :
i) Arup Ghose.
ii) Dipankar Chetry
iii) Mihir Paul

b) Boys (Doubles) :
i) Arup Ghosh + Anuj Chakraborty.
ii) Prodip Lama + Ranjan.
iii) Sajid Hussain + Dipankar Chetry.

c) Girls(Single) :
i) Junmoni Neog.
ii) Sunny Bawri.
iii) Paharee Chetia

d) Girls(Doubles) :
i) Junmoni Neog + Nilakhi
ii) Paharee Chetia + Plabita sharma.
iii) Sunny Bawari + Prostuti Gogoi.

e) Mix doubles :
i) Sajid Hussain + Junmoni Neog
ii) Mashud Ahmed + Pinky Matia.
iii) Dipankar Chetry + Prostuti Gogoi

2) **Table Tennis** :-
a) Boys(Single) :
i) Pallav Kar
ii) Biswa Bikash Chakraborty
iv) Amulya Borthakur.

b) Boys(Doubles) :
i) Pallav Kar + Amrit Karketta
ii) Dhurvajyoti Borah + Amulya Borthakur
iii) Biswa Bikash Chakraborty + Sajid Hussain

b) Girls(Single) :
i) Sunny Bawri
ii) Punam Dhillion
iii) Imani Baruah

c) Girls(Doubles) :
i) Punam Dhillion + Prostuti Gogoi
ii) Imani Baruah + Manamee Khanikar
iii) Sunny Bawri + Plabita Sharma

d) Mix Doubles :
i) Sajid Hussain + Prostuti Gogoi
ii) Amulya Borthakur + Punam Dhillion
iii) Pallav Kar + Pallabi Gogoi

3) Carrom :-
a) Boys(Single) :
i) Arup Ghosh
ii) Jyotish Tasha
iii) Biswa Bikash Chakraborty

b) Boys(Doubles) :
i) Krishna + Jyotish Tasha.
ii) Biswa Bikash Chakraborty + Prosenjit Dutta
iii) ApurbaBikash Chakraborty + Utpal Chakraborty

c) Mix Doubles :

i) Biswajit Dutta + Kaku Gogoi
ii) Apurba Bikash Chakraborty + Triveni Chetry
iii) Biswa Bikash Chakraborty + Priayanka Paul

d) Girls(Single) :

i) Trivini Chetry
ii) Nirupa Behra
iii) Chayanika Konwar

e) Girls(Doubles) :
i) Nirupa Behra + Bandana
ii) Trivini Chetry + Kabyashree Borah
iii) Pinky Maliya + Chayanika Konwar

4) Chess :-
a) Boys :
i) Rituraj Singh



ii) Jitendra Baruah
iv) Biswa Bikash Chakraborty

b) Girls :
i) Sabita Mohanti
ii) Pompi Kalita
iii) Nirupa Behra.

--------------------

## Results of the Major Games Secretary

**Marathan Race (boy's)**

| Position | Name | Time |
|---|---|---|
| 1st | Pankaj Khatrapal | 5.30am- 6.6am |
| 2nd | Papu Likson | 5.30am- 6.8am |
| 3rd | Ujjal Das | 5.30am- 6.10am |
| 4th | Ranjit Bakti | 5.30am- 6.11am |
| 5th | Utpal Tanti | 5.30am- 6.17am |
| 6th | Nayanmoni Gogoi | 5.30am- 6.18am |
| 7th | Santanu Phukan | 5.30am- 6.19am |
| 8th | Mridul Chetia | 5.30am- 6.20am |
| 9th | Champha Wanso | 5.30am- 6.21am |
| 10th | Pranjit Dutta | 5.30am- 6.24am |
| | Biswabikash Chakraborty | 5.30am- 6.24am |
| 11th | Debananda Phukan | 5.30am- 6.26am |

**Marathan Race (girl's)**

| Position | Name |
|---|---|
| 1st | Karabi Phukan |
| 2nd | Priyanka Chetia |
| 3rd | Tarali Phukan |
| 4th | Pallabi Gogoi |
| 5th | Dibyajyoti Gogoi |
| 6th | Papumoni Sonowal |
| 7th | Susmita Boruah |

**Long Jump (boy's)**
1st Pranabjyoti Bordoloi (17.8 feet)
2nd Khirud Shyam (17.1 feet)
3rd Nabajyoti Changmai (16.7)

**High Jump (boy's)**
1st Khirud Shyam
2nd Bitu Phukan
3rd Nabajyoti Changmai

**Tripple Jump (boy's)**
1st Khirud Shyam (32.9 feet)
2nd Pranabjyoti Bordoloi (32.8 feet)
3rd Ajoy Talukdar (30.6 feet)

**Long Jump (girl's)**
1st Junali Musahari
2nd Karuna Tali
3rd Jilmil Begum
3rd Smritirekha Dutta

**High Jump (girl's)**
1st Junali Musahari
2nd Karuna Tali
3rd Jyotika Tamuly

**Tripple Jump (girl's)**
1st Sokia Begum
2nd Smritirekha Dutta
3rd Sobita Hazarika
3rd Junali Musahari

**Discuss Through (boy's)**
1st Sondip Gohain (76.5 ft.)
2nd Amulya Borthakur (73.3ft.)
3rd Nabajit Charingia (71.11 ft)

**Jevelin Through (boy's)**
1st Bishal Duari (41.8 m.)
2nd Nisit Kr. Deka (40.7m.)
3rd Amulya Borthakur (37.2m)

**Shotput (boy's)**
1st Sandeep Borgohain (13.2m.)
2nd Champha Wangsu (11.8m.)
3rd Deepjyoti Borgohain (11.5m)

**Shotput (girl's)**
1st Nuri Borgohain (8.33m.)
2nd Bani Nayak (8.3m.)
3rd Anjeeta Khaklari (8.2m)

**Discuss Through (girl's)**
1st Jyotika Tamuly (59.6ft.)
2nd Gayatri Ranjana Gogoi (55.4ft)
3rd Bani Nayak (53.1ft.)

**Jevelin Through (girl's)**

| | |
|---|---|
| 1st | Momi Borgohain |
| 2nd | Nuri Borgaohain |
| 3rd | Prastuti Gogoi |

**100m Race (girl's)**

| | |
|---|---|
| 1st | Papumoni Sonowal |
| 2nd | Rimpi Das |
| 3rd | Dulumoni Borah |

**100m Race (boy's)**

| | |
|---|---|
| 1st | Swapnajit Borgohain |
| 2nd | Pankaj Khatrapal |
| 3rd | Nabajyoti Changmai |
| | Ujjal Das |

**200m Race (boy's)**

| | |
|---|---|
| 1st | Swapnajit Borgohain |
| 2nd | Nabajyoti Changmai |
| 3rd | Bitu Phukan |

**200m Race (girl's)**

| | |
|---|---|
| 1st | Rimpi Das |
| 2nd | Priyanka Chetia |
| 3rd | Lakhi Rajbongshi |

**400m Race (girl's)**

| | |
|---|---|
| 1st | Rimpi Das |
| 2nd | Priyanka Chetia |
| 3rd | Reshma Khatrapal |

**400m Race (boy's)**

| | |
|---|---|
| 1st | Bitu Phukan |
| 2nd | Swapnajit Borgohain |
| 3rd | Nabajyoti Changmai |

**800m Race (girl's)**

| | |
|---|---|
| 1st | Rimpi Das |
| 2nd | Karabi Phukan |
| 3rd | Reshma Khatrapal |

**800m Race (boy's)**

| | |
|---|---|
| 1st | Ujjal Das |
| 2nd | Ranjit Bakti |
| 3rd | Swapnajit Borgohain |

**1600m Race (girl's)**

| | |
|---|---|
| 1st | Rimpi Das |
| 2nd | Priyanka Chetia |
| 3rd | Karabi Phukan |
| 4th | Nayanmoni Gogoi |

**1600m Race (boy's)**

| | |
|---|---|
| 1st | Bitu Phukan |
| 2nd | Ujjal Das |
| 3rd | Dilip Bhuyan |
| 4th | Rustom Saikia |

**Kabadi (girl's)**

| | |
|---|---|
| 1st | Reshma Khatrapal Group |
| 2nd | Rubi Gogoi Group |

**Kabadi (boy's)**

| | |
|---|---|
| 1st | Champha Wangsu Group |
| 2nd | Afak Ansari Group |

**4 × 100m Relay Race (boy's)**

| | |
|---|---|
| 1st | Nabajyoti Changmai |
| | Dilip Urang |
| | Rustom Saikia |
| | Debananda Phukan |
| 2nd | Swapnajit Borgohain |
| | Ujjal Das |
| | Prosenjit Dutta |
| | Dilip Bhuyan |
| 3rd | Ranjit Bakti |
| | Chutyew Fa Gogoi |
| | Bitu Phukan |
| | Arunjyoti Borah |

**× 100m Relay Race (girl's)**

| | |
|---|---|
| 1st | Rimpi Das |
| | Anjita Khaklari |
| | Tarali Phukan |
| | Dulumoni Borah |
| 2nd | Karabi Phukan |
| | Monalisha Kakoti |
| | Deepjyoti Gogoi |
| | Priyanks Chetia |
| 3rd | Reshma Khatrapal |
| | Priyakshi Gogoi |
| | Mompi |
| | Sunena |



# সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' সম্পাদনা কৰোঁতাসকল

| সম্পাদক | বৰ্ষ |
|---|---|
| পুৰ্ণেশ্বৰ দিহিঙ্গীয়া | ১৯৭২-৭৩ |
| সোণবৰ গগৈ | ১৯৭৩-৭৪ |
| চন্দন কাকতি | ১৯৮৩-৮৪ |
| ৰাতুল চেতিয়া ফুকন | ১৯৮৫-৮৬ |
| মহেশ গদুকা | ১৯৮৬-৮৭ |
| অচিন্ত দিহিঙ্গীয়া | ১৯৮৭-৮৮ |
| কল্পনা বৰুৱা | ১৯৮৮-৮৯ |
| দিব্যজ্যোতি কোঁৱৰ | ১৯৯০-৯১ |
| মণিদ্বীপ মোহন | ১৯৯১-৯২ |
| অমৃত বাইলুং | ১৯৯২-৯৩ |
| নুৰজ চাবুকধৰা | ১৯৯৩-৯৪ |
| চন্দন বৰগোহাঁই | ১৯৯৪-৯৫ |
| বিশ্বজিৎ গগৈ | ১৯৯৮-৯৯ |
| প্ৰাঞ্জল গগৈ | ২০০০-২০০১ |
| ভাস্কৰ বৰুৱা | ২০০১-২০০২ |
| বিপ্লৱজ্যোতি ৰাজখোৱা | ২০০২-২০০৩ |
| জয়ন্ত ফুকন | ২০০৩-২০০৪ |
| অমৃত কুমাৰ গুৰুং | ২০০৪-২০০৫ |
| অমৃত কুমাৰ গুৰুং | ২০০৫-২০০৬ |
| হিৰেশ্বৰ দাস | ২০০৬-২০০৭ |
| শ্যামন্ত কুমাৰ বড়া | ২০০৭-২০০৮ |
| নয়নজ্যোতি বুঢ়াগোহাঁই | ২০০৮-২০০৯ |

২০০৯-২০১০ এই সংখ্যাৰ সম্পাদক সৌৰভজ্যোতি চেতিয়া

## কৃতজ্ঞতাৰ শৰাই—

- মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজেন তামুলীদেৱলৈ
- উপাধ্যক্ষা ৰতিপ্ৰভা বাইদেউলৈ
- আলোচনীৰ বিভাগীয় উপদেষ্টা দিপাঞ্জলী গগৈ, ৰাণু মহন, ৰীণা বৰঠাকুৰ বাইদেউলৈ
- লেখনিসমূহ নিৰ্বাচনত সহায় কৰা তথা লেখাসমূহৰ ওপৰত চকু ফুৰাই দিয়া অধ্যাপিকা জ্যোতিৰেখা, পদ্মকুমাৰী, বিজয়লক্ষ্মী, জ্যোতিমা, ৰীতা দত্ত, দিপাঞ্জলী বাইদেউলৈ আৰু অধ্যাপক হিমাংশু চাৰলৈ
- হৃদয়ৰ নিৰ্যাসেৰে সিক্ত কৰি বাৰ্ষিক আলোচনী 'সোণালী'ৰ সৌষ্ঠৱ বৃদ্ধি কৰা সমূহ লেখক-লেখিকা তথা 'সোণালী'লৈ লেখা পঠিওৱা সকললৈ
- মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ সমূহ অধ্যাপক-অধ্যাপিকালৈ
- ভাৰপ্ৰাপ্ত গ্ৰন্থগাৰিকা আৰু কৰ্মচাৰীবৃন্দলৈ
- মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দলৈ
- ফটোসমূহ সংগ্ৰহ কৰি দিয়া দুদুল ফুকনলৈ
- সুন্দৰভাৱে স্কেচ্ছসমূহ অংকণ কৰি দিয়া উদ্দিপ্তী, মিথুলৈ আৰু বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা সহায়-সহযোগ আগবঢ়োৱা দেৱানন্দ, চন্দন, হানছেং দালৈ
- সোণাৰি মহাবিদ্যালয়ৰ সমূহ দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টীলৈ
- গ্ৰাফিক্স ডিজাইনাৰ অনিল দালৈ
- বিনায়ক অফ্‌চেটৰ সমূহ কৰ্মকৰ্তালৈ সদৌ শেষত, শত-সহস্ৰ 'সোণালী'ৰ শুভাকাংক্ষীলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।




14/08/2010